# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): Parikhit Hajoreeka. | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Sāhitya Sabhā Patrikā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1980 | Edition: |
| Size: 23 cms. 3+6+92+8+83+5+56+8+101 pages | Genre: Magazine |
| Volumes: 37 - 4 issues. | Condition of the original: good |
| Remarks: [illegible]. 1st vol. published in the year 1927 and has been contg. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

CHATRA BANDHU BOOK BINDERS
Jorhat
Assam

# অসম সাহিত্য সভা পত্ৰিকা

সপ্তত্ৰিংশ বছৰ	ঊনৈছ শ আশী	প্ৰথম সংখ্যা

ক্ৰ: ২৪৮৯-২৪৯২/৯০
তাং: ১৪/৩/২০০১

অসম সাহিত্য সভা

সম্পাদক ঃ

# অসম সাহিত্য সভা পত্ৰিকা

সপ্তত্ৰিংশ বছৰ : প্ৰথম সংখ্যা

সম্পাদক

ড° পৰীক্ষিত হাজৰিকা

অসম সাহিত্য সভা পত্ৰিকা

সপ্তত্ৰিংশ বছৰ

প্ৰথম সংখ্যা

মাৰ্চ, এপ্ৰিল, মে, ১৯৮০

সম্পাদক :

ড° পৰীক্ষিত হাজৰিকা,

ৰেড ক্ৰছ ৰোড,

ডিব্ৰুগড়।

৫৪৮৯-৯৫।৯১

প্ৰকাশক :

শ্ৰীনগেন শইকীয়া,

প্ৰধান সম্পাদক, অসম সাহিত্য সভা,

চন্দ্ৰকান্ত সন্দিকৈ ভৱন,

যোৰহাট - ১

মূল্য :

তিনি টকা।

ছপাশাল :

পেপাৰ প্ৰিণ্টিং প্ৰেছ,

ডিব্ৰুগড়।

# অসম সাহিত্য সভা পত্ৰিকা

সপ্তত্ৰিংশ বছৰ : প্ৰথম সংখ্যা

এই সংখ্যাত আছে :

সম্পাদকীয় ॥ ক ॥

বিদেশীৰ গ্ৰাসত অসম ॥ ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামী ॥ ১ ॥ অসমৰ স্বাৰ্থ-সংৰক্ষণত অসম জাতীয় মহাসভাৰ ভূমিকা ॥ শ্ৰীঅশ্বিনীচৰণ চৌধুৰী ॥ ১৩ ॥ অসমত বিদেশী আৰু বৰ্তমান সমস্যাৰ সমাধান ॥ ৺ হেৰাছত উল্লা ॥ ১৮ ॥ কথা-ভক্তি ৰত্নাকৰ : গোপালচৰণ দ্বিজ ॥ শ্ৰীনবীনচন্দ্ৰ গোস্বামী ॥ ২৬ ॥ ৰঘুনাথ চৌধাৰীৰ কাব্য-দৰ্শন : 'কেতেকী' ॥ ড° পূৰ্ণানন্দ শইকীয়া ॥ ৩১ ॥ বিশ্বনাথ ক্ষেত্ৰ ॥ শ্ৰীনাৰায়ণ দাস ॥ ৩৬ ॥ চন্দ্ৰাৱলী-কথা : এটি সমীক্ষণ ॥ শ্ৰীৰাজেন ৰাভা ॥ ৪৫ ॥ পুথি-পৰিচয় ॥ ৫১ ॥ অসম সাহিত্য সভাৰ ভিতৰ চ'ৰা ॥ ৫৭ ॥ সাম্প্ৰতিক গণ-আন্দোলনৰ ঘটনা-পঞ্জী ॥ ৮৬ ॥

# অসম সাহিত্য সভা পত্ৰিকাৰ

## নিয়মাৱলী

১। 'অসম সাহিত্য সভা পত্ৰিকা' অসম সাহিত্য সভাৰ মুখপত্ৰ।

২। এই পত্ৰিকাত ভাষা-সংস্কৃতি বিষয়ক মৌলিক, চিন্তামূলক আৰু গৱেষণামূলক প্ৰবন্ধাদিয়ে বাইকৈ ঠাই পাব।

৩। পত্ৰিকা প্ৰতি তিনিমাহৰ মূৰে মূৰে প্ৰকাশিত হ'ব।

৪। পত্ৰিকালৈ পঠোৱা প্ৰবন্ধ-পাতি 'ড° পৰীক্ষিত হাজৰিকা, বেড ক্ৰছ ৰোড, ডিব্ৰুগড়' এই ঠিকনাত পঠাব লাগিব। সমালোচনাৰ বাবে পঠোৱা একেবিধ গ্ৰন্থৰ দুখনকৈ পঠালেহে সমালোচনা কৰাৰ সুবিধা হয়।

৫। পত্ৰিকাৰ বৰঙনি, বিতৰণ সম্পৰ্কীয় চিঠি-পত্ৰাদি 'প্ৰধান সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট—১' এই ঠিকনাত পঠাব লাগিব।

৬। প্ৰতি সংখ্যা পত্ৰিকাৰ মূল্য তিনি টকা আৰু বছৰেকীয়া বৰঙনি বাৰ টকা।

৭। বছৰেকীয়া গ্ৰাহকসকলে বছৰৰ প্ৰথম সংখ্যাৰ পৰা পত্ৰিকা পাব।

৮। অসম সাহিত্য সভাৰ শাখাসভাসমূহে এখনকৈ পত্ৰিকা আধা বেচত পাব।

৯। দহখনতকৈ বেছি পত্ৰিকা নিওঁতাই শতকৰা পঁচিশ টকা কমিছন পাব।

১০। ডাকযোগে এজেণ্ট বা গ্ৰাহকে নিব খুজিলে পত্ৰিকাৰ মূল্য মনিঅৰ্ডাৰ কৰি আগতে পঠাব লাগিব।

পত্ৰিকা সম্পাদনা সমিতি :

১। শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, সভাপতি, অসম সাহিত্য সভা

২। শ্ৰীনগেন শইকীয়া, প্ৰধান সম্পাদক, অসম সাহিত্য সভা

৩। ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামী, সদস্য

৪। শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য, সদস্য

৫। শ্ৰীডিম্বেশ্বৰ চলিহা, সদস্য

৬। শ্ৰীখগেন্দ্ৰনাথ চেতিয়াফুকন, সদস্য

৭। ড° পৰীক্ষিত হাজৰিকা, সম্পাদক।



## সম্পাদকীয়

### অস্তিত্ব-ৰক্ষাৰ সংগ্ৰাম, ৰাজনীতিৰ প্ৰশ্ন আৰু মানৱতাৰ ধ্বনি

কোনো দেশ বা জাতি যেতিয়া গভীৰ সংকটত পৰে, তেতিয়া সেই দেশ বা জাতিৰ প্ৰতিজন ব্যক্তিয়েই সংশ্লিষ্ট জনসমষ্টিৰ অস্তিত্ব ৰক্ষাৰ অৰ্থে চৰম ত্যাগ কৰিবলৈ আগ বাঢ়ি অহাৰ পৰম স্পৃহাৰ অভিব্যক্তিয়েই হ'ল স্বদেশ-প্ৰেম বা স্বজাতি-প্ৰীতি। ভাৰতবাসীৰ স্বদেশ-প্ৰেম বা স্বজাতি-প্ৰীতি আছে। তাৰ প্ৰমাণ আমি স্বাধীনতাসংগ্ৰামত পাইছোঁ, ১৯৬২ চনত চীনা আক্ৰমণত পাইছোঁ, আৰু ১৯৬৫ চনত পাকিস্তানে ভাৰত আক্ৰমণ কৰাৰ সময়তো পাইছোঁ।

অসম ভাৰতৰ এখন অংগ-ৰাজ্য, অসমবাসী ভাৰতবাসীৰ ভিতৰতে এক ক্ষুদ্ৰ অং । এই ৰাজ্যখনৰ আৰু ইয়াৰ খিলঞ্জীয়া অধিবাসীসকলৰ এক গৌৰৱময় ঐতিহ্য আছে। স্বদেশ-প্ৰেম, স্বকীয় সংস্কৃতি-প্ৰীতি আৰু উদাৰ মানৱতাবোধ এই অধিবাসীসকলৰ চাৰিত্ৰিক বৈশিষ্ট্য। দুৰ্বিপাকত পৰি বিশ্বৰ বিৰাট জাতি বিশেষৰ উত্থান-পতন ঘটাৰ দৰে অসমীয়া জাতিৰো মাজে-সময়ে অভ্যুদয় বা অৱনতি ঘটিছে। কোনো পাক-চক্ৰত পৰিলেও অসমীয়াই স্বকীয় সত্তা আৰু জাতীয় আদৰ্শ ৰক্ষা কৰি আহিব পাৰিছে। বুৰঞ্জীয়ে তাৰ সাক্ষ্য বহন কৰি আহিছে।

সাম্প্ৰতিক কালত অসম এখন সংকটপূৰ্ণ ৰাজ্য। বৃটিছ শাসনৰ কালত এই সংকট ঘনীভূত হৈ পৰে। প্ৰাকৃতিক দুৰ্যোগৰ ফলত সংকট আহিলে তাক সহজে মোচন কৰিব পাৰি, কাৰণ সেইয়া সাময়িক কিন্তু সাম্ৰাজ্যবাদী শত্ৰুৰ ষড়যন্ত্ৰৰ ফলত সংকট আহিলে তাক সোনকালে মোচন কৰিব নোৱাৰি, কাৰণ সেইয়া দীৰ্ঘকালীন। তাতে আকৌ ঘৰৰ মানুহে ব্যক্তিগত স্বাৰ্থপূৰণৰ বাবে শত্ৰুৰ সৈতে হাত মিলালে সেই সংকট বেছি জটিল হৈ পৰে। অসম তথা ভাৰত-বুৰঞ্জীত এনে উদাহৰণ বহুত আছে।

অসমৰ বৰ্তমান সংকট হৈছে ৰাজ্যখনৰ অস্তিত্ব-ৰক্ষাক লৈ। অসমীয়াৰ সামগ্ৰিক অস্তিত্ব বিপন্ন কৰি তুলিছে বিদেশী অনুপ্ৰবেশে। ১৯৪৭ চনৰ পৰা বৰ্তমান সময়লৈকে আগৰ পূৰ্বপাকিস্তান, বৰ্তমানৰ বাংলাদেশ আৰু নেপালৰ পৰা অহা লাখ লাখ বিদেশীয়ে অসমত অবৈধভাৱে সিতাপি লৈ ৰাজ্যখনৰ খিলঞ্জীয়া অধিবাসীসকলক সংখ্যালঘুত পৰিণত কৰিবলৈ উপক্ৰম কৰিছে। এইয়া সাম্ৰাজ্যবাদী সকলৰ দীৰ্ঘম্যাদী

পৰিকল্পনা। ভাষাৰ ভিত্তিত তাহানিৰ পূৰ্ববঙ্গীয় বঙালীসকলে অসমক গ্ৰাস কৰাৰ পৰিকল্পনা হাতত লৈছিল; এতিয়া বাংলাদেশীবিলাকে সেই পৰিকল্পনাক উজ্জীৱিত কৰি তুলিছে। প্ৰমাণ স্বৰূপে এই প্ৰসঙ্গত কেইটামান দৃষ্টান্ত দাঙি ধৰিব পাৰি। ১৯০১ চনৰ অসম লোক-পিয়লৰ অধীক্ষক বি-চি এলেন চাহাবে মন্তব্য কৰিছিল—'লোক গণনাকাৰীবিলাকৰ ভাৰতত কোৱা ভাষা সম্পৰ্কে বৰ উকা ধাৰণা আছে, তেওঁলোকে গণনা-কাৰ্যত সকলো ভাষাকে বঙালী বুলি অন্তৰ্ভুক্ত কৰাটো উচিত বুলি ভাৱে। কিন্তু এই ক্ষেত্ৰত বেলেগ ভাষা হ'লেই বঙালী ভাষা বুলি ধৰি লোৱাটো ভুল কথা।' ১৯১১ চনৰ লোক-পিয়ল সম্পৰ্কত জে. মেকচুইনী চাহাবে লিখিছিল—'গোৱালপাৰা জিলাত আকৌ এটা বিপদে দেখা দিলে। যোৱা শীতকালত (১৯১১-১২) স্থানীয়ভাৱে অনুসন্ধান কৰি দেখা গ'ল যে অন্ততঃ ধুবুৰী মহকুমাৰ পূব ফালৰ হিন্দুসকলৰ ভাষাটো ১৯০১ চনৰ তালিকাত বঙালী মিশ্ৰিত অসমীয়া বুলি দেখুওৱা হৈছিল যদিও সেই ভাষাটোক চাৰ জৰ্জ গ্ৰীয়াৰ্চনে অসমীয়া বুলিহে কৈছিল। ইয়াৰ পৰা বুজা যায় যে প্ৰকৃত বঙালীৰ সংখ্যাতকৈ অসমীয়ালোকৰ সংখ্যা কমকৈ দেখুৱাবলৈ দিয়া নিৰ্দেশৰ কমত চৰকাৰী বিৱৰণবোৰ নষ্ট কৰা হৈছিল। মোৰ অনুৰোধক্ৰমে যোৱা শীতৰ মতৰত অসম উপত্যকাৰ কমিছনাৰে লোক-পিয়লৰ তালিকাবোৰ পিতাতে মিলাই চাবলৈ সন্মতি দিছিল। তেতিয়া বুজা গ'ল যে এই বিষয়ে স্থানীয় লোকৰ আপত্তি আছিল আৰু মূল তালিকাত অসমীয়াৰ সলনি বঙালী বুলি দেখুওৱা কামটো জিলাৰ লোক-পিয়ল বিষয়া আৰু কেইজনমান ভাৰপ্ৰাপ্ত অধীক্ষকৰ নিৰ্দেশত এনে পৰিবৰ্তন ঘটোৱা হৈছিল।' ( Census of India, 1911, Vol. III, Part I, P. 97 )। ১৯২১ চনৰ চেন্সাচটো জি-টি লয়দ চাহাবে গোৱালপাৰা জিলাত অসমীয়াতকৈ বঙলাভাষী লোকৰ সংখ্যা বেছিকৈ দেখুওৱাত গণনা-কাৰ্যত খুঁত আছে বুলি মন্তব্য কৰিছিল ( Census of India, 1921, Vol. III, Part I, PP. 115f. )। ১৯৩১ চনৰ লোক-পিয়ল সম্পৰ্কে চি. এছ. মুলান চাহাবে লিখিছে—'দুৰ্ভাগ্যবশতঃ উজনি অসমত বঙালী শব্দটোৰ দ্বাৰা অনা-অসমীয়া যি কোনো মানুহকে বুজায়, আৰু অসমীয়া গণনাকাৰীয়ে অনা-অসমীয়া ভাষা মাত্ৰকে বঙলা ভাষা বুলি লিখে। আচলতে বেছি শিতকৰা গাওঁতো ইংৰাজ এজনক পো বঙাল বুলিহে কয়। এই কাৰণেই উজনি অসমৰ জিলা কেইখনত বঙলা-ভাষীৰ পৰিসংখ্যা নিৰ্ভৰযোগ্য নহয়" ( Census of India, 1931, Vol. III, Part I, PP. 168f. )। এনেকুৱা ভুলৰ কাৰণে সেই সময় গোটেই অসমীয়া-ভাষী লোকৰ সংখ্যা ১০,২৪,৩৬৪ জন আৰু বঙলা-ভাষীলোকৰ সংখ্যা ৩৯,৬৬,৩৬৩ জন বুলি দেখুওৱা হৈছে।

লোক-পিয়ল আৰু ভোটাধিকাৰৰ গুৰুত্ব সম্পৰ্কে অসমীয়ালোক আগতে মুঠেও সচেতন নাছিল; কিন্তু স্বাধীনতা-লাভৰ পাছত তেওঁলোক কিছু পৰিমাণে সচেতন হৈছে। গতিকে ১৯৫১ চনৰ লোক-পিয়লত অসমীয়াৰ জনসংখ্যা বাঢ়িছে। তাকে দেখি 'বৃহত্তৰ বাংলা' গঠনৰ নেতাবোৰে পূব পাকিস্তানৰ পৰা আকৌ অসমীয়া অহাত উদগনি দিলে। অসমীয়া মানুহৰ সৰলতাৰ উমান পাই আৰু অসমৰ সাৰুৱা মাটিৰ লোভ লাগি লাগে লাগে পাকিস্তানী মানুহ ইয়ালৈ দপাল মেলিলে, সীমান্তত বাধা দিওঁতা কোনো নোলাল। এই পৰিকল্পিত বঙালী সকলে জনসংখ্যা বৃদ্ধি কৰি 'ৰাজ্য পুনৰ্গঠন আয়োগ'ৰ ওচৰত স্মাৰক-পত্ৰও দিছিল; তাত তেওঁলোকে বিচাৰিছিল যে অসমৰ বাংলা ভাষী অধ্যুষিত অঞ্চল পশ্চিম বঙ্গৰ লগত লগ লাগিব লাগে, নহ'লে কাছাৰ আৰু অসমৰ কেইখনমান বঙালী-প্ৰধান জিলা ত্ৰিপুৰা আৰু মণিপুৰৰ লগত লগ লগাই 'পূৰ্বাচল' নামেৰে এখন নতুন ৰাজ্য গঠন কৰিব লাগে। সেই সপোন বাস্তৱত পৰিণত হৈ উঠা দেখি সমগ্ৰ অসমত যাতে অসমীয়া ৰাজ্যভাষা হ'ব নোৱাৰে সেই উদ্দেশ্যে নানা ষড়যন্ত্ৰ কৰি থাকিল। এইয়া হ'ল ভাষা-ভিত্তিক অসম আক্ৰমণৰ দৃষ্টান্ত। ভূমি-ভিত্তিক অসম আক্ৰমণৰ দৃষ্টান্তও আছে। ১৯৩৪ চনত অসমৰ বঙালীসকলে Assam Settlers' Association গঠন কৰি নগাওঁৰ আলিটঙনিত অধিবেশন পাতি ঢাকাৰ নবাবক ইয়াৰ সভাপতি হিচাপে আনিলে আৰু বাজহুৱা ভাৱে ঘোষণা কৰিলে যে অসমত বসবাস কৰিবলৈ, জনসংখ্যা বঢ়াবলৈ, সম্প্ৰসাৰণ ঘটাবলৈ আৰু শাসন কৰিবলৈ তেওঁলোকৰ অধিকাৰ আছে। ১।১।৪৮ তাৰিখে আসাম-বেঙ্গলী সমিতিয়ে সহকাৰী প্ৰধানমন্ত্ৰী চৰ্দাৰ বল্লভভাই পেটেলৰ ওচৰত এখন দীঘলীয়া স্মাৰক-পত্ৰ দি অসমত বঙালীসকলৰ আধিপত্য দাবী কৰিছিল ( মফঃস্বল, ২৪শে পৌষ, ১৩৫৪; আনন্দ বাজাৰ পত্ৰিকা, জানুৱাৰী ৮, ১৯৪৮)। ষাঠীৰ দশকত শেখ মুজিবুৰ ৰহমানে ৰচিত 'পূৰ্ব পাকিস্তান—ইয়াৰ জনসংখ্যা, আকাঙ্ক্ষা আৰু অৰ্থনীতি' গ্ৰন্থত লিখিছিল—'পূব পাকিস্তানৰ বিপুল জনসংখ্যাৰ কাৰণে পৰ্য্যাপ্ত পৰিমাণে মাটি লাগে আৰু ইয়াৰ বিস্তৃতিৰ বাবে অসমে সুবিধা দিব; নিকটৱৰ্তী অসমত যথেষ্ট পৰিমাণে বন, খনিজ সম্পদ, কয়লা, পেট্ৰোলিয়াম আদি আছে। আৰ্থিক আৰু বিত্তীয় দৃষ্টিকোণৰ পৰা মজবুত কৰিবলৈ হ'লে অসমক পূব পাকিস্তানৰ লগত চামিল কৰিবই লাগিব।' পাকিস্তানী নেতা জিন্না আৰু ৰহমানৰ অসম-আক্ৰমণৰ আকাঙ্ক্ষা কিছু পৰিমাণে সফল হৈছে।



পাক-পাছপোৰ্ট ব্যৱস্থা ১৯৫২ চনত কৰা হৈছিল; কিন্তু তাৰ ফল নধৰিল। ইয়াৰ দুবছৰ আগতে কৰা নেহৰু-লিয়াকত চুক্তিয়েও কাম নিদিলে। ১৯৫২ চনৰ পৰা ১৯৬৪ চনৰ ভিতৰত পূব পাকিস্তানত সাম্প্ৰদায়িক সংঘৰ্ষ হোৱা কাৰণে বহু হাজাৰ হিন্দু পাকিস্তানী অবৈধভাবে অসমত সোমাল। শেখ মুজিবুৰ ৰহমানৰ পৰিকল্পনামতে মুছলমান পাকিস্তানীও আহিল। ১৯৭১ চনৰ বাংলাদেশৰ মুক্তি-যুদ্ধত ১১ লাখ বাংলাদেশী অসম আৰু মেঘালয়ত প্ৰৱেশ কৰিলে। ১৯৭৪-৭৫ চনত দুৰ্ভিক্ষই দেখা দিয়াত পুনৰ এই ৰাজ্যলৈ বাংলাদেশীৰ প্ৰব্ৰজন ঘটিল। তদুপৰি ১৯৭৫ চনত শেখ মুজিবুৰ ৰহমানক হত্যা কৰাৰ ফলত বাংলাদেশত ৰাজনৈতিক অস্থিৰতাই দেখা দিলে, তেতিয়া নিৰাপত্তাৰ খাতিৰত আৰু কেইলাখমান বাংলাদেশীয়ে অসমত আশ্ৰয় ললে। ইফালে নেপাল আৰু ভুটানৰ পৰা অসমলৈ প্ৰব্ৰজন অহৰহ চলিয়েই আছে।

এইদৰে সামগ্ৰিক পৰিস্থিতি চকুৰ আগত ৰাখি সংবিধানৰ ভিত্তিত অনুসন্ধান কৰিলে অসমত প্ৰায় ৪৫ লাখ বিদেশী ওলাব। আন এটা হিচাপ অনুযায়ী ১৯৪৭ চনৰ পৰা ১৯৭৯ চনলৈকে অসমত থকা মুঠ বিদেশীৰ সংখ্যা হ'ল ৫৫,৮৯,৮৫৪ জন; ইয়াৰ ভিতৰৰ ২১,৯৪,৪৮৫ জনক মাটি-বাৰী দি অসমত সংস্থাপন কৰা হৈছে। ৩৩,৯৫,৩৯৯ জন অবৈধভাবে আছে। এইবোৰ হ'ল চৰকাৰৰ চকুত পৰা বিদেশী, চকুত নপৰা বিদেশীৰ সংখ্যাও একেবাৰে নগণ্য নহয়। তদুপৰি ১৯৮০ চনৰ বৰ্তমান সময়লৈকেও আহিয়েই আছে। গতিকে সাম্প্ৰতিক কালত থোপনি পোতা বিদেশীবোৰ আৰু বৃটিছ যুগত

ইহা তেওঁলোকৰ অন্তৰ্হী-ইচ্ছা নোহে যদি ৰাজনৈতিক উদ্দেশ্যও একেগোট হয় তেন্তে অসমৰ প্ৰাচীন উত্তৰাধিকাৰী সকল সংখ্যালঘুত পৰিণত হব ; তেতিয়া বৃহৎ অসমীয়া জাতিৰ ঐতিহ্যপূৰ্ণ ভাষা, সাহিত্য, সংস্কৃতি আৰু সামাজিক পৰিচয় চিৰদিনৰ কাৰণে লোপ পাব।

বৰ্তমানে তাৰ আগন্তুক দেখা গৈছে। আমি স্বাধীনতা লাভ কৰাৰ ৩৩-বছৰৰ ভিতৰত গাওঁ আৰু নগৰৰ শিক্ষিত লোকৰ সংখ্যা বহু পৰিমাণে বাঢ়িছে। এতিয়া বিদেশীৰ দ্বাৰা নানা ভাৱে বঞ্চিত হৈ আমাৰ শিক্ষিত যুৱক সমাজ নিবনুৱা হৈ ঘূৰি ফুৰিছে। গোৱালপাৰা, কামৰূপ, দৰং, নগাওঁ, লক্ষীমপুৰ, কাৰ্বি-আংলং আৰু কাছাৰ জিলাৰ কৃষি বিভাগ সিবিলাকৰ দ্বাৰা কবায়ত্ত হৈছে। প্ৰাইভেট, ইঞ্জিনিয়াৰিং, খাৰুৱা তেল-উদ্যোগ, প্ৰাকৃতিক গ্যাছ আযোগ, তেল শোধনাগাৰ, সাৰ-কাৰখানা, ৰেল বিভাগ, বিমান বিভাগ, সামৰিক বাহিনী, জীৱন-বীমা, বেংক, ডাক-তাঁৰ বিভাগ, ভাৰতীয় খাদ্য-নিগম, চাহ-শিল্প, কৰ বিভাগ আদিত অসমীয়াই সহজে চাকৰি নাপায়। চাকৰি-নিযুক্তিৰ মুখ্য কাৰ্যালয় বেছি ভাগ কলিকতাত। বেপাৰ-বাণিজ্যত অসমীয়া নাই বুলিলেই হয়। আনহাতে মাটি-দখলতো বিদেশী বিলাক পাকৈত। অসমৰ বহু অঞ্চলত আচল গৰাকী কোন আৰু আলহী কোন তাক ঠাৱৰ কৰা টান হৈ পৰিছে। ভাষাৰ ভিত্তিত আশ্ৰয়-স্থল দখল কৰিব পৰা কৃপালী গুণ দেখি এইবাৰ মুছলমান বাংলাদেশীবিলাকেও সংখ্যালঘুৰ নামত বৰপেটা মহকুমাত শেখ মুজিবুৰ ৰহমানৰ ছবি লৈ 'জয় বাংলা' ধ্বনি দি বাংলা দেশৰ পতাকা উৰুৱাই ২৬ মে তাৰিখে শোভা যাত্ৰা কৰিছিল। কিন্তু সুখৰ বিষয় যে অসমীয়া মুছলমান সকলে এনে কাৰ্যৰ পৰিহণা দি অসমৰ হিন্দু-মুছলমানৰ সংহতি অধিক সবল কৰি তুলিছে। ইতিহাসে সকলো কথা লক্ষ্য কৰি আছে।

অসমৰ সাম্প্ৰতিক অৱস্থা সামগ্ৰিকভাৱে জৰাজীৰ্ণ ; অসমীয়াৰ অস্তিত্ব ঘোৰ বিপদাপন্ন। গতিকে আজি শুভবুদ্ধি সম্পন্ন সজাগ অসমীয়া জাতিয়ে অস্তিত্ব-ৰক্ষাৰ বাবে সংগ্ৰাম কৰিছে। এই সংগ্ৰাম সংবিধান সম্মত গণতান্ত্ৰিক সংগ্ৰাম। কোনো ধৰ্ম, ভাষা, জাতি বা সম্প্ৰদায়ৰ বিৰুদ্ধে এই সংগ্ৰাম নহয়। অসম তথা ভাৰতৰ পৰা সৰ্বগ্ৰাসী বিদেশী-বহিষ্কৰণৰ এই অহিংস সংগ্ৰামত শিশুৰ পৰা আশী বছৰীয়া বুঢ়া-বুঢ়ীলৈকে সকলো স্তৰৰ লোকে যোগদান কৰিছে। বৰ্তমানলৈ চলা কেইবা মহীয়া আন্দোলনত কেইবা গৰাকীও যুৱক-যুৱতী, ছাত্ৰ-ছাত্ৰীয়ে পুলিচ আৰু দুৰ্বৃত্তৰ হাতত প্ৰাণ হেৰুৱাইছে, অলেখ ব্যক্তি আহত হৈছে আৰু অসংখ্য লোক আৰ্থিক সংকটত পৰিছে। হিমচেঁচা শীত, প্ৰখৰ সূৰ্যৰ তাপ আৰু ধুমুহা-বতাহেও স্বদেশ-প্ৰেমিক আন্দোলনকাৰীক বাধা দিব পৰা নাই ; দিনে-ৰাতি আন্দোলন চলাই গৈছে। দুৰ্বিসহ যাতনা আৰু চৰম ত্যাগৰ এই নিদৰ্শন কোনো আন্দোলনৰ বুৰঞ্জীত পোৱা নাযায় ; অধিক কি, এনে দীৰ্ঘকালীন অহিংস গণ-আন্দোলনৰ আদৰ্শ পৃথিৱীতেই বিৰল।

আমাৰ জাতীয় চৰকাৰ থকা সত্ত্বেও স্বদেশৰ পৰা অবৈধ বিদেশীক খেদিবলৈ ছাত্ৰ সমাজ আৰু জনসাধাৰণে ইমান দীঘলীয়া আন্দোলন কৰিব লগা হোৱাটো বৰ পৰিতাপৰ কথা। প্ৰকৃত দায়িত্বশীল জাতীয় চৰকাৰ থাকিলে বিদেশীক বিতাড়ন কৰিবলৈ ৰাইজে আন্দোলন কৰিব নালাগে, দেশৰ কৰ্ণধাৰ সকলেই তাৰ ব্যৱস্থা কৰিব লাগে। কিন্তু কাৰ্যতঃ অসমৰ ক্ষেত্ৰত তাৰ বিপৰীত দৃষ্টান্ত দেখা গৈছে। এইয়া আমাৰ জাতীয়



নেতাসকলৰ দুৰ্বল নেতৃত্ব আৰু অদূৰদৰ্শিতাৰ পৰিচায়ক।

প্ৰসঙ্গোচিত কথা যে অসমৰ নিচিনা বিদেশী-সমস্যা ভাৰতৰ অন্যান্য ৰাজ্যত নাই ; অসমৰ নিচিনা আপোন-পেটা আত্মঘাতী ৰাজনৈতিক নেতাও আন ৰাজ্যত বিৰল। অন্যান্য অঞ্চলৰ ৰাজনৈতিক নেতাই গোনতে গুৰুত্ব দিব তেওঁৰ জন্মভূমিৰ সমস্যা-সমাধানৰ ওপৰত, তাৰ পাছতহে তেওঁ চিন্তা কৰিব ৰাষ্ট্ৰীয় দিশত। এই প্ৰসঙ্গত আন নালাগে বঙ্গীয় ৰাজনৈতিক নেতাৰ কথাকে উনুকিয়াব পাৰি ; পশ্চিমবঙ্গত কোনো জটিল সমস্যাই দেখা দিলে কি প্ৰাদেশীয় বা কি সৰ্বভাৰতীয় — সকলো বঙালী নেতাই ভাষা-ধৰ্ম, জাতি-বৰ্ণ, দল-উপদল নিৰ্বিশেষে এক গোট হৈ সমস্যা সমাধানৰ উদ্দেশ্যে জপিয়াই পৰে। যোৱা ১৭ মে তাৰিখে অসম-আন্দোলনৰ প্ৰতিবাদকল্পে পালন কৰা ২৪ ঘণ্টা জোৰা 'পশ্চিম বংগ বন্ধ' ই তাৰ জ্বলন্ত প্ৰমাণ। অথচ অসমৰ ৰাজনৈতিক নেতা সকলৰ বেছিভাগেই অসমীয়া জাতিৰ অস্তিত্ব-বিলোপ সমস্যাটোত আজি-কোপতি গুৰুত্ব দিয়া দেখা নগল ; বৰঞ্চ ব্যক্তিগত স্বাৰ্থপূৰণৰ আশাত ইয়াৰ বিৰোধিতা কৰাহে পৰিলক্ষিত হৈছে। অসমীয়া নেতাৰ ভ্ৰান্ত ধাৰণা এই যে অসমৰ পৰা বিদেশী খেদিলে কেন্দ্ৰই কিজানি বেয়া পায়, বিদেশীৰ সৰহভাগেই যিহেতু বঙালী, গতিকে পশ্চিমবঙ্গৰ নেতৃবৃন্দই কিজানি অসমীয়াক সংকীৰ্ণমনা উগ্ৰজাতীয়তাবাদী বুলি অপযশ দিয়ে, তদুপৰি বিদেশীৰ নিশ্চিত ভোট কেইটা হেৰুৱালে কিজানি তেওঁলোকৰ নেতাগিৰি নাথাকে ! পিচে, এনেকুৱা পাতল ধাৰণা আৰু নিৰৰ্থক শঙ্কাই ইয়াকো বুজায় যে অসমীয়া নেতৃবৃন্দৰ স্বদেশী লোকৰ ওপৰত আস্থা কম আৰু অসমৰ সামগ্ৰিক বুৰঞ্জীৰ বিভিন্ন দিশৰ সৈতে তেওঁলোকৰ পৰিচয় স্পষ্ট নহয়। কিন্তু আমাৰ দৃঢ় বিশ্বাস যে প্ৰকৃত দেশপ্ৰেমিক ৰাজনৈতিক নেতাই অসমৰ বিদেশী-বহিষ্কৰণ আন্দোলনৰ বিৰোধিতা কৰাৰ কোনো সাংবিধানিক যুক্তি নাই। অৱশ্যে যাৰ মন দেশৰ স্বাৰ্থ-ৰক্ষাতকৈ গাদী-লাভৰ প্ৰতিহে বেছি লালায়িত সিবিলাকে জাতীয় আন্দোলনৰ গুৰুত্ব বুজি নাপায়; কাৰণ জনগণৰ সৈতে সিবিলাকৰ আন্তৰিক সংযোগ বৰ কম। এনে চৰিত্ৰৰ নেতাবিলাকেহে ৰাজ্যৰ জনসাধাৰণ আৰু কেন্দ্ৰৰ শাসকবৰ্গৰ মাজত বাস্তৱ আৰু আন্তৰিক বুজা-বুজিৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰে। আচলতে ইবিলাকৰ দ্বাৰাই দেশৰ ভাবমূৰ্তি নষ্ট হয়। প্ৰকৃততে ন্যায়বান আৰু সৎ ৰাজনীতিজ্ঞ লোকহে দেশৰ ধৰণী স্বৰূপ।

যুক্তি, তথ্য আৰু আইনেৰে বলে নোৱাৰিলে বহুত ৰাজনৈতিক নেতাই 'মানৱতা' 'মহানুভৱতা' আৰু 'উদাৰতা' আদি বিশ্বজনীন অৰ্থবাচক শব্দৰ আশ্ৰয় লয়। এইবেলি অসম গণ-আন্দোলনৰ সন্দৰ্ভতো অনেক সৰ্বভাৰতীয় নেতাই এনেবোৰ শব্দ আওৰোৱা পৰিলক্ষিত হৈছে। অথচ সিবিলাকৰ প্ৰশাসনিক অক্ষমতাৰ কাৰণেই যে অসম ৰাজ্য বিদেশীৰ গ্ৰাসত পৰিছে তাক তেওঁলোকে স্বীকাৰ নকৰে। অসমৰ থলুৱা লোক যে আজি বহু দশক জুৰি বঞ্চিত, লাঞ্ছিত আৰু ক্ষতিগ্ৰস্ত হৈছে তাৰ ছিচাপ তেওঁলোকে নেদেখুৱায়। অসমৰ ভাষা-আন্দোলন, তেলশোধনাগাৰ আন্দোলন, বিদেশী-বহিষ্কৰণ আন্দোলন আদিত যে বহুমূলীয়া যুৱক-যুৱতী ছাত্ৰ-ছাত্ৰীৰ মৃত্যু ঘটিল, নিৰপৰাধী নিষ্কলঙ্ক অসমীয়া নাৰী যে ভাৰতীয় সৈনিকৰ দ্বাৰাই ধৰ্ষিতা হ'ল, বিদেশী বাংলাদেশীয়ে যে নগাওঁ, বৰপেটা আৰু গোৱালপাৰা মহকুমাৰ শ শ খিলঞ্জীয়া অসমীয়াক জগম কৰিলে, ঘৰ-দুৱাৰ জলালে, শা-সম্পত্তি লুটি নিলে—সেইবোৰ কাৰণত উদাৰ নেতাসকলৰ প্ৰাণত মানৱতাবোধৰ উদ্ৰেক নহ'ল ! কেৱল বিদেশীক বহিষ্কাৰ কৰিবলৈ ওলো-

ৰাতহে তেওঁলোকৰ প্ৰাণ কান্দি উঠিল! অসম মানৱতাহীন ৰাজ্য যেন হ'ল! মহান মানৱতাবাদৰ আদ… ৰাখিবলৈ হলে অকল অসমকে বিদেশীৰ বোজা জাপি নিদি ভাৰতৰ প্ৰত্যেক ৰাজ্যই সেই বোজ… বহন কৰা উচিত। পিৰিহঁতক দেউলীয়া কৰি আলহীক নোদোকা হাতী কৰাৰ বিধান কোনো সংবিধান… নাই। যদি কোনো সংবিধানত আছে তেন্তে দেশৰ ভূগোল-বুৰঞ্জীবোৰৰ আৱশ্যকতা নিৰৰ্থক।

আচলতে এক পক্ষীয়ভাৱে মানৱতাবাদৰ দোহাই দি সকলো সুবিধা আদায় কৰিব নোৱাৰি, আইনগত… ক্ষমতাৰদ্বাৰায়ো মানৱতাৰ শিক্ষা দিব নোৱাৰি; উভয় পক্ষৰ ত্যাগ, সহনশীলতা, আদৰ্শমূলক কৰ্ম আ… সংহতিমূলক মনোভাৱৰ দ্বাৰাহে মানবীয় গুণ উদ্ভৱ হোৱা সম্ভৱ। ৰাজনৈতিক চালাকিৰ আগ… মানৱতাবোধৰ কোনো মূল্য নাই।

---

# বিদেশীৰ গ্ৰাসত অসম

ড° সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী

প্ৰাকৃতিক সম্পদত বিপুল ঐশ্বৰ্য্যশালী অসম স্বাধীনতাৰ পৰৱৰ্তী কালতো কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নানা দিশত সততে অৱহেলিত হৈ আহিছে। দিল্লীৰ চৰকাৰে ভাৰতীয় সংবিধানৰ নামত বৃটিছ শাসকৰ লোকৰ মুৰত কঠাল ভঙা আদৰ্শেৰে উদ্বুদ্ধ হৈ নতুন নতুন বিল, আইন আদি প্ৰণয়ন কৰি বিভিন্ন সময়ত অসমৰ অঙ্গচ্ছেদ কৰি আহিছে, আৰু স্বাধীন ৰাষ্ট্ৰৰ ভিতৰতে বহু কৌশলেৰে অসমক প্ৰকৃত ৰাজ্যৰ (State) মৰ্য্যাদা আৰু নায্য প্ৰাপ্যৰ পৰা বঞ্চিত কৰি আহিছে। জাতিৰ ঐক্য আৰু সংহতি স্থাপনৰ ফুটা ঢোল বজাই Divide and rule নীতিৰে এই অঞ্চলটোক শোষণৰ নতুন কিটিপেৰে কাটি টুকুৰা-টুকুৰহে কৰা হ'ল। স্বাধীনতাৰ প্ৰথম পৰ্য্যায়তে মণিপুৰ (২২, ৩৫৬ বৰ্গ কি. মি.) আৰু ত্ৰিপুৰা (১০, ৪৭৭ বৰ্গ কি. মি.) দুটা পৃথক গোট কৰা হ'ল। ১৯৬৩ চনৰ ১ ডিচেম্বৰৰ দিনাখন আৰু এবণ্ডা কাটি গঠন কৰা হ'ল নগাৰাজ্য (১৬,৫২৭ বৰ্গ কি. মি.)। তাৰ প্ৰায় ৯ বছৰ পিছত ১৯৭২ চনৰ ২১ জানুৱাৰীত অসমৰ বুকুৰপৰা দুখন পাৰ্বত্য জিলা বথলিয়াই নি কৰা হ'ল মেঘালয় (২২,৪৮৭ বৰ্গ কি মি.) ৰাজ্য আৰু একে সময়তে আন এটা ঘাপ মাৰি অসমৰ শিৰচ্ছেদ কৰি নেফা বা অৰুণাচলৰ (৮১,৪২৬ বৰ্গ কি. মি.) সৃষ্টি কৰা হ'ল। সেইদৰে ১৯৭৩ চনৰ ঘাপটোৰে অসমৰ দক্ষিণাংশৰ লুচাই পাহাৰ অংশ কাটি জন্ম দিয়া হ'ল মিজোৰামৰ (২১,০৬৭ বৰ্গ কি. মি.)। স্বাধীনতা লাভৰ পঁচিশ বছৰৰ ভিতৰতে প্ৰাকৃতিক সা - সম্পদেৰে ভাৰতৰ আটাইতকৈ সমৃদ্ধিশালী ৰাজ্যখনৰ খিলঞ্জীয়া জনজাতি-অজনজাতি অধিবাসীসকলৰ মনত এনেকৈয়ে প্ৰশাসনৰ কূট কৌশলেৰে বিভেদৰ বীজ সুমুৱাই দি এখণ্ড, এখণ্ডাকৈ কাটি খণ্ড-বিখণ্ড কৰিও কেন্দ্ৰীয় চৰকাৰ ক্ষান্ত নাথাকিল। সৰ্বভাৰতীয় দলীয় ৰাজনীতিৰ তথাকথিত আইন-শৃঙ্খলাৰ অনুশাসনৰ সুযোগ লৈ এই সমগ্ৰ পূৰ্বাঞ্চলটোৰ সহজ-সৰল পোন-পটীয়া মানুহখিনি দিল্লীৰে হাতৰ ক্ৰীড়ণক ৰূপে পৰিচালিত কৰিবলৈ ধৰিলে। তেনেকৈয়ে এই অতিশয় স্পৰ্শকাতৰ অঞ্চলটো আজি অৱহেলাৰ শেষ সীমাত উপনীত হৈছেহি, নায্য প্ৰাপ্যৰপৰা সততে বঞ্চিত হৈ আহিছে; আনহাতে অঞ্চলটোৰ কেউখন ৰাজ্য অদ্ভুত পৰিমাণৰ গাণিতিক পৰিসংখ্যাৰে বৰ্দ্ধিত অবৈধ বিদেশী অনুপ্ৰবেশকাৰীৰ উপনিবেশিক ছল্-চাতুৰীৰে দ্ৰুত গতিত গ্ৰাস কৰিবলৈ উঠিপৰি লাগিছে। চিকিম আৰু ত্ৰিপুৰাত সেই কথা আজি ফট্ফটীয়া হৈ ওলাই পৰিছে। এখনৰ পিছত এখনকৈ গ্ৰাস কৰাই তেওঁলোকৰ লক্ষ্য। মূল অসমৰ আয়তন ১,৪১,৪৯৭ বৰ্গ কি মি. কমি অৱশেষ ৰ'লগৈ ২,৭৬,৮১৪ বৰ্গ কি. মি.। সেই দৰে আয়তনৰ লগে লগে জনসংখ্যাও ১৮,০২,৬০০ জন কমিব লাগিছিল, কিন্তু অসমৰ প্ৰায় আধাতকৈয়ো বেছি অংশ কাটি নিয়াৰ পিছতো জনসংখ্যা

এজনো নকমিল বৰং প্ৰায় দুগুণতকৈয়ো অধিক বৃদ্ধিহে হ'ল। এয়ে হ'ল স্বাধীন ৰাষ্ট্ৰ এখনৰ সংবিধানৰ পবিত্ৰতা আৰু মৰ্যাদা ৰক্ষাৰ দায়িত্বলব্ধ আৰু প্ৰতিজ্ঞাবদ্ধ ৰাষ্ট্ৰীয় কৰ্ণধাৰ সকলৰ স্বদেশপ্ৰেম আৰু গণতান্ত্ৰিক ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব সংৰক্ষাৰ আন্তৰিকতাৰ সুস্পষ্ট নমুনা। অসম তথা পূৰ্বাঞ্চলৰ ভাৰতীয় নাগৰিক সকল কেন্দ্ৰৰ এই মুখত মিঠা ভিতৰি তিতা কপটীয়া ব্যৱহাৰত অত্যন্ত বিক্ষুব্ধ হৈ পৰিছে আৰু সেই ক্ষোভ ক্ৰমবৰ্ধমান গতিত বাঢ়ি আহিছে। সকলো ক্ষেত্ৰতে অসম কেন্দ্ৰৰ দ্বাৰা সদাউপেক্ষিত; কি অৰ্থনৈতিক, কি ৰাজনৈতিক, কি সাংস্কৃতিক, কি উদ্যোগিক, কি শৈক্ষিক, কি সাংবিধানিক, কি পৰিকল্পনামূলক উন্নয়ন সকলো বিষয়তে কেন্দ্ৰই স্বাধীনতাৰ এই বত্ৰিশ বছৰৰো অধিক কাল অসমক কেৱল ভুক্কায়ে আহিল; আনহাতে এদেও দুদেও লোটা নিবৰ চেৰেৰে গাতে লাগি থকা আন ৰাজ্যৰ ধা-সম্পদ টানি আজুৰি চাহি-মুহি টহিলং কৰি নিজৰ ভঁড়াল পূৰোৱা প্ৰবৃত্তিত অভ্যস্ত পশ্চিমবঙ্গয়ো কেন্দ্ৰৰ সেই কাৰ্য্যক নানাভাৱে উচটনি দি আহিছে, নহলে যে বঙ্গৰ নিবনুৱা সংস্থাপন, শিল্পোন্নতি, কাগজ-মৰাপাট কল আদি কেঁচা মালৰ ঘাটি, চাহ আদিৰ নীলাম বজাৰকে ধৰি নানাভাৱে শোষিত অসম উপনিবেশখন হাতছাড়া হলে বঙ্গই দিনতে আন্ধাৰ দেখিব। তেওঁলোকৰ আন এটা স্বাৰ্থও আছে — 'বৃহত্তৰ বাংলা নিৰ্মাণৰ সপোন।' যি সপোনৰ প্ৰথম সম্ভেদ দিছিল 'প্ৰবাসী'ত প্ৰকাশিত প্ৰবন্ধই। সেই সপোনত চৰিতাৰ্থ কৰা কথা উদঙাই দিলে সৌ সিদিনা মাত্ৰ প্ৰকাশিত 'এখন মেপৰ আঁৰৰ কাহিনী' প্ৰবন্ধই। বহুদিনীয়া অপচেষ্টাৰে United States of Bengal গঠনৰ সপোন বাস্তৱত ৰূপায়ণৰ বাবেও পশ্চিমবঙ্গই ত্ৰিপুৰাৰ পিছতে গ্ৰাস কৰিব লাগিব অসমক। দৰাচলতে ভাৰত বিৰোধী 'বঙ্গত্ব'ৰ কৱচ পৰিহিত এটা ৰাজনৈতিক কুচক্ৰৰ এয়া সমগ্ৰ ভাৰতৰ কাৰণেই ভয়াবহ ষড়যন্ত্ৰহে। বঙ্গ ভাষা-ভাষীৰে অসম প্লাৱিত হলেহে বঙ্গৰ শিচুৰি সংস্কৃতিৰ বিষ-ক্ৰিয়াৰে অসমৰ ঐতিহ্যমণ্ডিত বহু সম্প্ৰদায়ৰ ঐক্য আৰু সংহতিৰ এনাজৰীডাল বিনাশ কৰিবলৈ সুচল হব। গতিকে প্ৰথমতে "পূৱ পাকিস্তানী" ৰূপে স্বাচৰিতভাৱে সীমান্ত অতিক্ৰম কৰি অসমৰ চৰ, ৰিজাৰ্ভ, গো-চৰণীয়া পথাৰ অঞ্চলত খোপনি পুতি থাকিল আৰু পাছত ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ আশীৰ্বাদ লৈ গঠিত হোৱা "বাংলাদেশ"ৰ পৰাও সেই সুযোগতে হৰ্ষোৎফুল্লিত লক্ষ লক্ষ বাংলাদেশীয়ে অসমৰ নগৰ-চহৰ, গাওঁ-ভূঁই, ৰিজাৰ্ভ উপচি পৰিল; নদীৰ বালিচৰ, দুৰ্গম হাবি বননিও এই বিদেশীসকলৰ কবলৰ পৰা ৰক্ষা নপৰিল। আনকি দাঁতি কাষৰীয়া জনজাতিৰে পৰিপূৰ্ণ পাহাৰৰা ৰাজ্য কেইখনতো বাংলাদেশীৰ অবৈধ অনুপ্ৰবেশে অসমৰ লগতে পূৰ্বাঞ্চলটোকে গ্ৰাস কৰিবৰ উপক্ৰম কৰিছে। এই কাৰ্য্যত ভাৰতৰ বঙ্গ ভাষা-ভাষী একাধিক ৰাজ্যিক চৰকাৰে অন্যায় আৰু বেআইনীভাৱে অগণতান্ত্ৰিক উপায়েৰে সেই বিদেশী সকলৰ কেবা লাখকো যধেমধে কুট কৌশলেৰে ভাৰতীয় নাগৰিকত্বৰ এখিলা কাগজ দি ভেঁড়াৰ পালৰ দৰে খেদি দিলে নিজৰ ৰাজ্যৰ সীমা পাৰ কৰি পুৰলৈ। এই বিদেশী অনুপ্ৰবেশকাৰী সকলৰ মুখৰ মাতবাৰ তথা ভাষা একে হোৱা বাবেই ভাৰতৰ এই দুখন ৰাজ্যই 'এপাৰ বাংলা ওপাৰ বাংলা' গায়ত্ৰীজপ কৰি নিজৰ ৰাষ্ট্ৰীয় সংবিধানকো প্ৰকাৰান্তৰে উপেক্ষা কৰি সেই বিদেশী ৰাষ্ট্ৰৰ নাগৰিক সকলৰ প্ৰতি বেছি দৰদীহৈ পৰিছে। তেওঁলোকে আজি অস্বীকাৰ কৰিব খোজে যে কেবা লাখো বঙ্গভাষাভাষী লোক অসমৰ বুকুতে থাকি অসমীয়াৰ লগত ক্ৰমশঃ মিলি যাব লাগিছে। এই কথা দেখ-দেখকৈ ওলাই পৰিছে যে পশ্চিমবঙ্গৰ ৰাজনৈতিক দল উপদল সকলোৰে মিলি অসম-বিদ্বেষী মনোভাৱেৰে সক্ৰিয় হৈ উঠিছে আৰু সেই একেসময়তে কেন্দ্ৰৰ সম্পূৰ্ণ অৱহেলা বহু পৰিমাণে বৃদ্ধি হোৱা বাবে অসম আজি আন্দোলনমুখৰ



হৈ উঠিছে। নকলেও হব যে 'পূৱ পাকিস্তান' বা 'বাংলাদেশ'ৰ সুযোগ সন্ধানী বিদেশী অনুপ্ৰবেশকাৰীৰে এই কালছোৱাত অসমৰ চুক কোণ উপচি পৰিল। তেওঁলোকৰ বাবে যে অসমখন স্বৰ্গভূমি। পশ্চিম বঙ্গৰ দীৰ্ঘদিনীয়া স্বপ্নৰ বাস্তৱ ৰূপায়ণৰ বাবে সুবৰ্ণ সুযোগ সমুপস্থিত। অসমক নিশ্চিহ্ন কৰিবলৈ শেষ সংগ্ৰামত অৱতীৰ্ণ বিদেশী অনুপ্ৰবেশকাৰীৰ লগত বঙ্গ ভাষা-ভাষী ৰাজ্যিক চৰকাৰ সচেষ্ট হোৱাটো অতি তাৎপৰ্য্যপূৰ্ণ। নহলে জানো তেওঁলোকে অসমৰ বিৰুদ্ধে আচম্বিত ভাৱে বিদেশীৰ হকে নিজৰ ৰাষ্ট্ৰীয় সংবিধানকো নেওচি ওকালতিত উন্মত্ত হৈ পৰে? বিৰোধী পক্ষৰ লগত চৰকাৰ পক্ষ লগ লাগি হৰতাল পালন কৰা কথাই কি সূচায়? সেই হৰতালত আনন্দৰ কিৰিলি পৰা কেন্দ্ৰীয় চৰকাৰো যে ষড়যন্ত্ৰৰ অংশীদাৰ সেই সন্দেহ মনলৈ নাহেনে? অসমৰ ৰাইজে বিচাৰিছে সাংবিধানিক ৰক্ষা-কৱচ, সামগ্ৰিকভাৱে অসম আৰু অসমীয়াৰ অস্তিত্ব ৰক্ষা-কৱচ—অসমত থকা সকলো ভাৰতীয় সম্প্ৰদায়ৰ নাগৰিকৰ একেটাই দাবী — বিদেশী তথা অভাৰতীয় সকলক তুৰন্তে সংবিধানৰ ভিত্তিত বহিষ্কাৰ কৰি অসম তথা ভাৰতৰ এটা প্ৰান্তক ৰক্ষা কৰক, অন্যথাই আজি বালিলৈ মৰা শৰপাট কালিলৈ সুগ্ৰীৱৰো বুকু ভেদি সোমাব। এই পৰিস্থিতিত অসমে আজি সৰ্বতো প্ৰকাৰে অহিংস ভাৱে আন্দোলনত অৱতীৰ্ণ হৈছে নিজকে ভাৰতীয় হিচাপে কেন্দ্ৰৰ পৰা সংবিধান সন্মত স্বত্বপিনি আদায় কৰিবলৈ। এই আন্দোলন গান্ধীজীৰ অহিংস নীতিৰে বিধৌত এক অভূতপূৰ্ব শান্তিপূৰ্ণ গণ-আন্দোলন, য'ত জাতি-ভাষা-ধৰ্ম নিৰ্বিশেষে সকলো সম্প্ৰদায়ৰে আছে আন্তৰিক সমৰ্থন, প্ৰয়োজন হলে যথা সৰ্বস্ব ত্যাগৰ মহাসংকল্প লবলৈকো তেওঁলোক সাজু। তথাপি তেওঁলোক অসমীয়া ভাৰতীয় হিচাপে বৰ্তি থাকিব। যি কোনো ইতিহাসৰ ছাত্ৰ কিম্বা ৰাজনীতিৰ বিচক্ষণলোকে স্বীকাৰ কৰিব যে অসমৰ আন্দোলন কোনো ব্যক্তি বা দল বিশেষৰ স্বাৰ্থ পূৰণৰ বাবে পৰিচালিত আন্দোলন নহয়— কেন্দ্ৰৰ স্বৈৰাচাৰ আৰু সুপৰিকল্পিত ঐতিহাসিক অৱমাননাৰ স্বাভাৱিক পৰিণতি অসমৰ এই গণ-আন্দোলন, ই কিন্তু কোনোপধ্যেই বিচ্ছিন্নতাবাদী আন্দোলন নহয়। অসমৰ এই পৰিস্থিতিৰ ভয়াবহতাৰ মূলতে হ'ল অসমলৈ হোৱা লক্ষ লক্ষ বিদেশী তথা অভাৰতীয় লোকৰ অবৈধ প্ৰব্ৰজন। সেই প্ৰব্ৰজন সম্পৰ্কে থূল-মূল আভাস তলত দাঙি ধৰাৰ চেষ্টা কৰা হৈছে।

অসম এখন নদী মাতৃক উৰ্বৰ ঠাই আৰু সেই কাৰণেই অসমলৈ বহুকাল আগতেই অন্যান্য দেশৰ পৰা, ভাৰতৰ নানা প্ৰান্তৰ পৰা নানা সম্প্ৰদায়ৰ লোক আহিছিল। এইদৰে যুগে যুগে প্ৰব্ৰজন হৈয়ে আহিছে। অসমৰ পুৰণি বুৰঞ্জীৰ পাত লুটিয়ালে সেই কথা দেখ-দেখকৈ ওলাই পৰে। সভ্যতাৰ অগ্ৰগতিৰ লগত মানৱ জাতিৰ নানা দেশ-বিদেশলৈ প্ৰব্ৰজন হোৱাটো অতি স্বাভাৱিক। তেনেকুৱা প্ৰব্ৰজনৰ ফলস্বৰূপে এক্ষোখন দেশ তথা জাতিৰ ভাষা-সাহিত্য-সংস্কৃতি আদি বৈচিত্ৰপূৰ্ণ আৰু ঐতিহ্যমণ্ডিত হৈ পৰে। এখন দেশৰ পৰা আন এখন দেশলৈ বা এটা প্ৰান্তৰ পৰা আন এটা প্ৰান্তলৈ প্ৰব্ৰজন নহলে মানুহৰ ভাব-ভাষা, আচাৰ-বিচাৰ, চাল-চলন, ধৰ্ম-বিশ্বাস প্ৰভৃতিৰ আদান-প্ৰদান বা এৰা-ধৰা সম্ভৱ নহয় আৰু তেতিয়া হলে সংস্কৃতিও ক্ৰমশঃ সুন্দৰৰ পৰা সুন্দৰতৰ ৰূপ পৰিগ্ৰহ কৰিব নোৱাৰে। সেইবাবেই কোৱা হয় যে প্ৰব্ৰজনৰো প্ৰকাৰ ভেদ আছে; ই ঘাইকৈ দুই প্ৰকাৰৰ—স্বাভাৱিক আৰু অস্বাভাৱিক। যি প্ৰব্ৰজনৰ ফলত বিদেশী লোকে আন দেশত প্ৰবেশ কৰি নিজস্ব ভাৱ-ভাষা, আচাৰ-বিচাৰ, ধৰ্ম-কৰ্ম তথা সংস্কৃতি নতুন ঠাইৰ লোক তথা সমাজ সংস্কৃতিৰ লগত ক্ৰমান্বয়ে মিলি গৈ সেই ঠাইৰ সমাজৰ এজন ৰূপে বসবাস কৰিবলৈ লয় তাকেই কোৱা হয় স্বাভাৱিক

প্ৰব্ৰজন। এইচাম বিদেশীয়ে আন দেশত স্থায়ীভাবে বসবাস কৰিবলৈ লোৱাৰ লগে লগে বিদেশী আভৰণ-টো দেশীয় আভৰণলৈ দিনে দিনে ৰূপান্তৰিত কৰি আনে। এনেকুৱা প্ৰব্ৰজন কোনো দেশৰ বাবেই ভয়াবহ নহয়। আনহাতে, অস্বাভাৱিক প্ৰব্ৰজনৰো আকৌ দুটা ভাগ আছে: যি প্ৰব্ৰজনৰ ফলত বিদেশীয়ে অন্যদেশত থোপনি পুতি নিজৰ স্বকীয়া বৈশিষ্ট্য অটুট ৰাখিবলৈ সততে সচেতন, আৰু সেই দেশত স্থায়ীভাৱে বসবাস কৰিবলৈ লৈও নিজৰ অস্তিত্ব সংৰক্ষণৰ প্ৰতি সদাজাগ্ৰত, সেই বিধ প্ৰব্ৰজন দেশৰ বাবে মঙ্গলজনক নহয়; তেওঁলোক অন্যৰাষ্ট্ৰতো বিদেশী ৰূপেই যুগ যুগ ধৰি থাকি যায়। এই বিধ প্ৰব্ৰজনৰ পৰা কোনো দেশে বিশেষ ভয় নাখায় যদিও সকলো সময়তে দেশীয় লোকে তেওঁ-লোকৰ প্ৰতি সন্দেহৰ ভাৱ লৈ সতৰ্ক দৃষ্টি ৰাখে। ইয়াৰে আনবিধ অতি মাৰাত্মক। যি প্ৰব্ৰজনৰ ফলত বিদেশীসকলে নিজৰ ৰীতি-নীতি, ভাষা-সংস্কৃতি সমাজৰ সকলো ব্যৱস্থা সম্পূৰ্ণ অক্ষতাৱস্থাত ৰাখিবলৈ সততে যত্নপৰ আৰু প্ৰতি মুহূৰ্ত্ততে নতুন দেশৰ ৰাষ্ট্ৰীয়-নীতি আদৰ্শাদিৰ মাজত নিজৰ স্বকীয়া অস্তিত্বৰে আত্মপ্ৰতিষ্ঠা লাভৰ বাবে যত্নপৰ হোৱাৰ উপৰিও সেই দেশৰ কলা-কৃষ্টি, ভাষা, সমাজ-সংস্কৃতি আদিৰ ওপৰত নিজৰ ভাষা-সংস্কৃতি জাপি দিবলৈ বদ্ধ পৰিকৰ অৰ্থাৎ ঔপনিবেশিক দৃষ্টিভঙ্গীৰে বসবাস কৰিবলৈ লয় সেই বিধ বিদেশীৰ প্ৰব্ৰজনেই হ'ল অতি ভয়ংকৰ। তদুপৰি সি হ'ল দেশ তথা ৰাষ্ট্ৰৰ ঐক্য-সংহতি, ৰাজনীতি; অৰ্থনীতি, সংবিধান তথা সাৰ্বভৌমত্ব আদি সকলোৰে মহাশত্ৰু। অসম দৰাচলতে এই বিধ প্ৰব্ৰজনৰ কৰাল গ্ৰাসত।

বহিৰাগত প্ৰব্ৰজনৰ মাত্ৰা অৰ্থাৎ অসমত জন-সংখ্যা বৃদ্ধিৰ হাৰ ১৯১১ চনৰ পৰা ক্ৰমবৰ্ধমান গতিত বাঢ়ি আহিছে। অৱশ্যে স্বাধীনতাৰ আগৰ কাল-ছোৱাত যি প্ৰব্ৰজন হৈছিল সি আছিল ভাৰতবৰ্ষৰ অন্যান্য ঠাইৰ পৰা অহা ভাৰতীয় মানুহ। সেই-খিনি লোকৰ বিষয়ে বিশেষ কব লগীয়া নাই, যিহেতুকে সেই সময়ৰ লোকপিয়ল সংক্ৰান্তত তলৰ পৰ্য্যায়ত কাম কৰা কৰ্মচাৰীৰ আন্তৰিকতাৰ অভাৱ পৰিলক্ষিত হৈছিল। সেইবাবেই ১৯১১ চনৰ লোক-পিয়লৰ কেৱল গোৱালপাৰা জিলাৰ জৰীপতে উপা-য়ুক্ত ক্লিফোৰ্ড আৰু মহকুমাধিপতি ক্ৰাইট্ পেৰিয়াৰে ৩০,৬০৭ জন অসমীয়া ভাষা-ভাষী লোকক বঙালী ভাষা-ভাষী ৰূপে ভুলকৈ দেখুৱা কথা ধৰা পেলায়। সেই একেদৰে ১৯৩১ চনৰ লোক পিয়লত অসমত জনসংখ্যা বৃদ্ধি আৰু প্ৰব্ৰজনৰ ভয়াবহ ৰূপটো দেখি চেন্সাচ ডাইৰেক্টৰ চি. এচ. মুলানে ভবিষ্যবাণী কৰি কোৱা "It is sad but by no means improbable that in another thirty years, Sibsagar will be the only part of Assam in which an Assamese will find himself at home" কথাষাৰ তাৎপৰ্য্যপূৰ্ণ। মুলানৰ সেই কথা আজি আখৰে আখৰে সঁচা হোৱাৰ উপক্ৰম হৈছে। সেই সময়ৰ প্ৰব্ৰজনত অসম ইমান বেছি ক্ষুব্ধ বা ভীত-গ্ৰস্ত হোৱা নাছিল যিহেতুকে সেই প্ৰব্ৰজন আছিল ভাৰতৰে অন্য এক প্ৰান্তৰ পৰা। কিন্তু আজি যি প্ৰব্ৰজন হৈছে সেয়া এসময়ত ভাৰতৰে অঙ্গ ৰাজ্য আছিল যদিও সেই একেখিনি জনগণেই পাছত এক স্বকীয়া সাৰ্বভৌম ৰাষ্ট্ৰৰ নাগৰিক ৰূপে পৰিচয় দিয়াৰ লগতে সেই ৰাষ্ট্ৰৰ সংবিধান আৰু সাৰ্ব-ভৌমত্বৰ প্ৰতি আনুগত্য দেখুৱাই আহিছে। তেওঁ-লোক জাতে পাতে তথা হাড়ে-হিমজুৱে সামগ্ৰিক-ভাৱে বিদেশী নাগৰিক, ভাৰত তেওঁলোকৰ বাবে এখন বিদেশী ৰাষ্ট্ৰ। দ্বিখণ্ডিত হৈ ভাৰতবৰ্ষ 'পাকি-স্তান' আৰু 'ভাৰত' দুখন পৃথক সাৰ্বভৌম ৰাষ্ট্ৰৰ সৃষ্টি হ'ল। দুয়োখন দেশেই স্বকীয়া স্বকীয়া সংবিধানৰ গাঠনিৰ অধীনত নিজ নিজ ভূখণ্ডৰ লোকক নাগৰিকৰ



মৌলিক অধিকাৰেৰে ৰক্ষণাবেক্ষণ দিয়াৰ ব্যৱস্থা কৰিছে। সেই সময়ৰে পৰা প্ৰায় ২৪ বছৰ কাল পাকি-স্তানৰ অঙ্গ 'পূব পাকিস্তান' (আগৰ পূৰ্ববঙ্গ) ৰূপে থাকি পৰৱৰ্তী কালত ১৯৭১ চনৰ ২৫ মাৰ্চত 'বাংলাদেশ' ৰূপে বিশ্বত স্বীকৃতি লাভ কৰিলে। বাংলাদেশ ভাৰত বা জাপান বা পাকিস্তানৰ দৰে এখন সাৰ্বভৌম ৰাষ্ট্ৰ। বাংলাদেশ গঠিত হোৱাৰ আগৰ দিনাখনলৈকে যিখিনি লোক 'পাকিস্তানী নাগৰিক' আছিল পাকিস্তানৰ পৰা ফাটি স্বাধীন হোৱাৰ পাছত সেইখিনি লোকেই 'বাংলাদেশী নাগৰিক' ৰূপে বিশ্বত পৰিচিত হৈ পৰিল। উক্ত সি কোনো অৱস্থাতে নহওক তেওঁ-লোক বিদেশী, কোনোপধেই ভাৰতীয় নাগৰিক হব নোৱাৰে। পাকিস্তানৰ জন্ম কালৰে পৰা নানা কাৰণত এইখন দেশৰ পৰা লাখৰ হিচাপত অসমত অবৈধ প্ৰব্ৰজন তথা অনুপ্ৰবেশ হৈ আছিছে। লোক পিয়লৰ তলত উল্লেখ কৰা জৰীপৰ পৰাই সেই কথা ওলাই পৰে। ইয়াত জিলা অনুসৰি অসমৰ জনসংখ্যা আৰু তাৰ বৃদ্ধিৰ এটা থূল-মূল আভাস দিয়া হৈছে। তলৰ তালিকাখন লোক পিয়লৰে এটা হিচাপ:—

| | ১৯৫১ | ১৯৬১ | বৃদ্ধিৰ হাৰ | ১৯৭১ | বৃদ্ধিৰ হাৰ |
|---|---|---|---|---|---|
| গোৱালপাৰা | ১১০৮১২৪ | ১৫৪৩৮৯২ | ৩৯.৩২% | ২২২৫১০৩ | ৪৪.১২% |
| কামৰূপ | ১৪৯০৩২৯ | ২০৬২৫৭২ | ৩৮.৪০% | ২৮৫৪১৮৩ | ৩৮.৩৮% |
| দৰং | ৯২৩৩৬২ | ১২৮৯৬৭০ | ৩৯.৬৪% | ১৭৩৬১৮৮ | ৩৪.৬২% |
| নগাওঁ | ৮৮৬৯৩৫ | ১২২০৭৬১ | ৩৬.৫১% | ১৬৮০৮৯৫ | ৩৮.৮৫% |
| শিৱসাগৰ | ১২১২২২৪ | ১৫০৮৩৯০ | ২৪.৪৩% | ১৮৩৭৩৮৯ | ২১.৮% |
| লক্ষীমপুৰ | ১১২৬২৯৪ | ১৫৬৩৮৪২ | ৩৮.৮৪% | ২১২২৭১৯ | ৩৫.৭৪% |
| সংযুক্ত মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰ | ১৬৫৪৪০ | ২৭৯৭২৬ | ৬৯.০৮% | ৪৫৫৩৫৭ | ৬২.৭৯% |
| কাছাৰ | ১১১৫৮৬৫ | ১৩৭৮৫৭৬ | ২৩.৫৩% | ১৭১৩৩১৮ | ২৪.২৯% |
| অসম | ৮০২৮৮৫৬ | ১০৮৩৭৩২৯ | ৩৪.৯৮% | ১৪৬২৫১৫২ | ৩৫.৯৪% |

তুলনামূলকভাৱে এই কালছোৱাত শিৱসাগৰ আৰু কাছাৰ জিলাৰ জনসংখ্যাৰ বৰ্দ্ধিত হাৰ কিছু কম। ইয়াৰ মূলতে হ'ল বিদেশী অনুপ্ৰবেশত এই দুখন জিলাৰ পোনপটীয়া বাধাৰ সৃষ্টি। কাছাৰত কিছু সংখ্যক সোমালেও সুপৰিকল্পিত ভাৱে লামডিঙেদি ব্ৰহ্মপুত্ৰ উপত্যকালৈ আশ্ৰয়দাতা তথা বিদেশীসকলৰ এজেণ্টবোৰে পঠাই দিছিল। অবৈধ অনুপ্ৰবেশৰ ক্ষেত্ৰত কাছাৰক বাধাহীন দুৱাৰমুখ বুলিব পাৰি।

এই খিনিতে উল্লেখ কৰিব পাৰি যে ১৯১১ চনৰপৰা ১৯৫১ চনলৈকে হোৱা পাঁচটা লোক পিয়লৰ জৰীপত অসমৰ জনসংখ্যাৰ বৃদ্ধিৰ গতিৰ মাজত এটা সামঞ্জস্য দেখা যায়। সাধাৰণ ভাৱে প্ৰতিটো পিয়লত অৰ্থাৎ দহ বছৰৰ ব্যৱধানত দুই লাখ বা তাৰ সামান্য বেছি পৰিমাণৰ জনসংখ্যা বৃদ্ধি হৈ আহিছে। অৱশ্যে সৰ্বভাৰতীয় জনসংখ্যাৰ বৃদ্ধিৰ তুলনাত অসমত হোৱা বৃদ্ধিৰ হাৰ বহু বেছি। তলত তাৰ থূল-মূল হিচাপ দেখুৱা হ'ল:—

| বছৰ | জনসংখ্যা | বৃদ্ধি | বৃদ্ধিৰ হাৰ/অসম : | ভাৰত |
|---|---|---|---|---|
| ১৯১১ | ৩৮,৪৯,০০০ | ৫,৫৯,০০০ | ১৭·৩% | ... |
| ১৯২১ | ৪৬,৩৭,০০০ | ৭,৮৮,০০০ | ১৬·৮% | ... |
| ১৯৩১ | ৫৫,৬১,০০০ | ৯,২৪,০০০ | ১৯·৯% | — |
| ১৯৪১ | ৬৬,৯৪,০০০ | ১১,৩৩,০০০ | ২১·৩% | ১৪·২% |
| ১৯৫১ | ৮০,২৯,০০০ | ১৩,৩৫,০০০ | ১৯·৯% | ১৩·২% |

১৯৫১ চনৰ পৰা ১৯৭১ চনলৈ এই তিনিটা লোক পিয়লৰ জৰীপ ভালদৰে বিশ্লেষণ কৰি চালে দেখা যায় যে সৰ্বভাৰতীয় বৃদ্ধিৰ তুলনাত অসমত প্ৰায় দুগুণৰ ওচৰা-ওচৰি পৰিমাণে জনসংখ্যা বৃদ্ধি হৈছে। তদুপৰি অসমৰ আগৰ কোনোটো লোক-পিয়লৰ জৰীপৰ লগত স্বাধীনোত্তৰ কালৰ পিয়লৰ কোনো তুলনাই সম্ভৱ নহয়। অসমৰ জনসংখ্যা বৃদ্ধিৰ হাৰ এই বিস্ফোৰণৰ অন্তৰ্নিহিত ৰহস্য মন কৰিব লগীয়া। তলত সেই পৰিসংখ্যাও দেখুৱা হ'ল —

| বছৰ | জনসংখ্যা | বৃদ্ধি | বৃদ্ধিৰ হাৰ/ অসম : | ভাৰত |
|---|---|---|---|---|
| ১৯৫১ | ৮০,২৯,০০০ | ১৩,৩৫,০০০ | ১৯·৯% | ১৩·২% |
| ১৯৬১ | ১,০৮,৩৭,০০০ | ২৮,০৮,০০০ | ৩৪·৯৮% | ২১·৬% |
| ১৯৭১ | ১,৪৬,২৫,০০০ | ৩৭,৮৮,০০০ | ৩৪·৯৫% | ২৪·৮% |

এই হিচাপে স্পষ্টভাৱে দেখুৱাই দিয়ে যে স্বাধীনোত্তৰ কালছোৱাত অসমৰ জনসংখ্যা বৃদ্ধিৰ বিস্ফোৰণৰ মূলতে পাকিস্তানী (পূব পাকিস্তান) বাংলাদেশীৰ অবৈধ অনুপ্ৰবেশ। এই প্ৰব্ৰজন অবৈধভাৱে হোৱা বিদেশীৰ এটা ৰাজনৈতিক ষড়যন্ত্ৰ. যি ষড়যন্ত্ৰত লিপ্ত হৈছে অন্য তথা 'বিদেশী ৰাষ্ট্ৰৰপ্ৰতি' প্ৰাণপ্ৰচুৰ আনুগত্য থকা এচাম ভাৰত বিদ্বেষী বিদেশী লোক। যিমানেই নকওক কিয় এই প্ৰব্ৰজনকাৰীসকল বিদেশী; তেওঁলোকৰ ৰাজনৈতিক সাংবিধানিক সকলো নিৰাপত্তাৰ দায়িত্ব সেই বিদেশী ৰাষ্ট্ৰৰ হাতত ন্যস্ত — ভাৰত চৰকাৰ তাৰ বাবে কোনোপধ্যেই দায়ী নহয়; বৰং ভাৰত চৰকাৰৰ সাংবিধানিক দায়িত্ব আৰু কৰ্তব্য হ'ল সেইসকল বিদেশীৰ যাকে ধ'তে পায় তাকে ত'ৰ পৰা ধৰি নি সেই বিদেশী ৰাষ্ট্ৰক গতাই দি তাৰ বাবে জগৰীয়া সাব্যস্ত কৰাটো আৰু লগতে ভবিষ্যতে যাতে এনে কাৰ্য্য নঘটে তাৰ বাবে সেই ৰাষ্ট্ৰক সাৱধান কৰি দিয়াটোও ভাৰত চৰকাৰৰ সাংবিধানিক দায়িত্ব। এই প্ৰব্ৰজনপিনি সকলো দিনৰ পৰা অতি অস্বাভাৱিক, আৰু অসম কিয় সমগ্ৰ ভাৰতৰ বাবেই এই বাংলাদেশী অনুপ্ৰবেশ মাৰাত্মক— ভাৰতৰ নিৰাপত্তা আজি এওঁলোকৰ বাবে ভয়াবহ হৈ পৰিছে। বাংলাদেশে সেই সকলক নিজৰ দেশত ৰক্ষণাবেক্ষণ দিব। অসমে কিহৰ অপৰাধত সেই বিদেশী সকলৰ বোজা বহন কৰিব? ভাৰতেই বা সেই বোজা বহন কৰি অৰ্থনৈতিক আৰু ৰাজনৈতিক দুৰ্দশা চপাই লব কিয়? এইদৰে স্বাধীনতাৰ পাছৰ কালছোৱাত নানা সমস্যা জৰ্জৰিত দাঁতি কাষৰীয়া বিদেশী ৰাষ্ট্ৰৰ পৰা অসমত হোৱা বহু লক্ষাধিক প্ৰব্ৰজনৰ ফলত আমাৰ দেশ তথা পূৰ্বাঞ্চল, বিশেষকৈ অসম অৰ্থনৈতিক, ৰাজনৈতিক, ঔদ্যোগিক ক্ষেত্ৰত



জটিল সংকটৰ সন্মুখীন হৈছে আৰু ইয়াৰ অস্তিত্বও আজি সামগ্ৰিক ভাৱে বিপন্ন হৈ পৰিছে। এই প্ৰব্ৰজনৰ হেঁচাত অসমৰ সংস্কৃতিয়ে ৰূপ সলোৱাৰ উপক্ৰম হৈছে, জনজাতি সকলৰ নিজস্ব সামাজিক ৰূপ পানবান হোৱাৰ উপক্ৰম হৈছে। মুঠতে অসমৰ থলুৱা লোক দেশতে সংখ্যালঘুত পৰিণত হৈ ৰক্ষণাবেক্ষণ বিচাৰিব লগীয়া হব— যিটো আমি দেখিবলৈ পাইছোঁ ত্ৰিপুৰাত। স্বাধীনতাৰ পিছত একমাত্ৰ ভাৰত চৰকাৰৰ নিষ্ক্ৰিয়তা, নীতিজ্ঞান বিবৰ্জিত উন্মত্ততা আৰু সংতে অসমক তুচ্ছ-তাচ্ছিল্যৰ দৃষ্টিৰে অৱহেলা কৰি অহাৰ ফলত নিজৰ ঘৰ-বাৰী, ভূমি-সম্পত্তিৰ মাজতে সংখ্যালঘু, দেশীয় নাগৰিকত পৰিণত হওঁ হওঁ অৱস্থা; আনহাতে সংখ্যা গৰিষ্ঠ হব কোন? প্ৰব্ৰজনকাৰী অবৈধ বিদেশীসকল। এইখিনি কথাকে আজি চৰকাৰক সঁকিয়াই দি সাংবিধানিক ৰক্ষণাবেক্ষণ বিচাৰিবলৈ গৈ অসম সমগ্ৰ পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যবদৰে আন্দোলন মুখৰ হৈ পৰিছে। এই আন্দোলন আচলতে পৰিচালিত কৰিব লাগিছিল সৰ্বভাৰতীয় দেশ ৰক্ষকৰ গাদীত থকা নেতৃস্থানীয় লোকসকলে। অসমৰ এই আন্দোলনৰ মূল কাৰণ হ'ল অবৈধ বিদেশী অনুপ্ৰবেশ কাৰী সকলক অসাংবিধানিক ভাৱে ভাৰতীয় নাগৰিকত্বৰ শ্ৰেষ্ঠতম ৰক্ষাকবচ ভোটাধিকাৰ প্ৰদান। এই চাম লোকে নিজৰ ভোটৰ যোগেদি ভাৰতৰ ৰাষ্ট্ৰনীতিৰ তথা শাসনতন্ত্ৰৰ ভবিষ্যত নিৰ্দ্ধাৰণ কৰিব ওলাইছে। ভাৰতৰ নিৰাপত্তা, ভাৰতৰ আভ্যন্তৰিক আৰু বৈদেশিক নীতি নিৰ্ধাৰণ কৰে আমাৰ ভোটেৰে নিৰ্বাচিত বিধান সভা, লোক সভা আৰু ৰাজ্য সভাৰ সদস্যসকলে। তেওঁলোকৰ এক বুজন অংশ এই বিদেশী চামৰ পৰা নিৰ্বাচিত হৈ নাযাবনে? এইবোৰ কাৰ্য্যত পোন প্ৰথম বলি হব অসম, যিসন ৰাজ্য ইতিমধ্যে অৰ্থনৈতিক, সাংস্কৃতিক, ভাষিক, ৰাজনৈতিক প্ৰভৃতি বিষয়ত চূড়ান্ত বিপৰ্য্যয়ৰ সন্মুখীন হৈছে। এই সকলক প্ৰশ্ৰয় দি বহিষ্কাৰ নকৰা কাৰ্য্যত অসমৰ জনসাধাৰণ কেন্দ্ৰীয় চৰকাৰৰ প্ৰতি বিক্ষুব্ধ হৈ উঠাৰ লগে লগে এনে বুলিও ভাবে যেন বৰ্তমান চৰকাৰ বিদেশী ভোটৰ ওপৰতহে বৰ্তি আছে; অন্যথাই যেন তেওঁলোক নিৰূপায় হৈ অসমলৈ পূব পাকিস্তান বা বাংলাদেশ আৰু নেপালৰ পৰা বিদেশী লোকৰ যিটো অবৈধ প্ৰবল সোঁত বৈ আহিছে সেই বিষয়ত চৰকাৰ অতি উদাসীন। পূব পাকিস্তানী বিক্ষিউজী সকলক সংস্থাপিত কৰাৰ পিছতো চৰকাৰী পতিত মাটিত, যেনে সংৰক্ষিত বনাঞ্চলত, নদীৰ চৰ-চাপৰিত, গো-চৰণীয়া পথাৰত, হাবি-বনত, সংস্থাপিত সকলৰ আশ্ৰয়ত য'ত যেনেভাৱে পাৰে নানা উপায়ে ব্যক্তিগত ভাৱে এই অনুপ্ৰবেশকাৰী সকলে স্বাধীনোত্তৰ কাল ছোৱাত অসমত খোপনি পুতিছেহি। তেনেকুৱা বিদেশী অসমত প্ৰায় ৫৬ লাখ আছে। ইয়াৰে অৱশ্যে চৰকাৰী হিচাপ মতেই প্ৰায় ২২ লাখ লোকক মাটি আদি দি সংস্থাপিত কৰা হৈছে অসমৰ বুকুত। তলত উল্লেখ কৰা থূল-মূল হিচাপটোৱে সেই কথাৰে আভাস দিয়ে :—

| বছৰ | বিদেশী অনুপ্ৰবেশ : সংস্থাপন পোৱা | বিদেশী অনুপ্ৰবেশ : অবৈধ | মুঠ সংখ্যা |
|---|---|---|---|
| ১৯৪৭-৫১ | ২,৪৭,৪৫৫ | ৫,৫৮,৮৩৩ | ৮,৩৩,২৮৮ |
| ১৯৫১-৬১ | ৬,৪০,০০০ | ১,৩৪,৮৬৯ | ৭,৭৪,৮৬৯ |
| ১৯৬১-৭১ | ৬,৪০,০০০ | ৩,৪১,৬৯৭ | ৯,৮১,৬৯৭ |
| ১৯৭১-৭৯ | ৬,৪০,০০০ | ২৩,৬০,০০০ | ৩০,০০,০০০ |
| মুঠ | ২১,৬৭,৪৫৫ | ৩৩,৯৫,৩৯৯ | ৫৫,৮৯,৮৫৪ |

ভাৰত স্বাধীন হোৱাৰ কিছুকালৰ আগৰেপৰা সৰ্বভাৰতীয় ৰাষ্ট্ৰীয় নেতাসকলৰ সৰহভাগেই অসমৰ অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত বেছি উদাসীন আছিল। সেই কাৰণেই মহাত্মা গান্ধীয়ে ১৯৪৪ চনত গ্ৰুপিঙত অসমক বিসৰ্জন দিবলৈ ওলোৱা সময়ত সেই নেতাসকলৰ বিৰুদ্ধে গৈ অসমৰ নেতাসকলক কৈছিল— "যদি অবাধ গতিত অসমলৈ প্ৰব্ৰজন কৰা লোক সকলে অসমৰ অস্তিত্ব-ৰক্ষাৰ প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিব পাৰে বুলি অসমীয়া-সকলে ভাবে তেন্তে অসমৰ জনসাধাৰণৰ ইয়াৰ বিপক্ষে সত্যাগ্ৰহ কৰাৰ অধিকাৰ আছে।" আজি গান্ধীজীৰ সেই অমৰ বাণী অসমৰ বুকুত প্ৰতিধ্বনিত হৈছে।

অসমৰ এই অবৈধ প্ৰব্ৰজন বন্ধ কৰি বিদেশী সকলক অসমৰ পৰা বহিষ্কাৰ কৰা সম্পৰ্কে মেধেই আৰু এ-এন- কিডৱাই প্ৰভৃতি কেবাগৰাকী চৰকাৰী উচ্চ বিষয়াই কেন্দ্ৰীয় চৰকাৰক যথাসময়ত সোঁৱৰাই দিছিল। অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে ১৯৬৪ চনৰ ১৫ মাৰ্চৰ দিনাখন এই সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰক সতৰ্ক কৰি দিয়া প্ৰস্তাৱ, আৰু তাৰ কিছু দিনৰ পিছত সেই সময়ৰ প্ৰধান মন্ত্ৰীৰ দায়িত্বত থকা গুলজাৰী লাল নন্দৰ হাতত অৰ্পণ কৰা স্মাৰকপত্ৰত এই সমস্যাৰ কথা বৰ্ণনা কৰি বিদেশী সকলক সংবিধানৰ ভিত্তিত বহিষ্কাৰ কৰিবলৈ দাবী জনোৱা কথা প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি। এই সমস্যাৰ কথা পূৰ্বৰ প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰু, লাল বাহাদুৰ শাস্ত্ৰী, মোৰাৰজী দেশাই আদিয়ে ভালদৰে জানিছিল, আৰু বৰ্তমানৰ প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়ে আন আটাইকেইগৰাকী প্ৰধান মন্ত্ৰীতকৈ বহু বেছি পৰিমাণে জনাই নহয় বাংলাদেশ সৃষ্টিৰ আগৰে পৰা অসমলৈ একেখিনি ঠাইৰ পৰা লাখ লাখ বিদেশীৰ অনুপ্ৰবেশৰ বাবে জগৰীয়াও; তেওঁৰ কালছোৱাত এই প্ৰব্ৰজন ৰোধ কৰিবলৈ কি চেষ্টা কৰিছিল সকলোৱে জানে। নামত এটা বিভাগ ৰাখি অসমৰ ৰাইজক যি ৰাজনৈতিক ধাপ্পা দিলে তাৰেই পৰিণতিত অসম আজি বিদেশীৰ সৰ্বাত্মক গ্ৰাসত নিশ্চিহ্ন হোৱাৰ পথত। যি সকল কংগ্ৰেছী স্থানীয় নেতাই এই বিষয়ত মনযোগ দিবলৈ গৈছিল সেই সকলক কংগ্ৰেছৰ তথাকথিত শৃঙ্খলা ভংগৰ নামত আঁতৰ কৰা নাছিলনে? এই ক্ষেত্ৰত সোঁপন্থী বামপন্থী নেতাসকলৰ বহুতেই ৰাষ্ট্ৰীয় স্বাৰ্থকো উলাই কৰি ভাষা, ধৰ্ম, সম্প্ৰদায়, ব্যক্তিগত, ৰাজনৈতিক স্বাৰ্থ আদিত অধিক গুৰুত্ব আৰোপ কৰি সেই অনুপ্ৰবেশৰ প্ৰতি উদাসীন ভাব পোষণ কৰা দৃষ্টান্তও আছে। কেন্দ্ৰই কিম্বা ৰাজনৈতিক দল-উপদলবোৰে এই ৰাষ্ট্ৰীয় সমস্যাটোৰ প্ৰতি কোনো গুৰুত্বই নিদিলে। সেইবাবেই অসমৰ জনগণে ভাবে যে কেন্দ্ৰৰ প্ৰতাপী নেতাসকলৰ নিজৰ ঠাই কাশ্মীৰ, উত্তৰ প্ৰদেশ কিম্বা পশ্চিম বঙ্গ হোৱা হলে কিন্তু পুলিয়ে পোণাই উৰালি এই সমস্যাৰ কাহানিবাই ওৰ পেলালে-হেঁতেন। কেন্দ্ৰৰ স্বাধীনতাৰ পাছৰ কালছোৱাৰ কাৰ্য্যকলাপেই অসমৰ জনগণৰ মনত এই ধাৰণাৰ সমল যোগাইছে।

সৰ্বভাৰতীয় দল-উপদলৰ নেতাসকলে কেন্দ্ৰীয় চৰকাৰৰ গাদী দখল কৰি ব্যক্তিগত সা-সুবিধা উপভোগত মজি থাকিল, অসমৰ জনগণৰ অভাৱ-অসুবিধাৰ কথা পাহৰি গ'ল। অসমীয়াই ন্যায্য প্ৰাপ্তিৰ বাবে কেতিয়াবা আন্দোলন কৰিলেও চৰকাৰে তাক পুলিচ, চি-আৰ-পিৰদ্বাৰা দমাই ৰাখিবলৈ চেষ্টা কৰে। গুৱাহাটীৰ তেল-শোধনাগাৰ, মালিগাওঁ ৰেল-ডিভিজন বঙাইগাওঁ শোধনাগাৰ, ব্ৰহ্মপুত্ৰৰ একমাত্ৰ দলংখন আৰু পেট্ৰোকেমিকেল কমপ্লেক্স আদি স্থাপনত অসমবাসীয়ে কম দুখ-নিৰ্যাতন ভোগা নাই! আনহাতে গুৱাহাটীৰ তেল-শোধনাগাৰটো সকলো দিশৰ পৰা মিতব্যয়ী হোৱা সত্বেও কেন্দ্ৰীয় চৰকাৰে ঔপনিবেশিক দৃষ্টিভঙ্গীৰে অসমৰ অপৰিশোধিত তেলক নিৰ্ভৰ কৰি বিহাৰৰ বাৰাউনিত বৃহৎ তেল-শোধনাগাৰটো পাতিলে। অন্যান্য উদ্যোগ-প্ৰতিষ্ঠানৰ কথা তো কেন্দ্ৰই অসমক



বঞ্চিত কৰি ৰাখিছে। এতিয়া বিদেশী অনুপ্ৰবেশ-কাৰীক অসমতে ৰাখিবলৈ কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ। যি বিদেশীক দেখা মাত্ৰকে গ্ৰেপ্তাৰ কৰি দেশৰ পৰা বহিষ্কাৰ কৰিব লাগে সেই বিদেশীক আকৌ ভোটাধিকাৰ দিবলৈ চেষ্টা চলোৱাত কেন্দ্ৰীয় চৰকাৰক কোনে সন্দেহ নকৰিব?

অসমত বিদেশী অনুপ্ৰবেশকাৰীৰ বৃদ্ধিৰ অনুপাতে ভোটাৰ তালিকাত নিৰ্বাচক তথা ভোটাৰৰ সংখ্যা কি আচৰিত ধৰণে বৃদ্ধি হৈছে সেইটোও বিচাৰ কৰি চোৱা দৰ্কাৰ। ১৯৫১ চনত অসমত মুঠ ভোটাৰৰ সংখ্যা আছিল ৪০,৬৬,৯০০ জন। আৰু ১৯৫৭ চনত সি হ'লগৈ ৪৪,৯৩,৩৫৭ জন, অৰ্থাৎ ছয় বছৰত বাঢ়িল প্ৰায় ১০% বা ৪,২৬,৩৯৭ জন। তাৰ পাঁচ বছৰ পিছত ১৯৬২ চনত সেই ভোটাৰৰ সংখ্যা ৪,৪৯,৪৫৯ জন বাঢ়ি হ'লগৈ ৪৯,৪২,৮১৬ জন। এই পাঁচ বছৰতো বৃদ্ধিৰ পৰিমাণ হ'ল ১০%। তলত তাৰ আভাস দাঙি ধৰা হ'ল :—

| বছৰ | ভোটাৰৰ সংখ্যা | বৃদ্ধি | বৃদ্ধিৰ হাৰ |
|---|---|---|---|
| ১৯৬২ | ৪৯,৪২,৮১৬ | ৪,৪৯,৪৫৯ | ১০% |
| ১৯৬৬ | ৫৫,৮৫,০৫৬ | ৬,৪২,২৪০ | ১০% |
| ১৯৭০ | ৫৭,০১,৮০৫ | ১,১৬,৭৪৯ | ২·০৯% |
| ১৯৭১ | ৬২,৯৬,১৯৮ | ৫,৯৪,৩৯৩ | ১০·৪২% |
| ১৯৭৭ (মাৰ্চ) | ৭২,২৯,৫৪৩ | ৯,৩৩,৩৪৫ | ১৪·৮২% |
| ১৯৭৭ (নৱেম্বৰ) | ৭৯,৭৪,৪৭৬ | ৭,৪৪,৯৩৩ | ১০·৩০% |
| ১৯৭৮ | ৮৫,৩৭,৪৯৭ | ৫,৬৩,০২১ | ৭·০৬% |

উল্লেখযোগ্য যে ১৯৭০ চনলৈকে অসমৰ পৰা পূব পাকিস্তানী অনুপ্ৰবেশকাৰী ১,৯১,৩৪৮ জন আৰু ১৯৭৯ চনলৈকে বাংলাদেশী অনুপ্ৰবেশকাৰী ২,৯৭,৭৪২ জনক ঘূৰাই পঠোৱা বুলি কোৱা হৈছে। সেই কথা মানি ললেও ১৯৫৭ চনৰ পৰা ১৯৭০ চনলৈ বাৰ বছৰত অসমত ভোটাৰৰ সংখ্যা বৃদ্ধি হ'ল ১২,০৮,৪৪৮ জন অৰ্থাৎ প্ৰতি বছৰত বাঢ়িল প্ৰায় এক লাখজন। আকৌ ১৯৭০ চনৰপৰা ১৯৭৯ চনলৈকে চেপ্তেম্বৰ পৰ্যান্ত ন বছৰত ভোটাৰৰ সংখ্যা বৃদ্ধি হ'লগৈ ২৮,৩৫,৬৯২ জন অৰ্থাৎ প্ৰতি বছৰত বৃদ্ধিৰ হাৰ হ'ল ৩,১৫,০৭৭ জন। মন কৰিব লগীয়া কথা হ'ল যে আগৰ বাৰ বছৰত প্ৰতি বছৰে যিমান বৃদ্ধি হৈছিল বাংলাদেশ হোৱাৰ পিছত নবছৰৰ ভিতৰত প্ৰতি বছৰত বাঢ়িল আগৰ তুলনাত তিনিগুণতকৈও বেছি।

এই অস্বাভাৱিক বৃদ্ধিৰ মূল কাৰণ হ'ল বিদেশী অবৈধ অনুপ্ৰবেশ-কাৰীৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্তি-কৰণ। ভোটাৰ তালিকাৰ পৰ্যালোচনা কৰি বৃদ্ধিৰ শতকৰা হাৰ উলিয়ালে দেখা যাব যে কমেও ৩৮,০০,০০০ বিদেশী অবৈধ অনুপ্ৰবেশকাৰীৰ নাম ভোটাৰ তালিকাত অন্যায় ভাৱে অন্তৰ্ভুক্ত হৈছে।

উল্লেখযোগ্য, যে স্বাধীনতাৰ পিছত বিভিন্ন দশকত অসমত প্ৰবেশ কৰি সংস্থাপিত হোৱা বিদেশী নাগৰিকৰ সংখ্যা প্ৰায় ২২ লাখ, আৰু সম্পূৰ্ণ অবৈধভাৱে বসবাস কৰিবলৈ লোৱা বিদেশীৰ সংখ্যা প্ৰায় ৩৪ লাখ। এইদৰে প্ৰায় ৫৬ লাখ বিদেশী অনুপ্ৰবেশকাৰী আজি অসমত সোমাই আছেহি। এই হিচাপটো এনেধৰণৰ —

| বছৰ | সংস্থাপিত - বিদেশী | অবৈধ বিদেশী | মুঠ |
|---|---|---|---|
| ১৯৪৭-৫১ | ২,৭৪,৪৫৫ | ৫,৫৮,৮৩৩ | ৮,৩৩,২৮৮ |
| ১৯৫১-৬১ | ৬,৪০,০০০ | ১,৩৪,৮৬৯ | ৭,৭৪,৮৬৯ |
| ১৯৬১-৭১ | ৬,৪০,০০০ | ৩,৪১,৬৯৭ | ৯,৮১,৬৯৭ |
| ১৯৭১-৭৯ | ৬,৪০,০০ | ২৩,৬০,০০০ | ৩০,০০,০০০ |
| মুঠ | ২৬,৯৪,৪৫৫ | ৩৩,৯৫,৩৯৯ | ৫৫,৮৯,৮৫৪ |

১৯৫১ চনলৈকে ভাৰতলৈ আহি সংস্থাপিত হোৱা বিদেশী অনুপ্ৰৱেশকাৰী বিলাকক এই হিচাপৰ পৰা বাদ দিলেও ৩৩,৯৫,৩৯৯ জন বিদেশী নাগৰিকে অসমত খোপনি পুতি আছে। সংবিধানৰ ভিত্তিত এই বিদেশী নাগৰিকসকলক চিনাক্ত কৰা খিদৰে কেন্দ্ৰীয় চৰকাৰৰ কৰ্তব্য সেই একেদৰে তেওঁলোকক বহিষ্কাৰ কৰি অসমৰ ভাৰতীয় নাগৰিকসকলক সাংবিধানিক ৰক্ষা-কৱচ দিয়াও কেন্দ্ৰৰে দায়িত্ব। ৰাজ্যিক চৰকাৰক এই কৰ্তব্য পালনত কেন্দ্ৰই সৰ্বতোপ্ৰকাৰে সহায় আৰু সমৰ্থন কৰাটো তেওঁলোকৰ ন্যূনতম সাংবিধানিক দায়িত্ব। এই দায়িত্ব পালনত ব্যৰ্থ হোৱা চৰকাৰৰ সেই আসনত থকাৰ কি নৈতিক অধিকাৰ আছে? অসমৰ দাবী হ'ল সংবিধানে স্বীকৃতি দিয়া নাগৰিক হিচাপে খিলুৱা অসমবাসীয়ে প্ৰাপ্য মৰ্য্যাদাখিনি পাব লাগিব।

এইখন কেন্দ্ৰীয় চৰকাৰৰে মুখ্য নিৰ্বাচনী আয়ুক্ত এচ, এল, শাকধেৰে ১৯৭৮ চনৰ ২৪ অক্টোবৰত উটকামণ্ডত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ চেমিনাৰত সাৱধান কৰি দি কৈছিল যে অসম অচিৰেই বিদেশী নাগৰিকৰ কবলত পৰিব আৰু সি সমগ্ৰ দেশৰ কাৰণেই হব এটা অতি গুৰুতৰ সমস্যা। তেওঁৰ মন্তব্য আছিল এনে ধৰণৰ—"এনেকুৱা এটা পৰিস্থিতি পাবলৈ সি সময়ত অসমত বিদেশী নাগৰিক সকলে সংখ্যাগৰিষ্ঠ নহ'লেও এক যথেষ্ট বৃহৎ ভাগ হৈ চিন্তাৰ বিষয় হৈ উঠিব। সেই কাল চোৱা ইতিমধ্যে আহি পৰিছে।" …সেই একেদৰে সংসদৰ মজিয়াতো একাধিক এম, পিয়ে মন্তব্য কৰা দেখিবলৈ পাইছোঁ। সংসদৰ মজিয়াতে প্ৰধান মন্ত্ৰীয়ে স্বীকাৰ কৰি কৈছিল যে অসমৰ এই বিদেশীক লৈ চলা আন্দোলন এক শান্তিপূৰ্ণ আন্দোলন। তেওঁৰেই আকৌ পাছত কথা সদাই আনভাৱে মতামত ব্যক্ত কৰি যাতে যেনেভাৱে সুবিধা হয় তেনেভাৱে নথম ৰাজ্যৰ বিধান সভাৰ ভোটৰ আক্ৰোশত ওলট-পালট কথা কৈ ফুৰিছে, আৰু অসমৰ সমস্যাটো জটিলতৰ কৰি তুলিছে। প্ৰধান মন্ত্ৰীৰ আসনৰ পৰা বিৰোধী নেত্ৰীয়ে "প্ৰয়োজন হলে অসমৰ বাবে অবাঞ্ছিত বিদেশী লোকসকলক ভাৰতৰ বিভিন্ন ৰাজ্যত ভগাই দি সংস্থাপিত কৰা হব" বুলি কৈছিল তেঁৱেই আজি কিয় এই বিদেশী সকলৰ ক্ষেত্ৰত সংবিধানৰ বিধি-বিধানৰ ভিত্তিত সংসদ ভৱনত কোৱা কথা কাৰ্য্যত ৰূপ দিবলৈ তৎপৰ হোৱা নাই? বৰং এই অনাহক বিলম্বৰ সুযোগত অসম বিৰোধী তথা ভাৰতৰ ঐক্য আৰু সংহতিৰ বিৰুদ্ধবাদী চক্ৰই অসমত বিদেশী বাংলাদেশী সকলক হাতত লৈ অসমৰ আন্দোলন মহিমুৰ কৰিবলৈ গৈ সমগ্ৰ পূৰ্বাঞ্চলৰ ৰাজ্য সমূহৰ নিৰাপত্তা বিপন্ন কৰি তুলিছে। এই স্পৰ্শকাতৰ অঞ্চলটোৰ এই গুৰুতৰ সমস্যাটো সম্পূৰ্ণ সংবিধানৰ ভিত্তিত মীমাংসা কৰাটো



কেন্দ্ৰীয় চৰকাৰৰ প্ৰথম প্ৰধান দায়িত্ব।

এই বিদেশী নাগৰিকৰ লগত অসমৰ আৰু এটা কথা বিশেষভাৱে জড়িত। সিয়েই হ'ল অসমৰ ৰাজ্যিক ভাষা, তথা অসমীয়া ভাষাৰ মৰ্য্যদা। ৰাজ্যিক তথা আঞ্চলিক ভাষা হিচাপে এই ভাষা আইন পাছ হোৱাৰ কুৰিবছৰ পাছতো চৰকাৰী কাৰ্য্যালয়, স্কুল - কলেজ আদিত আজিও প্ৰকৃত মৰ্য্যদা লাভৰ পথ কণ্টকাকীৰ্ণ। বিদেশী সকলক বহিষ্কাৰ নকৰিলে দেশৰ নিৰাপত্তা আৰু সংস্কৃতিৰ লগতে অসমীয়া ভাষাৰ ওপৰতো ৰামটাঙোনৰ মাৰমাৰ যে পৰিব তাত সন্দেহ নাই। সেই এটা নতুন সমস্যাৰ উদ্ভৱ হোৱাৰ সম্ভাৱনাও আছে। কেন্দ্ৰৰ অৱহেলাৰ বাবে এনেদৰে এটাৰ পিছত এটাকৈ সমস্যাই অসমক নিঃশেষ কৰিব।

এই প্ৰসঙ্গত অসম আৰু বাংলাদেশৰ সীমা সম্পৰ্কেও তুষাৰমান উল্লেখ কৰা দৰকাৰ। মেঘালয় সৃষ্টি হোৱাৰ আগতে পূব পাকিস্তানৰ লগত অসমৰ গোৱালপাৰা, গাৰোপাহাৰ আৰু কাছাৰ জিলাৰ সীমা আছিল ৩৫০ কিলোমিটাৰ। মেঘালয় হোৱাৰ পিছত কাছাৰ জিলাৰ সীমান্তত ৮৪ কিলোমিটাৰ আৰু গোৱালপাৰা জিলাত ১৩৭ কিলোমিটাৰ হ'ল অসম-বাংলাদেশৰ সীমা। কাছাৰ - বাংলাদেশ সীমান্তত ৩০ টা আৰু গোৱালপাৰা বাংলাদেশ সীমান্তত ১৮ টা সীমান্তৰক্ষী বাহিনীৰ চকী আছে। ইয়াৰ বাহিৰেও অসম পুলিচৰ ২৬ টা থলীয়া চকী আৰু ১৩ টা টহলদাৰী চকীও আছে। এই সীমান্তৰক্ষী বাহিনী অসমৰ বাহিৰৰ লোকেৰে পুষ্ট হোৱা বাবে তেওঁলোকে সমস্যাৰ গুৰুত্ব উপলব্ধি কৰিব নোৱাৰে। তদুপৰি সীমান্তৰক্ষী বাহিনীৰ ওপৰত জিলা কৰ্তৃপক্ষ তথা জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষকৰ একো কৰ্তৃত্ব নাথাকে। ফলত ৰাষ্ট্ৰৰ অতি গুৰুত্বপূৰ্ণ এখন ঠাইত প্ৰশাসন দুভৰপীয়া—জিলা কৰ্তৃপক্ষৰ এটা কাম আৰু সীমান্তৰক্ষী বাহিনীৰ এটা কাম। জিলা কৰ্তৃপক্ষৰ লগত সমান্তৰাল কৰ্তৃপক্ষ এটাই সীমান্তত কাৰ্য্যনিৰ্বাহ কৰি আহিছে। আমাৰ লগত থকা বাংলাদেশৰ সীমাটো দৰাচলতে সুৰক্ষিত নহয়। বৰ্তমানৰ পাকিস্তানৰ ( পূৰ্বৰ পশ্চিম পাকিস্তান ) লগত পঞ্জাৱ আদিত থকা ভাৰতীয় সীমান্ত যথেষ্ট সুৰক্ষিত। তাৰ দুৰ্ভেদ্য প্ৰাচীৰৰ উপৰিও নানাভাৱে সুসজ্জিত থাকিব আদিৰ ব্যৱস্থা আছে, যিটো কাৰণত সেইবোৰ ঠাইত বিদেশী সহজে সীমা পাৰ হৈ আহিব নোৱাৰে। অসম সীমান্তত কিন্তু তাৰ ওলোটা। সেইবাবেই হবলা বৰ্তমানৰ গৃহ মন্ত্ৰী গিয়ানী জেইল সিং ডাঙৰীয়াই সাম্প্ৰতিক আন্দোলনৰ নেতাসকলক সীমান্তত দুৰ্ভেদ্য জেওৰা, থকা প্ৰাচীৰ একেবাৰেই নোহোৱাকৈ কিহৰ সীমা এটা হব পাৰে বুলি আশ্চৰ্য্য প্ৰকাশ কৰিছিল। কেইটামান পুলিচ চকীৰ সংখ্যা বঢ়ালেই বা সীমান্তৰক্ষীৰ সংখ্যা বেছি কৰিলেই নহয়, সীমাত স্থায়ী দুৰ্ভেদ্য প্ৰাচীৰৰ ব্যৱস্থা কৰাও দৰকাৰ। অসমৰ পৰা অবৈধ বিদেশী নাগৰিকক বহিষ্কাৰ কৰা কথাৰ লগত সীমান্তৰ সুৰক্ষাৰ কথাও বিশেষভাৱে জড়িত। বাংলাদেশৰ লগত অসমেই নহয় পূবৰ কেউখন ৰাজ্যৰ সীমা সম্পূৰ্ণভাৱে বন্ধ কৰি সুৰক্ষিত কৰা দৰকাৰ।

বিদেশীৰ কৰাল গ্ৰাসৰ পৰা অসমক উদ্ধাৰ কৰিবলৈ হলে কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় সংবিধানৰ ভিত্তিত আগবঢ়াৰ বাহিৰে আন আইন সম্মত কোনো ব্যৱস্থা নাই। দেশৰ নিৰাপত্তা, ঐক্য-সংহতি, অৰ্থনীতি, আৰু ৰাজনীতি তথা সাৰ্বভৌমত্ব যি কথাৰ লগত জড়িত তেনে কথাত দলীয় ৰাজনীতি আৰু তথাকথিত মানৱীয় নীতিৰ কোনো মূল্য নাই; তাকে যদি কৰা হয় সি হব ৰাষ্ট্ৰীয় সাৰ্বভৌমত্বৰ তলাই খুটাৰ গুৰিত ডিনামাইট পোতাৰ নিচিনা এটা ভয়ংকৰ কথা। আজি নহলেও এদিন নহয় এদিন সেই ডিনামাইট

বিস্ফোৰণ হৈ দেশৰ স্বাধীনতা বিপন্ন কৰিবই। সেইবাবে কেন্দ্ৰীয় চৰকাৰে অযথা আত্মসন্মানৰ কথা ভাবি নাথাকি অসম নিবাৰক নিৰোধ অধ্যাদেশ ১৯৮০, অসম অশান্ত অঞ্চল (সামৰিক বিশেষ ক্ষমতা) আইন ১৯৫৮, আদি সকলোবোৰ দমনমূলক নীতি আৰু ব্যৱস্থা প্ৰত্যাহাৰ কৰি বন্দীসকলক মুক্তিদান কৰিব লাগে। তদুপৰি আন্দোলনৰ নেতাসকলৰ গ্ৰেপ্তাৰী পৰোৱানা বিলাকো চৰকাৰে তাৎকালিক ভাৱে উঠাই লৈ সমিল মিলৰ বাতাবৰণত আলোচনাৰ মাধ্যমেৰে এই ৰাষ্ট্ৰীয় সমস্যাটোৰ সমাধান সূত্ৰ উলিয়াই অসম তথা পূৰ্বাঞ্চলটো বিদেশীৰ সৰ্বতোপ্ৰকাৰ গ্ৰাসৰপৰা ৰক্ষা কৰিব লাগে। সক্ৰিয় চৰকাৰ এখন থকা সত্বেও এটা ব্যাপক অঞ্চলৰ নাগৰিকে চৰকাৰৰ দৃষ্টি আকৰ্ষণৰ বাবে ন মহীয়া আন্দোলন কৰিব লগীয়া হৈছে; চৰকাৰ আছে কিহলৈ ?— ইয়াৰ বাবে ভাৰত চৰকাৰ বিশ্বৰ আগত হেয় প্ৰতিপন্ন হোৱা নাইনে? আন ৰাষ্ট্ৰৰ এনেকুৱা এটা পৰিস্থিতিত ভাৰত চৰকাৰ, বৰ্তমান প্ৰধান মন্ত্ৰী গৰাকীয়ে কি ভূমিকা লয় সেই কথা সো সিদিনা মাত্ৰ বাংলাদেশৰ জন্মৰ সময়ত আমি দেখা নাইনে? বাংলাদেশী পাকিস্তানী অনুপ্ৰবেশকাৰীৰ প্ৰতি তেওঁৰ কল্পনাতীত দৰদ কিয়? অসমে এই কথাতেই আচৰিত মানিছে। বিদেশীৰ প্ৰতি এই পক্ষপাতিত্বত অসম আজি শেষ সংগ্ৰামত লিপ্ত। অসমে সেয়ে আজি দাবী কৰিছে কেন্দ্ৰৰ ওচৰত যে, (১) সৰ্বভাৰতীয় ৰাজনৈতিক দল কিছুমানৰ অসমত চলোৱা সাম্প্ৰতিক ষড়যন্ত্ৰ বন্ধ কৰিব লাগে, কাৰণ সেইবোৰেই সাম্প্ৰদায়িক বিভেদৰ সৃষ্টি কৰি সংখ্যালঘুৰ নামত অসমত সন্ত্ৰাসৰ সৃষ্টি কৰিছে। (২) বাংলাদেশৰ লগত থকা অসমৰ সীমা সম্পূৰ্ণৰূপে বন্ধ কৰি সুৰক্ষিত ৰখাৰ চিৰস্থায়ী ব্যৱস্থা কৰিব লাগে আৰু সীমান্ত ৰক্ষাৰ সকলো ভাৰ দিব লাগে অসম চৰকাৰক, তাত কেন্দ্ৰৰ কোনো প্ৰশ্ন থাকিব নোৱাৰে। (৩) প্ৰতিবেশী কোনো ৰাজ্যই বিদেশী নাগৰিকক দিয়া নাগৰিকত্ব চাৰ্টিফিকেট বে-আইনী ঘোষণা কৰিব লাগে। (৪) জনজাতি পাৰ্বত্য অঞ্চলৰ কথা মনত ৰাখি অসমত পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যৰ সমান মৰ্য্যাদা দি অন্তৰ্বৰ্তী কালীন অনুমতি প্ৰৱেশ পত্ৰৰ ( Iuner Line ) ব্যৱস্থা কৰিব লাগে। (৫) ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ আধাৰত অবৈধভাৱে যিসকল বিদেশীৰ নাম ভোটাৰ তালিকাত সোমাইছে সেইবোৰৰ নাম তুৰন্তে বাদ দি সংবিধান আৰু সংশ্লিষ্ট আইনৰ সহায়ত সেইবোৰৰ যথাযথ ব্যৱস্থা লব লাগে, আৰু প্ৰয়োজন হলে সিবোৰক অন্য ৰাজ্যত এনেভাৱে সংস্থাপনৰ ব্যৱস্থা লব লাগে যাতে তেওঁলোক বিক্ষিপ্ত হৈ বসবাস কৰি ক্ৰমাগতিত সেই প্ৰদেশৰ লগত মিলি যাবলৈ বাধ্য হয়। (৬) আন্দোলনকাৰী সকলৰ লগত আলোচনা কৰি সদ্ভাৱ-সম্প্ৰীতিৰে উলিওৱা সমাধান সূত্ৰৰ আধাৰত কাম কৰিলে বিদেশী চিনাক্তকৰণ আৰু বহিষ্কৰণত এইসকল লোকৰ পৰা সম্পূৰ্ণ আন্তৰিক আৰু সক্ৰিয় সহায় পাব, যাৰ সহায়ত এনে জটিল কাম কেন্দ্ৰীয় চৰকাৰে যুদ্ধকালীন ক্ৰত গতিত সমাধা কৰিব পাৰিব।

---

# অসমৰ স্বাৰ্থ-সংৰক্ষণত অসম জাতীয় মহাসভাৰ ভূমিকা

শ্ৰীঅশ্বিনী চৰণ চৌধুৰী

[ আজি স্বদেশপ্ৰেমিক অসমীয়াই জাতিটো আৰু ৰাজ্যখনৰ অস্তিত্ব ৰক্ষাৰ কাৰণে যিদৰে উঠি-পৰি লাগিছে, তেনেকৈ প্ৰাক-স্বাধীনতাৰ যুগৰ পৰা কুৰি শতিকাৰ সপ্তম দশকলৈকে 'অসম সংৰক্ষিণী সভা' আৰু 'অসম জাতীয় মহাসভাই' এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। শ্ৰীযুত অশ্বিনীচৰণ চৌধুৰী 'অসম জাতীয় মহাসভা'ৰ এজন বিশিষ্ট কৰ্মী আছিল। অসমত চলি থকা সাম্প্ৰতিক গণ-আন্দোলনৰ পৰিপ্ৰেক্ষিতত ৰাইজৰ জ্ঞাতাৰ্থে তেখেতৰ প্ৰবন্ধটি আগ বঢ়োৱা হ'ল ]

কোনো এটা জাতি বা কোনো এখন দেশ সুস্থ-সবলভাৱে বৰ্ত্তি থাকিবলৈ হলে একোটা উমৈহতীয়া অনুষ্ঠানৰ প্ৰয়োজন। দেশৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে চৰকাৰী প্ৰশাসনৰ সহায়ক স্বৰূপেই ৰাজহুৱা অনুষ্ঠানৰ আৱশ্যকতা দেখি। সেই অৰ্থত 'অসম সংৰক্ষিণী সভা' আৰু 'অসম জাতীয় মহাসভা'ৰ ভূমিকা উল্লেখযোগ্য।

১৯২৬ চনৰ ৯ এপ্ৰিলত পোন-প্ৰথমতে অসমকেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীদেৱে গুৱাহাটীত 'অসম সংৰক্ষিণী সভা'ৰ দুৱাৰ মুকলি কৰে। ১৯২৬ চনৰ ৩১ ডিচেম্বৰত পাণ্ডুত বহা ভাৰতৰ জাতীয় কংগ্ৰেছ মহাসভাৰ ৪৬ তম অধিবেশনৰ মণ্ডপতেই গড়মূৰীয়া সত্ৰাধিকাৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামীদেৱৰ সভাপতিত্বত সংৰক্ষিণী সভাৰ প্ৰথম মুকলি অধিবেশন পতা হয়। ইয়াৰ পিছত ১৯৩৩ চনত বাগীবৰ নীলমণি ফুকনৰ সভাপতিত্বত, ১৯৩৪ চনত গোৱালপাৰাৰ বিশিষ্ট ব্যক্তি বিপিন চন্দ্ৰ ঘোষৰ সভাপতিত্বত, ১৯৩৫ চনত ধুবুৰীৰে প্ৰমথনাথ চক্ৰবৰ্তীৰ সভাপতিত্বত আৰু ১৯৩৬ চনত সু-সাহিত্যিক পদ্মনাথ গোহাঞিবৰুৱাৰ সভাপতিত্বত মহাপয়োভৰেৰে সংৰক্ষিণী সভাৰ অধিবেশন সমূহ অনুষ্ঠিত হয়।

এই 'অসম সংৰক্ষিণী সভা' খনেই পিছলৈ 'অসম জাতীয় মহাসভা'লৈ ৰূপান্তৰিত হয়। ৰাজনীতিমুক্ত অথচ জাতীয় ভাৱাপন্ন সকলো অসমীয়া জনসাধাৰণৰ একমাত্ৰ বিপদ-নাশক অনুষ্ঠান আছিল 'জাতীয় মহাসভা'। এই মহাসভাই অসমীয়া জাতিৰ বিপদাপন্ন অৱস্থাত বিশেষ ভূমিকা লৈ কাম কৰিছিল। ইয়াৰ প্ৰধান সম্পাদক আছিল দেশপ্ৰাণ অম্বিকাগিৰী ৰায়চৌধুৰী। ভাৰতৰ প্ৰধান অঙ্গ হিচাপে অসমক জীয়াই ৰখা, অসমীয়া জাতিৰ মানৱ অধিকাৰ সাব্যস্ত কৰা আৰু অসমক এখন প্ৰগতিশীল আদৰ্শ ৰাজ্য হিচাপে আগ বঢ়াই নিয়াৰ ক্ষেত্ৰত অসম জাতীয় মহাসভাৰ ভূমিকা লখত লবলগীয়া। এই প্ৰবন্ধত তাৰে কেইটিমান কথা উল্লেখ কৰা হৈছে।

অসমত অসমীয়াৰ ৰাজনৈতিক, আৰ্থিক, সামাজিক, সাংস্কৃতিক তথা জাতীয় স্বাৰ্থ সৰ্বতোভাবে সংৰক্ষণ, সংগঠন আৰু সংবৰ্দ্ধনৰ উদ্দেশ্যে স্থাপিত হোৱা বাবেই এই সভাৰ নাম ৰখা হয় 'অসম জাতীয় মহাসভা'।

অসমৰ ভৌগোলিক চাৰিসীমাৰ ভিতৰত দীৰ্ঘ-দিন ধৰি বৈধ আৰু স্থায়ীভাৱে বাস কৰা যিসকল লোকে অসমৰ ঐতিহ্যপূৰ্ণ সভ্যতা-সংস্কৃতিক আদৰ জনাই ৰাজ্যখনৰ প্ৰধান অসমীয়া ভাষাটোক সন্মান কৰি অসমভূমিক মাতৃভূমি হিচাপে লৈ অসমবাসীৰে সৰ্বাঙ্গীন স্বাৰ্থ ৰক্ষা আৰু উন্নতিমূলক বিষয়ত কায়মনোবাক্যে সংশ্লিষ্ট থাকে সেই সকল লোকেই 'অসমীয়া' বুলি বিদিত হৈ আহিছে।

জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে অসম উপত্যকা, খাচিয়া, জয়ন্তীয়া, নগা, আদি, মিচিমি, অকা, ডফলা, গাৰো, মিকিৰ, মিছিং প্ৰভৃতি বাস কৰা পাৰ্বত্য অঞ্চল, খিলঞ্জীয়া কছাৰীসকলৰ বাসভূমি কাছাৰ খণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা— এই বিশাল ভূখণ্ডত মাটি-বাৰী আৰু জীৱিকা নিৰ্বাহৰ উপায় লৈ স্থায়ীভাৱে বাস কৰি থকা ভাৰতৰ অন্যান্য প্ৰদেশৰ পৰা অহা লোক-সমষ্টিক ৰাজনৈতিক, অৰ্থনৈতিক আৰু সমাজনৈতিক বিষয়ত তেতিয়াৰ অসমীয়া জাতীয় স্বাৰ্থত সাঙোৰ খুৱাই সবল সংগঠনেৰে অসমক ভাৰতৰ উপযুক্ত অংগ ৰূপে গঢ়ি তোলাটোৱেই অসম জাতীয় মহাসভাৰ মূল উদ্দেশ্য আছিল।

"জাতীয় মহাসভাৰ বাণী 'অসম অসমীয়াৰ' এই মূলনীতি সামান্য শ্লোগান নহয় বা কোনো প্ৰাদেশিক সংকীৰ্ণ মতাদৰ্শৰ পৰা উদ্ভৱ হোৱা সাময়িক উচ্ছ্বাস নহয়। এই মূলমন্ত্ৰ প্ৰাগঐতিহাসিক যুগৰে পৰা অসমৰ মৃত্যুঞ্জয়ী বীৰ সকলে অসম অসমীয়াৰ বাবে গঢ়ি তুলিছে। চিৰস্মৰণীয় শ্ৰীশ্ৰী ধৰ্মপাল, দুৰ্লভ নাৰায়ণ, ৰুদ্ৰসিংহ আদি নৰপতি সকলৰ ৰাজত্বকালত বিদেশী ধৰ্ম-যাজক, শিল্পী আৰু অসংখ্য মুছলমানৰ ই ৰাপতিসাহেন। এওঁলোকে অসমত আহি অতি আদৰেৰে অসমৰ সভ্যতা, ভাষা, কৃষ্টি ইত্যাদি গ্ৰহণ কৰি সম্পূৰ্ণ অসমীয়া হৈ যায়। ১৮২৬-১৮৬০ লৈ ইষ্ট ইণ্ডিয়া কোম্পানীৰ আমোলত অসমলৈ আমদানী হোৱা বঙ্গালী বিষয়া আৰু কৰ্মী সকলে অসমক নিজৰ মাতৃভূমি বুলি স্বীকাৰ কৰি অসমীয়া হৈ পৰে। মোগল যুগত মীৰ জুমলাৰ ১৬৬২-৬৪ শকৰ অভিযানৰ বুৰঞ্জী লিখক চিহাবুদ্দিন তালিছে কৈছে—'প্ৰবাসী মুছলমানে অসমীয়া মুছলমানৰ কোনো সহানুভূতি পোৱা নাছিল। তেওঁলোকে ইছলাম ধৰ্মতকৈ অসমৰ জাতীয়ত্বক শ্ৰেষ্ঠ জ্ঞান কৰিছিল।' অসমীয়া হৈ যোৱা অনা অসমীয়া, বিশেষকৈ অসমীয়া মুছলমানে অসমৰ হৈ নিজ নিজ ধৰ্মাবলম্বী শত্ৰুৰ লগত যুঁজি অকাতৰে প্ৰাণ দিছিল। আজিও তেওঁলোকৰ বংশধৰে মাতৃভূমিৰ সেৱাত পিচ হোঁহকা নাই।"[1]

অসমৰ সভ্যতা-সংস্কৃতিত বহু জনগোষ্ঠীৰ বহু অৱদান লগ লাগি এটা সবল দৃঢ় জাতীয়তাবাদ গঢ়ি উঠিছে। ওপৰত উল্লেখ কৰা কথাৰ পৰাই তাৰ প্ৰমাণ পোৱা যায়। অসমৰ প্ৰাচীন বুৰঞ্জী সমূহেও ইয়াৰ সাক্ষ্য দিয়ে। কিন্তু স্বাধীন ভাৰতত এই জাতীয়তা-বাদক ৰক্ষা কৰিবলৈ অসমীয়া জাতিয়ে যুদ্ধ কৰিব লগীয়া হোৱাটো বৰ পৰিতাপৰ কথা। অৱশ্যে ভাৰতৰ আন কোনো ৰাজ্যই অসমৰ উন্নতিত বাধা জন্মোৱা চকুত পৰা নাই; কিন্তু আমাৰ ওচৰ-চুবুৰীয়া বঙালীসকলে অসমৰ প্ৰতি বিৰুদ্ধভাৱ কিয় পোষণ কৰি আহিছে সেইটো বিচাৰ কৰিব লগীয়া বিষয়।

১. অসম জাতীয় মহাসভাৰ সভাপতিৰ অভিভাষণ, পৃঃ ২, ১৯৪৭



নিজৰ শ্ৰেষ্ঠত্বক ভৌগোলিক সীমা পাৰ হৈ আনৰ ঘৰত প্ৰতিপন্ন কৰিবলৈ প্ৰয়াস কৰাটো সজনীতিজ্ঞ লোকৰ পৰিচয় হব নোৱাৰে। অসমীয়াই বাহিৰৰ বহুগোষ্ঠীৰ লোকক অনেক বছৰ ধৰি আদৰি আহিছে; কিন্তু বৃহত্তৰ বাংলাৰ সপোন দেখা সকলক আদৰিব নোৱাৰে। এই সম্প্ৰসাৰণবাদীসকলৰ স্বপ্নভঙ্গৰ কাৰণে অসম জাতীয় মহাসভাই সঁকিয়াই আহিছে। জাতিৰ জনক মহাত্মা গান্ধীয়েও ১৯৪৭ চনত কলিকতাত পতা এখন প্ৰাৰ্থনা সভাত কৈছিল যে কোনোৱে আন এখন প্ৰদেশলৈ গৈ তাক শোষণ কৰিব নোৱাৰে বা শাসন কৰিব নোৱাৰে অথবা কোনো প্ৰকাৰে তাৰ স্বাৰ্থ ক্ষুণ্ণ কৰিব নোৱাৰে।

কিন্তু গান্ধীজীৰ বাণী আৰু অসমীয়া ৰাইজৰ বিননি শূন্যত মিলি গ'ল। পূব পাকিস্তানৰ পৰা হেজাৰ-বিজাৰ মানুহ আহি অসমত ভৰি পৰিল। এই সন্দৰ্ভত জাতীয় মহাসভাৰ কৰ্ণধাৰ অম্বিকাগিৰী ৰায়-চৌধুৰীয়ে ১৯৪৮ চনতেই লিখিছিল — 'যিকোনো বাহিৰৰ লোক এমাহ আগতে আহি অসমত থিত ললেই পৰিণত বয়স্কাধিকাৰৰ ভিত্তিত অসমত নাগৰিক অধিকাৰ দিয়া যুক্ত ভাৰতৰ নতুন শাসনতন্ত্ৰমতে সমগ্ৰ অসমীয়া জাতিৰ বিৰোধিতাৰ স্বত্বতো কেন্দ্ৰীয় চৰকাৰৰ আদেশমতে অসম চৰকাৰে লানি নিছিগাকৈ নিতৌ অসমত সোমাবলৈ অবাৰিত অধিকাৰ দিয়া হেজাৰ হেজাৰ নতুন পাকিস্তানীলোকে (বৰ্তমান বাংলাদেশী) অসমত ভোটৰ অধিকাৰ পাবলৈ উঠি-পৰি লাগিছে। ...... নতুন শাসনতন্ত্ৰত এই অতি অন্যায় ব্যৱস্থাৰ বিৰুদ্ধে জাতীয় মহাসভাৰ পক্ষৰ পৰা সমগ্ৰ অসম ব্যাপি যোৱা ৪ এপ্ৰিল তাৰিখে ৰাজহুৱা সভাত সমগ্ৰ অসমীয়া জাতিয়ে এনে অন্যায়-অনিষ্টকৰ ব্যৱস্থাৰ বিৰুদ্ধে থিয় দিবলৈ সংকল্প কৰিছে।'[2]

ভাৰতৰ পৰা ফাটি গৈ স্বকীয়া সাৰ্বভৌম ৰাষ্ট্ৰ হোৱাৰ পিছত পাকিস্তান এখন বিদেশী ৰাষ্ট্ৰ; পাকিস্তানীলোক ভাৰতৰ পক্ষে বিদেশী লোক। সিবিলাকক লাখে লাখে অসমত প্ৰৱেশ কৰোৱাই অসমক বিদেশীৰ উপনিবেশ হিচাপে গঢ়ি তোলাত জাতীয় মহাসভাই সঘনে আপত্তি কৰি আহিছে। 'অসম জাতীয় মহাসভাই দাবী কৰি আহিছে যে, পমুৱা আশ্ৰয়প্ৰাৰ্থী বাসিন্দাসকল ইয়াৰ স্থায়ী মানুহৰ লগত একে উদ্দেশ্যত মিলি যাব লাগে। তেওঁলোকে ভাৰতীয় নাগৰিকৰ ওৰণিৰ তলত চিৰদিনৰ বাবে এৰি অহা দেশখনৰ এটুকুৰা আনি অসমৰ মাটি পুৰাব নালাগে নাইবা তেওঁলোকৰ ভাষা-কৃষ্টিৰ মহল আনি অসমত বৰ্তাব নালাগে যাৰ দ্বাৰা অসমৰ সৰ্বনাশ সাধিত হয়। অসমক আক্ৰমণ কৰাৰ বা ডুবাই ৰখাৰ নাইবা খিলঞ্জীয়া লোকৰ স্বত্ব শোষণ কৰাৰ অধিকাৰ তেওঁলোকৰ নাই। ... এইবোৰ প্ৰব্ৰজনকাৰী পমুৱা বা আশ্ৰয়প্ৰাৰ্থীবিলাকৰ দ্বাৰা মানবীয় অধিকাৰৰ অজুহাতত অসমৰ অস্তিত্ব ধ্বংস হবলৈ এৰি দিব নোৱাৰি।'[3] ১৯৩৬ চনত মাননীয় স্কট চাহাবে দৃঢ়তাৰে কৈছিল যে দমন-নীতি ঢিলাই দিলে নাইবা উঠাই ললে অসমৰ মাটিবোৰ পমুৱাবোৰে সহজে দখল কৰি পেলাব যে সেইটো খাটাং।[4] পমুৱা-প্ৰব্ৰজনৰ ভয়াবহ ৰূপ দেখি ১৯৩৭ চনৰ জুলাই মাহত অসম ভেলি ডিভিজনৰ কমিচনাৰ চাহাবে অসম

২. ডেকা অসম, ৮ম বছৰ ২৯ শ সংখ্যা, পৃ ১২০।

৩. *Memorandum to State Reorganisation Committee.* New Delhi by Asam Jatiya Mahasabha, 1954, May.

৪. Assam gazette, 1936, Page 1529.

চৰকাৰ আৰু অসমীয়া ৰাইজক এইদৰে সাৱধান-বাণী শুনাইছিল যে লাইন-প্ৰথাতকৈও বেছি কঠোৰ স্থায়ী-সংৰক্ষণ ব্যৱস্থা নকৰিলে অসমীয়াসকল তেওঁলোকৰ পৈতৃক ভেটিৰপৰা খেদা খাব লাগিব।

মুছলমান পমুৱাসকলে অসমত কৰা অত্যাচাৰ আৰু মাটি দখলৰ অভিযান আৰু লাইন-প্ৰথাৰ বিষয়ে সেই সময়ৰ বিশিষ্ট কৰ্তৃত্বশীল ব্যক্তিসকলে কৰা মন্তব্যৰ স্মৃতি দি জাতীয় মহাসভাই ভাৰতীয়সকলৰ চকুৰ আঁৰত অসমত ঘটিব ধৰা কাহিনীবোৰ ১৯৪৬ চনতেই নেতৃস্থানীয় লোকসকলৰ ওচৰত ছপা পুস্তিকাৰ সহায়ত দাখিল কৰিছিল। কটকটীয়া লাইন-প্ৰথাৰ প্ৰয়োজনীয়তা আৰু পমুৱাবিলাকৰ সৰ্বনাশী আগমনত বাধা দিয়াৰ নিতান্ত আৱশ্যকতাৰ বিষয়ে কমিচনাৰ, মাটিৰ হাকিম আৰু আইনজ্ঞ সকলৰ দূৰদৃষ্টিসম্পন্ন মন্তব্য পুস্তিকাত প্ৰকাশ কৰি জাতীয় মহাসভাই অসমৰ ভৱিষ্যতৰ চিত্ৰ দাঙি ধৰিছিল।

১৯৪৮ চনৰ ৪ এপ্ৰিল তাৰিখে অসম জাতীয় মহাসভাই অসম শাখাৰ সংবিধান সভাত অসমৰ কেবাটাও সমস্যা আৰু প্ৰস্তাৱ পুঙ্খানুপুঙ্খৰূপে দাঙি ধৰিছিল। জাতীয় মহাসভাই পুস্তিকা আকাৰে ছপাই সেইবোৰ যথাস্থানত প্ৰেৰণ কৰিছিল। অশেষ সমস্যাৰ ভিতৰত দুটা সমস্যা প্ৰধান আছিল; এটা হ'ল— তাহানিৰ মুছলিম লীগৰ ধৰ্মৰ ভেটিত প্ৰতিষ্ঠিত সাম্ৰাজ্যবাদী মনোভাৱ আৰু আনটো হ'ল হিন্দু বঙালীসকলৰ ভাষাৰ ভেটিত সঙ্কীৰ্ণ সম্প্ৰসাৰণবাদী দৃষ্টিভঙ্গী। জাতীয় মহাসভাই কৈছিল যে,—'ভাৰতৰ বিভিন্ন ৰাজ্যৰ বা অঞ্চলৰ পৰা অহা লোকসকলক সামৰি লোৱাত অসমৰ আপত্তি নাই যদিহে তেওঁলোকে অসমৰ সংহতি আৰু ভাৰতীয় ঐক্য শক্তিমন্ত কৰাত সহায় কৰে। বিহাৰী, উৰীয়া, পাঞ্জাবী, গোৰ্খা, শিখ সকলৰ বিৰুদ্ধে কোনো আপত্তি উঠা নাই, কাৰণ তেওঁলোকে ইয়াত অসমীয়াৰ সৈতে ভাই বন্ধু হিচাপে বাস কৰিছে, আৰু ক্ৰমে ক্ৰমে তেওঁলোক অসমীয়া সমাজৰ লগত মিলি গৈছে।'[৫] কিন্তু হিন্দুৱেই হওঁক বা মুছলমানেই হওঁক, বঙালীসকল অসমলৈ আশ্ৰয়-প্ৰাৰ্থী হিচাপে আহি অসমীয়া সমাজৰ লগত মিলিব পৰা নাই। এইটো অসমৰ সংহতিৰ পক্ষে বৰ দুৰ্ভাগ্যজনক কথা।

প্ৰসঙ্গক্ৰমে ডিব্ৰুগড়ৰ এজন বিশিষ্ট বঙালী ভদ্ৰলোক ৰায়বাহাদুৰ ডাঃ ফনীন্দ্ৰনাথ ঘোষৰ ৰাজহুৱা মন্তব্য উদ্ধৃত কৰিব পাৰি। ১৯৪৭ চনৰ চেপ্তেম্বৰ মাহত তেখেতে কৈছিল—'আমি অসমত আটাইবোৰেই এখন ঘৰৰ ভাই-ভনীৰ দৰে বাস কৰা উচিত; কন্দেকলৈও এই ৰাজ্যত শোষণ চলাব নালাগে। অতি সোনকালেই অসমৰ বঙালী স্কুলবোৰ উঠাই দিব লাগে, আৰু সকলো ছাত্ৰ— অসমীয়া, বঙালী, মাৰোৱাৰী আৰু আন আন,—আগৰ দৰে একে স্কুলতে পঢ়িব লাগে। এই নীতিয়ে অসমীয়া আৰু বঙালীসকলৰ মাজত থকা বহুল ভেদভাৱ নাইকিয়া কৰিব।'[৬] ৰায়-বাহাদুৰ ডাঃ ঘোষৰ দৰে আৰু অনেক বঙালী বিজ্ঞ পুৰুষে মন্তব্য কৰা বহুতেই জানে। তেনে কৰা হলে আজি অসমত জ্বলন্ত সমস্যা উদ্ভৱ নহলহেঁতেন।

আজি অসম বা অসমীয়া জাতিৰ জীৱন-মৰণ সমস্যা উপস্থিত হৈছে। ইয়াক সমাধান কৰা সহজসাধ্য



নহয়। শান্তিপ্ৰিয় অসমবাসীয়ে যথেষ্ট ধৈৰ্য্য ধৰিব লাগিব আৰু ত্যাগ স্বীকাৰ কৰিব লাগিব। অসম জাতীয় মহাসভাই প্ৰায় ১৯৩৬ চনৰ পৰা ১৯৬০ চনলৈকে জগাই থকামতে অসমৰ সমূহ ৰাইজে আৰু জাতীয় নেতাসকলে তেতিয়াৰ পৰাই তৎপৰতাৰে আৱশ্যকীয় ব্যৱস্থা লোৱা হলে আজি এনে ভয়াবহ সমস্যাৰ সৃষ্টি নহলহেঁতেন। অসম জীয়াই ৰখাটো, অসমৰ মাটি-বাৰী উদ্ধাৰ কৰাটো, অসমক বিদেশীৰ হাতৰ পৰা ৰক্ষা কৰাটো অকল অসমৰে নহয় – ই এটা ৰাষ্ট্ৰীয় সমস্যা। কিন্তু কিছুমান স্বাৰ্থান্ধ সুবিধাবাদীয়ে বৰ্তমান অসমৰ অস্তিত্ব-ৰক্ষাৰ বাবে কৰা অহিংস শান্তিপূৰ্ণ গণ-আন্দোলনক উগ্ৰ জাতীয়তাবাদ, সংকীৰ্ণ প্ৰাদেশিকতাবাদ বুলি জাহিৰ কৰি ফুৰিছে। কিন্তু বঙ্গৰ সৰ্বদল সন্মিলিত অসম-বিৰোধী আন্দোলন হ'ল মহৎ ভাৱৰ পৰিচায়ক! এইয়া সত্যক ঢাকি মিছা মানৱতাবাদ প্ৰচাৰ কৰাৰ বিচিত্ৰ কৌশল।

অসম সাম্ৰাজ্যবাদী নহয়, অসম শক্তিশালী আত্মৰক্ষী ৰাজ্য। অসমীয়া আত্মচেতনাহীন নহয়, অসমীয়া সজাগ। অসম নমৰে, অসমীয়াৰ ভাষা-কৃষ্টি-সভ্যতা জীয়াই থাকিব।

— —

[৫] *Case before the Constituent Assembly*, Asam Jatiya Mahasabha, 1948

[৬] The Assam Tribune, September 6, 1947.

# অসমত বিদেশী আৰু বৰ্ত্তমান সমস্যাৰ সমাধান।

হেৰাছত উল্লা

[ বৰ্ত্তমানৰ সমস্যা-জৰ্জৰিত অসম ৰাজ্যত দুৰৱস্থাৰ বিষয়ে ১৯৪৭ চন আৰু তাৰো বহু বছৰ আগৰ পৰাই জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে এচাম দেশপ্ৰেমিক অসমীয়ালোকে বাৰকৈয়ে চিন্তা কৰিছিল। সেইসকলৰ ভিতৰত ৺হেৰাছত উল্লাও এজন। গুৱাহাটীৰ ভূতপূৰ্ব মন্ত্ৰী মৌলানা তৈয়ব উল্লা আৰু বিখ্যাত সমাজকৰ্মী হেৰাছত উল্লা একেটা পৰিয়ালৰ ভাই-ককাই। অসম-হিতৈষী হেৰাছত উল্লা চাহেব অসম জাতীয় মহাসভাৰ ১৯৪৭ চনৰ চেপ্তেম্বৰত ডিব্ৰুগড়ত অনুষ্ঠিত ৩য় বাৰ্ষিক অধিবেশনৰ মূল সভাৰ সভাপতি আছিল। তেখেতৰ অভিভাষণৰ একাংশ বৰ্ত্তমান জাতীয় সংকটৰ পৰিপ্ৰেক্ষিতত ৰাইজলৈ আগ বঢ়োৱা হ'ল। ]

**পমুৱা জুম আমদানি :**

অসমত বিদেশীয়ে অসমীয়া হৈ অতীজৰ পৰা আছেহি, তাত উদাৰ অসমে মাত দিয়া নাছিল; কিন্তু দেশৰ মাটি প্ৰায় নিঃশেষ হৈ অহাত আৰু বিদেশীৰ জুম-আমদানি দেপোতে দেখোতে বাঢ়ি যাব ধৰাত যি বিষম সমস্যাৰ উদ্ভৱ হৈছে তাক আমি ইতিপূৰ্ব্বে আমাৰ "Assam Land Settlement and Bread Problem of the Assamese" শীৰ্ষক প্ৰবন্ধত প্ৰকাশ কৰিছো। বৰ্ত্তমানে এই সমস্যা আৰু গুৰুতৰ হৈ উঠাত আৰু স্বাধীন ভাৰতৰ নিয়মানুবৰ্ত্তী অসমৰ উৰ্বৰ প্ৰদেশ বিদেশীৰ পামত পৰিণত হবৰ উপক্ৰম হোৱাত, অসমে আত্মৰক্ষাৰ্থে নিজৰ ভৰিত নিজে থিয় দিবলগীয়াত পৰিছে।

অসমৰ মাটিৰ সমস্যা আটাইতকৈ ডাঙৰ। যেহে অসম কৃষিপ্ৰধান দেশ আৰু অসমবাসী তাৰ অতি অলপীয়া মাটিৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ কৰি কোনোমতে অতি দীনহীন ভাৱে তিষ্ঠি আছে। মিঃ মেকুচ্ছুইনি, মুলান আৰু ডেচাই চাহাবৰ ৰিপোৰ্ট সমূহে এই কথাৰ যথাৰ্থতা সপ্ৰমাণ কৰা স্বত্বেও বিদেশীয়ে অসমত অবাধে মাটি দখল কৰি খিলঞ্জীয়া অধিবাসীক মাটি ভেটিহীন কৰাটো ভাৰত এনে কি পৃথিবীত এটা আচৰিত ঘটনা। বৰ্ত্তমান অসম চৰকাৰে এই সমস্যা পূৰণ কৰিবলৈ চেষ্টা কৰিছে সঁচা, কিন্তু অসমৰ মাটিৰ আইন এতিয়াও অসম্পূৰ্ণ হৈ থকাৰ কাৰণে আৰু ইতিপূৰ্ব্বে প্ৰবাসী পমুৱাৰ জুম-আমদানি অবিকৃত অৱস্থাত কোনো বাধা নোপোৱাত তাৰ কোনো আশুফল ধৰা নাই। ইয়াৰ ওপৰি অলপ দিনৰ আগতে পমুৱা প্ৰতিনিধি সকলৰ লগত অসম চৰকাৰৰ এটা আপোচ বন্দোবস্ত হোৱাত বলকৈ মাটি দখলকাৰী পমুৱাৰ উচ্ছেদ সম্ভৱপৰ হৈ উঠা নাই। নতুন উন্নত আইন বা অৰডিনেন্স আচিৰে জাৰি কৰি অতিৰিক্ত পমুৱা আমদানি বন্ধ নকৰিলে অসম অসমীয়াৰ নহৈ অন্য



অসমীয়াৰ পামত পৰিণত হব। অসমৰ মাটি-ভেটিহীন অধিবাসী ঘৰতে প্ৰবাসী হৈ পৰৰ পদানত হবলৈ বাধ্য হব আৰু স্বাধীন হৈয়ো পৰাধীন প্ৰাণীৰ নিকৃষ্ট জীৱন যাপন কৰি জাতিৰ জাতীয়ত্বক চিৰকাললৈ লোপ কৰিবলগীয়া হব। বিহাৰ চৰকাৰে যেতিয়া বিহাৰ বিহাৰীৰে এই দৃঢ়মত পোষণ কৰি বিহাৰত কোনো বিদেশীয়ে মাটি পাব নোৱাৰে বুলি আইন জাৰি কৰিছে অসমে নোৱাৰিব কিয়? মহাত্মাগান্ধীয়ে এই বিষয়ে যি কৈছে সকলোৱে জানে "এখন প্ৰদেশৰ মানুহে আন প্ৰদেশৰ স্বাৰ্থ বিৰোধী কোনো কাম কৰিব নোৱাৰে, এক প্ৰদেশৰ মানুহে আন প্ৰদেশৰ স্বাৰ্থক শোষণ আৰু তাৰ অস্তিত্ব লোপ কৰিবলৈ বা প্ৰকাৰান্তৰে শাসন কৰিব নোৱাৰে।"

**অসমত বেকাৰ সমস্যা আৰু তাৰ সমাধান**

অসমৰ ঘোৰ বেকাৰ সমস্যাৰ সমাধান মাটি আৰু পমুৱাৰ সমস্যা পূৰণৰ ওপৰত নিৰ্ভৰ কৰিব ধৰিছে; ছটামান চাকৰি বা দুখনমান গেলামালৰ দোকানৰ ওপৰত নিৰ্ভৰ কৰা নাই। অসমত নিগাজীভাৱে বসতি কৰা প্ৰবাসী পমুৱা আৰু বঙ্গদেশৰ পৰা অহা মানুহক লৈ অসম চৰকাৰে নিজৰ তত্ত্বাৱধানত সমবেত কৃষিৰ ( Collective Farming ) প্ৰৱৰ্ত্তন কৰিব পাৰে, আৰু তাৰ পৰা ভৱিষ্যতত প্ৰচুৰ শস্য উৎপাদন কৰি দেশৰ আহকাল গুচাব পাৰে। সমবেত কৃষি-কাৰ্য্য পৰিচালনাৰ্থে অসমৰ কৃষি বিভাগ আগবঢ়ুৱা হোৱাটো যুগুত, যিহেতু সম্প্ৰতি ইয়াৰ কাম জনসাধাৰণৰ চকুত পৰা নাই, ই সিহঁতৰ সম্পত্তি হৈয়ো কোনো ভোগত লগা নাই। জনসাধাৰণৰ দৃষ্টিভঙ্গীক স্বাধীন সাঁচত ঢালি নতুনকৈ গঢ়ি তুলিব লাগিব — এই গুৰুহ কাম একানপতীয়াকৈ কায়মনোবাক্যে হাতত লব লাগিব।

**অসমৰ ৰাজনৈতিক পৰিস্থিতি**

অসমৰ মাটিৰ আৰু বেকাৰ সমস্যাৰ সমাধানৰ লগে লগে ইয়াৰ ৰাজনৈতিক অৱস্থাও আশু সংস্কাৰ নকৰিলে আমি যি ৰব্‌মলাত ( Vicious circle ত ) আছিলোঁ তাতেই ঘূৰি থাকিব লাগিব। গতিকে অসমৰ ৰাজনৈতিক পৰিস্থিতিৰ লগত দুইখন ডমিনিয়নৰ ৰাজনৈতিক পৰিস্থিতিৰ বিষয়ে অলপ আলোচনা কৰাটো অপ্ৰাসঙ্গিক নহব। ফেডাৰেল বা প্ৰাদেশিক সমষ্টিলৈ যি শাসন সেই শাসন অন্ত মতে প্ৰাদেশিক গোটবোৰৰ প্ৰায় সকলো ক্ষমতা; Residuary Powers বা কেন্দ্ৰীয় মুষ্টিবদ্ধ ক্ষমতা কেন্দ্ৰীয় চৰকাৰৰ হাতত থাকিব আৰু এই চৰকাৰে ভিতৰুৱা বা বাহিৰা শত্ৰুৰ আক্ৰমণৰ পৰা দেশ ৰক্ষা কৰিবলৈ যি ন্যায্য ব্যয়ৰ দৰকাৰ হয় তাক ৰাখি বাকী ধন Subvension আৰ্থিক সহায় স্বৰূপে প্ৰত্যেক প্ৰদেশৰ অভাৱ অনুযায়ী ভাগ কৰি দিব। এই শাসন প্ৰণালী গণতন্ত্ৰমূলক, কিন্তু সেইবুলি ইয়াৰ যে আসোঁৱাহ বা অসুবিধা নাই এনে নহয়। এই মুষ্টিবদ্ধ ক্ষমতা আমেৰিকাৰ কেন্দ্ৰীয় ৰাষ্ট্ৰত ন্যস্ত থকাৰ কাৰণে আৰু তাৰ অপব্যৱহাৰ কৰাই প্ৰাদেশিক সমষ্টিৰ লগত কেন্দ্ৰৰাষ্ট্ৰৰ ৭ বছৰ ব্যাপী গৃহযুদ্ধ হয়, ফলত প্ৰদেশবিলাকে সেই ক্ষমতা নিজ নিজ হাতত আনিবলৈ সক্ষম হয়। কায়েদে আজম জিন্না চাহাবে এই আসোঁৱাহ আগেয়ে উপলব্ধি কৰি স্বাধীন আৰু স্বতন্ত্ৰ পাকিস্তান ৰাষ্ট্ৰৰ সূচনা কৰে আৰু এক ভাৰতবৰ্ষক দুটা মহাপ্ৰদেশত বিভক্ত কৰি জগতৰ ইতিহাসত এক অভিনৱ পৰিস্থিতিৰ উদ্ভৱ সম্ভৱপৰ কৰি তোলে।

**প্ৰকৃত গণতন্ত্ৰ এতিয়াও আদৰ্শতে আছে**

প্ৰকৃত গণতন্ত্ৰ এতিয়াও আদৰ্শ হৈয়ে আছে।

দৰাচলত ই কিছুমান সাম্ৰাজ্যবাদ, পুঁজিবাদ, সামন্তবাদ চোৰাবজাৰবাদ প্ৰভৃতিৰ হাতৰ উৰাহৈ জনসাধাৰণক আতংকত ৰাখি, সিহঁতক গণতন্ত্ৰৰ নামেৰে শোষণ কৰিব ধৰিছে। জগতৰ ইতিহাসে এই বিষয়ে জ্বলন্ত প্ৰমাণ দি আহিছে আৰু কিমান যুগ ধৰিব তাৰ কোনো নিৰাকৰণ নাই। জনপ্ৰিয় ৰাষ্ট্ৰও এই কাঠামোৰ মাজত পৰি জনসাধাৰণৰ হিত সাধিব পৰা নাই। ধনীৰ আৰু দুখীয়াৰ এই মহাযুদ্ধৰ ওৰ নপৰিলেও সঙ্ঘবদ্ধ বনুৱা, ৰণুৱা আ ষক বিলাকে নিজ নিজ সুখ সুবিধাৰ দাবী যে পূৰণ কৰিব নোৱাৰিব এনে নহয়, কিন্তু এই দাবী সংগঠনৰ মাজেদি এটা আদৰ্শৰ পিনে নিয়ন্ত্ৰণ কৰিব পাৰিলেহে সম্ভৱপৰ হৈ উঠিব আৰু এই সত্য সিহঁতে উপলব্ধি কৰিব পাৰিব যেতিয়া সিহঁতে প্ৰকৃত স্বাধীনতাৰ বাবে অকাতৰে নিজক বলিদান দিবলৈ সক্ষম হব।

ইয়াৰ উপৰিও কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰৰ নিয়ম আৰু প্ৰথা অনুযায়ী কাম কৰিব যোৱাত ডাঙৰ ডাঙৰ প্ৰতাপশালী প্ৰদেশবোৰে সংখ্যা-গৰিষ্ঠতাৰ বলত আৰু তেওঁলোকৰ প্ৰতিনিধিৰ সংখ্যাধিক্যৰ সহায়ত সৰু সৰু প্ৰদেশবোৰৰ স্বাৰ্থ টানি নি নিজৰ স্বাৰ্থ বজায় ৰাখিবলৈ বিচাৰিব পাৰে। কেন্দ্ৰীয় চৰকাৰৰ বৰলাটৰ কাউঞ্চিলত অসমৰ কোনো প্ৰতিনিধি নথকাৰ কাৰণে অসমে ডিগবয়ৰ তেল, চাহবাগিচাৰ চাহ ইত্যাদি অতি মূল্যবান বস্তুৰ বিনিময় পাব কি সামান্য চবভেনচন বা অবদান! অসমৰ বৰ্তমান আয় প্ৰায় ৫ কোটি টকাৰে প্ৰজাৰ এখন ৰাজ্য চলাই দেশক যান্ত্ৰিকৰণ (Industrialised) কৰিব কেনেকৈ? বৰ্তমান সভ্যজগত বাণিজ্য, আৰু তাৰ বাহন যেনে উৰা-জাহাজ, ৰেল, জাহাজ, মটৰ, ইত্যাদি উপকৰণৰ ওপৰত নিৰ্ভৰ কৰে আৰু তাৰ বাবে কোটি কোটি টকাৰ দৰকাৰ হয়। ফলত পিচপৰা প্ৰদেশবোৰ বিদেশী ধনী কোম্পানী আৰু সদাগৰৰ মুখাপেক্ষী নহৈ নোৱাৰে। অসমৰ আৰ্থিক অৱস্থা শোচনীয়, গতিকে ইয়াৰ মূল ব্যৱসায় আৰু মূল চাকৰিবোৰ (Key Industry and Key Posts) আনৰ হাতত যাবৰ বেচি সম্ভাৱনা। এদিন এনে হব পাৰে যে অসমৰ গাওঁ-ভূঁইবোৰো বাৰভূতেৰে পূৰ্ণ হৈ অসমীয়াই এদিন অসমতে প্ৰবাসী হৈ পৰিব, ইয়াৰ আগন্তুক এতিয়া পৰাই দেখা গৈছে। অসমীয়াই এতিয়াই পহুম, চাপৰাচি, খালাচি, কুলি, খুচৰা দোকানী ইত্যাদিৰ বাহিৰে আন কামত সোমাব পৰা নাই। শিল্প, কলা, বেহাবেপাৰ ইত্যাদিত অসমীয়াই ইমান দিন মন নিদিয়াত আজি যি আহুকাল উপস্থিত হৈছে তাৰ তুলনা নাই। বিদেশীয়ে তাৰ ঠাই অধিকাৰ কৰি যি শিক্ষা দিব ধৰিছে সেইটো অকল অসমতে সম্ভৱপৰ হৈ উঠিছে ইয়াতকৈ জাতীয় অধঃপতনৰ উদাহৰণ ক'ত?

## ফেডাৰেচন, কনফেডাৰেচন গণতন্ত্ৰ

পাকিস্তানৰ পাতনি পৰিল, কিন্তু তাৰ সুচল আৰু সুবিধা পূৰ্ণ-মাত্ৰাত বৰ্ত্তা নাই। পাকিস্তান ডমিনিয়নে ভাৰতৰ ডমিনিয়নৰ লগত কিছুমান অতি লাগতিয়াল অপৰিহাৰ্য্য বিষয়ত সন্ধি সূত্ৰত আবদ্ধ হব লগীয়াত পৰিছে, এনেকি পুনৰ এটা সাৰ্বজনীন কনফেডাৰেচন বা সাৰ্বভৌম ৰাষ্ট্ৰ ৰচনা কৰি দুই অঙ্গক এক কৰিবৰ কল্পনা-জল্পনাও চলিছে। ফেচিষ্ট শক্তিৰ পৰিণতি ক'ত? ফেচিষ্ট-গোনামিহঁৰ যুদ্ধত জনসাধাৰণ বিৰিণাৰ মৰণ আৰু ফেচিষ্টৰো সমাধি। প্ৰকৃত কনফেডাৰেচন বা ফেডাৰেচন সাপেক্ষ শাসন প্ৰণালী ভাল হব পাৰে কিন্তু গণতন্ত্ৰৰ আদৰ্শত তাক গঠিত নকৰিলে শান্তিৰ ঠাইত সদায় যুদ্ধ চলিয়েই থাকিব। মহাত্মা-গান্ধীৰো আদৰ্শ মহামিলন। জিন্না-গান্ধী সন্মিলন অনিবাৰ্য, পাকিস্তান অ ই নিয়মে এক হৈ প্ৰকৃত স্বাধীনতা অৰ্জ্জন কৰিবই লাগিব। প্ৰত্যেক ইউনিয়ন প্ৰত্যেক প্ৰদেশৰ স্বকীয়া অস্তিত্ব যুটীয়া ৰাষ্ট্ৰৰূপে



প্ৰকাশ পাই ৰাজনৈতিক আৰু আন্তৰ্জাতিক ক্ষেত্ৰত এক হবই লাগিব আৰু তাৰ ফলত অচিন্তনীয়, অমানুষিক, সাময়িক-সাম্প্ৰদায়িক বিৰোধ আৰু তাৰ ভীষণ তাণ্ডৱ নৃত্য ছায়াচিত্ৰৰ দৰে ক্ষন্তেকতে নাইকিয়া হব।

## অসমৰ সম্পদ—গান্ধীৰ আদৰ্শ

অসম অতি উৰ্বৰা ঐশ্বৰ্য্যময় প্ৰদেশ; সকলো বনস্পতি, খনিজ আৰু প্ৰাণীজ সম্পদ, এয়াৰ ওয়েজ, যান-বাহন, তেল, চাহ, চিমেণ্ট ইত্যাদি অসমীয়াৰ; অসমীয়াই কেতিয়াও এইবোৰ আনক এৰি দিয়া যুগুত নহয়। মৰণত শৰণ দিও তাক ৰক্ষা কৰিব লাগিব। নহলে অসমে বৃটিশ পৰাধীনতাৰ হাত সাৰিও পুনৰ আনৰ তলতীয়া হৈ সদায় থাকিব লাগিব। ৰুচিয়াই ৫ বছৰৰ ভিতৰত যেতিয়া ভীষণ প্ৰতিবন্ধকতা ঠেলি জগতত শীৰ্ষস্থানত ঠাই পাইছে, সুসভ্য অসমে নিজক আত্মপ্ৰতিষ্ঠা কৰিব নোৱাৰিব কিয়? অসমে হঠাৎ ৰুচিয়াৰ দৰে নিজক Industrialised and Mechanised কৰিব নোৱাৰিব পাৰে, কিন্তু মহাত্মা গান্ধীৰ আঁচনিৰ অল্প অৰ্থ হাতত লৈ অসাধ্য সাধন কৰিব পাৰে। অসমে প্ৰথমতে Decentralisation (কেন্দ্ৰীয় ক্ষমতা হ্ৰাস) প্ৰথা অৱলম্বনক্ৰমে দেশৰ কুটীৰ শিল্প, কপাহ, এৰিমুগা, পাট-মেজেঙ্কৰীৰ খেতি আৰু ব্যৱসায় সমবায় সূত্ৰে বেচ চলাব পাৰে আৰু এই আগছোৱাৰ উমৈহতীয়া যত্ন আৰু সাধনাই সংঘত আমাক নিজক নিজে Industrialised হবৰ উপযোগী কৰি তুলিব। অথবা টেক্স লগাই অচল ৰাষ্ট্ৰক সচল কৰিব খোজা যোৱাৰ আগত গাড়ীগন দিয়াৰ দৰেই। অসমৰ গাওঁ-ভূঁইবোৰ তলৰ পৰা গঢ়ি তুলিলে ওপৰত top heavy অথবা ব্যয়শীল চৰকাৰৰ অস্তিত্ব নাইকিয়া হব। মুঠতে ৰাষ্ট্ৰ প্ৰকৃততে জাতীয় ভেটিত প্ৰতিষ্ঠা বা nationalised (জাতীয় ভাৱাপন্ন) হব লাগিব।

## অসমৰ ভাষা, ৰাষ্ট্ৰভাষা, বিশ্ববিদ্যালয়, হাই-কোৰ্ট ইত্যাদি

অসমৰ ভাষা অতি প্ৰাচীন, ইয়াক ৰূপ দি গৈছে শ্ৰীশ্ৰীশঙ্কৰদেৱ, মাধৱদেৱ ইত্যাদিয়ে আৰু ই যে বিশ্ব-সাহিত্যত অতি ওখ আসন পাবৰ যোগ্য তাক চাৰ আশুতোষ মুখাৰ্জি, চাৰ পি. চি. ৰায়, ডাঃ হৰিনাথ দে, ডাঃ সুনীতি চাটাৰ্জি প্ৰভৃতিয়ে প্ৰতিপন্ন কৰিছে। অসমীয়া সাহিত্যৰ ক্ৰম বিকাশ আৰু ইয়াৰ প্ৰগতিশীল স্বৰূপ শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞি বৰুৱা ইত্যাদি আৰু বৰ্তমান সাহিত্যিক ডাঃ বাণীকান্ত, ডাঃ সূৰ্য্য কুমাৰ ভূঞা আদিৰ ৰচনাত প্ৰকাশ পাইছে। এই ভাষা যে স্বাধীন অসমত অতি সোনকালে উৎকৰ্ষ লাভ কৰি ইয়াৰ বিশ্ববিদ্যালয়ৰ একমাত্ৰ বাহন স্বৰূপে ব্যৱহৃত হবৰ উপযোগী তাত কোনো সংশয় নাই। এই মহান ভাষাক এতিয়াৰে পৰা প্ৰাথমিক, মাধ্যমিক আৰু উচ্চশিক্ষা বিভাগত বাধ্যতামূলক কৰি বিশ্ববিদ্যালয়ৰ ভেটি গঢ়ি তুলিব লাগিব, আৰু এই ভেটিৰ আহিলাপাতি অসমৰ জাতীয় প্ৰাণত অনুপ্ৰাণিত কৰি গণতন্ত্ৰমূলক অনুষ্ঠানত পৰিণত কৰিব লাগিব। মুঠতে স্বাধীন অসমৰ বিশ্ববিদ্যালয় স্বাধীন হবই লাগিব। অসমৰ হাইকোৰ্টো জাতীয় ভাৱ আৰু ভাষাৰ পৰিপন্থী নহলে আনৰ সংৰক্ষিত স্বাৰ্থৰ তুলাদণ্ড হৈ বিচাৰক ব্যভিচাৰৰ প্ৰভাৱাপন্ন কৰি দেশৰ হিত সাধন কৰিব নোৱাৰিব। গতিকে উক্ত দুই জাতীয় প্ৰতিষ্ঠান প্ৰকৃত গণতন্ত্ৰমূলক হবলৈ হলে অসমৰ ৰাষ্ট্ৰভাষা অসমীয়া হবই লাগিব, আৰু আন আন ভাষা এই মূল ভাষাৰ আনুষঙ্গিক উপভাষা ৰূপে থাকি সাম্প্ৰদায়িক সম্প্ৰীতি আৰু জাতীয় ঐক্যৰ প্ৰতিমূৰ্তি স্বৰূপে বিৰাজ কৰি ভাৰতৰ বিৰাট ঐক্য (Homogenuity) এক মহান জাতিৰ সুদৃঢ় কোঠ স্বৰূপে বিৰাজ কৰিবলৈ সক্ষম হব।

অসমৰ শিক্ষা আৰু ইঞ্জিনিয়াৰিং, মেডিকেল, মিউজিক ইত্যাদি বিভাগ জাতীয় ভেটিত প্ৰতিষ্ঠা কৰিবলৈ হলে শিক্ষাক বৈদিক বা মূল শিক্ষাপন্ন কৰি জাতিস্কাৰ কৰিব লাগিব। সকলো শিল্প, কলাৰ আহি জাতীয় উন্নয়নমূলক হব লাগিব। গাঁৱে-ভূঞে সমবায় বিধানৰ প্ৰগতিশীল প্ৰণালীৰ বহুল প্ৰচলন হব লাগিব। সমবেত কৃষি, ব্যৱসায়, ধনভঁৰাল ইত্যাদি জৰুৰী নিয়মানুবৰ্ত্তীৰ আঁচনিৰে বৰ্ত্তমান ৰাষ্ট্ৰীয় বিভাগ সমূহৰ দ্বাৰা সুচাৰুৰূপে পৰিচালিত হব লাগিব আৰু ৰাইজে এই পবিত্ৰ কামত উমৈহতীয়া সহানুভূতি দেখুৱাই তাক অচিৰে সফল কৰি তুলিব লাগিব। শিল্পী আৰু শিপিনীয়ে কুটীৰ শিল্পৰ, কৃষকে অতিৰিক্ত খেতিৰ (Intensive) প্ৰচলন, সাহিত্যিকে প্ৰচাৰ, ধনীয়ে ধনৰ সজ ব্যৱহাৰ কৰি দেশক আত্মৰক্ষা আৰু প্ৰতিষ্ঠাৰে প্ৰকৃত স্বাধীন কৰি তুলিব লাগিব।

অসমৰ কৃষি বিভাগ, শিক্ষা বিভাগ ইত্যাদিৰ নিঃস্বাৰ্থ কৰ্মী দেশৰ স্বেচ্ছাসেৱক সকলৰ লগত এক হৈ বিশাল কৰ্ম্মক্ষেত্ৰত নামি Moving Library, Dispensary, Cinema, মৌ-মেল ইত্যাদিৰে দেশৰ সাৰ্ব্বজনীন উৎকৰ্ষ সাধন কৰিব লাগিব। এই দেশক বিত্যুৎ গতিত শিক্ষিত কৰি তুলিব পাৰিলে উন্নত অসম অতি অলপ সময়ৰ ভিতৰতে প্ৰকৃত স্বায়ত্ত শাসন অৰ্জ্জন কৰি সম্পূৰ্ণ স্বাধীন হবলৈ সক্ষম হব।

## অসমৰ হাইড্ৰো-ইলেকট্ৰিক শক্তি

অসমৰ হাইড্ৰো-ইলেকট্ৰিক শক্তি প্ৰচুৰ। এজন বিশেষজ্ঞ ইয়ুৰোপীয়ানে কৈছে শিলঙৰ জলপ্ৰপাতৰ মহাশক্তি কাৰ্য্যকৰী কৰি তুলিব পাৰিলে, সদৌ অসমৰ গাঁৱে-ভূঞে দুই এক অনা ইউনিটৰ খৰচত বিজুলী শক্তি যোগাব পাৰি আৰু তাৰ দ্বাৰা অসমৰ কৃষিক Collective Farming বা সমবেত কৃষিৰ উপযোগী কৰি দেশত প্ৰচুৰ পৰিমাণে শস্য উৎপাদন কৰিব পাৰি। দেশৰ কুটীৰ শিল্প, ঘৰুৱা কাম-কাজ ইত্যাদি বিষয়তে ইয়াৰ দ্বাৰা আচৰিত যুগ প্ৰৱৰ্ত্তন কৰি তাক অতি অলপ সময়ৰ ভিতৰতে সমৃদ্ধিশালী কৰি তুলিব পাৰি। কৰ্তৃপক্ষৰ দৃষ্টি ইফালে আকৰ্ষণ কৰা হল। সদৌ অসমীয়া ৰাইজৰ উমৈহতীয়া সহযোগে এইবোৰ ফলৱতী কৰি তুলিব পাৰিব।

## অসমৰ বাতৰি কাকত

বাতৰি কাকত দেশৰ উন্নতিৰ মাপ-কাঠি। অসমক বাতৰি কাকতে সজীৱ কৰি ৰাখিছে হয়; কিন্তু ইয়াৰ বহুল প্ৰচাৰ সম্ভৱপৰ হৈ নুঠাত আৰু দুখীয়া জনসাধাৰণৰ উপযোগী হৈ সিহঁতৰ কাষ চাপিব নোপোৱাত দেশৰ ডাৱৰ এতিয়াও আঁতৰা নাই। গতিকে সুস্থ বাতৰি-অনুষ্ঠানিক জনসাধাৰণৰ শিক্ষাৰ কেন্দ্ৰ কৰি গঢ়ি তুলিবলৈ সদৌ ৰাইজ আৰু ৰাষ্ট্ৰৰ সৰ্বপ্ৰধান কৰ্ত্তব্য হোৱা উচিত। বাতৰিবোৰক সংযত কৰি যথাযথ জাতীয়তাৰ প্ৰতীক হিচাপে প্ৰত্যেকৰ আগত দাঙি ধৰিব পাৰিলেই অসমৰ প্ৰকৃত স্বাধীন ভাৱৰ ঢৌখেলি যাব আৰু তেতিয়াহে "অসম অসমীয়াৰ" এই বাণী সাৰ্থক কৰিব পোৱা সকলে বেচকৈ উপলব্ধি কৰিব পাৰিব।

## অসম বেঙ্ক আৰু কো-অপাৰেটিভ চোচাইটি

অসমৰ বেঙ্ক সমূহৰ অৱস্থা ভাল নহয়, কাৰণ এইবোৰৰ বিশেষৰূপে তত্বাৱধানৰ অভাৱ। বেঙ্ক আৰু কো-অপাৰেটিভ সমিতিবোৰ জাতীয় ভাৱাপন্ন হৈ জাতিৰ কল্যাণ কল্পে কাম কৰিলে, এইবোৰৰ আৰু জাতিৰ অশেষ উন্নতি নহৈ নাথাকে। অৰ্থনীতি দেশৰ প্ৰধান সম্বল। যি অনুষ্ঠানে এই অতি লাগতিয়াল বিষয় হাতত লৈছে তাৰ নিজৰ দায়িত্ব কিমান তাক



তাৰ Credit বা ৰাইজৰ আস্থাই সপ্ৰমাণ কৰে আৰু ইয়াৰ পতনেই জাতিৰ পতন। অসমৰ অৰ্থনীতিৰ আমূল সংস্কাৰ জাতিৰ সৰ্বপ্ৰধান কৰ্ত্তব্য।

## অসম ৰেলওৱে, ষ্টিমাৰ, ফৰেষ্ট ইত্যাদিৰ সমস্যা

পাকিস্থান প্ৰতিষ্ঠা হোৱাৰ লগে লগে অসমৰ আন্তৰ্জাতিক, ৰাজনৈতিক, সমাজনৈতিক পৰিস্থিতিত যি কেৰোণ সোমাল, তাক গুচোৱাটো এটি অতি টান কাম হৈ উঠিছে। এপিনে অসমীয়াজাতিৰ বিশিষ্ট অস্তিত্ব ৰক্ষা, আনপিনে ইউনিয়নৰ লগত তাৰ সামঞ্জস্যতা বজাই ৰাখিবলৈ গৈ দোমোজাত পৰা। দুই নাওত ভৰি দি দেশৰ পৰিকল্পনাই প্ৰগতিশীল হব পৰা নাই। আৰু নিজ আহিক ঠিক ৰাখি ভাৰতৰ আদৰ্শৰ বাটত খৰকলমে যাব পৰা নাই, আৰু তাৰ ফলত পাকিস্থান আৰু ইউনিয়নৰ চাকৰিয়াৰ নাওখনো ডুবো ডুবো এনে অৱস্থাত দেশৰ চাকৰিৰ সমস্যা পূৰণ কৰাটো কিমানদূৰ সম্ভৱ তাক আমাৰ প্ৰস্তাৱাৱলী, স্মাৰকপত্ৰ, আপোচ মীমাংসাৰ চেষ্টাই সপ্ৰমাণ কৰে। এই বিষয়ে অসম জাতীয় মহাসভাই কি অহোপুৰুষাৰ্থ কৰিব ধৰিছে তাক নকলেও চলে। কেন্দ্ৰীয় আৰু প্ৰাদেশিক চৰকাৰৰ অধীনস্থ চাকৰিত অসমীয়া কৰ্মচাৰীৰ সংখ্যা শতকৰা নিচেই তাকৰ, নাই বুলিলেও চলে। অসমীয়াৰ প্ৰতি এই দুৰ্ঘোৰ অন্যায়ৰ অতি তীব্ৰ প্ৰতিবাদ কৰা হৈছে আৰু অচিৰে অসমৰ প্ৰতিনিধি আৰু অসম চৰকাৰে আৰু কেন্দ্ৰীয় চৰকাৰে এই বিষয়ে প্ৰতিকাৰ কৰা উচিত।

## অসমৰ জন সাধাৰণৰ যুদ্ধ অনিবাৰ্য্য

অসমৰ গণতন্ত্ৰৰ পৰিস্থিতি আৰু তাৰ পৰিণতিৰ আশঙ্কা চাই অসমীয়া জাতিৰ অস্তিত্বৰ সন্ধিক্ষণত প্ৰত্যেক অসমীয়াই তাৰ বিৰুদ্ধে নিজক আত্মৰক্ষা কৰিবলৈ অচিৰে জনমত গঠন কৰি এটা বিৰাট জন-যুদ্ধলৈ সাজু হব লাগিব, যেহেতু দেশৰ আভ্যন্তৰিক আৰু পাৰিপাৰ্শ্বিক অৱস্থাই দেশক এই অভিযানলৈ আহ্বান কৰিবলৈ বাধ্য হৈছে। এই Total war গণতন্ত্ৰ প্ৰতিষ্ঠালৈ। আইন সঙ্গত উপায়ে, অহিংসব্ৰত উদ্‌যাপনেৰে প্ৰত্যেক কৰ্ম্মী আৰু সেৱকে দেশক সকলো ৰকমৰ বিপদৰ পৰা ৰক্ষা কৰিবলৈ বদ্ধপৰিকৰ হব লাগিব, ইয়াৰ গত্যন্তৰ নাই। এই কাম এই মহান সত্যাগ্ৰহ মহাত্মাগান্ধীৰ আদৰ্শত সমাধিত হব লাগিব আৰু তাৰ বাবে দেশবৰেণ্য কনকলতা, ভোগেশ্বৰী, কুশল কোঁৱৰ ইত্যাদিৰ দৰে বীৰাঙ্গনা আৰু বীৰৰ আৱশ্যক হব।

## অনুন্নত ট্ৰাইবেল আৰু চিডিউল সম্প্ৰদায়

ট্ৰাইবেল বিলাকে অসমৰ আদিম অধিবাসী আৰু নিজক অসমীয়া বুলি পৰিচয় দিয়ে। যথোচিত শিক্ষাৰ অভাৱত এওঁলোক আগবাঢ়িব পৰা নাই, কিন্তু জ্ঞানৰ পোহৰ পালে এওঁলোকে মাতৃভূমিৰ যি উন্নতি কৰিব তাক নকলেও চলে। স্বাধীনতাৰ সূৰ্য্যৰ পোহৰে এওঁলোকৰ চকু মুকলি কৰি দিছে, কিন্তু কিছুমান স্বাৰ্থান্বেষী মানুহে এওঁলোকক বিপথে পৰিচালনা কৰি নিজৰ ইষ্ট সাধনত উঠি পৰি লাগি গৈছে। সত্যৰ জয় অৱশ্যম্ভাৱী; এই যুগ সন্ধিক্ষণত ভেদনীতি কেতিয়াও কৃতকাৰ্য্য হব নোৱাৰে। আমাৰ ৰেজ-মণ্ডহেৰে গঢ়া অতবোৰ লোকক ইমান দিন ধৰি আমাৰ পৰা নিলগ কৰি ৰখা হৈছিল। এওঁলোকৰ মাজৰ পৰা ওলোৱা দুই এপাহি ফুলে অসম-কাননত সৌৰভ বিলোৱা আমি লক্ষ্য কৰিবলৈ পাইছো। এওঁলোকৰ নিজৰ দোৱান থকা স্বত্বেও অসমীয়া ভাষাৰ প্ৰতি বহুতৰে অসীম আগ্ৰহ দেখা গৈছে আৰু বহুতে অসমীয়াৰ বাহিৰে আন পৰিচয় দিবলৈ সন্মানিকতো ভাবিব নোৱাৰে। এই নিৰ্ভীক আচল অসমীয়া ভাই-

জনীইত পৰ্বতৰ স্বাধীন নিজৰাৰে তৈয়ামলৈ নামি আহিছে তাৰে সৰোবৰত মিলিবলৈ। এই মহামানৱতাৰ মিলনৰ দিনত তেওঁলোকক আমি কিহেৰে বৰণ কৰিম !

সদৌ ভাৰতবৰ্ষৰ গৌৰৱ লীগ ত্ৰাঙ্কবিলাকে আমাক যি আশীষ বাণী শুনাইছে তাৰ তুলনা নাই, বিদেশী হৈয়ো অসমৰ হকে প্ৰাণদান কৰিব ওলোৱা কম সাহ আৰু স্বাৰ্থত্যাগৰ কথা নহয়। আমাৰ দলাদলি ভাবাপন্ন ডেকাসকলে এওঁলোকৰ পৰা অনুপ্ৰেৰণা লাভ কৰিলে আমি কৃতাৰ্থ হম। আমাৰ কিছুমান যুৱকৰ সাময়িক উদগনি বিপথে যোৱা দেখি আমি মৰ্মান্তিক দুখ পাইছোঁ, কিন্তু এই উচ্ছ্বাস আৰু কল্পেকীয়া হীন-ডেটি বেচি দিনলৈ নাথাকিব বুলি আমাৰ দৃঢ় বিশ্বাস। অতি সুখৰ বিষয় যে আমাৰ মহিলা, ছাত্ৰী আদিয়ে যি জাতীয় আদৰ্শত অনুপ্ৰাণিত হৈ দেশ সেৱাত ব্ৰতী হৈছে তাৰ তুলনা অলপতে মহাত্মা গান্ধীক ৰক্ষা কৰিবলৈ যোৱা ছোৱালী তুজনীয়েই বুলিলে অত্যুক্তি নহব। এইখিনিতে দেশৰ বীৰাঙ্গনা মুলা গাভৰু, কনকলতা ইত্যাদিক শ্ৰদ্ধাঞ্জলি দিয়াটো যুগুত বুলি বিবেচনা কৰিলোঁ। আৰু তাৰ লগতে লাচিত, কুশল কোঁৱৰ বীৰ প্ৰভৃতিৰো আশীষ বিবেচনা কৰিলোঁ। চকু মুকলি কৰি চোৱা, স্বাধীনতা সূৰ্য্যৰ সামামূৰ্ত্তি তোমাৰ আগতে মূৰ্ত্তিমান, ত্যাগৰ বেশ অধৰে যাব নোৱাৰে, আমি সদায় স্বাধীন, ত্যাগৰ দ্বাৰা চিৰ-স্বাধীনতা অৰ্জন কৰিমেই কৰিম।

অনুন্নত চিডিউল্ সম্প্ৰদায়

অসমৰ ভাষা, কৃষ্টি, ঐতিহ্য এই অনুন্নত সম্প্ৰদায়ে আজিলৈকে অতীতৰ আহিলে যথাযথ ৰূপে বজাই ৰাখি আহিছে। এওঁলোকৰ বেচি ভাগ মানুহ পিচপৰা নিৰক্ষৰ হলেও জাতীয় শিক্ষাৰ আচল আদৰ্শ এওঁবিলাকৰ মাজত এতিয়াও আচাৰে আকাৰে বৰ্ত্তমান। এওঁলোকৰো কিছুমান কৃতী ছাত্ৰ আৰু ছাত্ৰীয়ে অসমৰ গৌৰৱ বঢ়াইছে। কিছুমান অতি সুন্দৰ আৰু গুৰুত্বপূৰ্ণ ভাষাৰ প্ৰবন্ধ, গীত ইত্যাদি লিখি অসমীয়া ভাষাৰ উন্নতি বিধান কৰিছে। মুঠতে পুৰণি অসমীয়াৰ চানেকী এতিয়াও এওঁলোকৰ ভিতৰত পোৱা যায়। কৰ্তৃপক্ষ আৰু ৰাইজে এই সম্প্ৰদায়ৰ সৰ্বাঙ্গীন উৎকৰ্ষৰ বাবে বিশেষৰূপে চেষ্টা কৰা উচিত। শিল্পী, কাৰিকৰ আৰু কৰ্মী হিচাবে এই সম্প্ৰদায় কোনো সম্প্ৰদায়তকৈ হীন নহয়, এওঁলোকৰ ক্ৰমোন্নতি অসমৰ ভৱিষ্যত জাতীয় বিকাশৰ এটা প্ৰধান অঙ্গ। এই অঙ্গক আৰু পঙ্গু কৰি ৰখাটো উচিত নহব। এই বিষয়ে বৰ্ত্তমানে বহুলভাৱে চেষ্টাৰ আগন্তুক দেখি আমি নথৈ সুখী হৈছো। মাছৰ ব্যৱসায় যেতিয়া এওঁলোকৰ কিছুমানৰ মুল আৰ্জ্জনৰ উপায় তাক বিশেষ উপায়েৰে আৰু উন্নত কৰি তোলা আৰু বিদেশী জালুৱাৰ হাতৰ পৰা তেওঁলোকক উদ্ধাৰ কৰাটো যুগুত, যেহেতু আমাৰ প্ৰধান খাদ্যসম্পদৰ এওঁলোকেই একমাত্ৰ যোগানী।

চাহৰ বাগান আৰু বনুৱা

স্বাধীন অসমৰ চাহৰ বাগান আমাৰ সম্পত্তি, তাৰ বনুৱাবিলাকো অসমীয়া হৈ অসমত নিগাজী ভাবে বাস কৰাত আমাৰ ভাতৃত্বত চামিল হৈছে। এওঁলোকৰ অতি দীন হীন অৱস্থাৰ সংস্কাৰ কৰে বিশেষৰূপে চেষ্টা কৰা উচিত। যুগান্তৰ পৰাধীনতাৰ শিকল আৰু মুক্ত কৰি মুকলিমূৰীয়া হবলৈ উপযুক্ত শিক্ষা আৰু দীক্ষা দিয়া উচিত। বাগানত সোমাই পৰা মাটি উদ্ধাৰ কৰি এওঁলোকৰ দ্বাৰা বৈজ্ঞানিক প্ৰণালীৰে আবাদ আৰু চাষ কাৰ্য্য সম্পন্ন কৰিলে দেশৰ আহকাল দূৰ হব। এওঁলোকক বিপথগামী কৰি অসমীয়াৰ লগত খিলিব কৰিবলৈ যি আন্দোলন চলাব ধৰিছে তাক সমূলে ধ্বংস কৰাটো অতি আৱশ্যক।



আজিৰ এই ক্ষুদ্ৰ অভিভাষণত সকলো কথা, অভাৱ - অভিযোগ, অনুযোগ ইত্যাদিৰ যথাযথ ৰূপ বহলাই কোৱা আৰু তাৰ আশু-প্ৰতিবিধানৰ আঁচনি দাঙি ধৰাটো সম্ভৱপৰ নহয়। তথাপি স্বদেশৰ সেৱাত নিজক কৃতাৰ্থ কৰো বুলি তাকেই ৰাইজৰ আগত নিবেদন কৰিলোঁ।

---


অসম সাহিত্য সভাৰ নতুন প্ৰকাশন

**ৰঘুনাথ চৌধাৰী ৰচনাৱলী**

সম্পাদক : শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

আধুনিক অসমীয়া কাব্য-আকাশৰ জোনাকত স্বৰূপ বিহগী-কবি ৰঘুনাথ চৌধাৰী জোনাকী যুগৰ শেহতীয়া ভাগৰ এজন বিশিষ্ট লেখক আছিল। কবিতা, গল্প, প্ৰবন্ধ, সমালোচনা, সংবাদসেৱা, আনকি ৰাজনৈতিক চিন্তা-চৰ্চাতো চৌধাৰীৰ অৱিহনা লেখত লব লগীয়া। তেখেতৰ প্ৰায় সমস্ত লেখা প্ৰণয়বাৰৰ বাবে একত্ৰিত কৰি ৰচনাৱলীত দাঙি ধৰা হৈছে। ইয়াত আছে — সাদৰী, কেতেকী, কাৰবালা, দহিকতৰা, নৱমল্লিকা, মনাই বৰাগী, লেচেৰি-বাটলা কবিতাৱলী, বন্দী-জীৱন, গড়তীয়া, সভাপতিৰ অভিভাষণ, বিবিধ ৰচনা, হেমকোষৰ পৰিশিষ্ট, আৰু বিবিধ তথ্য সম্বলিত 'ওপৰঞ্চি' ভাগ। তদুপৰি সম্পাদক সুসাহিত্যিক শ্ৰীঅতুল চন্দ্ৰ বৰুৱাৰ সুচিন্তিত 'নিবেদন' ৰচনাৱলীখনৰ আন এটি আকৰ্ষণ।

পকাবন্ধা, ৰয়েল আকাৰৰ, প্ৰায় ৭৭০ পৃষ্ঠাৰ আটক-ধুনীয়া গ্ৰন্থ। মূল্য ৩০.০০ টকা।

# কথা-ভক্তিৰত্নাকৰ ঃ গোপালচৰণ দ্বিজ

শ্রীনবীন চন্দ্র গোস্বামী

এই পুথিখন চলিহা বাৰেঘৰ আৰু বৰবাৰী সত্ৰত পোৱা হৈছে। বাৰেঘৰ সত্ৰত মূল সাঁচিপতীয়া পুথিখন পোৱা নহ'ল, তাৰ অসমীয়া আখৰত লিখা ব্যৱহাৰৰ কাৰণে প্ৰস্তুত কৰি লোৱা নকল এটাহে পোৱা হৈছে। বৰবাৰী সত্ৰত যি সাঁচিপতীয়া পুথি আছে সেইখন বাৰেঘৰৰ পুথিৰে নকল; কিন্তু নিৰ্ভৰযোগ্য নহয়; মাজে মাজে কিছুমান বাক্য এৰি গৈছে। জনা যায় যে বাৰেঘৰ সত্ৰত বিশেষ অনুষ্ঠানত প্ৰসঙ্গৰ অন্তত পাঠৰ বাবে এই পুথি ব্যৱহাৰ কৰা হয়। আন কোনো সত্ৰতে এনে নিয়ম আছে বুলি জনা নাযায়। অনুমান হয় যে পূৰ্ণকাম দেৱৰ কালৰ পৰাহে এই নিয়মৰ প্ৰচলন হয়। বাৰেঘৰ সত্ৰৰ গোসাঁইসকলৰ মুখে জানিব পৰা হৈছে যে সত্ৰত থকা সাঁচিপতীয়া পুথিখন কোনোবাই চুৰ কৰি নিলে। সেই কাৰণেই আধুনিক আখৰত কৰা লিপিৰ পৰাই ধৰ্মীয় কাম নিষ্পাদন কৰা হয়। অন্য ঠাইত সন্ধান কৰিও গোপালচৰণৰ 'কথা-ৰত্নাকৰ' পুথি পোৱা নগ'ল। গতিকে পাঠান্তৰ মিলাবৰ কাৰণে বৰ্তমানলৈকে কোনো উপায় নোলাল। বিশেষ অসুবিধা হৈছে সংস্কৃত শ্লোকবিলাকৰ পৰা। দুয়োখন সত্ৰৰ পুথিতে শ্লোকবোৰ অশুদ্ধ আৰু বিকৃত, বোধ হয় লিপিকাৰে পুৰণা অসমীয়া আখৰ মাতিব নোৱাৰি ইচ্ছামতে আন্দাজত শব্দ লিখি থৈছে, অৰ্থৰ প্ৰতি ভ্ৰুক্ষেপ কৰা নাই। 'সষ্ট' 'ষষ্ঠ'ৰ বিপৰ্য্যয় সকলো ঠাইতে আছে, 'ব', 'য়', 'ৰ'-ৰ কোনো পাৰ্থক্য নাই। দন্ত্য, মূৰ্দ্ধন্য, হ্ৰস্ব, দীৰ্ঘ আদিৰ প্ৰতি দৃষ্টি নাই, 'ন', 'ল'-বো লিখাত একে ৰূপ। তাৰ উপৰি প্ৰায় সকলো ঠাইতে 'বৈকুণ্ঠানন্দ'ৰ ঠাইত 'বৈকুণ্ঠামৃত' লিখি থৈছে। এই বিলাক সাধাৰণ ভুলৰ বাবে গোপালচৰণক দায় দিব নোৱাৰি, উপযুক্ত লিপিকাৰৰ অভাৱেই তাৰ মুখ্য কাৰণ।

গোপালচৰণ দ্বিজ নামৰ দুজন লিখকৰ নাম পোৱা গৈছে, এজন কথা-ৰত্নাকৰৰ লিখক আৰু আনজন ভাগৱতৰ তৃতীয় আৰু অষ্টম স্কন্ধৰ অংশৰ পদ কৰোঁতা। দুয়োজনেই দামোদৰ দেৱৰ প্ৰয়াণৰ পাছত (১৫০২, ১৫২০ (?) শক) বৈকুণ্ঠপুৰ সত্ৰত অৱস্থান কৰি তেওঁলোকৰ গ্ৰন্থ লিখে। কথা-ৰত্নাকৰৰ লিখকে দামোদৰ দেৱৰ পৰৱৰ্তী অধিকাৰ বনোদেৱ বা বনদেৱৰ দিনত (১৫৮০ শক পৰ্য্যন্ত) সেই ধামতে গ্ৰন্থ সম্পূৰ্ণ কৰে। গোপালচৰণে ৩৯ মাহাত্ম্যৰ অন্তত শ্ৰীপুৰুষোত্তম ঠাকুৰক স্মৰণ কৰিছে। পুৰুষোত্তম ঠাকুৰ মাধৱদেৱৰ প্ৰয়াণৰ পাছত (১৫১৮ শক) মহাপুৰুষীয়া সত্ৰসমূহৰ প্ৰধান আচাৰ্য্য হৈছিল। গতিকে বৰঠাকুৰদেৱৰ কালতে এই গ্ৰন্থ সম্পূৰ্ণ হৈছিল বুলি অনুমান হয়। গোপালচৰণে ঘোষাৰ্চিতে মাধৱদেৱৰ ঘোষা অনুকৰণ কৰিছে, কিন্তু নাম লোৱা নাই। আনহাতে পুৰুষোত্তম ঠাকুৰ আৰু বংশীগোপালক একেলগে উল্লেখ কৰাৰ পৰা প্ৰমাণ হয় যে এই দুজন পুৰুষৰ সঙ্গী-সুহৃদ সম্বন্ধ জনা আছিল। গোপালচৰণ বনদেৱৰ নিচিনাকৈ বংশীগোপালৰ শিষ্য। বংশীগোপালৰ ৪৫ জন মেধিয়ে বিভিন্ন ঠাইত সত্ৰ স্থাপন কৰে। তাৰে কোনোবা ঠাইৰ পৰা আহি দুয়ো বৈকুণ্ঠপুৰত ভকত হৈ ৰহিছি। "সেহি প্ৰভু গোপালৰ পদ ৰেণু বলে, বলদেৱ আদি সাধু সূৰ্য্য যেন জ্বলে।" বংশীগোপালৰ চৰিতত বলদেৱ উজনিৰ লোক যেন লাগে, কিন্তু গোবিন্দ দাসৰ 'সম্প্ৰদা চৰিত'ত আছে— "বেহেৰুবাত এক বনোদেৱ নামে ব্ৰাহ্মণ আছে। তেহে গৃহত বিৰক্ত হৈয়া দেৱ দামোদৰ সত্ৰত ভাগৱত শুনি আছিল। তান্ক সত্ৰ দি দেৱ দামোদৰে দেহ তেজিলা।" বংশীগোপালৰ চৰিতত বলদেৱ "বৃহত শৰীৰ অতি গৌৰাঙ্গ বৰণ কান্তি বলদেৱ থাকন্ত বসিয়া" বুলি বৰ্ণনা কৰিছে আৰু সেই মহাপুৰুষৰ আগত সকলো কম্পমান হৈ থাকিছিল বুলি গুণ বখানিছে; গোপালচৰণে গ্ৰন্থৰ আৰম্ভণিত "তং বন্দে বলদেৱমচ্যুত প্ৰিয়ং" বুলি গুৰুক জনাইছে আৰু কৈছে "শ্ৰীগোপালদেৱ গুৰুৰ আজ্ঞা লৈয়া শ্ৰীদামোদৰ দেৱৰ পৰম বল্লভ কৃষ্ণৰ একান্ত দাস সাধুজনৰ আজ্ঞা শিৰোগত কৰি, বেহাৰ নগৰ শ্ৰীদামোদৰ ক্ষেত্ৰত পৰম ভাগৱত শোভিত দেখি, সেহি স্থানত বসি গোপাল নামে মতি অধমে ই কথা নিবন্ধিলো।" নিজকে ব্ৰাহ্মণ জনাল বুলি কলেও 'কথা-ৰত্নাকৰ' জনাল কাৰণ ৰচনা বুলি ধৰা উচিত নহয়। জটিল শ্ৰীধৰ স্বামীৰ টীকাৰ তেওঁ যি ধৰে সাৰমৰ্ম বা বিস্তাৰিত ব্যাখ্যা দিছে তাৰ পৰা প্ৰগাঢ় পাণ্ডিত্য প্ৰমাণ হয়। প্ৰত্যেক মাহাত্ম্যৰ আৰম্ভত স্বৰচিত শ্লোকবিলাকে এই মত আৰু দৃঢ় কৰে।

ভাগৱতৰ তৃতীয় স্কন্ধ আৰু অষ্টম স্কন্ধৰ প্ৰথমৰ পৰা চতুৰ্দশ অধ্যায়ৰ পদ-ভাঙনি কৰোঁতা গোপাল চৰণ দ্বিজ নিশ্চয় 'কথা-ৰত্নাকৰ'ৰ লিখকৰ সৈতে সমকালীন, কিন্তু একেজন লোক নহয়। ভাগৱতৰ পদকৰ্ত্তাজন শঙ্কৰদেৱৰ শিষ্য, তেওঁ স্পষ্ট ভাষাত ঘোষণা কৰিছে "বান্ধৱ কৃষ্ণক তেহে আমাসাক চিনাইলন্ত ভকতক কৰাইলা পৰিচয়", মাধৱৰ প্ৰেম-ভকতি প্ৰকাশি আমাক কৰিলা দায়া", "আমাক দিলাহা চক্ষুদান", "কোটি কোটি কল্প যদি, উপকাৰ কৰি আত এড়ো ৰূণ শুজা নযায় তান।" শঙ্কৰদেৱ কামৰূপত আদিত্য স্বৰূপে উদয় হৈ জ্ঞান-কৰ্ম—মাৰ্গ খণ্ডন কৰি নাম ধৰ্ম আৰু একশৰণ ভক্তি প্ৰচাৰ কৰি লোক নিস্তাৰ কৰিলে বুলি বাৰে বাৰে প্ৰচাৰ কৰি গৈছে। গোপালচৰণে দামোদৰ দেৱৰ তিৰোভাৱৰ পাছত দামোদৰৰ মুখ্য সত্ৰ বৈকুণ্ঠপুৰত বাস কৰি সন্ত সকলৰ আজ্ঞা অনুসৰি আৰু শঙ্কৰদেৱৰ পদাঙ্ক অনুধাৱন কৰি তৃতীয় আৰু অষ্টম স্কন্ধৰ পদ ৰচনা কৰে। শঙ্কৰদেৱৰ ৰচিত বলিছলন অংশ বাদ কৰি চতুৰ্দশ অধ্যায় পৰ্য্যন্ত পদ অনুবাদ কৰিছিল। দামোদৰ দেৱ "বেহাৰ নগৰে মুখ্য সত্ৰ পাতি বৈকুণ্ঠক চলি গৈলা"—তাৰ পাছতহে তেওঁ গ্ৰন্থ ৰচনা কৰে। "বংশী গোপাল মোৰ আত্মাসম, তাঙ্ক মোৰ যি ভেদ কৰে সি অস্ত্ৰ ধৰি মোক ছেদ কৰে" বুলি পুৰুষোত্তম ঠাকুৰৰ উক্তি যেন কাৰ 'সম্প্ৰদা চৰিত'ৰ ৪ৰ্থ অধ্যায়ত কোৱা আছে। এই উক্তিৰ সমৰ্থন বংশীগোপালৰ চৰিতৰ বিভিন্ন ঠাইত (পদ ৪০০-৪২০, ৪৫৮, ৬৯৮, ৭০০—১) পোৱা যায়। দক্ষিণপাট সত্ৰ যদি ১৫৮০ শক মানত হয় তেন্তে ১৫৮০ শক পৰ্য্যন্ত বলদেৱৰ জীৱিত কাল বুলি অনুমান কৰা যায়; আৰু তাৰ ভিতৰতে দুজন গোপালচৰণ আৰু ৰামচৰণ ঠাকুৰৰ গ্ৰন্থ ৰচিত হোৱাটো সম্ভৱ। কুৰুবাবাহীত থকা ৰামচৰণৰ 'পদ-ৰত্নাকৰ' পুথিত তলত দিয়া পদটো আছে —

"বৰপেটা নাম গ্ৰাম অনুপাম কামৰূপ মধ্যে সাৰ।
তাহাতে দ্বিজবৰ সত্ৰ পাতিছিলা ভকতি কৰি বিস্তাৰ॥
আনো অসংখ্যাত আছিলেক তাত মহা মহাভাগৱত।
সেহি থানে ইটো কথা নিবন্ধিলো তাহাৰ অনুগ্ৰহত॥
—২৭০

ভাগৱতৰ তৃতীয়স্কন্ধৰ এটা উক্তিৰপৰা গোপালচৰণক বয়সস্থ বুলি অনুমান কৰিব পাৰি, যেনে— "মৰণ সময়ে দেৱ কৃপাময় ৰহোক তযু স্মৰণে।" যদি তেওঁ শঙ্কৰদেৱৰ শিষ্য হয় তেন্তে বংশীগোপালৰ শিষ্য গোপালচৰণ আৰু মাধৱদেৱৰ শিষ্য ৰামচৰণ ঠাকুৰতকৈ বয়সত জ্যেষ্ঠ হোৱাই সম্ভৱ। কথা-ৰত্নাকৰৰ লিখক বংশীগোপালৰ শিষ্য হৈও মাধৱদেৱৰ নিচিনাকৈ তেওঁ কৃষ্ণ-শঙ্কৰ এক মূৰ্ত্তি এক তত্ত্ব বুলি প্ৰচাৰ কৰি মহাপুৰুষক ঈশ শ্ৰীকৃষ্ণৰ পূৰ্ণ অৱতাৰ বুলি স্বীকাৰ কৰিছে। পদকৰ্তা গোপালচৰণৰ লেখাত এনে কথা পোৱা নাযায় যদিও এই সাধন ভক্তিৰ গুহ্য তত্ত্বৰ ওপৰত অত্যধিক গুৰুত্ব নিদিলেও হয়। বৈকুণ্ঠপুৰত এই আধ্যাত্মিক তত্ত্ব ভক্ত সমাজত যে গৃহীত আছিল তাক লুই কৰিব নোৱাৰি। "কথা ৰত্নাকৰ"ৰ লিখকে তাৰ প্ৰমাণ দিছে। ৰৰং এই কথাহে স্বীকাৰ কৰিব পৰা হয় যে মহাপুৰুষীয়া আৰু দামোদৰীয়া এই দুটা সম্প্ৰদায়ৰ তত্ত্বগত বা সাধনগত পাৰ্থক্য নাছিল। এই বিভেদ পৰৱৰ্ত্তী কালৰ "দুৰ্বাৰ দুঃসঙ্গ দুৰ্বাসনা ঘোৰ"ৰ পৰা উৎক্ষেপ কৰা হৈছে। অসমৰ সকলো বৈষ্ণৱ সম্প্ৰদায়তে দীক্ষাৰ পৰিবৰ্তে শৰণহে আছে আৰু তাৰ পাছত সাধনৰ কেইবাটাও স্তৰ আছে। 'সহজ সাধন' বা 'পৰকীয়া প্ৰীতি' কোনো বৈষ্ণৱ সম্প্ৰদায়ত নাই। গতিকে শঙ্কৰদেৱৰ, জাতি ধৰ্ম নিৰ্মাণৰ অতি মানবীয় সৃজনী প্ৰতিভা অস্বীকাৰ কৰি উদিত সূৰ্য্যক গোবৰ পাচিৰে ঢাকি থবৰ চেষ্টা মাত্ৰ। অসমীয়া সাহিত্যৰ বৈষ্ণৱী ঠাঁচৰ গদ্যশৈলীৰ প্ৰবৰ্তক ভটদেৱৰ 'কথা-গীতা' আৰু 'কথা-ভাগৱত' দামোদৰ দেৱৰ প্ৰয়াণৰ পূৰ্বেই (১৫০২, ১৫২০ ?) ৰচিত হৈছিল। প্ৰয়াণৰ পাছতেই গোপালচৰণৰ 'কথা-ৰত্নাকৰ'। দুয়োৰে গদ্য অব্যাক্ত-মনোহৰ কাব্য সাহিত্য সৰ্বালংকাৰভূষিতা সুন্দৰীৰ শোভা-সম্ভাৰ সংস্কৃত কাব্য আৰু লৌকিক প্ৰসিদ্ধি দুয়ো দুৱাৰে উপস্থিত হৈছিল। এই বৈষ্ণৱী গদ্যৰ কৰ্ষণ-ভূমি সংস্কৃত শ্লোক আৰু টীকা-ভাষ্য, লিখকৰ স্বাধীন ভাৱ-প্ৰকাশৰ তাত সুৰুঙা নাই। ই বুদ্ধিজীৱীৰ প্ৰকাশ; কল্পলোকৰ সৈতে তাৰ সম্বন্ধ বিশেষ নাই। পৰতন্ত্ৰ গদ্যত লিখকৰ আত্মপ্ৰকাশ নহয়। তথাপি ই প্ৰকাশক্ষম; সামান্যভাৱে হলেও পক্ষ-প্ৰতিপক্ষৰ বাবে বৈচিত্ৰ্য-জ্ঞাপন কৰাত ই পটু। ভট্টদেৱ আৰু গোপালচৰণে অজ্ঞাতসাৰে মাজে মাজে কথ্যভাষা ব্যৱহাৰ কৰি পেলাইছে। আৰু অসম-কামৰূপৰ পশ্চিম ভাগত ৰচিত হোৱাৰ কাৰণে বঙলুৱা প্ৰয়োগ, ঠাঁচ আৰু শব্দও সোমাই পৰিছে। বঙালীৰ ১ম পুৰুষৰ ক্ৰিয়াত ব্যৱহাৰ হোৱা ক্ৰিয়া বিভক্তি 'ছি' দুইজনৰ লিখাতে পোৱা যায়। ১ম পুৰুষৰ বহুবচনত 'আমৰা', আমৰাসব' দুয়োটা পোৱা যায়। গোপালচৰণে এঠাইত 'ঘৰে ঘৰে' 'বেড়াইতে' 'বেড়াইতে' ব্যৱহাৰ কৰিছে। কৃত্ৰিম গদ্যত কৃত্ৰিম শব্দও দুটামান গোপাল-চৰণৰ লেখাত আছে (যেনে, এক আগল আণী, তিনি আগল সত্তৰ)। অসমীয়া কাব্য সাহিত্য যেনেকৈ স্ত্ৰী-শূদ্ৰৰ বোধগম্য হোৱাৰ কাৰণে মণ্ডিত কৰা হৈছিল, দামোদৰদেৱেও একে উদ্দেশ্যেই সাধাৰণ অশিক্ষিত লোকৰ মানসিক স্তৰলৈ দৃষ্টি কৰি গদ্য-সাহিত্য সৃষ্টিৰ প্ৰতি লক্ষ্য ৰাখিছিল। কৃত্ৰিম বৈষ্ণৱী গদ্যৰ যি ৰসবৰ্দ্ধক গুণ আহি পৰিছিল, সিয়েই তাৰ ভৱিষ্যতে সাৰ্বজনীনতাৰ অন্তৰায় হৈ পৰিল, পদ্য সাহিত্যৰ শব্দ, ছন্দ আৰু স্পন্দনৰ ঝঙ্কাৰে পদ সাহিত্যক যথাভিষিক্ত কৰিলে। ভাগৱতৰ কথাতকৈ পদহে লোকৰ আদৰৰ ধন। সমসাময়িক পদ আৰু কথা-ভক্তিৰত্নাকৰৰ ভিতৰত ৰামচৰণৰ পদ-ৰত্নাকৰ বহু সমাদৃত; ৰামচৰণ ঠাকুৰে যে অনেক শ্লোক আৰু তিনিটাতকৈ অধিক মাহাত্ম্য বাদ দি থৈছে তাৰ বিচাৰ বৰ্ত্তমান কাললৈকে হোৱা নাই। গোপালচৰণৰ এই ন্যূনতা দোষ নাই, কিন্তু তেওঁৰ ৰচনা কিবা আছিল বুলি কোনেও সন্দেহ কৰা নাছিল। এইটো গোপালচৰণৰ কিবা হীনতাৰ ফল নহয়; বৈষ্ণৱী গদ্যৰীতিৰ জনপ্ৰিয়তা নাছিল গুণেই কথা-ৰত্নাকৰৰ প্ৰসিদ্ধি নাছিল। কালক্ৰমত



কথাচৰিত লিখকৰ হাতত পৰি গদ্যৰীতিৰ কিছু-পৰিমাণে কৃত্ৰিম ৰীতিৰ সৰলীকৰণ হৈছিল। লিখকৰ স্বতন্ত্ৰভাৱে ভাৱপ্ৰকাশত কোনো শ্লোক বা টীকাৰ বাধকতা নাছিল, তথাপি তাৰ সৰ্বব্যাপী গুণ আহি পৰা নাছিল। অসমীয়া সমাজত ধৰ্মৰ গুৰুত্বৰ বহি পৰাৰ কাৰণে কৃত্ৰিম বৈষ্ণৱী বা ভকতীয়া গদ্যৰ অনুশীলন আৰু সমাজত ব্যৱহাৰ একান্ত প্ৰয়োজন বুলি কুৰি শতিকাতো ভবা হয়। সেই কাৰণে ধৰ্ম চৰ্চাত এই গদ্যৰহে চৰ্চা হৈছিল। কিন্তু তথাপি কৃত্ৰিম গদ্যও ক্ৰমশঃ কথ্য ভাষাৰ ওচৰ-চাপি আহিব লগা হৈছিল। তাৰ প্ৰমাণ চৰিত পোলাত ধৰা পৰে। চলন্ত, কৰন্ত, বোলন্তৰ লগত মিলি নদৰিলেও লৌকিক দৃষ্টান্ত, শব্দ আৰু প্ৰয়োগ-বোৰে ভকতীয়া গদ্যত মূৰ দাঙি উঠিছিল। গোপাল-চৰণৰ কথাত কোনো ক্ষেত্ৰত আধুনিক গদ্যই মূৰ দাঙি উঠিছে, যেনে—"এই মন দেখা বৰ বলৱন্ত, পৰম শত্ৰু, ই অসাৱধানত বাঢ়িছে, বিচাৰত মিছা, জীৱক সৰ্বনাশ কৰে; এই বিশ্বখান পূৰ্বে তোমাতে আছিল, মধ্যতো তোমাতে আছে, অন্তেও তোমাতে থাকিব; যেন যৰত ধন হৰৱাই বনত বিচাৰ কৰে।" "এতেকে আপোনাৰ শক্তি অনুৰূপে যিমানে পাৰে কৃষ্ণ-কথা সেৱা কৰোক।" কিন্তু এনে আচুতীয়া বাক্যৰ উদাহৰণ নিচেই কমহে আছে। ভট্টদেৱ আৰু গোপালচৰণৰ কথা কাব্যৰ ভাষা, কেৱল তাত ছন্দ নাই। প্ৰাচীন অসমীয়া আৰু বঙ্গীয় সাহিত্যৰ বিশেষ মৌলিক পাৰ্থক্য নাই। ইত আৰু অন্ত (ক্ত আৰু শতৃ প্ৰত্যয়জাত) ৰূপত পদ বৰ্ত্তমান কালতো ব্যৱহাৰ হৈছে। গোপাল-চৰণে পসিতে, হুইতো, দেখিলাতে প্ৰয়োগ কৰিছে, তাৰ লগে লগে অন্ত প্ৰত্যয়যুক্ত কৰন্তে, নাইকন্তে পোৱা যায়। সংস্কৃত ইন্ কৃৎপ্ৰত্যয় সংকুচিত হৈ 'ঈ' হৈ পৰে, যেনে—বৰ্ণনী, প্ৰাৰ্থনী, বাক্নী, আদৰণী। ক্ৰিয়াৰ লগত অন্ প্ৰত্যয় যোগ দি নামধাতু কৰা হয়, যেনে—পৰিণাম, কৰণ, নকৰণ, ছেদন ইত্যাদি। সেইদৰে নামধাতু নসন্তৰে, প্ৰপৰিত, তপিল ইত্যাদি। সৰ্বনামজাত বিশেষণ বিলাক আধুনিক অসমীয়াৰ নহয়, যেনে— এমন, তেমন, এমত বৰ্ত্তমান পৰিত্যক্ত ৰূপ। মধ্যম পুৰুষৰ অনুজ্ঞাত বোলা, বোল দুইটাই আছে; কিন্তু পাছৰটো বোলহ শব্দৰে সংক্ষেপ ৰূপ। তৃতীয় পুৰুষৰ তুচ্ছাৰ্থক ক্ৰিয়াৰ আধুনিক ৰূপ কৰিবি, যাইবি আছে। আধুনিক অসমীয়াৰ বহুবচনৰ বিভক্তি এই গদ্যত নাই, তাৰ পৰিবৰ্তে সমূহ, বাচক, গণ, সকল আৰু √ৰ-জাতৰ হে আছে; যেনে- আৰা, তাৰা, যাৰা, আমৰা, আ বিশেষ্য ত সকল, সব, গণ ইত্যাদি। বিশেষ্যপদৰ ৬ষ্ঠী বা ৭মীত হন্তে যোগ দি অপাদান কাৰক ৰচিত হয়, কৰ্ম কাৰকত ক বিভক্তি লুপ্ত নহয় আৰু ৪ৰ্থীত তাৰ লগত লাগি যোগ হয়।

ৰামচৰণ আৰু গোপালচৰণ— ভক্তি ৰত্নাকৰৰ পদকৰ্ত্তা সমন্বত ৰামচৰণ ঠাকুৰে "বৃদ্ধকালে পাইল দেহা ভৈলো আশক্ত" বুলি কৈছে। ৰামচৰণ মাধৱদেৱৰ প্ৰয়াণৰ কালত ১৫১৮ শকত অবিবাহিত। গতিকে পৰৱৰ্ত্তী আচাৰ্য্য পুৰুষোত্তম ঠাকুৰৰ সৈতে সমকালীন। পুৰুষোত্তম ঠাকুৰ বংশীগোপালৰ সৈতে সঙ্গী-তৰুণ। বংশীগোপাল গোপালচৰণৰ গুৰু, যেতিয়া গোপালচৰণ বয়সত সৰু হোৱা সম্ভৱ। বৰপেটা আছিল ৰামচৰণৰ কৰ্মক্ষেত্ৰ আৰু তাত গোপাল মিশ্ৰ অধিকাৰ হৈ আছিল। এই দ্বিজৱৰৰ দিনতেই পদ-ভক্তিৰত্নাকৰ ৰচিত হয়। 'দেৱ-দামোদৰ গুৰু' নামৰ পুথিত দামোদৰ দেৱৰ প্ৰয়াণৰ এটা শক দিছে—

"শাকে দিগ্ভমনু সংখ্যয়া বিগণিত ধৰ্মান্ জনান্ গ্ৰাহয়ন্
শাকে বংকৰ বাণচন্দ্ৰ গণিতে গচ্ছৎ পুৰ্ণধাম সঃ।"

'ভক্তি বিবেক' পুথিৰ অন্তত দামোদৰ দেৱৰ প্ৰয়াণৰ শক ১৫০২ বুলি লিখা আছে। ১৫২০ শক

হলে দামোদৰদেৱ মাধৱদেৱৰ প্ৰয়াণৰ পাছত তুবছৰ জীৱিত আছিল। মাধৱদেৱে পুৰুষোত্তম ঠাকুৰ, হৰিচৰণ ঠাকুৰ আৰু ৰামচৰণ ঠাকুৰক একেলগে পঢ়াইছিল।

"যে দানি আমাক মাধৱদেৱে পঢ়াইলন্ত
হৰিচৰণ পুৰুষোত্তম ঠাকুৰো আসন্ত।
আমি তিনিজন একলগে যে পঢ়িলো।"
—বিদ্যানন্দ ওজা।

চতুৰ্ভুজ ঠাকুৰৰ মৃত্যু হয় ১৫৬৮ শকত। সৰু ঠাকুৰৰ দিনত ৰামচৰণ ঠাকুৰে গোবিন্দ আতৈ, গোপাল আতৈ আৰু মুৰাৰি কোচক দায় ভগ্নাবৰ বাবে চতুৰ্ভুজ ঠাকুৰক অনুৰোধ কৰিছিল, আৰু ৰামচৰণে মথুৰাদাসৰ লৈতে চতুৰ্ভুজ ঠাকুৰৰ মনান্তৰ গুচাই মিলাই দিছিল। সৰু ঠাকুৰৰ জীৱিত কালতে ৰামচৰণ ঠাকুৰৰ মৃত্যু হৈছিল আৰু পাছত পুত্ৰেক দৈত্যাৰিয়ে সুন্দৰীদিয়াৰ ভাৰ পাইছিল। মথুৰাদাসৰ মৃত্যুৰ পাছত চতুৰ্ভুজ ঠাকুৰে গোপাল মিশ্ৰক বৰপেটাৰ অধিকাৰ দাতে।

"আতৈ মথুৰা দাস আছিলন্ত তেহো বৈকুণ্ঠক গৈলা
তাহান পাছত গোপাল মিশ্ৰক সত্ৰত মেধি পাতিলা।
সেহি সময়তে বুলিলন্ত আতা গোপাল মিশ্ৰক চাই
তোৰা সমে আদিচৈধ্যয় পুৰুষ এৰাএৰি বাবু নাই॥"
—বিদ্যানন্দ ওজা।

এই গোপাল মিশ্ৰৰ কালতে পদ-ৰত্নাকৰ ৰচিত। চতুৰ্ভুজ ঠাকুৰৰ কেইবছৰমানৰ আগতে ইয়াৰ ৰচনা কাল পৰে। ইফালে বেহাৰত বলদেৱ ১৫২০ ৰ পৰা ১৫৮০ শক মানলৈকে অধিকাৰ আছিল; গতিকে কথা-ৰত্নাকৰো এই কালছোৱাতে ৰচিত হৈছিল।

গোপালচৰণ আৰু ৰামচৰণৰ দুয়োখন আদৰ্শ পুথি একেখন নহয়; দুয়োৰে মূল শ্লোকৰ আগ-পিছ আৰু এৰা-ধৰা বহুত অধ্যায়ত আছে। ৩০ মাহাত্ম্যৰ পৰা এই পাৰ্থক্য আৰু চকুত পৰে। থূল-মূল ভাৱে কৰলৈ হলে গোপালচৰণে তেওঁৰ অনুবাদ যিমান সংক্ষেপতে পৰা যায় তাৰ কাৰণে ব্যগ্ৰ; অৰ্থৰ জটিলতা ভঞ্জন কৰিবলৈ প্ৰায়েই চেষ্টা এৰি দি তেওঁ বহুত ঠাইত সাৰাংশ বা ভাবাৰ্থ মাত্ৰহে দিছে। ৰামচৰণৰ এনে দোষ নাই; কিন্তু তেওঁৰ ক্ষেত্ৰত প্ৰধান আহুকাল হৈছে— অনেক ঠাইত অনেক শ্লোক অনুবাদ কৰা নাই। ভাবকনত কোন বিলাক মূলৰ শ্লোক এৰিছে সেইটো অনুসন্ধানৰ কথা হৈ পৰিছে। তদুপৰি ৩৫ মাহাত্ম্যৰ ২০ টা শ্লোকৰ পাছত অনুবাদ নাই। ৰামচৰণৰ যিখিনি অনুবাদ, তাৰ লগত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ য'ত য'ত অনুবাদ আছে, তাৰ লগত তুলনা কৰিলে ৰামচৰণ হীন যেন দেখোৱায়। পাণ্ডিত্যৰ ক্ষেত্ৰত ৰামচৰণ বা গোপালচৰণৰ ন্যূনতা নাই; কিন্তু কোনেও পুৰাণান্তৰ বুলি উল্লেখ কৰা শ্লোকবিলাকৰ মূল বিচাৰি যোৱা নাই। দৃষ্টান্ত স্বৰূপে পুৰাণান্তৰ—

'শুভমিদমুবালভ্য মানুষত্বং
ভগৱতি হৰৌ অনন্যচেতা
ভগৱতি বিমুখস্য ন চাস্তি সিদ্ধিঃ
ব্ৰহ্মাদিতৃণ পৰ্যান্তং
তস্য বিষ্ণোঃ প্ৰসাদেন'—এই কেইটা নৰসিংহ পুৰাণৰ পৰা উদ্ধৃত।

৪ৰ্থ মাহাত্ম্যৰ "নাৰায়ণ জগন্নাথ বাসুদেৱ জনাৰ্দন" শ্লোকটো বৃঃ নাৰদীয় পুৰাণৰ পৰা লোৱা। উল্লেখনীয় যে সেই কালত অসমৰ পণ্ডিত-মণ্ডলীৰ মাজত ব্যাপকভাৱে প্ৰচলিত পুৰাণ বিলাকৰ পৰাই শঙ্কৰদেৱে শ্লোক সংগ্ৰহ কৰিছিল। গতিকে ভক্তি-ৰত্নাকৰত আধৃত শ্লোক বিলাকৰ আঁতি-গুৰি আৱিষ্কাৰ কৰা অসম্ভৱ নাছিল।

(ক্ৰমশঃ)

# ৰঘুনাথ চৌধাৰীৰ কাব্য-দৰ্শন : 'কেতেকী'

ড' পূৰ্ণানন্দ শইকীয়া

অসমীয়া ৰোমাণ্টিক্ কাব্য সাহিত্যৰ দিগন্তত ভোটাতৰা হৈ জিলিকি থকা কবি ৰঘুনাথ চৌধাৰী (১৮৮০-১৯৬৭ খৃঃ) 'বিহগী কবি' নামে সৰ্বজন সমাদৃত। সৌ সিদিনা (২০ জানুৱাৰী, ১৯৮০) জন্ম শতবাৰ্ষিকী উপলক্ষে অসম সাহিত্য সভাৰ দ্বাৰা আয়োজিত এটি অনাড়ম্বৰ বিশেষ অনুষ্ঠানত কবি জনাৰ এখন স্মৃতিফলক গুৱাহাটীৰ নিজা বাসভৱনত উন্মোচন কৰা হয়।

অসমীয়া ৰোমাণ্টিক্ কাব্য-সাহিত্যৰ ভঁৰাললৈ ৰঘুনাথ চৌধাৰীৰ উল্লেখযোগ্য অৱদান হ'ল- 'সাদৰী' (১৯১০), 'কেতেকী' (১৯১৮), 'কাৰবালা' (১৯২৩) আৰু 'দহিকতৰা' (১৯৩১)। বিহগীক লৈ এজাৰি কবিতা ৰচনা। কবি 'বিহগী কবি' ৰূপে আখ্যায়িত হলেও, বিহগীৰ বাহ্য-ৰূপ আৰু বাহ্য-প্ৰকৃতিয়ে কবি সত্তাক ঝঙ্কাৰিত নকৰে : বিহগীৰ গীত বা সুৰতে কবিৰ বাবে পৰম কামনাৰ ধন, পৰম মোক্ষৰ উপায়। বিহগীৰ সুৰ অনন্ত জীৱনৰ শাশ্বত সুৰ : ইয়ে 'ওম্', : স্থানাতীত, কালাতীত, মায়াতীত, অবিনশ্বৰ ব্ৰহ্মৰূপী সনাতন। কোনো কোনো সমালোচকে ভবাৰ দৰে ইংৰাজ কবি ৱৰ্ডচ্‌ৱৰ্থ, শেলী, কীট্‌ছৰ প্ৰভাৱত ৰঘুনাথ চৌধাৰীৰ কাব্যদৰ্শন গঢ় লৈ উঠা নাই। এইজনা স্বভাৱ কবিয়ে আধুনিক কালৰ বিশ্ববিদ্যালয়ত পশ্চিমীয়া কাব্য-সাহিত্য দৰ্শনৰ শিক্ষা লাভ কৰা নাছিল; কিন্তু তেওঁ লাভ কৰিছিল পোনে পোনে প্ৰকৃতিৰ শিক্ষা; প্ৰকৃতিয়ে আছিল ৰঘুনাথৰ বিশ্ববিদ্যালয় : চৰাই, ফুলেই আছিল এই শিক্ষা আহৰণৰ মাধ্যম। যদিহে কাৰোবাৰ প্ৰভাৱ কবিৰ ওপৰত পৰিছিল, সেই প্ৰভাৱ আছিল ঐতিহ্যমণ্ডিত ভাৰতীয় দৰ্শনৰ আৰু কাব্যৰ : কৃষ্ণৰ মোহন বেণুৰ আৰু কালিদাসৰ অমৰ কাব্যগাঁথাৰ।

কবি চৌধাৰীৰ কাব্য-দৰ্শনৰ সম্যক প্ৰতিফলন ঘটিছে 'কেতেকী' নামৰ গীতি-কাব্য পুথিখনিত। কাব্যখনিক যদিওবা পঁচোটি তৰঙ্গ বা ঢৌত বিভক্ত কৰা হৈছে, ইবিলাক ভিন্ন সুৰীয়া নহয়; একেটি সুৰেই পঁচোটি গীতি কবিতাৰ মাজেদি ক্ৰমান্বয়ে বিকশি উঠিছে। এই সুৰৰ আৰম্ভণি এই মায়াপুৰী পৃথিৱীত হলেও এই সুৰ ক্ৰমান্বয়ে এক চক্ৰীয় গতিত (Cyclic motion) এখনি কল্পলোকৰ ফালে গতি কৰি এটি শীৰ্ষ বিন্দুত উপনীত হৈছে। আৰু এটি আধ্যাত্ম উপলব্ধিৰ অন্তত এই সুৰ পুনৰপি উলটি আহি এই মায়াপুৰীতে অন্ত হৈ গৈছে। 'কেতেকী'ত উদ্ভাসিত হোৱা সুৰ এই গতি-চক্ৰ দেখি ইংৰাজী কাব্য-সাহিত্যৰ পাঠকে প্ৰখ্যাত ইংৰাজ কবি কীট্‌ছৰ 'নাইটিংগেল' কবিতাত বিৰাজ কৰা ভাৱৰ এটি গতি-চক্ৰৰ কথা স্মৰণ কৰে। মহান কবি-দাৰ্শনিকসকলৰ ভাৱ-ৰাজ্যত এনে গতি-চক্ৰৰ মিল থকাটোৱে এজনৰ ওপৰত আন এজনৰ প্ৰভাৱ থকাটো নুবুজায়।

ক্ষণভঙ্গুৰ জীৱনত মহান কবি দাৰ্শনিকসকলে একো একোটি ভাৱ বা সুৰৰ গতি-চক্ৰৰ মাজেদি বাস্তৱ-মায়া-লোকৰ পৰা কল্পলোকলৈ আৰু কল্পলোকৰ পৰা বাস্তৱলোকলৈ অহাযোৱা কৰি থাকে ; কল্পলোকৰ এটি শীৰ্ষ বিন্দুত প্ৰতিজনৰে একোটিকৈ আধ্যাত্ম উপলব্ধি ঘটে । এই উপলব্ধিৰ অন্তত কাৰোবাৰ বাবে বিৰাজ কৰে মহামিলনৰ এটি আশাবাদী সুৰ আৰু কাৰোবাৰ বাবে বিৰাজ কৰে বিচ্ছেদৰ এক চৰম হতাশা । সেয়ে, ভাৱৰ গতি-চক্ৰৰ মিল দেখি কাব্য-দৰ্শনৰ মিল বিচাৰি যোৱা মানে অন্ধই হাতী-দৰ্শন কৰা কথা যেন হৈ পৰে । থোৰতে কবলৈ হলে, কীট্‌ছৰ 'নাইটিংগেল'ত প্ৰকট হৈছে জীৱনৰ চৰম ব্যৰ্থতা ; আনহাতে চৌধাৰীৰ 'কেতেকী'ত মহান ভাৰতীয় দৰ্শনৰ অবিনশ্বৰ মানৱাত্মাৰ চিৰসুন্দৰৰ লগত মিলনৰ পৰম-প্ৰয়াস প্ৰকট হৈছে । কাব্য-দৰ্শনৰ দুটি বিপৰীত বিন্দুত কবি দুজনা থিয় দি আছে ।

'কেতেকী'ত বিৰাজমান সুৰৰ গতি-চক্ৰৰ অনুধাৱন্ কৰি কাব্য-দৰ্শনৰ এটি সম্যক উপলব্ধি কৰাৰ পূৰ্বে কবি চৌধাৰীৰ নিজা বক্তব্যৰ মাজতে তেওঁৰ কাব্যিক চিন্তাৰ এটি আভাস লৈ থোৱা সমীচীন হব । প্ৰকৃত কাব্যৰ স্বৰূপ নিৰ্ণয় কৰি ৰঘুনাথ চৌধাৰীয়ে কৈছে : "প্ৰাণৰ উদ্দাম আকুলতা সংযতভাৱে ৰাখি নিৰ্মল প্ৰেমৰ উপাসনা কৰা সকলেই মহাকবি । প্ৰকৃতিৰ লীলামাধুৰ্য্য আৰু কমনীয়তা সৌন্দৰ্য্য-পিপাসু কবি সকলৰ উপভোগৰ সামগ্ৰী । সিহঁতে আকুল আবেগপূৰ্ণ বিৰহ নিদাঘৰ শেষত শৰতৰ নিৰ্মল জোনাকী নিশাত শেৱালিৰ মধুৰ হাঁহি দেখি তৃপ্তি পায় ; নিষ্ঠুৰ হেমন্তৰ অন্তত বসন্তৰ বিশ্ববিমোহন ৰূপত অপাৰ আনন্দ উপভোগ কৰে । ------ প্ৰেম শাশ্বত, সত্য আৰু সনাতন বস্তু । এই প্ৰেমকে কেন্দ্ৰ কৰি জগতৰ মহাকাব্যবিলাক ৰূপ আৰু ৰসত ৰচিত হৈছে । অবৈধ প্ৰেম-কাহিনী, কাহিনী হব পাৰে কাব্য নহয়, পূতিগন্ধময় নৰকৰ চিত্ৰ । মহাকাব্যৰ ৰসত দেহাতীত, জীৱনাতীত সকলো মোহ, সকলো অশুচি আৰু সকলো পাপৰ পৰা মুক্ত উৰ্দ্ধলোকত এখন ধুনীয়া কল্পলোক সৃষ্টি হয় । য'ত উদ্দাম লালসা, কামনাৰ লেলিহান বহ্নিশিখাই স্পৰ্শ কৰিব নোৱাৰে,— সেয়ে প্ৰকৃত কাব্য । যিয়ে জগতৰ বাহিৰৰ নন্দনাক জানিবলৈ প্ৰাণৰ হেঁপাহ, সাধনাৰ নিৰ্দ্দেশ দিয়ে, সেয়ে কাব্যৰ চৰম আৰু পৰম অভিব্যক্তি । কাব্য ব্যক্তিগত জীৱনৰ অভিজ্ঞতাৰ ৰূপময় চিত্ৰ ।" (১)

একোজনা মহান কবিৰ আত্মবিশ্লেষণমূলক এনে কাব্যিক অভিব্যক্তিৰ মাপকাঠীৰে কাব্য-সৃষ্টি বিচাৰ কৰাটো প্ৰকৃত বিজ্ঞানসম্মত কথা । এনে বিচাৰমতে 'কেতেকী' এখনি প্ৰকৃত গীতিকাব্য । ইয়াত আছে এখনি মনোৰম কল্পলোকৰ চিত্ৰ ; শাশ্বত প্ৰেম আৰু সুৰ এই চিত্ৰৰ মাজেৰে উদ্ভাসিত হৈছে । এই সনাতন প্ৰেম আৰু সুৰৰ সাধনাত জীৱনৰ পুঞ্জীভূত বিৰহ-বেদনা উৰ্দ্ধত প্ৰকট হৈছে কবি-প্ৰাণৰ এক অদম্য প্ৰয়াস । সঁচাকৈয়ে, 'কেতেকী' কবি চৌধাৰীৰ "ব্যক্তিগত জীৱনৰ অভিজ্ঞতাৰ ৰূপময় চিত্ৰ" । কাব্যৰ 'কেতেকী' প্ৰকৃততে তেজ-মঙহৰ বিহগী নহয় : ই চিৰসুন্দৰৰ, সনাতন প্ৰেমৰ, শাশ্বত সুৰৰ প্ৰতীকহে মাথোন । 'কেতেকী' হ'ল এই বাস্তৱ মায়ালোক আৰু কবিৰ কল্পলোকৰ মাজৰ যোগ-সূত্ৰ স্থাপনকৰোঁতা এক দেৱদূত : ই কৃষ্ণৰ ভুৱন-মোহনী বেণু : মহাকবি কালিদাসৰ 'মেঘদূত কাব্য'ৰ মেঘ । 'কেতেকী'ৰ কল্পলোক এই জাগতিক স্থান-কাল-মায়াৰ উৰ্দ্ধত । কেতেকীৰ সুৰৰ মাজেদি আত্ম-প্ৰকাশ কৰা সনাতন প্ৰেমৰ যাদুকৰী পৰশত কবি-সত্তা আৰু প্ৰকৃতি-সত্তা বিৰহ-অন্তত যেন একে গছি মিলন সূতাতে বান্ধ খাই পৰিছে । কবি চৌধাৰীৰ কাব্য-দৰ্শনৰ এনে এটি সম্যক উপলব্ধি 'কেতেকী'

(১) অসম সাহিত্য সভাৰ ভাষণাৱলী ; ২য় ভাগ : ২য় তাঙৰণ, ১৯৫৭ : পৃঃ ৮১ ।



গীতি-পৃষ্ঠত প্ৰৱেশ কৰি চাওঁ ।

'কেতেকী'ৰ প্ৰথমটি 'তৰঙ্গ'ত প্ৰকাশ পাইছে কবিৰ এক পৰম কৌতুহল : সনাতন প্ৰেম কি ? আৰু উৎসইবা ক'ত ?

"ক'ৰ পৰা তই আহিলি সোণাই
কোন দিশে যাৱ উৰি,
কিয় বা ফুৰিছ দূৰ দূৰণিত
অকলই ঘূৰি ফুৰি ?
লোকালোক এৰি নিৰ্জ্জন ভূমিত
নুবুজা ভাষাৰে তই,
কি মাত মাতিছ কিহৰ আশাত
নুবুজো বিহগী মই ।" (প্ৰথম তৰঙ্গ)

যিখনি কল্পলোকৰ পৰা কেতেকী আহিছে, তাত শ্ৰদ্ধা, শান্তি, দয়া চিৰবিৰাজমান ; পাপৰ প্ৰলোভন, বিভীষিকা তাত নাই : তাৰ চাৰিও দিশে এটি পুণ্য জ্যোতি । কিন্তু, যিখন মায়ালোকলৈ কেতেকী আহিছে, তাক সেই কল্পলোক বুলি ভুল কৰিলে নহব :

"বুজিছনে পখী মায়া কাননত
বিচৰিছ তই আহি
মায়া ভাও জুৰি মায়াৱীসকলে
লগাব ভিক্তিত ফাঁহি ?
দুষ্ট ব্যাধে কত মোহৰ বাণ্ডৰা
পাতিছে সুন্দৰ কই,
কিন্তু পখী তই আগ পাছ গুণি
ফুৰিবি সতৰ্ক হই ।" (প্ৰথম তৰঙ্গ)

প্ৰথম তৰঙ্গৰ শেহৰ ফালে কবিৰ আত্মোপলব্ধি ঘটিছে আৰু কবিৰ সমস্ত কৌতুহল আঁতৰাই কেতেকী দেৱদূত হৈ কবিমানসত ধৰা দিছে । দ্বিতীয় তৰঙ্গত কেতেকীৰ সুৰৰ যাদুকৰী পৰশত বাহ্য প্ৰকৃতিয়ে বাসন্তী ৰূপত কল্পলোকৰ এখনি প্ৰতিচ্ছবি হৈ ধৰা দিছে । প্ৰকৃতি ৰাজ্যত এখন ৰূপ-ৰস-গন্ধ স্পৰ্শৰ অপূৰ্ব্ব মিলন-মেলা বহিছে । পুষ্প-কানন, তৰু-লতিকা নৱ পত্ৰে-পুষ্পে সুশোভিতা হৈছে । বিজন বনৰ দশোদিশ গোন্ধত আমোলমোলাইছে । এই গোন্ধত মতলীয়া হৈ জাকে জাকে মধুকৰে গুণ গুণনি তুলিছে । সমীৰণে ধীৰে ধীৰে শ্যামলী আঁচল আঁতৰাই ফুলমণিৰ বুকুখনি উদঙাই দিছে । লগে লগে প্ৰকৃতি ৰাজ্যত বিৰাজ কৰিছে মহামিলনৰ এক অপূৰ্ব দৃশ্য :

ৰঙতে ৰূপহী কামিনী ফুলৰ
বুকুখনি উদি হ'ল,
হেগ বুজি হায় লুব্ধ ভোমোৰাই
প্ৰেম-মধু চুহি গ'ল । (দ্বিতীয় তৰঙ্গ)

কেতেকী সুৰৰ কি যে এক সম্মোহনী শক্তি ! ইয়াৰ প্ৰভাৱৰ পৰা কোনো মুক্ত নহয়, ই বুঢ়াকো ডেকা কৰে । বুঢ়া লুইতৰ ক্ষীণ গাটোও দুলি উঠে ; পুৰণিকলীয়া বটজোপাতো ন-কুঁহিপাত ওলায় । প্ৰকৃতি ৰাজ্যত সৃষ্টি হোৱা আলোড়নে মানৱৰ মনো-ৰাজ্যতো তোলপাৰ লগায় । শ্ৰান্ত পথিক, ঈশ্বৰ-ভক্ত, বোৱাৰী-জীয়ৰী প্ৰত্যেকৰে মন-প্ৰাণত কেতেকীৰ সুৰে অজান পুলক জগায় । কাৰ অন্তৰত কেনে শিহৰণ উঠে—তাক প্ৰকাশ কৰিব নোৱাৰা অপূৰ্ব মুহূৰ্ত্ত একোটাৰ সৃষ্টি হয় :

"তোৰ মাত শুনি লাজুকী বোৱাৰী
ৰবলই এৰে তাঁত,
হাতৰ মাকোটি হাততেই ৰয়
হেৰায় মুখৰ মাত ।

সেইটি সুৰতে জীয়ৰী বোৱাৰী
আপোন পাহৰা হয়,
ঘ'ৰত থকা মহুৰা কাঠীটি
ঘ'ৰতে লাগি ৰয় ।" (দ্বিতীয় তৰঙ্গ)

তৃতীয় তৰঙ্গ কেতেকীৰ সুৰ মহাকাব্যৰ সুৰ আৰু শ্ৰীকৃষ্ণৰ মোহন বেণুৰ সুৰ হৈ কবি মানসত ধৰা দিয়ে :

"যিটি গীত শুনি ঋষিৰ আশ্ৰম
হৈছিল কলা-কলা
সেই সুৰতে নে ৰচে মহাকবি
মহানটি শকুন্তলা ?
যিটি গীত শুনি বিৰহী যক্ষই
পালে গিৰি চিত্ৰকূট,
সেই সুৰতে নে কবি-কল্পনাত
ফুলি উঠে মেঘদূত ?
★ ★
সেইটি সুৰতে কালিন্দী পাৰত
বাজিল মোহন বাঁহী,
উঠিল আকুট বৃন্দাবনধ্বনি
প্ৰেম-তৰঙ্গত ভাহি ।
★ ★
তোৰ সঙ্গীতত বাঁহীৰ সুৰত
আছে কিবা অভিসন্ধি,
ষোড়শ হাজাৰ গোপিনীক থলি
এডাল্লি ডোলেৰে বান্ধি ।" (তৃতীয় তৰঙ্গ)

চতুৰ্থ তৰঙ্গত কেতেকীৰ সুৰে জাগতিক স্থান-কালৰ সীমাৰেখা অতিক্ৰম কৰি গোটেই বিশ্ব জুৰি বিশ্ববিমোহিনী ৰূপত ভৰ জলধিৰ যাত্ৰীসকলৰ মন প্ৰাণ সনাতন প্ৰেমত মতলীয়া কৰি তুলিছে । ইয়াতে কবিৰ আধ্যাত্মিক দৰ্শন এটি চৰম বিন্দুত উপনীত হৈছে :

"তোৰ সঙ্গীতত আছে প্ৰেম-মধু
প্ৰেমিক পাগল হয়,
তোৰ সঙ্গীতত নাচে গোপবালা
যমুনা উজাই বয় ।"
★ ★
আহা কি অপূৰ্ব্ব বিশ্ববিমোহিনী
ধৰিলি গানৰ সুৰ,
সেইটি সুৰতে উটি আছে যেন
এখনি প্ৰেমৰ ভুৰ ।" (চতুৰ্থ তৰঙ্গ)

আৰু এই 'বিশ্ববিমোহিনী' সুৰ সাধনাৰে কবিয়ে পাপপুৰী এৰি চিৰসুন্দৰৰ প্ৰেমপুৰীলৈ যোৱাৰ মানস কৰিছে । এই প্ৰেমপুৰীৰ অমৃত পান কৰি কবিয়ে অমৰত্ব লাভৰো প্ৰয়াস কৰিছে :

"কত ভাগ্যবন্তে তোৰ প্ৰসাদতে
প্ৰভুৰ প্ৰসাদ পাই
প্ৰেমপুৰী এৰি মায়া পুৰী লই
নাহে ঘূৰি পুনৰায় ।
যি গছৰ তই খাবি প্ৰেমফল
মোকো দিবি তাৰে এটি,
নশ্বৰ জীৱন কৰিম অমৰ
বয়সে নিদিব ভাটি ।" (চতুৰ্থ তৰঙ্গ)

এই পৰম উপলব্ধিৰ অন্তত পঞ্চম তৰঙ্গত কল্প-লোকৰ পৰা কবি পুনৰ বাস্তৱ-মায়ালোকলৈ উলটি আহিছে । পৃথিৱীৰ ঋতু-চক্ৰ ঘূৰে : বাসন্তীৰ ঠাই শৰতে অধিকাৰ কৰে । কবিৰ কল্পনাৰ গতি-চক্ৰও ঘূৰে: কেতেকীৰ কল্পলোকৰ ঠাই মায়ালোকে অধিকাৰ কৰে । কবিৰ কল্পলোকৰ ধ্যান ভঙ্গ হয় : পুনৰ মায়ালোকত কবিয়ে খোজ পেলায় । সপোনৰ অদ্ভুত স্মৃতি থাকি যোৱাৰ দৰে কল্পলোকৰ আভা কবি-জীৱন চিৰ জ্যোতিষ্মান কৰি ৰাখে ; এটি আশা-বাদী সুৰ কবিমানসত ৰিণিকি ৰিণিকি বাজি থাকে :



"মানুহে নাজানে স্বৰ্গৰ আদৰ
নাজানে ধৰিব আল,
সেই গুণে তই মানুহৰ লগ
সমূলি নাপাৱ ভাল ।
কোলাগে আহিব কাষলই মোৰ
নিলগতে থাক বাৰু,
নিলগে নিলগে ঢালিবি অমিয়া
বিলাবি প্ৰেমৰ লাৰু ।" (পঞ্চম তৰঙ্গ)

মুঠ কথাত, কবি ৰঘুনাথ চৌধাৰীৰ 'কেতেকী'য়ে এখনি গীতিকাব্য ৰূপে এটি অপূৰ্ব্ব কাব্য-দৰ্শন বুকুত বান্ধি অসমীয়া ৰোমাণ্টিক্ কাব্য-সাহিত্যৰ ভঁৰাল সৰ্বকালৰ বাবে চহকী কৰি ৰাখিব।

১৪৮৯-৯২/১০।

—0—

অসম সাহিত্য সভাৰ সদ্য প্ৰকাশন

আচাম এণ্ড দি আচামিজ মাইণ্ড

সম্পাদক : শ্ৰীনগেন শইকীয়া

অসমৰ জনগণৰ অতীত ইতিহাসৰ পৰা সাম্প্ৰতিক গণ-আন্দোলনলৈকে বিভিন্ন পটভূমিত লিখা ১২ জন স্বনামধন্য লিখকৰ ইংৰাজী প্ৰবন্ধৰ সংকলন । লিখকসকলৰ তথ্যপূৰ্ণ সুচিন্তিত প্ৰবন্ধসমূহে ভাৰতীয় নিৰপেক্ষ বুদ্ধিজীৱীসকলৰ মন স্পৰ্শ কৰিবলৈ সক্ষম হৈছে । 'অসম আৰু অসমীয়া মন' বুজিবলৈ হলে গ্ৰন্থখন পঢ়া নিতান্ত বাঞ্ছনীয়' । এই বিষয়ে এতিয়ালৈকে ৰিতংভাবে লিখা ইংৰাজী মাধ্যমৰ উল্লেখনীয় নিৰ্ভৰযোগ্য পুথি ।

পেপাৰ বেক, ডবল ক্ৰাউন আকাৰৰ ১৭২ পৃষ্ঠাৰ পুথি । মূল্য দহ টকা ।

# বিশ্বনাথ ক্ষেত্ৰ

শ্ৰীনাৰায়ণ দাস

ঊনকোটি শিৱলিংগ পৰিবেষ্টিত দ্বিতীয় কাশী বিশ্বনাথ ক্ষেত্ৰৰ ঐতিহ্য সম্পৰ্কে জনশ্ৰুতিৰ অভাৱ নাই। এটি জনশ্ৰুতি মতে, ইয়াৰ স্ৰষ্টা স্বয়ং শিৱভক্ত বাণ। এবাৰ শোণিতপুৰাধিপতি গভীৰ তপস্যাত মগ্ন হৈছিল। সাধকৰ সাধনাত সন্তুষ্ট হৈ শম্ভু বাণৰজাৰ সন্মুখত আৱিৰ্ভাৱ হ'ল আৰু তেওঁৰ তপস্যাৰ কাৰণ সুধিলে। সন্দতিয়ে তেতিয়া পৰ্য-ভাৰতত দ্বিতীয় কাশী এখন নিৰ্মাণৰ আকুতি প্ৰকাশ কৰাত ভোলানাথে 'তথাস্তু' বুলি অন্তৰ্ধান হ'ল। বাণে তাৰতৰ বিভিন্ন প্ৰান্তৰৰ পৰা এককোটি স্বয়ম্ভু লিংগ সংগ্ৰহকৰি আনি ক্ৰমাক্ৰাশ্ৰমৰ ওচৰত শিৱোষ্ঠ সংস্থাপন কৰিলে। শিৱে বাৰাণসীত যিদৰে অনাদ্ৰ কাশীধামৰ সৃষ্টি অসম্ভৱ বুলি বৰ্তায়ৰাক সংগৃহীত এককোটি লিংগৰ এটি লুকুৱাবলৈ মনপছি আৰম্ভ হ'ল। বাণে অভলিংগটি কোনো ঠিচাৰি নাপাই পুনৰবাৰ শম্ভুক স্মৰণ কৰিলে। মহাদেৱে তেতিয়া হেৰোৱা লিংগটিৰ খা-খবৰ ল'বলৈ দিলে — তপস্যাৰত চাহল মুনিৰ মানসপুত্ৰ কমল আৰু কৌস্তুভৰ ওচৰত। বাণে দুইমুনিক চিঞৰি চিঞৰি হেৰুৱা শিৱ-লিংগৰ বিষয়ে কোনো বতৰা নাপাই মনৰ দুখত ক্ৰোধত জুইত আত্মাহুতি দিবলৈ উদ্যত হ'ল। সদাশিৱে পুনৰ্বাৰ বাণৰ সন্মুখত উপস্থিত হৈ ভক্তৰ কথা শুনি ধ্যানেৰে দুই মুনিক অভিশাপ দিলে এই বুলি : 'যি মুনি য গুপ্তভাৱে পতা দ্বিতীয় কাশীৰ শয় নাপায়, তেওঁ-লোকৰ তপস্যা বৃথা। তেওঁলোক হুৱয় শিলা হ'ব।' আমহাতে কোনো কাৰণ নোহোৱাকৈ অভিসম্পাত খোৱা দুই মুনিয়েও ক'লে : 'গুপ্ত ভাৱে সজা দ্বিতীয় কাশী সৰ্বদা গুপ্তভাৱেই ৰ'ব — তাৰ প্ৰকাশ অসম্ভৱ।' সেই গুণে বিশ্বনাথক্ষেত্ৰ আজিও গুপ্তকাশী।

দ্বিতীয়টো কিংবদন্তী মতে, ব্যাসদেৱে বাৰাণসীৰ উত্তৰ দিশত এখনি কাশীক্ষেত্ৰ পাতিছিল যদিও অন্নপূৰ্ণাৰ ছলনাত সি সফল নহ'ল। সেই গুণে মুনিয়ে তাৰপৰা আহি বিশ্বনাথত নতুনকৈ কাশীধাম নিৰ্মাণৰ অগ্ৰ হচে। যথাসময়ত এককোটি শিৱলিংগ সংগৃহীত হ'ল। দেৱৰ্ষি নাৰদে তেতিয়া তাৰে এটি লুকাই থৈ সদাশিৱক দ্বিতীয়কাশীৰ সংবাদ দিলেগৈ। পূৰ্বকাশীৰ সন্মানত মহাদেৱ আগবাঢ়ি যাওঁতে দুইমুনি কুমদ-কৌস্তুভক পাই দ্বিতীয় কাশীৰ সংবাদ সুধিলে। পাঠদানৰত দুইমুনিয়ে শিৱৰ প্ৰশ্নোত্তৰ যথাযথভাৱে দিব নোৱাৰাত তেওঁ উগ্ৰমূৰ্তি ধাৰণ কৰি দুয়ো মুনিকে শিলাৰূপ ধৰিবলৈ অভিশাপ দি আগবাঢ়ি আৰু বিশ্বনাথ পাই দেখে যে তাত ঊনকোটি শিৱলিংগহে আছে। ফলত ই দ্বিতীয় কাশীৰ সন্মান লাভৰপৰা বঞ্চিত হ'ল।'[১]

(১) মহেশ্বৰ নেওগ — পবিত্ৰ অসম, দ্বিতীয় তাঙৰণ (১৯৬৯), পিঠি ১৮১-৮৪





কালিকাপুৰাণ (৮০।১৩—১৭), যোগিনীতন্ত্ৰ (২।১।৯৯, ২।৪।১২), পীতাম্বৰ বিদ্যাবাগীশ সংকলিত 'তীৰ্থ-কৌমুদী' আৰু আলোচিত ক্ষেত্ৰৰ বৰঠাকুৰৰ হাতত থকা আপৰৈলেক সঞ্চিত সম্পদৰূপে থকা অপ্ৰকাশিত 'পীঠ-মালাতন্ত্ৰ'[২] ত বিশ্বনাথৰ বিভিন্ন তীৰ্থৰ সকল বিৱৰণী দেখা যায়। সৰ্ব-সাধাৰণৰ বিশ্বাসমতে, বিশ্বনাথৰ চতুৰ্সীমা হ'ল — পূবেলাংগাল ভৈৰৱ, পশ্চিমে কাল ভৈৰৱ, উত্তৰে বীৰ-ভৈৰৱ আৰু দক্ষিণে ব্ৰহ্মপুত্ৰ নদ। 'কালিকা পুৰাণ'ৰ মতামতে কামপীঠৰ উত্তৰ পূব কোণত নাটক পৰ্বত অৱস্থিত। ইয়াত মানস সৰোবৰ সদৃশ সৰোবৰ এটি বিদ্যমান। স্বৰ্ণ কমল শোভিত এই সৰসীত মহাদেৱ পাৰ্বতীয়ে সৰ্বদা জলক্ৰীড়া কৰে। (৮০।১৬) নাটক পৰ্বতৰ পশ্চিম, মধ্য আৰু পূৰ্বভাগৰপৰা যি ত্ৰিধাৰা স্ৰোত সমুদ্ৰ অভিমুখে প্ৰবাহিত হৈছে, তাৰে উত্তৰ ভাগৰ নাম শিলাবিকা, মধ্যস্ৰোতধাৰাৰ নাম বৃদ্ধ গংগা আৰু পূৰ্বভাগৰপৰা প্ৰবাহিত সুঁতিটোৰ নাম সুৱৰ্ণশ্ৰী। (৮০।১৪-১৭) বৃদ্ধগংগা বা বুঢ়ী গাঙে আহি যি থলত ব্ৰহ্মপুত্ৰৰে সৈতে মিলিছে তাতেই বিশ্বনাথ নামে শিৱলিংগ আৰু যোনীমণ্ডল-ৰূপা বিশ্বদেৱী অৱস্থিত। কিংবদন্তীমতে পূৰ্বকালত এইস্থানতেই জগৎপতি মহাদেৱে হয়গ্ৰীৱক নিধন কৰি মণিকূটলৈ যাত্ৰা কৰে। (৮০।১৩-২৪) বুঢ়ীগাঙৰ সন্মুখৰ চাপৰিটোৰ নাম উমাটুমণি। 'পীঠ-মালা তন্ত্ৰ'ত ইয়াত উমা, চক্ৰেশ্বৰ, হৰিহৰ, কৰ্ণযেশ্বৰ, বাসুদেৱ, লাংগলেশ্বৰ, ভৈৰৱেশ্বৰ, বাণেশ্বৰী আৰু সিদ্ধেশ্বৰ — এই অষ্ট-পীঠ অৱস্থিতিৰ কথা উল্লেখ কৰিছে। উমাই শিৱক স্বামীৰূপে পাবলৈ হেনো এই উমাটুমণিতে দীৰ্ঘদিন ধৰি তপস্যা কৰি সফল কাম হৈছিল। সতীৰ বামবাহু আৰু বামস্তন পতিত হোৱাৰ পুণ্যপীঠো আলোচিত চাপৰিটোৱে বুলি লোক-বিশ্বাস আছে।[৩]

ব্ৰহ্মপুত্ৰৰ উত্তৰ কূলত অৱস্থিত পীঠস্থান সমূহৰ ভিতৰত বিশ্বনাথ, পূৰ্বলংকৰ, শিৱনাথ চণ্ডী, মুক্তা মাধৱ, সূৰ্যমাধৱ, বৰদ'ল, বৃষভধ্বজ, সোমনাথ, কাশী-নাথ, মহেশ্বৰ, বিষ্ণু, দুৰ্গা, গৌৰীশংকৰ, উগ্ৰেশ্বৰ, কালভৈৰৱ প্ৰখ্যাত।[৪] বিশ্বনাথ ক্ষেত্ৰৰ উৎপত্তি আৰু বিকাশৰ ইতিহাস দুখৰ কাহিনী। পুৰাতত্ত্ববিদ শ্ৰীবেণুধৰ শৰ্মাদেৱে ত্ৰিলোচন শৰ্মাফুকন কবিকণ্ঠৰ পৰা ইয়াৰ 'উৎপত্তি শক' বিবৃত পুথি এখন সংগ্ৰহ কৰিছিল। এনেদৰে : 'চতুস্ত্ৰিংশৎ শকাব্দে তু কুবাচ গত বাষ্টকে, অম্বিলকাদে সমোৎপত্তি বৃদ্ধগংগা সমীপতঃ হয়গ্ৰীৱেন্ ভক্তেণ পূজয়েৎ শকতধ্বজ। মাহেশ্বৰস্য ভক্তেণ পূজয়েৎ বৃষভধ্বজ। তত্ৰ তাং পূজয়েৎ দুৰ্গাং সাৰদাতন্ত্ৰ মন্ত্ৰকৈ। ঊনকোটি শিৱ-লিংগং ক্ষেত্ৰমধ্যে প্ৰতিষ্ঠিতং স্বয়ম্ভু ৰহিতাবাসি শিলা একা ন বিদ্যতে।'[৫]

'কালিকা পুৰাণ'ৰ কালত বিশ্বনাথ শৈৱ আৰু শক্তিপীঠ ৰূপে প্ৰসিদ্ধি লাভ কৰিছিল। সেইকালত বিশ্বনাথ হয়তো পানীৰ মাজত নাছিল। সি উত্তৰ-

(২) পুৰাতত্ত্ববিদ সৰ্বানন্দ ৰাজকুমাৰে 'পবিত্ৰ অসম'ৰ টোকাত 'পীঠ-মালা তন্ত্ৰ'ক 'পুথামালা তন্ত্ৰ' ৰূপে লিপিবদ্ধ কৰিছে। বিশ্বনাথৰ বৰঠাকুৰৰ হাতৰ পৰা সকল কৰে। বুলি এজন বিশিষ্ট অসমীয়া সাহিত্যিকে দি নাইকীয়া কৰা 'পীঠ-মালা-তন্ত্ৰ'ৰ বিষয়ে কিছুকথা অধ্যাপক সদানন্দ চলিহা ৰচিত 'সোমাৰ' শীৰ্ষক প্ৰবন্ধত পাব (শ্ৰীতৰুণ দাস সম্পাদিত 'সোমাৰ' প্ৰত্যাৱনা সংখ্যা ১৯৮০)

(৩) আনন্দ চন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী (১৯৭৪) পিঠি ৩২৩

(৪) পবিত্ৰ অসম, পিঠি ১৮৭ আৰু বামধেনু (১৮৮১ শক) পিঠি ৮৩৪

(৫) বামধেনু (১৮৮১) পিঠি ৮৩৪

কুণ্ডৰ মুখতৰে অতিয়ৈ থকাৰ ইংগিত 'কালিকাপুৰাণ'তো আছে—'মৃত্যুগংগা জলস্যান্তৰ্বীৰে ব্ৰহ্মপুত্ৰস্য বৈ/বিশ্বনাথাহ্বয়ো দেৱ শিৱলিংগ সমন্বিতঃ (৮০।২৩)। এতিয়া বিশ্বনাথ ক্ষেত্ৰত শিৱলিংগ নাই—আছে এটি গহ্বৰহে। জনশ্ৰুতিমতে, সেই গহ্বৰত হেনো ত্ৰিধাৰা বিশিষ্ট জলস্ৰোত সৰ্বদা প্ৰবাহিত। সেই গহ্বৰৰ ওপৰত এসময়ত যি শৈলমন্দিৰ আছিল, তাৰ ধ্বংসাৱশেষ আজিও বিৰাজমান। বাৰিষাৰ সময়ত জলমগ্ন হ'লেও খৰালি কালত সিবোৰ দৃশ্যমান হয়। আদিম মন্দিৰৰ গৰ্ভগৃহ এতিয়াও অবিকৃত ৰূপত বৰ্তমান। গৰ্ভগৃহৰ পূৰ্বত উত্তৰ-দক্ষিণাকৈ পৰি আছে প্ৰকাণ্ড দেহ শিলাজি এচটা। তাৰ সৌমাজত বৃক্ষৰ মনোৰম অলংকৰণ। মন্দিৰত ব্যৱহৃত ভগ্ন-আমলক, কুম্ভ, পেটিকা আদিও অগণন। উমাটুমনিৰ উমাৰ দেৱালয়তো শৈল মন্দিৰৰ আমলক, গজসিংহ আৰু বিভিন্ন কাৰুকৰ্ম খচিত শৈলখণ্ড বিৰাজমান। ইবোৰ নিঃসন্দেহে প্ৰাক্ আহোম যুগৰ সম্পত্তি। অধুনা বাম বিশ্বনাথৰ দক্ষিণত থিটি অৰ্দ্ধভগ্ন দ'ল দেখা যায়—সেইটিও আদিম মন্দিৰৰ শিল আৰু ইটাৰে আহোম যুগত পুনৰ্নিৰ্মিত। উত্তৰমুখী দ'লটোৰ শৈলদ্বাৰ-শিৰপট্টি ভাল তিনিটা অনুভূমিক পেনেলত বিভাজিত আৰু ললাট বিম্ব-স্থান অষ্টদলপদ্মেৰে সুশোভিত। দ্বাৰশিৰপট্টিৰ ওপৰত থিচলা শিল লগোৱা হৈছে — তাতো পাঁচটা প্ৰস্ফুটিত পদ্মৰ অলংকৰণ আৰু তাৰ ওপৰত জংঘা-কুম্ভ দৃশ্যমান। আদিম মন্দিৰৰ দ্বাৰশাখা এতিয়াও উদ্ধাৰ হোৱা নাই। নাগৰাকৃতিৰ শিখৰত অলংকৃত শাৰী শাৰী পৰিস্ফুট পদ্মে দলটিৰ কাৰুকৰ্মত বৈশিষ্ট্য আনিছে। ৰক্ষণা-বেক্ষণৰ অভাৱত এই আপুৰুগীয়া সম্পদটি জহি-খহি যাবলৈ ধৰাটো দুৰ্ভাগ্যৰ বিষয়। দ'লটিৰ ভিতৰত কোনো বিগ্ৰহ নাই। এটা জনশ্ৰুতিমতে, গোসাঁই ওলাব বুলি দ'লটি নিৰ্মাণ কৰা হৈছিল যদিও পিছলৈ গোসাঁই নোলোৱাত তাৰ ৰক্ষণাবেক্ষণ বাদ পৰিল। আনটো জনশ্ৰুতি মতে, মানৰ আক্ৰমণৰ সময়ত মানে সেই দ'লটিত গৰু আদি কাটি অপবিত্ৰ কৰাত তাত পূজা-সেৱা নচলা হ'ল।[৬] মনকৰিবলগীয়া কথা, দলটিৰ ভিতৰত বিগ্ৰহ-স্থাপনৰ গৰ্ভগৃহ দেখিবলৈ পোৱা নাযায়। এই দ'লটিৰ পশ্চিমফালে পৰি আছে এচলা মূৰ্তিখোদিত শিলা। সৰ্বসাধাৰণে তাক ভালুকগোসাঁই জ্ঞানকৰি চাকি-বন্তি আগবঢ়ায়, অলপ ভালদৰে লক্ষ্য কৰিলে দেখা যায় যে এই শিলচলাৰ চাৰিওকালে উদ্গত হৈছে চাৰিটা বহিৰ্থকা সিংহ — তাৰ ওপৰত চক্ৰ। কিবা অজানিত বিপ্লৱে এই অনুপম সম্পদটিৰ বাৰুকৈয়ে ক্ষতিসাধন কৰিছে। সিংহ আৰু চক্ৰ উদগত এই স্তম্ভশিখৰে বৌদ্ধধৰ্ম প্ৰচাৰক অশোকৰ শৈলস্তম্ভ সমূহলৈ মনতপেলায় আৰু সিয়ে বৌদ্ধধৰ্ম প্ৰসাৰৰ নতুন দিগন্ত উন্মোচন কৰে।

আহোম যুগত বিশ্বনাথ ক্ষেত্ৰৰ ভালেকেইটি মন্দিৰৰ নিৰ্মাণ কিংবা পুনৰ্নিৰ্মাণ কাৰ্য সম্পন্ন হয়। ১৬৮৩ খৃষ্টাব্দত স্বৰ্গদেৱ গদাধৰ সিংহই বিশ্বনাথৰ মন্দিৰটি পুনৰ্নিৰ্মাণ কৰে। চণ্ডীমন্দিৰৰ নিৰ্মাণকৰ্মও একেজনা স্বৰ্গদেৱৰ ৰাজত্বকালতে সম্পন্ন হোৱাৰ কথা বি, চি, এলেনে দৰং জিলা গেজেটিয়াৰত উল্লেখ কৰিছে। ধ্বংসপ্ৰাপ্ত হোৱা চণ্ডীমন্দিৰৰ পৰা ব্ৰহ্মপুত্ৰৰ মূৰ্তি-টোলৈকে নামিযোৱা ইটাৰ খটখটিখনো সম্ভৱ একেজনা স্বৰ্গদেৱৰ দিনতে সজা। জিলা-গেজেটিয়াৰ মতে, স্বৰ্গদেৱ শিৱসিংহই ১৭৪১ খৃষ্টাব্দত উমামন্দিৰ, বুঢ়ামাধৱ আৰু পূৰ্বশংকৰৰ মন্দিৰ; স্বৰ্গদেৱ প্ৰমত্ত সিংহই ১৭৫০ খৃষ্টাব্দত বিশ্বনাথ দ'ল, স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহই ১৭৫৮ খৃষ্টাব্দত বাসুদেৱ দ'ল[৭] আৰু

(৬) অমৃত লাল বৰুৱা—বিশ্বনাথত এখন্তেক, আবাহন (১৮৫৬ শক) পিঠি ১০৮১-৮৬
(৭) ড° সূৰ্য্য কুমাৰ ভূঞাই 'স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ' গ্ৰন্থত (১৯৭৫) আনহাতে বাসুদেৱ দ'লটি ১৬৮৬ শকত নিৰ্মাণ কৰা বুলি তাক দক্ষিণপাট সত্ৰৰ অন্তৰ্ভুক্ত কৰি দেখুৱাইছে।



কমলেশ্বৰ সিংহই কমলেশ্বৰ দ'ল সজায়। স্বৰ্গদেৱ প্ৰমত্ত সিংহৰ দিনত নিৰ্মিত ইয়াৰ দ'লটি সম্পৰ্কে চৰাইদেউৰ চাংকং ফুকনৰ বুৰঞ্জীত আছে এনেদৰে—

'১৬৭২ শকত বিশ্বনাথৰ দ'ল বান্ধে। দৌল মেৰে ৮৪ হাত। ওখকে ৪৬ হাত, বাৰ ভাঠে ৯ হাত, গহ্বৰ বহলে ১৬ হাত। ওখকে খুৰাপাটৰপৰা মূঠলৈ ১৪ হাত, তাৰে পৰা ঘটৰ মেখেলালৈ ২২ হাত, তাৰেপৰা চূলাৰ ওপৰলৈ ১ হাত, মূঠতে ৪৫ হাত। ওখকে শূণ্য ২৮ হাত। জগমোহনৰ ঘৰটি দীঘে ১৭ হাত, মূখে বাৰ ভাঠে ৩ হাত, পথালি ১৪ হাত, বাৰ ভাঠে ২ হাত ১ বেগেত। ভিতৰত শূণ্য ৯ হাত।'[৮] বিশ্বনাথৰ বিস্তীৰ্ণ ক্ষেত্ৰত এতিয়া মাথো দুটি দ'লহে অভগ্ন অৱস্থাত দেখা যায় — বিগ্ৰহবিহীন প্ৰথম দ'লটিৰ কথা ইতিমধ্যে উল্লিখিত হৈছে। দ্বিতীয় দ'লটি হ'ল — বাণেশ্বৰ-বৰদ'ল। দুচলীয়া মুখ-মণ্ডপ সমৃদ্ধ এই দ'লটি আহোম স্থাপত্য-কলাৰ অনুপম নিদৰ্শন। কোনোকোনোৱে এই দ'লটিও স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহই নিৰ্মাণ কৰা বুলি ভাবে।[৯]

আহোম স্বৰ্গদেৱ সকলে বিশ্বনাথ ক্ষেত্ৰত দ'ল-দেৱালয় সাজি তাত নিত্য পূজা-সেৱাৰ কাৰণে ভালেখিনি মাটি-বাৰী তাম্ৰফলি কৰি দিছিল। সৰ্বানন্দ ৰাজকুমাৰ ডাঙৰীয়াই 'বিশ্বনাথ ক্ষেত্ৰ'ৰ টোকাত স্বৰ্গদেৱ সকলে আগবঢ়োৱা লাখেৰাজ মাটিৰ এখনি সুন্দৰ তালিকা অন্তৰ্ভুক্ত কৰিছে।[১০] মাটি মানুহ আৰু অন্যান্য সামগ্ৰী দান দি বিশ্বনাথৰ বৰঠাকুৰ কিম্বা অন্যান্য পুৰোহিতলৈ আগবঢ়োৱা তামৰ ফলিৰ ভিতৰত গদাধৰ সিংহৰ ফলিখনেই সৰ্বপ্ৰাচীন। শ্ৰীবেণুধৰ শৰ্মাদেৱৰ মতে ফলিখন এপিঠিত অসমীয়া আৰু অপৰপৃষ্ঠা অসমাক্ষৰত লিখা।[১১] টাই ভাষা আৰু লিপিত লিখা ফলিখন বুৰঞ্জীবিদ্ চাৰ এডোৱাৰ্ড গেইটে সংগ্ৰহ কৰি গোলাপ চন্দ্ৰ বৰুৱাৰ দ্বাৰা ৩।১।৯৬ খৃষ্টাব্দত যিটো অনুবাদ কৰাইছিল সেইটোৰ ফটোষ্টেট কপি এটা শিক্ষাবিদ্ শ্ৰীশিৱ বৰঠাকুৰৰ হাতত সংৰক্ষিত হৈছে। ফলিৰ মূল পাঠ এনেধৰণৰ : 'লাকুনী কাত-কাও চুচান চুপতফা হেন তে দেবাই হেন গোবিন্দ চক্ৰবৰ্তী। পুমন পিকুলামৃতম্ মকৰকুণ্ডল চে কু চাই খমন বাই ৱুনখৰে কুম চিতু লুফাই চামকুন কই নাম তু খাই হোইয়াম বৰপথাৰত ন দিন চামচান চিব পৈয়াম নে বাই ৰিচুনাথ নুহেন খেক চাম পুমন নাই চাম লুক্চাম খাম প মাই চামখেন ন কোই চামফা ব তম নেয়েণ চু লুন তে ফাৰেন পিন-খুন চানখাম জব নম্বদৈ চামবহন বক খেন কই নামনদ।' ইয়াৰ অসমীয়া ভাৱাৰ্থ এনেধৰণৰ—

লাকুনী কতকাওত ৰজা চুপতফাই গোবিন্দ চক্ৰবৰ্তীক দুটা মকৰ কুণ্ডল, এডাল সোণৰ উপবীত চাৰিজন দেৱনীয়া অৰ্থাৎ তিনিজন মুছলমান, এজন ডোম আৰু বৰপথাৰত আশীপুৰা জমী আৰু এটা বিল দানেৰে এই তাম্ৰফলি কৰি দিয়ে। ব্ৰাহ্মণে তেওঁৰ পুত্ৰ পৌত্ৰাদি ক্ৰমে বিশ্বনাথত পূজা-সেৱা কৰি ৰজাক আশীৰ্বাদ দি থাকিব। ৰজাই আশা-কৰে যেন ভাবী নৃপতিসকলেও ব্ৰাহ্মণক একো কৰ নললগাই উপভোগ কৰিবলৈ দিয়ে।[১২]

(৮) লীলা গগৈ— চাংকং ফুকনৰ বুৰঞ্জী, অসম সাহিত্য সভা পত্ৰিকা (অষ্টাদশ বছৰ) পিঠি ৩৪
(৯) পবিত্ৰ অসম দ্ৰষ্টব্য।
(১০) পবিত্ৰ অসম, পিঠি ১৮৭
(১১) শ্ৰীবেণুধৰ শৰ্মা—টোকোৰা বাহৰ কুটা, ৰামধেনু (১৮৮০ শক), পিঠি ১০৯৪
(১২) গোলাপ চন্দ্ৰ বৰুৱা কৃত ইংৰাজী অনুবাদৰ আলমত

উপৰিউক্ত গোবিন্দ চক্ৰৱৰ্তীৰ তাম্ৰফলিখনৰ নকল এটাও শ্ৰীশিৱ বৰঠাকুৰৰ ঘৰত আছে। 'নকল' বোলা হৈছে যে ২৫ চেঃ মিঃ X ৮'৫ চেঃ মিঃ জোখৰ তাম্ৰফলকৰ মাত্ৰ এপিঠিত মুঠ সাতশাৰীত লিখা লিপি খনৰ আখৰবোৰ অৰ্বাচীন আৰু চজনৰ হস্তাক্ষৰ তাত দৃশ্যমান। তদুপৰি ইয়াৰ দ্বিতীয় ফালটো উক্ত শ্ৰীশৰ্মা দেৱে উল্লেখ কৰা মতে ইয়াত টাই লিপি নাই। পুং সম্ভৱ সেইটো মূল ফলিখন নিবলৈ ওলাওঁতে কোনোবাই লৰালৰিকৈ তাম্ৰফলকত মূলৰ নকল এটি কৰি লয়। বৰ্ত্তমানৰ 'নকল' ফলিখনৰ পাঠ এনেধৰণৰ :—

[১] শ্ৰীশ্ৰী স্বৰ্গনাৰায়ণ দেৱ সোমাৰেশ্বৰ শ্ৰীগদাধৰ সিং মহাৰা [২] জাৰ গ্ৰাজ্ঞাৰে শ্ৰীবিশ্বনাথৰ সমস্তে অলংকাৰ নকৰি গ [৩] চাই দিয়ে নাৰায়ণ কমলাৰ ঠাকুৰৰ হাতে২৩ সোণৰ কো [৪] সা ২ কপৰ কোমা ৪ তামৰ ৪ অৰ্ঘ্য ২ ঘণ্টা ২ থাৰা ২ [৫] সংখ ২ বামুন ৪ বস্ত্ৰ নাইক ৩২ নটিনি ৮ শক ১৬২৭ [৬] দেশাং বেকদলৈৰ নাতি ভক্ত লিখন কাকতিয়ে বাদিয়া নন্দ বলোৰাম [৭] নাৰায়ণক মাটি ২৬ পুৰা মানুহ ২° দৌট প্ৰদত্তিৰ দেশ ২৪। এই ফলিৰ নিৰন্ধ অনুসৰি পৰবৰ্তী স্বৰ্গদেৱ সকলৰ হৈ শ্ৰীনাথ বৰদলৈ কৰিয়া আদিয়েও এইকোখনকৈ নতুন পত্ৰ কৰাই দিয়ে। ভূত চতুৰ্দ্দশী তিথিত পূজা-সেৱা আগবঢ়াবলৈ উমানাথ ব্ৰাহ্মণৰ সন্তানক ঠাকুৰ পাতি ১৬২৬ শকৰ জেঠ মাহত ব্ৰহ্মোত্তৰ মাটি দান দিয়া মহাৰাজ লক্ষ্মীসিংহৰ ফলি এখনৰ পাঠ ড° মহেশ্বৰ নেওগে 'প্ৰাচ্য শাসনাৱলী'ৰ অন্তৰ্ভুক্ত কৰা দেখা যায়।২৫ স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহই এইক্ষেত্ৰৰ বিভিন্ন দেৱালয়লৈ মাটি-মানুহ দান দি আগবঢ়োৱা চাৰিখন তাম্ৰফলিৰ এতিয়া মাত্ৰ এখনহে বৰঠাকুৰৰ হাতত থৈছেগৈ। উক্ত ফলিৰ দানপিনি খুব সম্ভৱ মুক্তিনাথ দেৱালয়লৈ আগ বঢ়োৱা হৈছিল। কাৰণ ফলিখনৰ ওপৰফালে বাওঁহাতৰ চুকত লিখা আছে 'মুক্তিনাথ শিৱালয়ত' ফলিখন ডুয়ো পিঠিত লিখা। একালে অসমীয়া, আনকালে টাইলিপিত। অসমীয়া ফালে ৬টা শাৰীৰ লিখা। তাম্ৰফলকৰ জোখ ৩৮ X ১৬'৫ চেঃ মিঃ। ফলিত সম্পূৰ্ণ পাঠ এনেধৰণৰ :—

[১] মুক্তিনাথ শিৱালয়ত [২] স্বস্তীশ্ৰী সোভপদ্ম পূৰ্ণচন্দ্ৰঃ শ্ৰীকান্ত পাদাম্বুজ মধুভুংগঃ। বিদুৰভূমিৰ্ন্দ্ৰ বন্তুৰল্যাঃ শ্ৰীচন্দ্ৰকান্তাধিকসিংহ [৩] নৃপ। স্থিতি পটল নীৰোজ্জুংগসংলীন বন্তুত্ৰয়ৰ কুলহিৰাৱচন্দ্ৰ পাদাৰবিন্দঃ। ৎৱৎকৰৰ লক্ষ্মী [৪] স্পৰ্দ্ধী সিন্ধান মালিস্থ হিম কিৰণ কীৰ্ত্তিঃ কামজিত কাম কান্তিঃ॥ নিসংগমুক্তি নামাভিধমিহ মিকাবিশ্বনাথ ॥ [৫] ভিৰেৰ ক্ষেত্ৰে লৌহিত্যাতীৰে বতি বমণবিপোস্তুইয়ে ভূমিমৰ্মান ॥ তস্যাজ্ঞাসংপ্ৰহৃত্তোধাৰিনি পতিবিদং [৬] তাংপত্ৰ বিধায় প্ৰদাত শ্ৰীনাথ নাম্না হাতিৰৰবৰুৱা মন্ত্ৰিনা প্ৰাপ্তিতো অয়ং। এতবিবৰণং শ্ৰী শ্ৰী ৮ক্ষেত্ৰত [৭] শ্ৰীভত পূজা সেৱা প্ৰবৰ্ত্তিৰ জন্যে শ্ৰী শ্ৰী ৮স্বৰ্গ ডুবাৰ বংশৰ শ্ৰীনাথ বৰবৰুৱাই প্ৰাৰ্থনা কৰিলত শ্ৰী শ্ৰী ৮ [৮] ৰে পুণ্যাৰ্থে শ্ৰীভত প্ৰতিদিনে সেৱা পূজা চলিবৰ কাৰণে মাটি-মানুহ দি তাম্ৰপত্ৰ কৰাই দিয়া [৯] গে। নাওলদাৰ পুতেকে থাই মাটি জোখাত হৈছে মহমৰাত পূৰ্ব্বৰ চৰমাটিৰ সিমা পূবে [১০] চাকৰি পুখুৰি দক্ষিণে বচ সইকিয়াৰ বাৰি উত্তৰে উত্তমৰ বাৰি পচিমে দা ধৰা নিৰামধকলাৰ মাটি [১১] পচিমে পাচগ্ৰামৰ সিমা পূবে দাওসিয়া জান উত্তৰে মটৰ পুখুৰি পচিমে শাতজান দখিনে [১২] সক ভগিয়াৰ মাটি এ সিমা আছে মাটি ৬ পু ॥ xxx মাটি হ'ল ২৪ পু° আৰে ভগন শ্ৰীভত [১৩] মাটি ৫ পুৰা ঢেঁকেদাৰ মাটি॥ বাৰি মাটি ১॥ বৰাৰ মানমাটি ১ পু° ঠাকুৰত ৪ পু° [১৪] পাইকলৈ থাকে ১২ পুৰা পাতোৰাজৰ পাইক কলিতা বড়া জয়ৰাম। পোৱা ভা° কাহিৰাম ১ [১৫] পোৱা কোচ দোহোৰা। পোৱা ভা° মতিৰাম। পোৱা ভা° সোহৰ। পোৱা কুলত আহোম [১৬] ভৱানন্দ। পোৱা ভা° সৰ্ব্বানন্দ। পোৱা নভিক্ৰাৰিৰ গদাধৰ ঠাকুৰ ১টা হাবে ভামহাই ১ মহাই। হাতত [১৭] মাট মানুহ দিয়া গেচে ৯॥ এই নিৰ্ব্বন্ধৰ দৰেই সেৱা প্ৰবৰ্ত্তাই শ্ৰী শ্ৰী৮কআশিৰ্ব্বাদ কৰি থাকিব। ইহাত কোনোজনে [১৮] অন্যথা নাচাৰিব। ইতিশক ১৭৩৭॥'

আহোমৰ উপৰি প্ৰতাপপুৰ ৰাজ্যৰ দলপতিৰো তিনিখন শিলালিপি উমাচুমণিৰ চক্ৰেশ্বৰত আছে। ফলিকেইখনিৰ বিষয়ে সোগ্যজনৰ দৃষ্টি আকৰ্ষণ কৰি প্ৰত্নতাত্ত্বিক আনন্দ চন্দ্ৰ আগৰৱালাই কয়—'এটা প্ৰকাণ্ড শিলত প্ৰতাপ পুৰীয়া ৰজাৰ দিনৰ শিলালিপি, চক্ৰদৈত আৰু শাৰদেল আদি অঁকা আছে।' ২৬ শিলচলাত এফেশাৰীতে তিনিখন ফলি খোদিত। বাওঁফালৰপৰা প্ৰথমখনৰ জোখ ৬৮ চেঃ মিঃ X ৩৩ চেঃ মিঃ আয়তক্ষেত্ৰ এটিৰ ভিতৰত লিখা ফালখনত মুঠ শাৰী সংখ্যা তিনি আৰু প্ৰতিটো আখৰৰ দৈৰ্ঘ্য গড়ে ৫ চেঃ মিঃ। ফালৰ পাঠ এনেধৰণৰ :—
"প্ৰতাপপুৰ বনাধিকাৰি / দলপতি লক্ষীধৰস্য পুত্ৰ হলধৰেণ লিখমং কাৰিতং।" দ্বিতীয়খন ফলিও আয়তক্ষেত্ৰ এটাৰ ভিতৰত দুটা শাৰীত কটা। আয়ত ক্ষেত্ৰৰ জোখ ৫০ চেঃ মিঃ X ২০ চেঃ মিঃ। ইয়াৰ পাঠত আছে— 'প্ৰতাপ পুৰধিকাৰি দল/পতি বিপ্ৰ লক্ষীধৰ।' তৃতীয়খন ফলি শিলটোৰ সোঁকাষে খোদিত।

২৩ মূলত আছে হাত

২৪ বৰ্ত্তমানৰ ফলিখন খণ্ডিত। ৭ নম্বৰ শাৰীৰ গুৰুত্বৰ বেলেগ। এই ফলিৰ যি পাঠ শ্ৰীবেণুধৰ শৰ্মাই 'বামদেৱ'ৰ একাদশ বৰ্ষৰ দ্বাদশ সংখ্যাত প্ৰকাশ কৰিছিল, সেই পাঠ 'শক ১৬০৭'তে সমাপ্ত। তদুপৰি আৰম্ভনিতো এটা সংস্কৃত শাৰী, — যিটো শাৰী আমাৰ ফলিত নাই। শাৰীটো হ'ল — 'স্বস্তি শ্ৰীমদ্বিশ্বেশ্বৰ পদাম্বুজ মধুকৰ মলধৰ সোদৰ যশোৰাশি পৰিপূৰিত দিগন্তৰ নিৰন্তৰ বাসৰ বংশাৱতংস শ্ৰীস্বৰ্গদেৱ শ্ৰীগদাধৰ সিংহ নৰেন্দ্ৰেন স্বৰ্ণমকৰ কুণ্ডলো যজ্ঞোপবিতাদিবলং কৃত্বা শ্ৰীবিশ্বেশ্বৰ পূজন কৰ্ম্মানি শ্ৰীগোবিন্দ চক্ৰৱৰ্ত্তী বিপ্ৰ নিয়োজিতঃ।'

২৫. প্ৰাচ্য-শাসনাৱলী, (১৯৭৪) পিঠি ১৪০



২৬. আনন্দ চন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী, পিঠি ৩১২

২৭. এই ফলি কেইখনৰ ছাব আৰু আলোকচিত্ৰ গ্ৰহণত সাহায্যদান কৰে সৰ্বশ্ৰী সতীশ চন্দ্ৰ ভট্টাচাৰ্য, হেমন্ত শইকীয়া, সনত দত্ত আৰু জগন্নাথ পাঠকে। ক্ষেত্ৰ-অধ্যয়ন কালত অধ্যাপক সতীশ চন্দ্ৰ ভট্টাচাৰ্যৰ সৈতে যিটি পাঠ গ্ৰহণ কৰা হয়, সেইটো পঞ্চম বছৰৰ সপ্তম সংখ্যা 'প্ৰকাশ'ত শ্ৰীভট্টাচাৰ্যই 'বিশ্বনাথৰ শিলৰ ফলি' শিৰোনামাৰে প্ৰকাশ কৰিছে। প্ৰথম ফলিখনৰ প্ৰথম শাৰীৰ 'বনাধিকাৰি' শব্দৰ 'ন' আখৰৰ তলত 'ব' ৰ দৰে চিন এটি দেখা যায়। দ্বিতীয় শাৰীৰ 'লক্ষীধৰস্য' শব্দটি কাটোতে তক্ষকাৰে অলপ গণ্ডগোল কৰিছে। ল আৰু ক্ষ সংযুক্তকৰিবলৈ যোৱাৰ উপৰি 'ধ' ৰ ওভোটা 'কমা' ভাল ত্ৰিকোণৰ বাওঁহাতে ওপৰত নিদি লম্বৰ সোঁকালে দিয়াত সি 'ক' ৰ ৰূপ লৈছে। ফলত এই অংশ 'বোৰস্য' যেন লাগে। তক্ষকাৰেও এই ভুলটো ধৰিব পাৰি তাৰ স্পষ্টীকৰণ দিবলৈ দ্বিতীয়খন ফলি খোদিত কৰিছে যেন অনুমান হয়। ফলিকেইখনত মাত্ৰ এটা 'ৰ' ত বিনে (কাৰিতং ১।৩) বাকী আটাইবোৰ 'ৰ' অসমীয়া 'ৰ'ৰ দৰে। তদুপৰি ন আৰু ল বো এফেৰা মন কৰিব লগীয়া।

কমীভৱন আৰু বিচ্যুতিভৱনৰ ফলত আখৰবোৰ ৰবৰেয়াকৈ নষ্ট হৈছে। মাত্ৰ দুটি শাৰীত লিপা কলিখনৰ যি অংশ পঢ়িব পাৰিছোঁ, তাৰ পাঠ হ'ল — 'শ্ৰীবিশ্বনাথ সত্ৰপতি/xxxxx বন।' [১৭]

মধ্যযুগীয় বিশ্বনাথ অঞ্চলৰ প্ৰামাণ্য ইতিহাস প্ৰণয়নত প্ৰতাপপুৰীয়া ফলিকেইখনৰ গুৰুত্ব উপেক্ষা কৰিব নোৱাৰি। প্ৰশাসনীয় ক্ষেত্ৰত যে 'বনাধিকাৰী', 'দলপতি' আদি পদৰ সৃষ্টি হৈছিল আৰু তেনেপদত যে বিপ্ৰসকলকো নিয়োগ কৰা হৈছিল, তাক উপৰ্যুক্ত ফলি কেইখনে প্ৰমাণ কৰে। ফলিকেইখনৰ আখৰ ১৫—১৬ শতিকাৰ। এই কালছোৱাত বিশ্বনাথক কেন্দ্ৰকৰি এক বিস্তীৰ্ণ ভূখণ্ডত প্ৰতাপপুৰৰ নৃপতিয়ে ৰাজত্ব কৰাটো ঐতিহাসিক কথা। উমাটুমণিৰ উপৰি বুঢ়ীগাঙৰ পাৰে পাৰে এটি ভঙা-চিগা গড়ক আজিও প্ৰতাপগড় ৰূপে চিনাক্ত কৰা হয়। আনন্দ চন্দ্ৰ আগৰৱালা [১৮], পদ্মনাথ গোহাঞিবৰুৱা[১৯], কনকলাল বৰুৱা[২০], ড° প্ৰতাপ চন্দ্ৰ চৌধুৰী[২১] আৰু অসমৰ ইতিহাসৰ ক্ষেত্ৰত প্ৰাতঃস্মৰণীয় চাৰ এডোৱাৰ্ড গেইটৰ[২২] উপৰি নগাঁৱৰ বহু অঞ্চলত প্ৰাপ্ত কুৰৈ ৰাজবংশাৱলী পৈৰে[২৩] প্ৰতাপপুৰৰ নৃপতি তথা ৰাজ্যৰ ভালেখিনি কথা সদৰি কৰিছে। আলোচিত ফলি তিনিখনেও এই ক্ষেত্ৰত কিছু নতুন পোহৰ পেলাব বুলি আশা কৰিব পাৰি। বিশ্বনাথৰ উত্তৰ সীমাত অৱস্থিত বীৰ ভৈৰৱ বা বৰদলিশিলতো লিপি এখন থকাৰ সম্ভেদ পাইছোঁ।[২৪]। পানীৰ মাজত থকা বিশ্বনাথৰ আদিম মন্দিৰৰ শৈল বিশেষতো ব্ৰাহ্মীলিপিত খোদিত লিপি এখন আছে। লিপিখনৰ এটা শাৰীৰ কিয়দংশহে এতিয়া পাঠযোগ্য।

চক্ৰেশ্বৰৰ থিয়া শিলত লিপি খোদিত আছে, সেই শিলটোত কেইটামান চিত্ৰৰ সংযোজন মন কৰিব লগীয়া। একেবাৰে ওপৰত আছে স্থানকভংগীৰ চতুৰ্ভুজ গণপতি। ই প্ৰায় ১০০ চেঃ মিঃ ওখ। ইয়াৰ তলত বাওঁকাললৈ মুখ কৰি থকা এটি কেশৰবিহীন সিংহ। (৭০ চেঃ মিঃ ওখ) গণেশ আৰু সিংহৰ অস্থিসংস্থানত চিত্ৰকৰৰ কুশলহস্তৰ পৰিচয় প্ৰোজ্জ্বল। ৰেখাৰ বলিষ্ঠ গতিয়ে সিংহটোক আজিও জীৱন্ত আৰু চলমান কৰি ৰাখিছে। সিংহৰ সন্মুখত ৰেখাবৃত্ত চক্ৰ আৰু তাৰ তলত একেশাৰীতে যথাক্ৰমে বাওঁফালৰ পৰা পৰিস্ফুট পদ্ম, চক্ৰ আৰু সোঁফাললৈ মুখকৰি থকা এটি ময়ূৰ। তাৰ তলত গণপতি আৰু মাতৃকা যন্ত্ৰ চাৰিটা। যন্ত্ৰকেইটাৰ কেন্দ্ৰত ত্ৰিকোণ অথবা দ্বি-ত্ৰিকোণৰ পৰিবৰ্তে স্বস্তিকা চিহ্নই মধ্যযুগীয় তান্ত্ৰিক পূজা-সেৱাত নতুন পোহৰ পেলায়। যন্ত্ৰকেইটাৰ কাষত বিভিন্ন সৰলৰেখাই কটাকাটি কৰা এখন নক্সা। অনুৰূপ নক্সা তেজপুৰৰ বামুণী পাহাৰ আৰু ভোমোৰাগুৰি পাহাৰৰ 'ভস্থাৰি গোসাইৰ গড় নিৰ্মাণৰ শিলবকলি'

১৮. আনন্দ চন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী, পিঠি ৩৬,৩৪৬

১৯. পদ্মনাথ গোহাঞিবৰুৱা—অসমৰ বুৰঞ্জী, পিঠি ১৪—১৭

২০. Barua, K. L. — *Early History of Kamarupa* ( 1966 ) PP. 170-72

২১. Chaudhury, P. C – *The History of Civilization of the People of Assam* ( 1966 ) PP. 118

২২. Gait, E. A – *A History of Assam* ( 1926 ) P. 19

২৩. অসম সাহিত্য সভা পত্ৰিকা ( অষ্টবিংশ বছৰ ) প্ৰথম সংখ্যা, পিঠি ১৮—১৯ আৰু অসম সাহিত্য সভাৰ সপ্তচত্বাৰিংশ বছা অধিবেশনৰ স্মৃতিগ্ৰন্থ 'বছাৰ বহুদৈ'ৰ ২২—২৫, ১৪৬—৫০ পিঠি চাওক।

২৪. ৰামধেনু ( ১৮৮১ শক ) পিঠি ৮৩৪



খোদিত শিলচলাত দেখা যায়। নক্সা আৰু চক্ৰৰ তলত আছে এটি মন্দিৰৰ তোৰণ।

বিশ্বনাথ ক্ষেত্ৰৰ বিভিন্ন ধ্বংসাৱশেষত প্ৰাক্-আহোম আৰু আহোমযুগীয় ভালেখিনি সম্পদ আজিও বিৰাজমান। এনে সম্পদৰ ভিতৰত চণ্ডীমন্দিৰৰ টিনৰ চালিৰ তলত থোৱা কলা বেচাল্ট শিলত কটা উমা-মহেশ্বৰৰ মূৰ্তিখনিৰ নাম (১১৫ চেঃ মিঃ X ৭৩ চেঃ মিঃ) অগ্ৰগণ্যতে ল'ব পাৰি। মহেশ্বৰ দ্বিদল বিশিষ্ট পদ্মপীঠৰ ওপৰত ললিতাসনত বহি আছে। দেৱীৰ সোঁ উৰু মহেশ্বৰৰ কৰতলৰ ওপৰত আৰু বাওঁভৰি পদ্মপীঠৰ ওপৰত দেখা যায়। মহেশ্বৰৰ জটা আৰু উৰ্ধলিংগ সুস্পষ্ট। শিৱ-পাৰ্বতী উভয়ে হাত দুখনকৈ। মহেশ্বৰৰ সোঁহাতত ধতুৰা ফুল আৰু বাওঁহাতখন দেৱীৰ সোঁস্তনৰ ওপৰত দেখা যায়। দেৱীয়ে সোঁহাতেৰে শিৱক আকোৱালি ধৰিছে। বাওঁহাতত আছে এখনি দৰ্পণ। উমা-মহেশ্বৰ উভয়ে চকু তিনিটাকৈ। উমাৰ শিৰত কৰণ্ড-মুকুট, ডিঙিত হাৰ, হাতত কংকন আৰু ভৰিত নূপুৰ দৃশ্যমান মহেশ্বৰৰো দেহত বিভিন্ন বহু-অলংকাৰৰ প্ৰাচুৰ্য চকুত লগা। পদ্ম-পীঠৰ তলত আছে অঞ্জলিমুদ্ৰাৰ দ্বিভংগিম ঠামৰ এগৰাকী নাৰী, পাৰ্বতীলৈ চাই থকা বৃষভ, সোঁফালত দ্বাৰপাল, তাৰকাষত দেৱীৰ বাহন সিংহ আৰু একেবাৰে সোঁফালতে আন এটি নৰমূৰ্তি। মূৰ্তিযুগলৰ উৰ্ধাংশৰ শিলাৰও ভঙাত তাক কাষতে ৰাখি থোৱা হৈছে। এই জোড়া অংশ সোঁফালত কীৰ্তিমুখ আৰু তাৰ দুয়োকাষে উৰন্ত মালাহস্ত গন্ধৰ্বৰূপ মনোৰম। ভাৰতৰ অন্যান্য ঠাইত প্ৰাপ্ত উমা-মহেশ্বৰৰ মূৰ্তিবোৰ সাধাৰণতে চাৰিহস্তীয়া। একমাত্ৰ উৰিষ্যাতহে দ্বিহস্তীয় উমা-মহেশ্বৰৰ মূৰ্তি পোৱা হৈছে। উৰিষ্যাৰ মূৰ্তিকলাৰে প্ৰমিতি স্থাপন কৰা এই অনুপমমূৰ্তিটি নিঃসন্দেহে ৮—১০ খৃষ্টাব্দৰ সম্পত্তি। দীৰ্ঘদিন জুৰি জলমগ্ন হৈ থকাত প্ৰতিমাখনিৰ ভালেখিনি ক্ষতি হ'ল।

চণ্ডীমন্দিৰৰ ভিতৰত আছে শংখ চক্ৰ, গদা, পদ্ম শোভিত চতুৰ্হস্ত সমপাদ স্থানকভংগীৰ বাসুদেৱ মূৰ্তি (জোখ ৫৪ চেঃ মিঃ X ৪১ চেঃ মিঃ) আৰু এটি চকুত লগা ময়ূৰ (ওখ ৬১ চেঃ মিঃ)। হয়তো ইয়াৰ ওপৰত আছিল স্থানকভংগীৰ কাৰ্তিকেয়। এই দুয়োটি সম্পদ মধ্যযুগৰ আদিস্তৰৰ। চণ্ডীমন্দিৰৰ দক্ষিণকাষে কাৰুকাৰ্য খচিত যিখন পীঠ আছে, তাতেই হয়তো প্ৰাক্-আহোমযুগীয় বিগ্ৰহ সংস্থাপিত হৈছিল। এই পীঠৰ নামনিত মধ্যযুগীয় অসমীয়া লিপিত খোদিত আছে 'গোৰীশ্বৰ গোসাই।' আহোম ৰাজত্ব কালত চণ্ডীমন্দিৰত যে নিয়মীয়া বলিবিধান হৈছিল, তাক এই মন্দিৰত সংৰক্ষিত ১১৯ চেঃ মিঃ দীঘল প্ৰকাণ্ড তৰোৱালখনে প্ৰমাণ কৰে।

চণ্ডীমন্দিৰৰ অদূৰত থকা টিনৰ চালিৰ মণ্ডপৰ নিদৰ্শনৰ ভিতৰত এটা গোটা শিলত খোদিত আছে চতুৰ্ভুজ গণেশ। ইং ৭ম—৯ম শতাব্দীত তেজপুৰ অঞ্চলত খোদিত গণেশমূৰ্তিৰ সৈতে ইয়াৰ ওচৰসাদৃশ্য বৰ্তমান। এই মন্দিৰতে সংৰক্ষিত হৈছে সমপাদ স্থানকভংগীৰ চতুৰ্ভুজ বাসুদেৱ (৬২ চেঃ মিঃ ওখ) আৰু চতুৰ্হস্ত ঈশানশিৱ। (জোখ ৬২ চেঃ মিঃ X ৬০ চেঃ মিঃ) মূৰ্তিটোৰ তিনিখন হাতৰ আয়ুধ নষ্ট হৈছে—এখন হাতত মাত্ৰ ত্ৰিশূল দেখা যায়। মূৰ্তিটোৰ তলত দুকাষে আছে নান্দী আৰু ভৃংগী। মন্দিৰটোত থকা সবাতোকৈ ডাঙৰ প্ৰতিমাখনি হ'ল বেণুগোপালৰ (ওখ ২৭ চেঃ মিঃ)। কলা বেচাল্ট শিলত চিকুণকৈ কটা মূৰ্তিটোৰ হস্ত আৰু পদদ্বয় ভগ্ন হোৱা স্বত্বেও তাৰ মুখ আৰু দেহাৱয়ৱৰ নিখুঁট কাৰুকাৰ্যই দৰ্শকৰ মন মোহে। এই প্ৰতিমাখনিক খৃষ্টীয় দশম শতাব্দীৰ পিছলৈ কোনো পধ্যেই ঠেলিব নোৱাৰি।

বৰ্তমানৰ বাম-বিশ্বনাথৰ বিগ্ৰহটি হ'ল শিলৰ বিষ্ণুমূৰ্তি। আহোম ৰাজত্বৰ অন্তিম স্তৰত তাৰ নিৰ্মাণ

কৰ্ম সমধা হৈছিল। এই স্থানত দুটি শৈলমূৰ্তিও বৰ্ত্তমান। ইয়াৰে প্ৰথমটি সদাশিৱৰ। (জোখ ৬২ চেঃ মিঃ × ৩৯ চেঃ মিঃ) দ্বিদল বিশিষ্ট পদ্মপীঠৰ ওপৰত ধ্যানাসনত উপবিষ্ট দশহস্ত ত্ৰিমুখধাৰী মূৰ্তিটোৰ সোঁফাল পশ্চাৎপটত আছে সৰ্পৰ অলংকৰণ। 'কালিকা পুৰাণ'ৰ একে পঞ্চাশোধ্যায়ত (শ্লোক ৯১১—২২ সদাশিৱৰ যি ধ্যানমন্ত্ৰ আছে, তাৰ লগত আলোচিত মূৰ্তিটিৰ ৰূপৰ সাদৃশ্য মন কৰিব লগীয়া—

"পঞ্চবক্ত্ৰং মহাকায়ং জটা জুটা বিভূষিতম্।
চাৰু চন্দ্ৰকলাযুক্তং মুক্তিবাল্যো ধ ভূষিতম্ ॥
বাহুভিৰ্দশভিযুক্তং ব্যাঘ্ৰচৰ্মবৰাম্বৰম্।
কালকূটধৰং কণ্ঠে নাগহাৰোপশোভিতম্ ॥
শক্তি ত্ৰিশুল খট্বাংগবৰদা ভয়দং শিৱম্।
দক্ষিণে ধৰ হস্তে বামেষাপি ততঃ শুভম্ ॥
অক্ষসূত্ৰং বীজ পূৰং ভূজগং ডমৰুৎপলম।
অষ্টৈশ্বৰ্য সমাযুক্তং ধ্যায়েত্ হৃদ্পদ্মং শিৱম্ ॥
(৫১।৯১১—২২)

দ্বিতীয়টি শৈলমূৰ্তিও ৰংগনাথ শিৱৰে। এই দুয়োটি মূৰ্তি আহোম যুগৰ, কিন্তু নিৰ্মাণ শৈলী প্ৰাক্-আহোম যুগৰ। বাণেশ্বৰ শিৱদ'লত স্বয়ম্ভুলিংগৰ উপৰি কেইটামান শিলৰ মূৰ্তিও সংৰক্ষিত হৈছে। ইয়াৰে আটাইতকৈ সুন্দৰ মূৰ্তিটো হ'ল পদ্মপীঠৰ ওপৰত ধ্যানাসনত বহি থকা বুদ্ধৰ। (৬২ চেঃ মিঃ x ৩২ চেঃ মিঃ) শিৰোদেশত মূৰ্তিটো ভগ্ন নোহোৱা হ'লে ই অসমীয়া বৌদ্ধ মূৰ্তিকলাত নিঃসন্দেহে এখন বিশিষ্ট আসন লাভ কৰিব পাৰিলেহেঁতেন। ইয়াত সংৰক্ষিত দ্বিতীয় মূৰ্তিটো হ'ল নৃত্যৰত গনেশৰ। চতুৰ্হস্ত অনুৰূপ নৃত্যৰত গনেশৰ মূৰ্তি ৰাজ্যিক সংগ্ৰহালয়ত দেখা যায়। বানেশ্বৰ দেৱদ'লৰ তৃতীয় প্ৰতিমাখনি হনুমানৰ। চটীয়া শিলত বলিষ্ঠ ৰেখাৰে মূৰ্তিটোৱে এতিয়াও দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰে।

টংৰাজসকলৰ আগমনৰ পিছৰে পৰা আমাৰদেশৰ কিমান যে অনুপম ভাস্কৰ্য আৰু মূৰ্তি স্থানান্তৰ কৰা হ'ল—তাৰ হিচাব নাই। বিশ্বনাথৰ বিস্তীৰ্ণ ক্ষেত্ৰৰ পৰাও যে ভালেখিনি মূৰ্তি আতৰাই নিয়া হৈছে, সেইটো নিঃসন্দেহ। তথাপি এতিয়াও যিখিনি সম্পদ অনাদৃতভাৱে পৰি আছে, সেইখিনিৰেই উপযুক্ত অধ্যয়ন হ'লে এই ভূখণ্ডৰ বিগত দিনৰ বুৰঞ্জীৰ ইতিহাসৰ ৰূপৰেখা স্পষ্টৰূপত ধৰা দিবলৈ বাধ্য হ'ব।

---

## চন্দ্ৰাৱলী-কঠীয়া ঃ এটি সমীক্ষণ

শ্ৰীৰাজেন ৰাভা

জন সমাজত লোক-গীতৰ দৰে লোক-কাহিনীবো প্ৰভাৱ অপৰিসীম। লোক-কাহিনীবোৰে জনগণৰ চিত্ত বিনোদন কৰে। তদুপৰি সিবোৰৰ পৰা জনগণৰ সামাজিক ব্যৱস্থা, চিন্তাধাৰা, লোক-বিশ্বাস, ধৰ্মীয়-বিশ্বাস আদিৰ বহুতো কথা জানিব পাৰি। গতিকে এটা জাতিক সম্পূৰ্ণ ৰূপে জনাৰ ক্ষেত্ৰত সেই জাতিৰ মাজত পৰম্পৰাগত ভাৱে চলি অহা কাহিনী-কথাবোৰে যথেষ্ট সমল যোগায়।

কাহিনী-কথাবোৰ এটা জাতিৰ হাড়-মগজু স্বৰূপ। পৃথিৱীৰ প্ৰত্যেক জাতি উপজাতিৰেই নিজস্ব কাহিনী-কথা থকাৰ দৰে ৰাভা জাতিৰো নিজস্ব কাহিনী-কথা আছে। এই কাহিনীবোৰ স্মৰণাতীত কালৰ পৰাই পৰম্পৰাগত ভাৱে চলি অহা। ৰাভাৰ জ্ঞানবৃদ্ধসকলে লোকক আৰু পৰিয়ালবৰ্গৰ লৰা-ছোৱালীবোৰক এই কাহিনী-কথাবোৰৰ যোগেদি মনোৰঞ্জনৰ উপৰিও নীতি-শিক্ষা দিয়ে।

ৰাভা কাহিনীবোৰৰ বিশেষত্ব এয়ে যে, প্ৰত্যেক কাহিনীৰ অন্তৰ্ভুক্ত চৰিত্ৰবিলাকৰ নাম আছে। বিষয় বস্তুৰ আধাৰ জাতীয় কৃষ্টি। কাহিনীবোৰক সাধাৰণতে সামাজিক, ধৰ্মীয়, নীতিমূলক, চিন্তামূলক, ৰহস্যমূলক আদি কেবাটিও ভাগত ভগাব পাৰি। দুই বা ততোধিক কাহিনী কথাৰ ঘটনা বিন্যাসৰ ধাৰাবাহিকতাও আছে। ৰাভাৰ বয়োবৃদ্ধসকলে কয় যে, কমেও তিন দিন তিন ৰাতি একেলাহীয়ে কৈ থাকিলেও ৰাভা-কাহিনীৰ ওৰ নপৰে। এনেবোৰ কাহিনী প্ৰায় বিস্মৃতিৰ গৰ্ভত। এইবোৰ গৱেষণা আৰু সংৰক্ষণৰ বিষয়-বস্তু হৈ আছে।

'চন্দ্ৰাৱলী-কঠীয়া' এটি ৰাভাসকলৰ কাহিনী। এই কাহিনী 'দাতা-বিধাতাৰ বাক্য' বুলিও জনাজাত। কাহিনীত উল্লেখ আছে —'এজন প্ৰজাৰঞ্জক ৰজা, নাম তেওঁৰ 'গুহ'। তেওঁৰ প্ৰাজ্ঞ মন্ত্ৰী 'অভিৰাম।' দুয়ো আছিল অন্তৰংগ বন্ধু কিন্তু নিঃসন্তান। এবাৰ ৰাজ-ভোজনৰ বাবে যথেষ্ট পৰিমাণৰ খৰি আৱশ্যক হোৱাত 'সাতচল' পাহাৰলৈ যাবলগীয়া হৈছিল। মন্ত্ৰী অভিৰামৰ বাহিৰে প্ৰকৃতিৰ ৰম্যভূমি সেই সাতচল পাহাৰ সকলোৰে অবিদিত! সেয়ে ৰজাগুহ মন্ত্ৰী অভিৰামৰ লগতে খৰি অন্বেষণত তালৈ গৈছিল। অন্তৰংগ বন্ধু হিচাপে তাত দুয়ো একেখন পাত্ৰতে ভোজন কৰিছিল। সেই মুহূৰ্ত্তত আকাশ মাৰ্গেদি ৰথেৰে গৈছিল দাতা আৰু বিধাতা। ৰজা-মন্ত্ৰীৰ উক্ত ৰূপ ভোজনত সিহঁতৰ একাত্মবোধৰ অপূৰ্ব নিদৰ্শন দেখি সিহঁত আচৰিত হ'ল। সন্তোষিত হৈ অলক্ষিতে তেওঁলোকক বৰদান দিছিল—ৰজাই কন্যা আৰু মন্ত্ৰীয়ে পুত্ৰ সন্তান পাবলৈ; আৰু সেই সন্ধিক্ষণতেই সিহঁতৰ ভবিষ্যত সন্তান দুটিক বান্ধি গৈছিল দাম্পত্য মিলনৰ

যোগসূত্ৰ। যথা সময়ত ৰাণীৰ গৰ্ভত জন্ম হয় কন্যা সন্তান আৰু মন্ত্ৰী পত্নীৰ-পুত্ৰ সন্তান। সিহঁতৰ নামকৰণ হয়—চন্দ্ৰাৱলী আৰু কঠীয়া। কঠীয়াৰ জন্ম লগ্নতেই অভিৰামৰ মৃত্যু হয়। কেতিয়াৰ মৃত্যুৰ পিছতেই ৰজা 'সত্যৰ' লগত সগৰ্ভা মন্ত্ৰী পত্নীৰ গোপন মিলনৰ এটি অপবাদ ঘটে। সেয়ে জন্মৰ পিছত কঠীয়া জাৰজ সন্তান বুলি পৰিগণিত হৈ সমাজৰ অনাদৃত হয়। সকলো মাকৰ মৃত্যু হোৱাত কঠীয়াৰ অৱস্থা পানীত হাঁহ নচৰা হয়। অনাদৃত ভাৱে ই গাঁৱত সি গাঁৱত সংগীহীন কাম কৰি শেহত অজ্ঞাতকুলশীল হিচাপে হৈ পৰে গৃহ ৰজাৰ লগুৱা। এতিয়া ৰাজকুঁৱৰী চন্দ্ৰাৱলী পূৰ্ণ যৌৱনা আৰু কঠীয়াও পূৰ্ণ যুৱক। গৃহ ৰজাই আপ্ৰাণ সন্ধান কৰিছে চন্দ্ৰাৱলীৰ মনোমত বৰ। কিন্তু প্ৰতি পদে ব্যৰ্থ হৈছে। চন্দ্ৰাৱলীতকৈ কম বয়সীয়া বহুতো যুৱতী ছোৱালীয়ে মনোমত বৰ লাভ কৰি সন্তানৰ মুখ দেখা পাইছে। সেয়ে চন্দ্ৰাৱলীৰ মনতো অহৰ্নিশে অশান্তি। এগৰাকী যুতিৰ নিৰ্দ্দেশত অতি বিশ্বাসী লগুৱা কঠীয়াক অতি গোপনে পঠায় তাইৰ মিলন সংবাদ জানিবলৈ নিৰ্দ্দিষ্ট এখনি শ্বাপদ-সংকুল নিবিড় অৰণ্যৰ মাজতেকি গুল্ম-লতা বিস্তৃত এজোপা বিৰাটকায় বটবৃক্ষৰ পাদদেশত দাতা আৰু বিধাতাই দৈনিক মানৱৰ জন্ম-মৃত্যুৰ পৰীক্ষণ কৰে। দাতা-বিধাতাৰ নিৰ্বন্ধ মতে চন্দ্ৰাৱলী আৰু কঠীয়াৰ মিলন অনিবাৰ্য। এই সত্যবাণী আনি দিয়ে কঠীয়াই। আত্মাভিমানী, আভিজাত্য ৰাজবংশৰ গুণশালী চন্দ্ৰাৱলীৰ এই ভাগ্যলিপিৰ বাৰ্তাৰ সহ্য নহ'ল। তাইৰ মন বিদ্ৰোহী হ'ল। দাতা-বিধাতাৰ এই নিৰ্বন্ধ খণ্ডন কৰিবলৈ তাই হ'ল দৃঢ় প্ৰতিজ্ঞ। তাই দৈৱ নামানে, মানে পুৰুষাকাৰ। কঠীয়া সৰল বিশ্বস্ত লগুৱা। সেয়ে ছলেৰে তাৰ প্ৰাণ নাশি দাতা-বিধাতাৰ নিৰ্বন্ধ খৰ্ব কৰিবলৈ চেষ্টা কৰে। শেহত পানীৰ তলৰ কাইটৰ দৰে তাৰ লগত পূৰ্ব মিলনৰ সন্মতি জনাই—এবিধ বাহ্যিক প্ৰেমাবেগেৰে কঠীয়াৰ মন-প্ৰাণ আকৰ্ষণ কৰি তাক নদীৰ ঘাটলৈ লৈ যায় অৱগাহন কৰাবলৈ। দুইও খিউ উৰলি যোৱাৰ দৰে সৰল কঠীয়াও তাইৰ পশ্চাদধাবন কৰে। তাই নিজৰ কোমল হাতেৰেই লেতেৰা দুৰ্গন্ধময় কঠীয়াৰ গা ধুৱাই দিয়ে। খুব ধুৱাওঁতে লোটাৰে (ঘটি) মূৰত আঘাত কৰি অচেতন অৱস্থাত তাক উটুৱাই দিয়ে নদীৰ কোবাল সোঁতত। তাই এতিয়া নিজকে নিশ্চিন্ত বুলি ভাবে— দাতা-বিধাতাৰ লেখনক জয় কৰা বুলি গৰ্বিতা আৰু উৎফুল্লা হয়। কিন্তু 'বিধাতাৰ লেখন নাযায় খণ্ডন'। সেয়ে কঠীয়াৰ অচেতন দেহ পানীৰ কোবাল সোঁতত 'বীণাচৰণ' নামৰ ৰজাৰ ৰাজ্যলৈ উটি গৈ নদীৰ ৰাজঘাটত সজ্জিত 'চাকত' লাগি থাকে। এনেতে সেই ৰাজ্যলৈ বেপাৰ কৰিবলৈ অহা আন দেশৰ সদাগৰৰ দৃষ্টিপাত হয়। সদাগৰে কঠীয়াৰ অচেতন দেহক চানৰ পৰা তুলি আনে। দয়ালু সদাগৰৰ শুশ্ৰূষাত কঠীয়া পুনৰ্জীৱিত হয়। কঠীয়াই আদ্যোপান্ত সকলো ঘটনা কৈ জীৱন দাতা সদাগৰৰ পুত্ৰবৎ হৈ আৰু সদাগৰৰ লগতে থাকে। কিছুদিন পিছত অদৃষ্টৰ প্ৰাপ্তে গৃহ ৰাজ্যলৈও সদাগৰ বেপাৰ কৰিবলৈ আহে। নদীৰ ৰাজঘাটত নাও বান্ধে।

কঠীয়াৰ মৃত্যু নিশ্চিত বুলি ভাবিলেও চন্দ্ৰাৱলীৰ মনত তিল মানো শান্তি নাই। যৌন অতৃপ্তিয়ে তাইক তুঁহৰ জুইৰ দৰে ই পুৰি মাৰিছে। কালিদাসৰ শকুন্তলা দুৰ্বাসাৰ অভিশাপত পাহৰণিৰ গৰ্ভত পৰাৰ দৰে চন্দ্ৰাৱলীও দাতা-বিধাতাৰ নিৰ্বন্ধত কঠীয়া অবিহনে আন মনোমত বৰ লাভৰ পৰা বঞ্চিতা হৈ আছে।

এদিনাখন ৰাজঘাটৰ নাঁৱত অপৰিচিত কঠীয়াৰ ৰূপ-লাৱণ্য দেখি চন্দ্ৰাৱলী বিমুগ্ধ আৰু আকৰ্ষিত হয়। তাই মোহৰবত পৰিব লগা হয়। যৌৱনৰ উন্মত্ততাত অজ্ঞাতকুলশীল হলেও—কঠীয়াকে তাই মনোমত বৰ হিচাপে মুকলি ভাৱে বিবাহৰ প্ৰস্তাৱ দিবলৈ আগ বঢ়াবলৈ বাধ্য হয় — ধাই, লিগিৰী সমন্বিতে বাপেকৰ ওচৰতো সদাগৰৰ লগত আলোচনা ক্ৰমে 'কেঁচা কলে কেঁচা বনে' ৰজাই চন্দ্ৰাৱলী-কঠীয়াৰ বিবাহ কাৰ্য সম্পন্ন কৰে। মনোমত বৰ পোৱাত আকাশৰ চন্দ্ৰ ঢুকি পোৱাৰ দৰে চন্দ্ৰাৱলীৰ মনৰ আনন্দ কুলায় পাচিয়ে নধৰা হয়। বিবাহান্তে কঠীয়াৰ মূৰৰ আঘাতৰ চিহ্নটোৱে যেতিয়া তাইক অৱগত কৰায় যে, সেইজনেই তাইৰ পূৰ্ব প্ৰত্যাখ্যাতা ভাবি স্বামী কঠীয়া, তেতিয়া তাইৰ উৎফুল্ল মন বদৰ খৰ তাপত কোমল পাপৰি জঁয় পৰাদি জঁয় পৰি যায়। লাজে, অপমানে, হতাশে, দুঃখে জৰ্জ্জৰিতা হৈ নদীৰ কোবাল সোঁতত জাঁপ দি আত্মঘাতী হবলৈ উদ্যত হয়। কিন্তু তাইৰ অৱচেতন মনক দৈৱ শক্তিৰ প্ৰাধান্যতা উপলব্ধি কৰাবৰ বাবেই বিধাতাই বুঢ়ী তিৰোতা এগৰাকী আৰু দাতাই তাইৰ স্বামী ৰূপে কুকুৰ ৰূপ ধাৰণ কৰি তাইৰ সন্মুখত আৱিৰ্ভাৱ হয় নদীৰ ঘাটত। তিৰোতাৰূপী বিধাতাই চন্দ্ৰাৱলীক উপলব্ধি কৰায় যে, তাই মানুহ হলেও দাতা-বিধাতাৰ বান্ধোন খণ্ডন কৰাৰ সাধ্য নাই আৰু কোনেও নোৱাৰে। সেয়ে, তাই ইমান দিন ধৰি কুকুৰটোক স্বামীৰূপে গ্ৰহণ কৰি সংসাৰ পাতি আছে। সেই কুকুৰ স্বামীৰ প্ৰতি বুঢ়ী তিৰোতা গৰাকীৰ অপূৰ্ব স্বামী-ভক্তিৰ নিদৰ্শন দেখি চন্দ্ৰাৱলীৰ মন পৰিৱৰ্তন হয় আৰু অদৃষ্টবাদক স্বীকাৰ কৰি লবলৈ বাধ্য হয়। শেহত—অনুতাপানলত দগ্ধ হৈ তাইৰ লগুৱা স্বামী কঠীয়াক নতজানু হৈ সেৱা কৰি পূৰ্ব-কৃত পাপ কৰ্মৰ বাবে ক্ষমা মাগে। কঠীয়াইও তাৰ প্ৰাণ নাশ কৰিবলৈ চেষ্টা কৰা সত্ত্বেও দাতা-বিধাতাৰ বান্ধ বুলি সৰল চিত্তে তাইক ধৰ্ম-পত্নী হিচাপে গ্ৰহণ কৰে। এয়ে সাধুটিৰ মূল বিষয় বস্তু। সেয়ে বাস্তাৰ বুঢ়া-বুঢ়ীসকলে এতিয়াও কয়—

'দাতা-বিধাতাৰ বান্ধ নাযায় ছাৰিয়া,
যতে চন্দ্ৰাৱলী তাতে কঠীয়া।
আগ ছুৱাবতে হেলা বড়
যিয়ে কৰে বিয়া-বাৰ তাৰে সম্পত্তি ঘৰ।'
(ছাৰিয়া—এৰি; হেলা বড়—হেলনীয়া বটগছ।)



সমীক্ষণ :—

কাহিনীত বৰ্ণিত মতে—ৰজা গৃহ মন্ত্ৰী অভিৰামৰ দৰে নিঃসন্তান আৰু অন্তৰংগ বন্ধু আজিৰ সমাজতো নোহোৱা নহয়। মন্ত্ৰী-পত্নীৰ দৰে কলংকিনী তিৰোতাও বিৰল নহয়। সেয়ে তাই স্বামী অভিৰামৰ মৃত্যুৰ পিছতেই সগৰ্ভা হৈও ৰজা 'সত্যৰ' লগত গোপন মিলনৰ অপবাদ পায়। ফল স্বৰূপে — জন্মৰ পিছত পুত্ৰ কঠীয়াই সমাজৰ চকুত জাৰজ সন্তান ৰূপে হেয় প্ৰতিপন্ন হৈ সমাজৰ অনাদৃত হবলগীয়া হয়। সাতচল পাহাৰত দাতা-বিধাতাৰ দ্বাৰা ৰজা-মন্ত্ৰীক ক্ৰমে কন্যা আৰু পুত্ৰ প্ৰাপ্তিৰ বাবে দিয়া বৰদান আৰু সেই কন্যা-পুত্ৰৰ ভৱিষ্যত দাম্পত্য মিলনৰ নিৰ্বন্ধ কৰণেই — আজিৰ বাভাসকলে স্বীকাৰ কৰা অদৃষ্টবাদ আৰু জন্মান্তৰবাদৰ প্ৰমাণ দিয়ে। এই প্ৰসংগত দাতা আৰু বিধাতাৰ মাজত তলত দিয়া ধৰণে সংলাপ হৈছিল—

দাতা— প্ৰভু! সেয়া চাওকচোন, মৰ্ত্যত মানুহ দুজনে একেখন চৰুতে কিয় একেলগে ভাত খাইছে?
বিধাতা— পূৰ্ব জন্মত এওঁলোকে একাত্ম ভাৱেৰে মিলন হৈ আছিল। সেয়েহে এই জন্মতো এওঁলোকে তেনেদৰে ভাত খাব লগীয়া হৈছে।
দাতা— প্ৰভু! আপুনি অন্তৰ্যামী। এওঁলোকনো কোন?
বিধাতা— এওঁলোকৰ এজন ৰজা 'গৃহ' আৰু আনজন তাৰ প্ৰাক্তন মন্ত্ৰী 'অভিৰাম'।
দাতা— কিবা এটা উপায় কৰি পুনঃ এওঁলোকক মিলন কৰাই দিব নোৱাৰিনে?

বিধাতা— কেনেকৈ সম্ভৱ হ'ব ? পূৰ্বজন্মত এওঁলোক স্বামী-স্ত্ৰী হিচাপে আছিল। কিন্তু কৰ্মফল মতে—ইহ জনমত যে এওঁলোক দুয়োজনেই পুৰুষ মানুহ। তেনেক্ষেত্ৰত এওঁলোকৰ মিলন কেনেকৈ সম্ভৱ হ'ব ?

দাতা— তেন্তে প্ৰভু ! এওঁলোকৰ পুত্ৰ-কন্যা হালকে মিলন কৰাই দিয়ক।

বিধাতা— সেইটোও সম্ভৱ নহয়। কাৰণ — এওঁলোক যে বৰ্তমান উভয়ে নিঃসন্তান।

দাতা— তেনেহলে ৰজাক এজনী কন্যা সন্তান আৰু মন্ত্ৰীক এটি পুত্ৰ-সন্তান দিয়ক আৰু এই পুত্ৰ-কন্যা দুটিকেই মিলন কৰাই দিয়ক।

বিধাতা— সেইটো সম্ভৱ। তথাস্তু।

ৰাভাসকলৰ বিশ্বাস — দাতা আৰু বিধাতা পৰলোকৰ দেৱতা আৰু ইহলোকৰ মানৱৰ ভাগ্য নিয়ন্তা। তেওঁলোকৰ প্ৰবাদ আছে— 'দাতাই দিলেও বিধাতাই নিদিয়ে।' ইয়াৰ অৰ্থ—দাতাই হেনো সহজে অকৃপণ ভাৱেই মানৱৰ ভাগ্য নিৰ্ণয় কৰিব খোজে। কিন্তু বিধাতাই পূৰ্বজন্মাৰ্জিত পাপ-পুণ্যৰ বিচাৰ-বিবেচনাৰ দ্বাৰাহে ভাগ্য নিয়ন্ত্ৰণ কৰে। সেয়ে কাহিনীৰ কাল্পনিকে বিধাতাক গুৰু আৰু দাতাক তাৰ এজন প্ৰিয় শিষ্য ৰূপে চৰিত্ৰ চিত্ৰণ কৰি তেওঁলোকৰ কথোপকথনৰ যোগেদি চন্দ্ৰাৱলী আৰু কঠীয়াৰ ভৱিষ্যত মিলন-সূত্ৰৰ নিৰ্বন্ধ কৰাইছে।

চন্দ্ৰাৱলী আত্মঘাতী হ'বলৈ উদ্যত হোৱাৰ সময়ত তাই দৈৱশক্তিৰ প্ৰাধান্যতা উপলব্ধি কৰাৰৰ কাৰণে বিধাতাই 'হাতীমালী' নাম লৈ বুঢ়ী তিৰোতাৰ ৰূপত তাইৰ কুকুৰ স্বামীক (দাতাক) নদীত গা ধুৱাওঁতে নিজকে নিজে খেদ কৰি কৈ আছিল—

'কণা বিধাতাৰো যে কাম ! কাৰোবাক জোৰি দিছে ধুনীয়া ৰাজ-কোঁৱৰ, কাৰোবাক দিছে কণা-কুঁজা। লোকে গিৰীয়েকৰ যহত ৰাজভোগ খাই ৰাণীৰ দৰে আৰামত জীৱন কটায়। মোৰ ভাগ্যত দিছে এই স্বাপৰে খোৱা কুকুৰটোকহে। (কুকুৰটোক নিৰ্দেশ কৰি) তোৰ যহত মই ৰাণীৰ দৰে থাকিবলৈ পাম ছাৰি মইহে নিজে লোকৰ পৰা খুজি মাগি আনি তোক পুহাব লাগে। লেতেৰা নহবি বুলি তোক ইমান বাৰে বাৰে সাৱধান কৰি দিওঁ; তথাপি অলপমানো কথা শুনন। তই যতে ততে লেতেৰা হৈ বাগৰি ফুৰিবি আৰু ভাগৰে-জুগৰে আহি তোক যতনেৰে গা ধুৱাই থাকিব লাগে। তই যদি এটা কুকুৰ নহৈ কণা, খোৱা মানুহো হলিহেঁতেন তথাপি মোৰ কিছু সুখ হলহেঁতেন। হাঁৰে বিধাতা ! মোৰ পোৰা কপালত ইয়াকেহে লিখি থৈছিলা।' (বুঢ়ীয়ে দিগ্‌দাৰী পালে কুকুৰটোক মাজে মাজে মৰমেৰে থপৰিয়ায়, ধাৰি ধমকি দিয়ে। কুকুৰটো আনন্দতে নেজ লৰাই থাকে)।

চন্দ্ৰাৱলীয়ে কিয় কুকুৰটোক ইমান সময় গা ধুৱাই আছে বুলি সুধিলত বুঢ়ীয়ে উত্তৰ দিছিল—

'এহ্ আই ! মোৰ পোৰা কপালৰ কথানো কি কম ! কণা বিধাতাই কণা, খোৰা বা কুঁজা যি কোনো এজন মানুহৰ লগত মোৰ জোৰা পাতি দিলে মই কিছু সুখী হলোঁহেঁতেন। কিন্তু, কণা বিধাতাই এই ফাঁদৰে খোৱা কুকুৰটোৰ লগতহে মোৰ জোৰা পাতি দিছে। সেই কাৰণে মোৰ স্বামী-গুৰু কুকুৰ হলেও — বিধাতাৰ লেখন খণ্ডন কৰিব নোৱাৰি যেতিয়া ইয়াকেই মানুহৰ দৰে ভাল্দৰে গা ধুৱাই ঘৰপাতি জীৱন কটাব লাগিব। দাতা-বিধাতাই যি জোৰা পাতি দিছে আমি সাধাৰণ মানুহ হৈ হাজাৰ চেষ্টা কৰিলেও সেই বন্ধন খণ্ডন কৰিব নোৱাৰোঁ। পতিকে বিধাতাই যি দিছে, তাতেই সন্তুষ্ট হৈ থাকিব লাগিব।'



—এনে ধৰণৰ কুকুৰৰ দৰে লেতেৰা স্বভাৱৰ স্বামী যি কোনো সমাজত নোহোৱা নহয় ; আৰু এলেহুৱা হৈ ঘৈণীয়েকৰ ওপৰত নিৰ্ভৰ কৰি খোৱা স্বামীও বিৰল নহয়। এনে স্বামী ঘৈণীয়েকৰ কটু কথা শুনি থাকিবলৈ বাধ্য হয়। এনেকুৱা স্বামীৰ ঘৈণীয়েকৰ অন্তৰত নৈৰাশ্য, বেদনা, খেদ অহাটো স্বাভাৱিক। ইয়াৰ বাবে তাই বিধাতাৰ বিধানকেই উপলক্ষ্য কৰি আত্মতুষ্টি হৈ থাকিবলৈ বাধ্য হয়। তাইৰ কাৰণে এই সংসাৰখন দুঃখময়।

কঠীয়াৰ অচেত দেহ নদীৰ কোবাল সোঁতত 'বীণাচৰণ' নামক ৰজাৰ ৰাজ্যলৈ উটি গৈ নদীৰ ৰাজ-ঘাটত সজ্জিত 'চানত' লাগি থাকে। (চান' এটা বাঁহৰ মাছ মৰা সঁজুলি। এডাল দীঘল বৰীত কিছুমান কুমলীয়া বাঁহৰ টঙালি লগাই চান তৈয়াৰ কৰা হয়। নদীৰ ইপাৰৰ পৰা সিপাৰলৈ কিছুমান বাঁহৰ খুটি পুতি এই 'চান'টো লগাই থোৱা হয়। নদীৰ যি অংশৰ ফালে পানী বাম থাকে, সেইফালে সেই চানেৰে এখন যোনাৰ দৰে ব্যূহ তৈয়াৰ কৰা হয়। 'চান'টো পানীত ডুব গৈ থাকিলে পানীৰ সোঁতত 'চান'ত লগাই ৰখা বাঁহৰ টঙালিবোৰ কঁপি থাকে। তেতিয়া ভয়তে মাছবোৰ পাৰ নহয়। মাছবোৰে বাট বিচাৰি নাপাই ভটিয়াই আহোঁতে ব্যূহৰ মাজত সোমাই পৰি তাৰ ভিতৰত পাতি থোৱা টুঙি জালত আবদ্ধ হয়। এই 'চানেৰে' মাছ মৰা পদ্ধতি এতিয়াও ৰাভাসকলৰ মাজত প্ৰচলিত হৈ আছে। ইয়াৰ যোগেদি পাতিৰাভাসকলৰ এটি বৈষয়িক নীতিৰ পৰিচয় পোৱা যায়।

চন্দ্ৰাৱলী-কঠীয়াৰ বিবাহ অনুষ্ঠানৰ যোগেদিও পাতিৰাভাসকলৰ বিবাহ-প্ৰথাৰ সন্ধান পোৱা যায়। তেওঁলোকে বিবাহৰ দিনা দৰাৰ ঘৰৰ মূল চোতালত বাঁহ-খেৰেৰে এখন ৰভা সাজে। এই ৰভাৰ পূব অংশত মাটিৰে এটি মণ্ডপ সাজে। মণ্ডপৰ সোঁমাজতে এটি মাটিৰ ঘট স্থাপন কৰে। ঘটটিত সাধাৰণতে ৫/৭ পতীয়া এঠানী আম পাত, এঠানী তুলসী, এটি সিকি মুদ্ৰা আৰু এজোৰ গোটা তামোল-পান ৰাখি এটুকুৰা পৰিষ্কাৰ নতুন বগা কাপোৰেৰে ঘটটি ওৰণিৰ দৰে মেৰিয়াই থোৱা হয়। মণ্ডপৰ সন্মুখতে সোঁফালে এগছি ধৰ্ম-বন্তি মাটিৰ চাকিত স্থাপন কৰা হয়। কাষত জলন্ত ধূনাৰ পাত্ৰ ৰখা হয়। তাৰ ওচৰতে দুখন ষড়-বাতি চালনি, দুদোন আখৈ আৰু দুদোন চাউল ৰখা হয়। এখন আগলতি কলপাতৰ ওপৰত ষড়-বাতি চালনিখন উপস্থাপন কৰি ভাত মাটিৰ চাকি ৫টা, নক ডুৰা কটাৰী এখন, আমপাত আৰু গোটা তামোল-পান এজোৰ ৰখা হয়।

যথা-সময়ত দৰা-কইনাক স্নান কৰাই নতুন সাজ-পোচাক, তেল সেন্দুৰ, অলংকাৰ আদিৰে সুসজ্জিত কৰি মণ্ডপৰ সন্মুখত স্থাপন কৰা বিবাহ-বেদীত উপবেশন কৰায়। সাধাৰণতে ৰাভাসকলে দৰাৰ সোঁফালেহে কইনাক উপবেশন কৰায়। বৰ্ত্তমান ইয়াৰ ব্যতিক্ৰম দেখা যায়। বিয়াৰ সময়ত ধূপ-চাউল চতিভৰা আগ দিয়া, দৰা-কইনাৰ টিকি ধৰা, দৰা-কইনাৰ লগুন গাঁথি বন্ধা, ঢোল বজোৱা, পাশা খেলা, নামতীসকলে বিয়াৰ গীত গোৱা, পানী তোলা, জযোণ দিয়া, ঘট বজোৱা, আদি প্ৰথা আছে। সামাজিক বিধি-ব্যৱস্থাৰে দৰা-কইনাৰ বিবাহ কাৰ্য্য সমাপন কৰাৰ ঠিক পৰ মুহূৰ্ত্তে উভয় সমাজৰ দ্বাৰা নিৰ্বাচিত বয়ো জ্যেষ্ঠ, জ্ঞান-শ্ৰেষ্ঠ মানুহ দুজনে ৰাইজ বিদ্যমানে এই সাধুটি কয়। এজনে সম্মতিসূচক উত্তৰ দি কথনত সহায় কৰে। কিছুমান ৰসিক আৰু বাক্‌পটুলোকে কাহিনীটি কৈ থাওঁতে মাজে মাজে সময়োপযোগী উদাহৰণ দাঙি ধৰি কাহিনীৰ পৰিসৰ বিস্তৃত কৰি এটি মনোৰঞ্জন পৰিবেশৰ সৃষ্টি

কৰে। অঞ্চল ভেদে এই কাহিনী বিন্যাসৰ যৎকিঞ্চিৎ লৰচৰ দেখা গলেও মূল বিষয় বস্তুৰ মিল আছে। বিবাহান্তে কাহিনী কথক ডুজনক দৰা-কইনাৰ অভি-ভাৱকে তামোল-পাণেৰে মানসি দিয়ে।

হিন্দু সমাজৰ বিবাহ উৎসৱত যি দৰে বিবাহ-মণ্ডপৰ সন্মুখত ব্ৰাহ্মণ পুৰোহিতে সৃষ্টিকৰ্ত্তা প্ৰজাপতি 'ব্ৰহ্মা' দেৱতাৰ উদ্দেশ্যে হোম যজ্ঞ কৰি মন্ত্ৰপাঠ কৰে আৰু নৱদম্পতীক আশীৰ্বাদ আৰু উপদেশ দিয়ে, তদ্ৰূপ পাতি-ৰাভাসকলেও এই কাহিনীৰ যোগেদি বিধাতাৰ-বন্ধন সম্পৰ্কে নৱ-দম্পতীক জ্ঞাত কৰাই ভবিষ্যত সুখময় সংসাৰ পৰিচালনাৰ যাৱতীয় উপদেশ প্ৰদান কৰে। এই দৃষ্টি-ভংগীৰ কাৰণৰ পৰা পাতিৰাভাসকলৰ এই বিবাহ-প্ৰথা হিন্দুসকলৰ সমাজ ব্যৱস্থাৰেই প্ৰভাৱ পৰা বুলি কোৱাৰ যথেষ্ট থল আছে। কাহিনী মতে—গুহ ৰজাই কঠীয়াক 'দৰ জোঁৱাই' (চপনী.া) ৰাখি কন্যা চন্দ্ৰাৱলীৰ বিবাহ-কাৰ্য্য সম্পন্ন কৰে। এই প্ৰথা ৰাভাসকলৰ বিভিন্ন শাখাৰ সমাজৰ মাজত এতিয়াও প্ৰচলন হৈ আছে। বিবাহ অনুষ্ঠানত এই কাহিনী কোৱাৰ প্ৰথা দক্ষিণ কামৰূপৰ পাতিৰাভাৰ সমাজবোৰতহে প্ৰচলিত আছে। আন অঞ্চলৰ পাতি ৰাভা আৰু ৰাভাৰ অন্যান্য শাখাৰ সমাজবোৰত এই প্ৰথাৰ প্ৰচলন নাই।

থোৰতে কবলৈ হলে—এই কাহিনী পৰিবেশন কৰাৰ মুখ্য উদ্দেশ্য হৈছে—সদ্য বিবাহিত নৱ দম্পতীক সিহঁতৰ ভবিষ্যত শান্তিপূৰ্ণ সংসাৰ যাপনৰ এটি দিক দৰ্শন কৰোৱা। এই কাহিনীৰ যোগেদি দৰাগুনক লগুৱা কঠীয়াৰ দৰে বিনয়, ধৈৰ্য্যশীল, ক্ষমাশীল, অমায়িক হবলৈ আৰু কইনা জনীক চন্দ্ৰাৱলীৰ পূৰ্ব-বৈবাহিক জীৱনাদৰ্শ পৰিহাৰ কৰি—তাইৰ উত্তৰ-বৈবাহিক জীৱ-নাদৰ্শ অনুসৰণ কৰিবলৈ উপদেশ দিয়া হয়। প্ৰাচীন ভাৰতৰ কণ্ব মুনিয়েও তেওঁৰ অতি মৰমৰ পালিতা কন্যা শকুন্তলাক পতি গৃহলৈ পঠোৱাৰ আগ মুহূৰ্ত্তত তদ্ৰূপ উপদেশ দিছিল—

'ক্ৰোধত স্বামীয়ে তিৰস্কাৰ কৰিলেও প্ৰত্যুত্তৰ নিদিবা। কষ্টভাৱ পৰিহাৰ কৰি স্বামীক সততে তুষ্ট কৰি ৰাখিবা। নিজক সুখ-সম্ভোগত লিপ্ত নকৰি সুখ-সম্ভোগেৰে প্ৰিয় পৰিজনক পালন কৰিবা। ৰমণীৰ পালনীয় আচাৰ পালি জগতত আদৰ্শ গৃহিনী ৰূপে পৰিচয় দিবা। নহলে আই, অকল্যাণ হব।'

'জন্ম-জোৰা-মৃত্যু দৈৱৰ কৰতল'—এই জনশ্ৰুতিৰ আধাৰত এই কাহিনীটি ৰচিত। এই কাহিনীত পাতি-ৰাভাসকলৰ একাধাৰে সামাজিক বিবাহ-প্ৰথা, অদৃষ্ট-বাদ-জন্মান্তৰবাদৰ প্ৰতি অগাধ বিশ্বাস আৰু বৈষয়িক নীতিৰ আভাস পোৱা যায়।

এনেধৰণৰ বহুতো কাহিনী বিভিন্ন ভৌগলিক পৰিবেশত অধ্যুষিত বিভিন্ন শাখাৰ ৰাভা সমাজত সিঁচৰিত হৈ আছে। এইবোৰ কাহিনী সংৰক্ষণ কৰি প্ৰকাশ কৰিলে জাতীয় সাহিত্যৰ ভঁৰাল টনকিয়াল হব।

---

## পুথি-পৰিচয়

### স্মৃতিৰ পলাশ

লিখক : ড° হেমন্ত কুমাৰ শৰ্মা
প্ৰকাশক : বীণা লাইব্ৰেৰী : কোকৰাজাৰ
প্ৰথম প্ৰকাশ : ১৯৭৯
পৃষ্ঠা : ১০+১০০ . মূল্য : ৬'০০ টকা

সমাজত ভিন্ন স্তৰৰ মানুহৰ জীৱন-কথাৰ দ্বাৰা মূৰ্তমান "স্মৃতিৰ পলাশ" হাতত লৈ ভাল লগা নটা চুটি গল্পৰ এটি নিমজ সংকলন। গাৱঁত জন্ম গ্ৰহণ কৰি গ্ৰাম্য পৰিবেশত স্কুলীয়া শিক্ষা সাং কৰি কলেজত প্ৰৱেশ কৰাৰে পৰা ড° শৰ্মাই অসমৰ স্নায়ুকেন্দ্ৰ স্বৰূপ প্ৰধান চহৰ গুৱাহাটীত থিতাপি লৈছেহি। ড° শৰ্মাৰ বৃত্তি শিক্ষকতা, আৰু সেই বাবেই হবলা সাহিত্যৰ নানা বৰণীয়া কাননত বিচৰণ কৰিবলৈ তেওঁৰ প্ৰবল হেঁপাহ; সেই অবদমিত বাউতিৰ পৰিণতিয়েই হ'ল তেওঁৰ কাপৰ পৰা ওলোৱা বিবিধ বিষয়ক এলানি গৱেষণামূলক প্ৰবন্ধ ৰচনা। তাৰ মাজতো অৱশ্যে সৰু সৰু ল'ৰা-ছোৱালীৰ উপযোগীকৈ সাধুকথা, পাঠ্য-পুথি আদিও তেওঁ কিছু যুগুত কৰিবলৈ প্ৰয়াস পাইছে আৰু লিখিছে কেইটামান চুটি গল্প। গল্প লিখা টান কাম, তাৰ বাবে দৈপৰ্ত্ত হাতবো দৰ্কাৰ; সেই কথা জানিও ড° শৰ্মাই কিন্তু সচৰাচৰ বিচৰণ কৰা তেওঁৰ আশে পাশে থকা সমাজৰ মানুহখিনিৰ সান্নিধ্যত লাভ কৰা অভিজ্ঞতাকে সমল হিচাপে লৈ সমস্যা জৰ্জৰিত মধ্যবিত্ত পৰিয়ালৰ সুখ-দুখ কেইটামান কথা গল্পৰ ৰূপত সজাই পৰাই উলিয়াবলৈ চেষ্টা কৰিছে। ইয়াত সন্নিবিষ্ট গল্প কেইটা দৰাচলতে নানা সময়ত লাভ কৰা গল্পকাৰৰ অভিজ্ঞতাৰ স্বাক্ষৰ। 'দেৱতা' গল্পৰ মাজেদি অসমীয়া লোকৰ জন-বিশ্বাস, লৌকিক দেৱতাৰ ওপৰত থকা সৰল বিশ্বাস, ধাৰণা আৰু ভক্তিৰ কথা প্ৰকাশ পাইছে; সম্ভৱতঃ এই গল্প লিখকৰ Folk Beliefs and Festivals অৰ গৱেষণালব্ধ তাত্বিক কথাৰ প্ৰতিধ্বনিৰে অনুৰণন, যি দৰে আন এটা গল্প 'ফাকু খেলাইতে'ৰ মাজত ফাকুৱা বা হোলি উৎসৱৰ সাৰ্বজনীন আবেদন স্পষ্ট। এই প্ৰসঙ্গতে নাম লব পাৰি 'জগৎ ভাৰবীয়া' গল্পটোৰ। গৱেষণাৰ প্ৰয়োজনত তথ্য আহৰণৰ বাবে খুটিনাটিৰ আঁত বিচাৰিবলৈ গৈ যিবোৰ বস্তুৰ পৰশত ব্যক্তিগত ভাৱে ড° শৰ্মা জিকাৰ খাই উঠিছিল সেইবোৰেই জীৱন্তৰূপ এই তিনিটা গল্প, সেই চিন্তা-চৰ্চাৰেই by product বুলিবও পাৰি। 'স্মৃতিৰ পলাশ' আৰু 'বালিঘৰ মেছ' ডেকা কালত বঙ্গীণ কমনাত সাতৰি-নাদুৰি আঁত-ভাঁত খুন্দা-খুন্দলি খোৱা অভিজ্ঞতাৰে পৰিপুষ্ট আন দুটি মনোগ্ৰাহী গল্প। 'এপাট চেণ্ডেল'ৰ মাজেদি কলেজ এখনৰ এটা সাধাৰণ পিয়নৰ আৰ্থিক দুৰৱস্থাৰ লগতে বাহিৰা পইচা পোৱা টেজাৰীৰ পিয়নৰ কথা, ধকৰা জীৱনৰ আৰ্থিক অৱস্থাৰ কথা সুন্দৰ ভাৱে বৰ্ণনা কৰা হৈছে। টেকনিক আৰু বিষয় বস্তুৰ দিনৰ পৰা এইটো নিসন্দেহে এটা উন্নত পৰ্যায়ৰ গল্প। 'অভিনয়'ৰ মাজেদি সমাজৰ নেতা তথা ভাল মানুহৰ মুখা লৈ থাকি সমাজখন ঘূণীয়া কৰা এচাম দুষ্ট লোকৰ চৰিত্ৰৰ এটা দিশ প্ৰকাশ কৰিবলৈ চেষ্টা কৰা হৈছে।

গল্প লিখাৰ ক্ষেত্ৰত ড° শৰ্মা নৱাগত সচাঁ, কিন্তু সাহিত্য চৰ্চা তেওঁৰ দ্বিতীয় বৃত্তি। প্ৰায় একুৰি কিতাপ ৰচয়িতা ড° শৰ্মাৰ "স্মৃতিৰ পলাশে" ই সম্ভৱতঃ শেহতীয়া পুথি। গৃহবোৰৰ ২ছ ঠাইত পৰিবেশ সৃষ্টি আৰু

ঘটনাৰ লগত তাৰৰ অন্তৰ্দ্বন্দ্বৰ সৃষ্টি চমৎকাৰ ভাৱে ৰূপায়িত হৈছে। এটা ঘটনাত দুটা বিৰুদ্ধ ভাৱৰ আকস্মিক উদয় মন কৰিব লগীয়া। 'ভাৱৰীয়া', 'এপাট চেণ্ডেল', 'অগং ভাৱৰীয়া' গল্পত এনে situation কেবাটাও পোৱা যায়। গল্পবাজিৰ ভাষা তথা শব্দচয়ন সম্পৰ্কে দীঘলীয়া মন্তব্য নিষ্প্ৰয়োজন হলেও কব লাগিব যে গতিশীল আৰু নিমজ ভাষা গল্পৰ অতীৱ মনোগ্ৰাহী আভৰণ। ড॰ শৰ্মা যে নতুন গল্প লেখক সেই কথা গল্পৰ এই সাজ-পাৰতে ওলাই নপৰা নহয়। গৱেষণা মূলক প্ৰবন্ধ ৰচয়িতা ড॰ শৰ্মাৰ এই গল্পবাজিয়ে যি কোনো পাঠকক পুলকিত কৰিব, সন্দেহ নাই।

ড॰ সত্যেন্দ্ৰনাৰায়ণ গোস্বামী

ইয়াৰ সৰহ ভাগ ৰচনাই ব্যঙ্গমূলক, কিন্তু ৰূপাৱলী কায়দাৰ গুণত এটিয়েও মনত আঘাত নিদিয়ে, বৰং হাস্যৰসহে উদ্ৰেক কৰে। লেখকে ৰূপাৰৰক সমাজিকত লগো পাইছে, আৰু তেওঁৰ সমুখত তেওঁৰ মৰমৰ অসম দেশখনৰ সাম্প্ৰতিক চিত্ৰ এখন দাঙি ধৰিবলৈকো চেষ্টা কৰিছে। আমি লেখকক ৰূপাৰৰ সৈতে তুলনা কৰিব খোজা নাই, তেৱোঁ তাক বিচৰা নাই। কৰা ৰূপাৰে নিজেই তেওঁক কৈছে, "যিবোৰ বস্তু আমাৰ হাড়ে-হিমজুৰে খাঁটি অসমীয়া সেইবোৰৰ ওপৰত তই বেয়াকৈ কলম নচলাবি আৰু শুন, ব্যঙ্গ-হাস্য অলপ চাইচিতি কৰিবি। মোৰ 'কাকতৰ টোপোলা,' 'মুৰমুৰণি' 'গুভতনি' আদি পঢ়ি হস্তীৰ লাদ দেখি মাৰ্গ কালি মৰিবলৈ নযাবি।" এই সীমাৰ মাজতে থাকি লেখকে কলম চলাইছে যেন বোধ হয়। আন নহলেও ৰূপাৰৰ অসমীয়া জাতিলৈ মৰম লেখকৰ গাতো দেখা পাইছো। ক'তো উন্নাসিকা ভাব নাই, নিজৰ দোষ ত্ৰুটি আৰু দুৰ্বলতাকো ঢকা নাই, ওপৰ চাঙত উঠি বক্তৃতা দিয়াও নাই।

## জেটুলিপকা

লিখক : পৱনাথ শৰ্মা

প্ৰকাশক : তৰুণ শইকীয়া, যোৰহাট, ১৯৭৯

পৃষ্ঠা : ১০ + ১৫০ × পেপাৰ বেক

মূল্য : ৬·০০ টকা,

জেটুলিপকা শ্ৰীপৱনাথ শৰ্মাৰ কুৰিখন 'ৰসাল ৰচনা'ৰ সংকলন। এই হাস্যমধুৰ প্ৰবন্ধবিলাক কোনো কোনো কাকতত আগেয়ে প্ৰকাশ হৈছিল। 'কৈফিয়ত'ত লেখকে নিজেই কৈছে, "দেশৰ ৰাজনৈতিক আৰু সামাজিক পৰিস্থিতিৰ মাজত সময়ে সময়ে মনত গুজৰি-গুমৰি থকা ভাববোৰকে হাতৰ খজুৱতি মাৰিবলৈকে প্ৰবন্ধৰ আকাৰত লিখি কাকত-পত্ৰলৈ পঠাইছিলোঁ।" সেইবোৰকে বিচাৰি-খুচৰি কিতাপৰ আকাৰত উলিওৱাৰ দিহা কৰাৰ বাবে তেওঁ ধন্যবাদৰ পাত্ৰ। কিয়নো কিতাপখন পঢ়ি নিজকে নিজে এবাৰ চাবলৈ সুযোগ পালো। আমাৰ বিশ্বাস, আন পাঠকৰো তদ্ৰূপ অভিজ্ঞতা হ'ব।

ৰচনা সম্ভাৰ তিনিটা ভাগত ভগোৱা হৈছে। 'পানীমল জবৰদস্ত সংবাদৰ ভিতৰুৱা ৰচনা খিনিত শ্লেষ, বক্ৰোক্তি, ব্যঙ্গ আৰু হাস্যৰ সুন্দৰ মিলন ঘটিছে। 'অসুৰ দৰ্শন' আৰু 'বিহু ভাওনীয়া'ত অপুন্দৰ অপসংস্কৃতিৰ চিত্ৰ ফুটি ওলাইছে। 'ঢেকীখোৰা' আৰু 'লেমটৌ তত্ত্ব সাৰ'ত আমাৰ দেশৰ নেতা আৰু পালিনেতা সকলৰ অন্তঃসাৰশূন্যতা লেখকে উদঙাই দিছে।

'সাক্ষাৎ প্ৰসঙ্গ'ৰ ৰচনা দুখনৰ বস্তুও তদনুৰূপ। 'বিচুনী প্ৰকৰণ'ৰ 'গোধা-নিদান'ত বাইজৰ তেজ শুহি খাই গণতন্ত্ৰক গোধাতন্ত্ৰত পৰিণত কৰা আমাৰ গোধা নেতাসকলৰ চিত্ৰ পাব। 'এ বুঢ়া ভাই', 'অসমীয়া খানা' আৰু 'নাম ৰহস্য' মধুৰ ধৰণৰ ৰচনা। হাস্যৰস আছে, ব্যঙ্গৰ পৰিমাণ কম। 'কি লাগে, মালিক'



আৰু 'মোৰ কটো গ্ৰাফ' এই গল্পচিত্ৰ দুটিও উপাদেয় হৈছে।

'কৈফিয়ত'ত লেখকে নিজে স্বীকাৰ কৰিছে, যে "মাজে মাজে দাঁত হেৰাই গৈছে আৰু কোনো কোনো কথাৰ দ্বিৰুক্তি পুনৰুক্তি আৰু অতিশয়োক্তিও নোহোৱা নহয়।' তথাপি পানীমল দেউ আৰু জবৰদস্ত বৰুৱাৰ কথোপকথন আৰু নিঃকিন সাহিত্য চৰ্চাৰ পাৰ্লীয়া পটভূমিত ভাৰতীয় তথা অসমীয়া জীৱনৰ দুৰ্বল অৱক্ষয় ময় দিশটোৰ সুন্দৰ প্ৰতিফলন ঘটিছে। 'বিহু ভাওনীয়া'ৰ ভাষণত পানীমল দেৱে মোগল সেনাপতি ৰামসিংহৰ ভাষাৰে (হিন্দী) কৈছে,..."অসমীয়া মানুহে এক হাতে কলমভী চলাব পাৰে, দুচৰা হাতে পকেটভী মাৰিব পাৰে, দিন ডকাইতিভী কৰিব পাৰে।" লেখকৰ সৈতে আমিও একমত যে সত্য বৰ নিষ্ঠুৰ, কিন্তু তেৰেৰ চুকৰ পানীমল দেৱে উদ্ঘাটন কৰা সত্যৰ পৰা আমি বং মনেৰে শিক্ষা লবৰ সময় আহি পৰিছে।

সু॰ কু॰ ব॰

## সাংস্কৃতিকা

সম্পাদনা : শ্ৰীমুনীন্দ্ৰ নাথ শৰ্মা

প্ৰকাশক : শ্ৰীহেমচন্দ্ৰ শৰ্মা, সম্পাদক, পাঠশালা সাহিত্য সভা

প্ৰথম প্ৰকাশ—১৯৮০

পৃষ্ঠাংক—৬২

মূল্য—তিনি টকা পঞ্চাশ পইচা মাত্ৰ

'সাংস্কৃতিকা' পাঠশালা সাহিত্য সভাই প্ৰকাশ কৰা এখন অন্যতম কলা-সাংস্কৃতিক বিষয়ৰ পুথি। পুথিখন সম্পাদনা কৰিছে শ্ৰীমুনীন্দ্ৰ নাথ শৰ্মাই। ইয়াত নজন লেখকৰ কলা-সাংস্কৃতিক বিষয়ৰ নটা তথ্যপূৰ্ণ আৰু আলোচনা মূলক প্ৰবন্ধ সন্নিবিষ্ট কৰা হৈছে। সংস্কৃতিৰ স্বৰূপ উদ্‌ঘাটন নাইবা সংজ্ঞা নিৰ্দ্ধাৰণ পুথিৰ উদ্দেশ্য নহয়।

পুথিৰ আৰম্ভণিতে শ্ৰীজীৱন কৃষ্ণ পাত্ৰৰ "ছউ বিহু সত্ৰীয়া" নামৰ প্ৰবন্ধটিত উড়িষ্যাৰ অনিন্দ্য সুন্দৰ নৃত্যধাৰা তথা অষ্টিক ভাৰতীৰ অনন্য সুন্দৰ সম্পদ 'ছউ' (মুখানৃত্যৰ)ৰ স্বৰূপ বৰ্ণনা কৰি ইয়াৰ অতীত আৰু বৰ্তমান অৱস্থাৰ বিষয়ে ফঁহিয়াই আলোচনা কৰিছে। লগতে 'ছউ'ৰ ওপৰত ধৰ্ম্ম আৰু তন্ত্ৰৰ প্ৰভাৱ, বিহুনৃত্য আৰু সত্ৰীয়া নৃত্য (ভাওনা)ৰ লগত ইয়াৰ সম্পৰ্ক, সাদৃশ্য আৰু বৈসাদৃশ্য সমূহৰো এটি আভাস দিবলৈ যত্ন কৰিছে। "একাংকিকা নাটকৰ বৃত্ত" নামৰ প্ৰবন্ধত শ্ৰীবিনোদ শৰ্মাই বিশ্বৰ সৰ্ব্বপ্ৰাচীন একাংকনাট সমূহৰ পূৰ্বাভাস আৰু পৰীক্ষা-নিৰীক্ষা তথা উদাহৰণ সহ বিশ্বৰ বিভিন্ন নাট্যাচাৰ্য্য সকলৰ মতামতৰ সহায়ত একাংকিকা নাটকৰ সংজ্ঞা আৰু লক্ষণ সমূহ দাঙি ধৰাৰ প্ৰয়াস কৰিছে। "সমাজৰ অগ্ৰগতিত নাট্যকাৰৰ ভূমিকা" নামৰ এখন ৰচনাত শ্ৰীহৰেণ শৰ্মাদেৱে নাটক লিখাৰ সময়ৰ আজিৰ নাট্যকাৰ সকলে মন কৰিব লগীয়া কেইটামান বিশেষ দিশলৈ আঙুলিয়াই যি পৰিৱৰ্ত্তনশীল সমাজ ব্যৱস্থাত শাসন, শোষণ আৰু অন্যায়ৰ প্ৰতিবাদ কৰাটো সৰ্বসাধাৰণক কৰ্মৰ মাজেৰে আগুৱাই নিব পৰাকৈ জনপ্ৰিয় অথচ কলাসন্মত, সুৰুচিপূৰ্ণ আৰু উন্নত মানৰ নাট ৰচনা কৰিবলৈ তেওঁলোকক অনুৰোধ জনাইছে। শ্ৰীমুনীন্দ্ৰ নাথ শৰ্মাই ৰবীন্দ্ৰনাথৰ 'কৰ্ণ-কুন্তী সংবাদ' নাটৰ আধাৰত গঙ্গাৰ তীৰত ধ্যানৰত কৰ্ণৰ ওচৰত মাতৃ কুন্তীয়ে কেনেকৈ পুত্ৰ ভিক্ষা কৰিছে আৰু কুন্তীৰ ওচৰত কৰ্ণই ক্ষমতা আৰু প্ৰতিপত্তিৰ পৰিবৰ্ত্তে কেনেকৈ বীৰ হিচাপে নিজৰ সম্পত্তি, পুৰুষত্ব

আৰু ধৰ্মৰ কাৰণে প্ৰাৰ্থনা কৰি মাতৃৰ চৰণত প্ৰণাম জনাইছে তাৰে এটি সুন্দৰ বৰ্ণনা আগবঢ়াইছে— "মাতৃ প্ৰণামী: ৰবীন্দ্ৰ নাথৰ কৰ্ণ-কুন্তী সংবাদৰ আধাৰত" নামৰ প্ৰবন্ধটিত। শ্ৰীপ্ৰদীপ শৰ্মাৰ "ৰত্নপীঠৰ ঐতিহ্য" নামৰ প্ৰবন্ধত গোৱালপাৰা জিলাখনৰ ঠাইে ঠাইে সিঁচৰিত হৈ থকা পুৰণি কীৰ্তিচিহ্ন, লিপি, মঠ-মন্দিৰ, মছজিদ, বৌদ্ধস্তূপ, স্থাপত্য কলা, গুহা, শিলা-মূৰ্তি আৰু নগৰৰ ধ্বংসাৱশেষ আদি প্ৰত্নতাত্বিক বিষয়ৰ সম্পদ সমূহৰ এটি বিৱৰণ দিছে। শ্ৰীবিবেকা ৰায় চৌধুৰীৰ "অভিনয় আৰু অনুশীলন" নামৰ প্ৰবন্ধত এজন দক্ষ অভিনেতা হ'বৰ বাবে অনুশীলন কৰিব লগা কেইটামান বিশেষ গুণৰ বিষয়ে আভাস দিয়া হৈছে। এই ক্ষেত্ৰত পৰিচালক, নাট্যগোষ্ঠী আৰু ভ্ৰাম্যমান থিয়েটাৰ দ'ল সমূহৰ দায়িত্ব, কৰ্তব্য আৰু ভূমিকা সম্পৰ্কেও ইয়াত আলোচনা কৰা হৈছে। ভাৰতৰ সাংস্কৃতিক জীৱনৰ প্ৰতিনিধি স্বৰূপ উদয়-শংকৰৰ চমু-জীৱনী, নৃত্য-শিল্পী হিচাপে তেওঁৰ অদ্ভূত পাৰদৰ্শিতা আৰু জীৱনৰ দুই এটা বিচিত্ৰ অভিজ্ঞতা, ভাৰত তথা বিশ্বৰ সাংস্কৃতিক জগতত তেওঁৰ স্থান, আৰু চিত্ৰ-কলা আৰু যাদু-বিদ্যাত তেওঁৰ কৃতিত্ব সম্পৰ্কে অম্বিকাপদ চৌধুৰীয়ে "নাযায় মাৰ ৰুণ-জুণ ৰুণ-জুন নূপুৰৰ ধ্বনি" নামৰ ৰচনাত এটি সুন্দৰ পৰিচয় দাঙি ধৰিছে। "অসমীয়া সংবাদ-পত্ৰ আৰু কলা-সংস্কৃতি" নামৰ প্ৰবন্ধত শ্ৰীসতীশ চন্দ্ৰ চৌধুৰীয়ে অসমীয়া কলা-সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰত অসমীয়া সংবাদ-পত্ৰ আৰু আলোচনী সমূহৰ দায়িত্ব আৰু কৰ্তব্য আৰু এতিয়ালৈকে ইবিলাকে লোৱা নিস্পৃহ ভূমিকাৰ কথা নিৰ্ভীক ভাৱে আলোচনা কৰিছে। শেষৰ প্ৰবন্ধ "আজিৰ নাটক"ত শ্ৰীৰাম গোস্বামী দেৱে যুগপৰিৱৰ্তন, বাস্তৱ মানৱীয় সমস্যা ৰাজি, সামগ্ৰিক ৰুচিবোধ আৰু সামাজিক প্ৰয়োজনীয়তাৰ ভিত্তিত সাম্প্ৰতিক কালত সৃষ্ট নাটকৰ উদ্দেশ্য, উপাদান আৰু স্বৰূপ নিৰ্দ্ধাৰণ কৰিবলৈ চেষ্টা কৰিছে।

কলা-সংস্কৃতিৰ লগত জড়িত প্ৰতিজন লোকক পুথিখনিয়ে আকৰ্ষণ কৰিব। এই বিষয়ত অধ্যয়নৰত ছাত্ৰই পুথিখনিৰ পৰা দুই এটা বিশেষ তথ্য আহৰণ কৰিব পাৰিব। লেখক সকলৰ মুকলি আলোচনা, ভাষাৰ প্ৰাঞ্জলতা, বৰ্ণনাৰ নিপুণতা আৰু তথ্য-পাতি সংগ্ৰহৰ প্ৰচেষ্টা প্ৰশংসনীয়।

পুথিখনিত সন্নিৱিষ্ট মুদ্ৰণ প্ৰমাদ-সমূহে কেতিয়াবা পাঠকক বিপাঙত পেলাব পাৰে। পুথিখনিৰ কাৰণে সম্পাদকে অসমৰ প্ৰাচীন শিল্প-কলা আৰু সম্প্ৰতি মৃতপ্ৰায়, অৱহেলিত অথবা দোষযুক্ত হৈ পৰা অসমৰ থলুৱা কলা-কৃষ্টি সম্পৰ্কীয় দুই-চাৰিটা প্ৰবন্ধ সংগ্ৰহ কৰিব পৰা হ'লে ইয়াৰ মূল্য আৰু বাঢ়িলহেঁতেন। পৰৱৰ্ত্তী সংস্কৰণত বা সুকীয়াকৈ তেনে এটা কাম হৈ উঠিলে পাঠশালা সাহিত্য-সভাই অসমীয়া কলা-সংস্কৃতি আৰু ভাষা-সাহিত্যৰ মহৎ উপকাৰ সাধন কৰা হ'ব।

শ্ৰীখগেন্দ্ৰ নাথ চেতিয়া ফুকন

## ন-অসমীয়া মুছলমানৰ সাহিত্য-চৰ্চ্চা ( ইতিবৃত্ত )

লেখক—এম, ইলিম উদ্দিন দেৱান
প্ৰকাশক—মহঃ ৰফিজ উদ্দিন দেৱান,
দেৱান বুক ষ্টল, বৰপেটা
প্ৰথম প্ৰকাশ—১৯৮০ চন
পৃষ্ঠা—৩৭
মূল্য—তিনি টকা

১৯০৫ চনৰ বঙ্গভঙ্গ আন্দোলনৰ পাছত পূৰ্ববঙ্গৰ পৰা আহি অসমী আইৰ কোলাত আশ্ৰয় গ্ৰহণ কৰা মুছলমান সকলক ন-অসমীয়া মুছলমান বুলি আখ্যা দিয়া হৈছে যদিও সম্প্ৰতি এওঁলোক হাড়ে-হিমজুৱে



অসমীয়া। জীৱিকাৰ্জনৰ কাৰণে আহি অসমৰ হাবি-জংঘল কাটি, চৰ-চাপৰি চহাই খেতি কৰিবলৈ লোৱাৰ লগে লগে এই সকল লোকে পূৰ্বৰ জাত্যাভিমান ত্যাগ কৰি অসমীয়া ভাষাত স্কুল-কলেজ পাতি, অসমীয়া ভাষা-সংস্কৃতিক নিজৰ ভাষা-সংস্কৃতি বুলি আকোঁৱালি লয় আৰু ইয়াৰ মাধ্যমেৰে নিজক পোহৰলৈ আনাত সচেষ্ট হয়।

আলোচ্য পুথিখনিত অসমীয়া সাহিত্যৰ একনিষ্ঠ সেৱক, ন-অসমীয়া মুছলমান সকলৰ অন্যতম পথ-প্ৰদৰ্শক এম, ইলিম উদ্দিন দেৱানে এহাতে তথা-কথিত এই ন-অসমীয়া সকলৰ মাজত গঢ়-লোৱা লেখক সকলে অসমীয়া সাহিত্যলৈ আগবঢ়োৱা ৰচনাসমূহৰ এখন তালিকা, আৰু অন্যহাতে অসমীয়া সাহিত্য-সংস্কৃতিৰ কোলাত গঢ়ি উঠা উক্ত সমাজখনৰ জাতীয় জীৱনৰ এখন প্ৰতিচ্ছবি দাঙি ধৰাৰ প্ৰয়াস কৰিছে।

পুথি খনিৰ আৰম্ভণিতে এটি গীতেৰে অসম মাতৃক স্ব-মাতৃ ৰূপে বন্দনা কৰি বিভিন্ন জাতি-উপজাতিৰ সংমিশ্ৰণত সৃষ্টি হোৱা বৃহৎ অসমীয়া জাতি আৰু ইয়াৰ ভাষা-কৃষ্টি-সংস্কৃতিৰ স্বৰূপ আৰু আন এটি গীতেৰে অসমৰ কোলাত অসমীয়া হিচাপে এই ন-অসমীয়া-সকলৰ জীৱন-তৰীৰ গতি বৰ্ণনা কৰিছে। পুথিখনিত বিভিন্ন জনে লিখা আৰু সম্পাদনা কৰা বিভিন্ন শ্ৰেণীৰ সাহিত্যসম্ভাৰৰ বেছি পুথি আৰু আলোচনীৰ নাম উল্লেখ আছে। উল্লেখযোগ্য যে এই পুথিৰ লেখকৰ দ্বাৰা ৰচিত আৰু সম্পাদিত কিতাপ-পুস্তিকা আৰু আলোচনীৰ সংখ্যায়েই কুৰিতকৈ সৰহ। শিক্ষা আৰু সাহিত্য-সংস্কৃতিৰ চৰ্চ্চাৰ বেদিকা অসম চৰকাৰ, অসম সাহিত্য সভা, অন্যান্য সাংস্কৃতিক অনুষ্ঠান, ৰাজহুৱা কাকত তথা নেতৃস্থানীয় ব্যক্তিসকলৰ পৰা উপযুক্ত আদৰ আৰু সঁহাৰি নোপোৱাত লেখকে বেজাৰ আৰু ক্ষোভ প্ৰকাশ কৰিছে; অৱশ্যে নিৰাশ হোৱা নাই। লেখকৰ মতে বৰ্তমান অসমত চলি থকা 'বিদেশী-বহিষ্কৰণ আন্দোলন'ৰ ঢৌত এই সমাজখনৰ এচামে নিৰাপত্তাহীনতাৰ আশংকা কৰিছে। পুথিৰ শেষত একেখন দেশত একে মানৱ জাতিৰ সন্তান হিচাবে ভাৰতৰ সকলো ধৰ্ম, ভাষা আৰু জাতিৰ সন্তান-সন্ততি সকলৰ মাজত সাম্য-মৈত্ৰী আৰু সংহতিৰ কামনা কৰিছে আৰু গুণ-গৰিমা আৰু ঐশ্বৰ্য্যৰে পৰিপূৰ্ণ সোণৰ অসমৰ জয়গান গাইছে।

শিক্ষা আৰু সাহিত্যৰ ক্ষেত্ৰত অনগ্ৰসৰ এই সমাজখনৰ সাহিত্যিক অৱদানৰ সুকীয়াকৈ এখন পূৰ্ণাঙ্গ ইতিহাস ৰচনা কৰিবৰ সময় নৌ হয় যদিও বৰ্তমানলৈকে প্ৰকাশিত পুথি-আলোচনী সমূহৰ একোটিকৈ আলোচনা মূলক পৰিচয় দাঙি ধৰা হলে এই পুথিখনৰ গুৰুত্ব বাঢ়িলহেঁতেন। লিখকে পুথিখনিক ইতিবৃত্ত বুলি কোৱাৰ প্ৰয়াস কৰিছে যেতিয়া ইয়াত অলিখিত ৰূপত থকা উক্ত সমাজৰ বিবিধ বিষয়ৰ লোকগীত সমূহৰ উদাহৰণ আৰু প্ৰকাশিত আটাইবোৰ ৰচনাৰে প্ৰথম প্ৰকাশৰ চন-তাৰিখৰ আৱশ্যকতা দূৰ কৰিব নোৱাৰি। অৱশ্যে খৰখেদাকৈ হলেও এনে এটা কাম হাতত লোৱাৰ বাবে লেখক ন-অসমীয়া আৰু অসমীয়া উভয় সমাজৰ মাজত মৰম আৰু ধন্যবাদৰ পাত্ৰ হৈ ৰব।

শ্ৰীখগেন্দ্ৰনাথ চেতিয়া ফুকন

## প্ৰাপ্তি-স্বীকাৰ

১। মৰুমায়া ( কবিতা-সংকলন )
লিখক—ভৱপ্ৰসাদ ৰাজখোৱা
প্ৰকাশক — শ্ৰীগিৰিবালা ৰাজখোৱা, যোৰহাট
সম্পাদক— শ্ৰীপ্ৰদীপ কুমাৰ বৰুৱা
প্ৰথম তাঙৰণ, ১৯৮০
মূল্য— চাৰি টকা।

২। মোৰ জীৱন জাত্ৰাৰ কথা (আত্ম-জীৱনী )
লিখক— ধনাই বৰা
সংকলন-সম্পাদক— শ্ৰীঅতুলচন্দ্ৰ বৰুৱা
প্ৰকাশক— অসম সাহিত্য সভা, যোৰহাট
প্ৰথম তাঙৰণ, ১৯৮০
মূল্য— তিনি টকা।

৩। এনোকেৰী বেশ্যাৰ বিষয় আৰু কনি বেহেৰুৱাৰ বিষয় ( উপন্যাসিকা )
সংকলন-সম্পাদক— শ্ৰীনন্দ তালুকদাৰ
প্ৰকাশক— এল-বি-এচ পাব্লিকেশন্‌স, গুৱাহাটী।
প্ৰথম প্ৰকাশ, ১৯৮০
মূল্য— সাত টকা মাথোন।

৪। বিজ্ঞান গুৰু ডক্টৰ হিতেন্দ্ৰ কুমাৰ বৰুৱা ( জীৱনী )
লিখক আৰু প্ৰকাশক— শ্ৰীহেৰম্ব বৰঠাকুৰ
প্ৰথম প্ৰকাশ, ১৯৮০
মূল্য—দুটকা।

৫। ৰক্ত জবা ( কবিতা সংকলন )
লিখক— শ্ৰীভুবন শৰ্মা
প্ৰকাশক— নদো নাৰায়ণপুৰ আঞ্চলিক ছাত্ৰ সন্থা, উত্তৰ লক্ষীমপুৰ
প্ৰথম প্ৰকাশ, ১৯৮০
মূল্য— দুটকা মাত্ৰ।

৬। আবৰৰ কথা-বতৰা
লিখক আৰু প্ৰকাশক— শ্ৰীযোগেন্দ্ৰ নাৰায়ণ গোস্বামী, জামুগুৰিহাট, দৰং
প্ৰথম প্ৰকাশ— ১৯৭৭
মূল্য— ১.৫০ পইচা।

৭। ৰঙালী ( আলোচনী )
প্ৰথম বছৰ, প্ৰথম সংখ্যা, ১৯৮০
সম্পাদক – শ্ৰীযাদৱ শৰ্মা আৰু চৈয়দ মজমিল হুছেইন,
প্ৰকাশক— বিষ্ণুপ্ৰিয়া সাহিত্য-সংস্কৃতি বিকাশ সমিতি।
মূল্য—২.০০

## অসম সাহিত্য সভাৰ ভিতৰ চ'ৰা

কাৰ্য্য নিৰ্বাহক সমিতিৰ অধিবেশন, ১০।৩।৮০, ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়, ৰহা : নগাঁও

উপস্থিত সদস্য সকল :—

শ্ৰীঅতুল চন্দ্ৰ বৰুৱা, শ্ৰীৰজনী কান্ত দেৱশৰ্মা, শ্ৰীপ্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য্য, শ্ৰীনগেন ৰায়, এম ইলিম উদ্দিন দেৱান, শ্ৰীচিত্তৰঞ্জন চৌধুৰী, শ্ৰীনিৰিকান্ত ৰায়, শ্ৰীনাৰায়ণ শৰ্মা, শ্ৰীকুমাৰ কিশোৰ, শ্ৰীঅহিম বৰা, শ্ৰীযতীন গোস্বামী, শ্ৰীসুপ্ৰভা মেধি, ড° পৰীক্ষিত হাজৰিকা, শ্ৰীপ্ৰবীণ দাস, ড° নিশিপদ চৌধুৰী, শ্ৰীঅমল ৰাজখোৱা, শ্ৰীলীলা গগৈ।

বিশেষভাৱে নিমন্ত্ৰিত সকল :—

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা, শ্ৰীহিৰণ্য নাৰায়ণ বৰা, শ্ৰীধৰ্ম সিংহ ডেকা, শ্ৰীনগেন শইকীয়া, শ্ৰীভৃগুৰাম দাস।

১) প্ৰধান সম্পাদক শ্ৰীলীলা গগৈয়ে অসম সাহিত্য সভাৰ সভাপতি শ্ৰীঅতুল চন্দ্ৰ বৰুৱাক সমিতিৰ বৈঠক পৰিচালনা কৰিবৰ কাৰণে অনুৰোধ কৰে।

২। শ্ৰীঅতুল চন্দ্ৰ বৰুৱাই আসন গ্ৰহণ কৰি তলৰ শোক প্ৰস্তাৱ দুটি উত্থাপন কৰে। সদস্য সকলে এক মিনিট থিয় দি মৌনতা অৱলম্বন কৰে।

(১) অসম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্বাহক সমিতিৰ ১৯৭৯-৮০ বছৰৰ শেষ অধিবেশনে অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণ আহুতি দি ত্যাগৰ আদৰ্শ জিলিকাই যোৱা শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ, পূৰ্ণ নিমলিয়া, মুকুন্দ বড়ো, প্ৰমোদ কলিতা, কমল বৰা, দিলীপ হুজুৰী, কুমুদ গগৈ, নৃপেন বৰা, অজিত নেওগ আৰু নগেন ডেকাৰ বিদেহ আত্মাৰ চিৰ শান্তি কামনা কৰি ভগৱানৰ শ্ৰীচৰণত মৌন প্ৰাৰ্থনা জনায়। সভাই শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

(২) অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ ১৯৭৯-৮০ বছৰৰ শেষ অধিবেশনে তলত দিয়া ব্যক্তি-সকলৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে।

অসম সাহিত্য সভাৰ আজীৱন সভ্য প্ৰিয়নাথ দৰবধৰা বৰুৱা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য ড° হিতেন্দ্ৰ কুমাৰ বৰুৱা, গোলাঘাটৰ সাহিত্যিক যদুনাথ শইকীয়া, কটন কলেজৰ প্ৰাক্তন উপাধ্যক্ষ কমল ৰয়, শিল্পী ৰুদ্ৰ বৰুৱা, কবি দুলাল বৰপুজাৰী, কমলা প্ৰসাদ আগৰৱালা, কথা শিল্পী সুবোধ ঘোষ, ড° ৰবি মিত্ৰ, ডিব্ৰুগড়ৰ সমাজ কৰ্মী প্ৰফুল্ল দাস, আব্দুল কাদিৰ, যোৰহাটৰ নাগৰিক কনক দত্ত শইকীয়া, তিলকা শইকীয়া, গোৱালপাৰাৰ সমাজ কৰ্মী দেবেন দাস দেওধানী নৃত্যৰ গুৰু শিল্পী বড় তালুকদাৰ, বৰপেটাৰ বিশিষ্ট নাগৰিক হৰি দাস, ধুবুৰীৰ বিশিষ্ট নাগৰিক সুনীল চন্দ্ৰ দাস, মুক্তি যোদ্ধা ছবিলাল উপাধ্যায় প্ৰবীণ সাহিত্যিক দণ্ডধৰ কাটোৱালী, প্ৰিয়নাথ হাজৰিকা, ভদ্ৰেশ্বৰ

সোণোৱাল, ড° নাৰায়ণ চন্দ্ৰ কাকতি, যোগেন্দ্ৰ চন্দ্ৰ দাস।

সভাই মৃত ব্যক্তি সকলৰ বিদেহ আত্মাৰ চিৰ শান্তি কামনা কৰি ভগৱানৰ ওচৰত মৌন প্ৰাৰ্থনা জনায় আৰু শোক-সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

৩। অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীদুলাল চন্দ্ৰ বৰুৱাই কাৰ্য্যনিৰ্বাহক সমিতিৰ সদস্যসকলক আদৰণি জনায় আৰু অসমৰ বৰ্ত্তমান পটভূমিত সভাই গুৰু পূৰ্ণ ভূমিকা লব লাগিব বুলি বক্তব্য প্ৰকাশ কৰে।

৪। প্ৰধান সম্পাদকে পূৰ্ববৰ্ত্তী বৈঠকৰ কাৰ্য্য-বিৱৰণি উত্থাপন কৰে। সমিতিয়ে গ্ৰহণ কৰে।

৫। প্ৰধান সম্পাদকে জনায় যে — (ক) ছপাশালত থকা প্ৰকাশনৰ ভিতৰত 'নাগালেণ্ড', 'মৌ মহাভাৰত', 'ৰঘুনাথ চৌধাৰী গ্ৰন্থাৱলী', 'মোৰ জীৱন যাত্ৰাৰ কথা', 'হস্তমুক্তাৱলী', 'প্ৰাচীন অসমীয়া লিপি', 'আৰিষ্টটলৰ কাব্য-জিজ্ঞাসা' ছপা হৈ ওলাইছে আৰু 'নীলমণি ফুকন স্মৃতিগ্ৰন্থ', 'গিৰিধৰ শৰ্মা স্মৃতিগ্ৰন্থ', 'আধুনিক অসমীয়া কবিতা', 'ৰামচৰিত মানস', 'গুৱাহাটী অধিবেশনৰ বাৰ্ষিকী', আটাইকেইখন গ্ৰন্থ ছপাশালত আছে।

(খ) 'মধ্য এছিয়াৰ শব্দ সম্ভাৰ' নামৰ পুথিৰ পাণ্ডুলিপিৰ প্ৰতিলিপি আৰু 'বুৰঞ্জীৰ অভিধানৰ' প্ৰতিলিপি যুগুত কৰা হৈছে।

(গ) শিশু জ্ঞানকোষৰ চৰকাৰী অনুদানৰ ৬৫,০০০.০০ টকা পোৱা হৈছে আৰু শ্ৰীনৰকান্ত বৰুৱাক সম্পাদনাৰ কাম আগবঢ়াই নিবলৈ অনুৰোধ জনোৱা হৈছে।

(ঘ) সৰ্বভাৰতীয় কবি সন্মিলন আৰু আলোচনা চক্ৰৰ আন্তৰ্জাতীয় আয়োজন সম্পূৰ্ণ কৰিও বৰ্ত্তমান অসমৰ পৰিপ্ৰেক্ষিতত স্থগিত ৰাখিব লগীয়া হৈছে।

(ঙ) সঙ্গীতাচাৰ্য্য লক্ষীৰাম বৰুৱা সদনৰ প্ৰথম তলা নিৰ্মাণৰ বাবে মুঠ ২,১০,০০০.০০ টকাৰ আৰু দানবীৰ ৰাধাকান্ত সন্দিকৈ ভৱনৰ প্ৰথম তলা নিৰ্মাণৰ বাবে মুঠ ৫,১৭,০০০.০০ টকাৰ ৩% কম বন্দোবস্তীত শ্ৰীগৈৰেক ঠিকাদাৰক দায়িত্ব দিয়া হৈছে। ইতিমধ্যে নিৰ্মাণৰ কাম আগবাঢ়িছে। কিন্তু সভাৰ সংশ্লিষ্ট ভৱন দুটাৰ বাবে থকা পুঁজি যথেষ্ট নহয়।

(চ) সভাৰ কৰ্মপৰিষদে গঠন কৰা প্ৰচাৰ গোটৰ যোগেদি ইংৰাজীত এখন পুস্তিকা ( Eclipse in the East) প্ৰকাশ কৰা হৈছে আৰু কেইবাখনিও প্ৰচাৰপত্ৰ প্ৰচাৰ কৰা হৈছে। কিন্তু দিল্লী আৰু অন্যান্য স্থানত নতুনকৈ সাংবাদিক মেল আদি আয়োজন কৰিব পৰা হোৱা নাই।

(ছ) গণসংগ্ৰাম পৰিষদত শ্ৰীযতীন গোস্বামী (গুৱাহাটী) আৰু শ্ৰীনগেন শইকীয়াই অসম সাহিত্যসভাৰ প্ৰতিনিধিত্ব কৰিছে আৰু শ্ৰীযতীন গোস্বামীয়ে অন্যতম আহ্বায়ক স্বৰূপে দায়িত্ব নিৰ্বাহ কৰিছে।

(জ) কাৰ্য্য নিৰ্বাহক সমিতিৰ সিদ্ধান্ত অনুসৰি শ্ৰীকৈলাশ গোস্বামীক সভাৰ প্ৰকাশন অধিকৰ্ত্তাৰ দায়িত্বৰ পৰা অব্যাহতি দিয়া হৈছে।

(ঝ) দ্বিতীয় উপবিধি উপসমিতিৰ পৰামৰ্শাৱলী নিয়মাৱলীৰ সংশোধনী প্ৰস্তাৱৰ লগত শাখাসভা সমূহলৈ পঠিয়াই মতামত সংগ্ৰহ কৰাৰ কথা আছিল যদিও উপসমিতিৰ পৰামৰ্শাৱলী পাওঁতে পলম হোৱাত সিদ্ধান্ত গ্ৰহণ কৰিব পৰা নহ'ল।

(ঞ) জ্ঞানদাভিৰাম বৰুৱা শতবাৰ্ষিকী সম্পৰ্কত সকলো শাখা সভালৈ চিঠি দিয়া হৈছে আৰু জ্ঞানদাভিৰাম





ৰচনাৱলী সংকলন কৰা সম্পৰ্কত ড° নবেন কলিতা আৰু যোগেন্দ্ৰ নাৰায়ণ ভূঞাৰ লগত আলোচনা কৰা হৈছে।

৬। কাৰ্যনিৰ্বাহক সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰে যে :—

(ক) 'মধ্য এছিয়াৰ শব্দ সম্ভাৰ' প্ৰতিলিপি কৰাৰ পিছত পূৰ্ব সিদ্ধান্ত অনুসৰি পুনৰীক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰা হওক।

(খ) বুৰঞ্জীৰ অভিধানৰ এখন ভূমিকা প্ৰস্তুত কৰি দিবৰ কাৰণে পূৰ্বৰ সিদ্ধান্ত অনুসৰি ড° মহেশ্বৰ নেওগৰ লগত যোগাযোগ কৰা হওক।

(গ) শিশুজ্ঞান-কোষ প্ৰণয়নৰ কাম আৰম্ভ কৰিবৰ কাৰণে অধ্যাপক শ্ৰীনৰকান্ত বৰুৱাক অনুৰোধ জনোৱা হওক আৰু এই সম্পৰ্কত ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ অতিথিশালা কক্ষটো ব্যৱহাৰ কৰা হওক। জ্ঞানকোষৰ সম্পাদকৰ পৰা প্ৰয়োজনীয় সা-সামগ্ৰীৰ প্ৰয়োজন পত্ৰ সংগ্ৰহ কৰি সামগ্ৰী যোগান ধৰা হওক।

(ঘ) সমিতিয়ে সিদ্ধান্ত কৰে যে শিশুজ্ঞান-কোষৰ বাবে পোৱা চৰকাৰী অনুদানৰ এটা পুকীয়া হিচাপ অসম কো-অপাৰেটিভ এপেক্স বেংক, গুৱাহাটী শাখাত খোলাৰ ব্যৱস্থা কৰা হওক আৰু এই সম্পৰ্কীয় যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে প্ৰধান সম্পাদকক দায়িত্ব দিয়া হওক। উক্ত পুঁজি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক আৰু কোষাধ্যক্ষৰ যুটীয়া স্বাক্ষৰত পৰিচালিত হ'ব।

(ঙ) সৰ্বভাৰতীয় আলোচনা চক্ৰ আৰু কবি-সন্মিলন সময় আৰু সুবিধা অনুসৰি আয়োজন কৰাৰ ব্যৱস্থা কৰা হওক।

(চ) সঙ্গীতাচাৰ্য্য লক্ষীৰাম বৰুৱা সদন আৰু দানবীৰ ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণৰ বাবে লোৱা ব্যৱস্থাটি অনুমোদন জনোৱা হওক আৰু আৱশ্যকীয় অতিৰিক্ত পুঁজিৰ বাবে চৰকাৰ আৰু দাতাক অনুৰোধ জনোৱা হওক।

(ছ) দ্বিতীয় উপবিধি সমিতিৰ পৰামৰ্শাৱলী বিষয়-বাছনি সভাত উত্থাপন কৰা হওক।

৭। প্ৰধান সম্পাদকে জনায় যে কাৰ্য্যালয়ৰ সহকাৰী সকলৰ মৰগীয়া বানচৰ সম্পৰ্কত সংশ্লিষ্ট উপ সমিতিয়ে সকলো দিশ বিবেচনা কৰি তলত দিয়াৰ দৰে পুনৰ পৰামৰ্শ আগবঢ়ায়।

(১) বৰ্ত্তমান দ্ৰব্যমূল্য আৰু চৰকাৰী কৰ্মচাৰীৰ বেতনৰ নিৰিখলৈ লক্ষ্য ৰাখি পূৰ্বৰ প্ৰতিবেদনত উল্লেখ কৰা মৰগীয়া বানচকেই কাৰ্য্য নিৰ্বাহকে অনুমোদন জনাব লাগে।

(২) যিহেতু মুখ্য কাৰ্য্যালয়-সহকাৰী আৰু উচ্চবৰ্গ বা নিম্নবৰ্গ সহকাৰীৰ মাজত বেতনৰ প্ৰভেদ থকাটো স্বাভাৱিক, সেয়ে প্ৰতিবেদনত উল্লেখ থকা মুখ্য কাৰ্য্যালয়-সহকাৰী আৰু নিম্নবৰ্গ সহকাৰীৰ মাজত বানচৰ প্ৰভেদ থকাটো স্বাভাৱিক বুলি সমিতিয়ে অনুভৱ কৰে।

(৩) অসম চৰকাৰৰ মৰগীয়া বানচৰ হাৰৰ আহিত সমিতিয়ে সভাৰ বাবে নিজাববীয়াকৈ কৰ্মচাৰীৰ বানচৰ হাৰ নিৰ্দ্ধাৰণ কৰিছে। সমিতিয়ে অনুমোদন জনায় আৰু ১৯৭৯ চনৰ ১ ছেপ্তেম্বৰৰ পৰা কাৰ্য্যকৰী কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

৮। ডুতিৰাম বৰ্ণকাৰ হাজৰিকাৰ স্মৃতি ৰক্ষাৰ্থে তেওঁৰ উত্তৰাধিকাৰী সকলে লিখা চিঠিৰ সম্পৰ্কত শ্ৰীযোগেশ দাসে লিখা চিঠিৰ বিষয়ে প্ৰধান সম্পাদকে জনায়।

সমিতিয়ে সিদ্ধান্ত কৰে যে এই বিষয়ে উত্তৰাধিকাৰী সকলৰ লগত যোগাযোগ কৰা হওক।

৯। নগাওঁ সাহিত্য সভাৰ সম্পাদকৰ চিঠি আৰু নগাওঁ সাহিত্য সভাৰ সদস্য শ্ৰীৰমেশ ফুকনৰ চিঠিৰ বিষয় প্ৰধান সম্পাদকে উত্থাপন কৰে। সমিতিয়ে নগাওঁ সাহিত্য সভাৰ কাৰ্য্য নিৰ্বাহক সমিতি আৰু শ্ৰীৰমেশ ফুকনৰ লৈতে একেলগে বহি বিষয়টো আলোচনা কৰি নিজৰ মাজত থাকিব পৰা মতানৈক্য আঁতৰাই এটা বুজা-বুজিলৈ আহিবৰ বাবে অনুৰোধ জনায়।

১০। প্ৰধান সম্পাদকে কেন্দ্ৰীয় কাৰ্য্যালয়ত কাৰ্য্যালয়-সচিব পদ সম্পৰ্কে জনায় যে শ্ৰীকৃষ্ণ প্ৰসাদ বৰুৱাক পূৰ্বৰ সিদ্ধান্ত অনুসৰি অস্থায়ীভাৱে তিনিমাহলৈ মাহে ৫০০.০০ (পাঁচশ) টকা বেতনত নিযুক্তি দিয়া হৈছিল আৰু সচিবৰ অস্থায়ী কাৰ্য্যকালৰ অন্ত পৰিবৰ হ'ল। তদুপৰি সচিবে বে বৃদ্ধিৰ বাবেও আবেদন জনাইছে।

(ক) সমিতিয়ে সিদ্ধান্ত কৰে যে ১।৪।৮০ তাৰিখৰ পৰা এবছৰলৈ পুনৰ শ্ৰীকৃষ্ণ প্ৰসাদ বৰুৱাক কেন্দ্ৰীয় কাৰ্য্যালয়ত কাৰ্য্যালয়-সচিব হিচাপে মুঠ ৫৫০.০০ (পাঁচশ পঞ্চাশ) টকা পাৰিতোষিকত অস্থায়ী নিযুক্তি দিয়া হওক। কোনো কাৰণত সমিতিয়ে এনে নিযুক্তি এমাহৰ জাননীত বাতিল কৰিব পাৰিব।

(খ) কাৰ্য্যালয়-সচিব পদটো যিহেতু স্থায়ীপদ সেই-বাবে সমিতিয়ে সিদ্ধান্ত কৰে যে এই পদৰ এটি বেতনৰ নিৰিখ সম্পৰ্কত পৰামৰ্শ দিবৰ বাবে যোৱা বছৰৰ মৰগীয়া বাজেট নিৰ্দ্ধাৰণ সমিতিক অনুৰোধ কৰা হওক। বৰ্ত্তমান সচিবৰ পাৰিতোষিকৰ পৰিমাণৰ ভিত্তৰতে হোৱাকৈ বেতন নিৰ্দ্ধাৰণৰ যত্ন কৰিবৰ বাবে সমিতিয়ে পৰামৰ্শ দিয়ে।

১১। সমিতিয়ে সিদ্ধান্ত কৰে যে, বৰ্ত্তমান অসমৰ গণ-আন্দোলনৰ লগত জড়িত সকলো কাকত-পত্ৰ সংগ্ৰহ কৰা হওক যাতে ভৱিষ্যতে এই আন্দোলনৰ এখন তথ্যপূৰ্ণ অভিলেখ যুগুত কৰিব পৰা যায়। এই বিষয়ে পৰৱৰ্ত্তী কাৰ্য্যনিৰ্বাহক সমিতিয়ে প্ৰচাৰ গোটৰ পৰামৰ্শ বিবেচনা কৰি ব্যৱস্থা গ্ৰহণ কৰিব।

১২। (ক) প্ৰধান সম্পাদকে ১৯৭৯-৮০ বছৰৰ বছৰেকীয়া প্ৰতিবেদন উত্থাপন কৰে। সমিতিয়ে গ্ৰহণ কৰে আৰু বিষয়-বাছনি সভাত উত্থাপনৰ বাবে অনুমোদন জনায়। গুৱালকুছি অধিবেশনৰ হিচাপ ৬ মাহৰ ভিতৰতে সম্পূৰ্ণকৈ দিয়াৰ বাবে অভ্যৰ্থনা সমিতিক ধন্যবাদ জ্ঞাপন কৰাৰ কথা সন্নিবিষ্ট কৰা হয়।

(খ) প্ৰধান সম্পাদকে ১৯৭৮-৭৯ বিত্তীয় বছৰৰ পৰীক্ষিত হিচাপ উত্থাপন কৰে। সমিতিয়ে গ্ৰহণ কৰে আৰু বিষয়-বাছনি সভাত উত্থাপনৰ বাবে অনুমোদন জনায়।

১৩। প্ৰধান সম্পাদকে বিষয়-বাছনি সভাৰ আৰু সপ্তচত্বাৰিংশ সন্মিলনৰ কাৰ্য্যসূচী উত্থাপন কৰে। সমিতিয়ে অনুমোদন জনায়।

১৪। প্ৰধান সম্পাদকে নিয়মাৱলী সংশোধনী প্ৰস্তাৱ সমূহ উত্থাপন কৰে। সমিতিয়ে প্ৰস্তাৱ সমূহ ৰুকিয়াই বিষয়-বাছনি সভাত উত্থাপন কৰিবৰ বাবে শ্ৰীনগেন শইকীয়া, শ্ৰীপ্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য্য আৰু শ্ৰীযতীন গোস্বামীক লৈ এখন উপ-সমিতি গঠন কৰি দিয়ে।

১৫। সহকাৰী সম্পাদক শ্ৰীঅমল ৰাজখোৱাই সপ্তচত্বা-ৰিংশ সন্মিলনৰ সাংস্কৃতিক সন্মিলনৰ কাৰ্য্যসূচী অভ্য-ৰ্থনা সমিতিয়ে ২১।৩।৮০ তাৰিখে পূৰা দাখিল কৰিব



বুলি জনাইছে। সমিতিয়ে সাংস্কৃতিক সন্মিলনৰ কাৰ্য্য-সূচী যাতে পূৰ্বঘোষিত নীতি অনুসৰি অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য সমূহৰ জন-সংস্কৃতিৰ প্ৰতিফলক স্বৰূপ হয় তাৰ প্ৰতি চকু ৰাখিবলৈ পুনৰ অনুৰোধ জনায়।

১৬। প্ৰধান সম্পাদকে বিভিন্ন বঁটা উপসমিতি সমূহৰ সিদ্ধান্ত উত্থাপন কৰে —

(ক) মৌলিক চিন্তামূলক ৰচনাৰ বাবে মোহন চন্দ্ৰ শৰ্মা বঁটা 'চিন্তা আৰু চৰ্চা' নামৰ গ্ৰন্থৰ বাবে শ্ৰীনগেন শইকীয়াক, (খ) নব প্ৰতিভাৰ সন্ধানত: উপন্যাস প্ৰতিযোগিতাত গিৰিধৰ শৰ্মা সোঁৱৰণি বঁটা— 'দাহাকানা' নামৰ পাণ্ডুলিপিৰ বাবে শ্ৰীনৃপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য্যক, (গ) হৰিহৰ চৌধুৰী বঁটা প্ৰতিযোগিতাত: 'মিচিং জাতি' শীৰ্ষক ৰচনাৰ বাবে শ্ৰীকলেন টাইটক, (ঘ) বনমালী শইকীয়া বঁটা প্ৰতি যোগিতাত: 'কৰম পৰৱ' শীৰ্ষক ৰচনাৰ বাবেশ্ৰীমতী ভাৰতী গোৱালাক, (ঙ) শৰৎ চন্দ্ৰ গোস্বামী বঁটা প্ৰতিযোগিতাত: 'বিহু উৎসব' শীৰ্ষক ৰচনাৰ বাবে শ্ৰীপাৰমিতা ভাৱালক' (চ) হৰিপ্ৰসাদ নেওগ সোঁৱৰণি বঁটা প্ৰতিযোগিতাত: ৰত্নকান্ত বৰকাকতিৰ 'গদ্য সম্ভাৰ' গ্ৰন্থৰ মুদ্ৰণ আৰু অলংকৰণৰ বাবে প্ৰকাশক লয়াৰ্চ বুকষ্টল আৰু মুদ্ৰক নিউ এম্পেৰিক বঁটা প্ৰদান কৰাৰ কথা ঘোষণা কৰা হৈছে। সমিতিয়ে অনুমোদন জনায় আৰু বঁটা প্ৰাপক সকলক অভিনন্দন জনায়। (ছ) ডিগবৈ সাহিত্য সেৱা সমিতি বঁটা শ্ৰীবসন্ত শইকীয়াই 'মানুহ' নাটকৰ বাবে লাভ কৰিছে।

১৭। প্ৰধান সম্পাদকে জনায় যে উপযুক্ত গ্ৰন্থ নোপোৱাৰ বাবে প্ৰেমধৰ দত্ত সোঁৱৰণি বঁটা, শিশু উপন্যাস প্ৰতিযোগিতাৰ বাবে উপযুক্ত গ্ৰন্থ নোপোৱাত সেই সম্পৰ্কীয় বঁটা আৰু উপযুক্ত ৰচনা নোপোৱাৰ বাবে নব-প্ৰতিভাৰ সন্ধান বঁটা দিব পৰা নহ'ল।

প্ৰধান সম্পাদকে পুনৰ জনায় যে বিজ্ঞানৰ জনপ্ৰিয় গ্ৰন্থৰ বাবে শ্ৰীডিম্বেশ্বৰ চলিহাৰ 'প্ৰাণী-জগতৰ বিস্ময়' নামৰ গ্ৰন্থ খনি 'গোপাল চন্দ্ৰ বৰুৱা সোঁৱৰণি' বঁটাৰ বাবে সমিতিয়ে গোনপটীয়াকৈ বিবেচনা কৰিব পাৰে। সমিতিয়ে বিবেচনা কৰি পুৰস্কাৰৰ বাবে অনুমোদন জনায়।

১৮। প্ৰধান সম্পাদকে জনায় যে স্বৰ্গীয় মহানন্দ বৰুৱা আৰু স্বৰ্গীয়া শশীপ্ৰভা বৰুৱাৰ সোঁৱৰণত ৫০০০.০০ (পাঁচ) হাজাৰ টকাৰ এটি ন্যাস পুঁজি পোৱা হৈছে। সমিতিয়ে ধন্যবাদ সহ সেইধন গ্ৰহণ কৰে আৰু যোৰহাটৰ অসম কো-অপাৰেটিভ এপেক্স বেংকত অক্ষয় পুঁজি হিচাপে থাব সিদ্ধান্ত কৰে। এই পুঁজি প্ৰধান সম্পাদকৰ দ্বাৰা পৰিচালিত হব।

১৯। সমিতিয়ে সিদ্ধান্ত কৰে যে, গোপাল চন্দ্ৰ বৰুৱা সোঁৱৰণি বঁটা আৰু গিৰিধৰ শৰ্মা সোঁৱৰণি বঁটাৰ বাবে চলিত বছৰত সভাৰ সাধাৰণ পুঁজিৰ পৰাই প্ৰয়োজনীয় অৰ্থ ব্যয় কৰা হওক।

২০। গিৰিধ শৰ্মা বঁটাৰ বাবে আৰু গোপাল চন্দ্ৰ বৰুৱা বঁটাৰ বাবে দাতা সকলৰ পৰা পোৱা অৰ্থ যোৰহাটৰ অসম কো-অপাৰেটিভ এপেক্স বেংকত দুটা অক্ষয় পুঁজি স্বৰূপে জমা ৰাখিবলৈ সিদ্ধান্ত কৰা হয়। এই-পুঁজি দুটা প্ৰধান সম্পাদকৰ দ্বাৰা পৰিচালিত হব।

২১। সমিতিয়ে সিদ্ধান্ত কৰে যে 'অসম সাহিত্য সভা পত্ৰিকাত' 'শাখা সভাৰ বাতৰি' নাম দি এটা শিতান খুলিব লাগে আৰু শাখা সভা সমূহৰ কাম-কাজৰ চমুটোকা তাত সন্নিবিষ্ট কৰিব লাগে।

২২। প্ৰধান সম্পাদকে ১।৪।৭৯ তাৰিখৰ পৰা ৩১।১২।৭৯ তাৰিখলৈকে হোৱা আয়-ব্যয়ৰ হিচাপ উত্থাপন কৰে।

২৩। বঁটা উপ-সমিতি সমূহৰ বাবে উপযুক্ত উপবিধি প্ৰণয়ন কৰিবলৈ তলত নাম দিয়া ব্যক্তি সকলৰে এখন উপ-সমিতি গঠন কৰা হয়:— প্ৰধান সম্পাদক, শ্ৰীৰজনীকান্ত দেৱশৰ্মা, আৰু শ্ৰীৰাম গোস্বামী।

২৪। সিদ্ধান্ত কৰা হয় যে পৰৱৰ্তী কাৰ্যনিৰ্বাহক সমিতিয়ে সভাৰ গুৱাহাটী আৰু যোৰহাটৰ নিৰ্মীয়মান ভৱন দুটাৰ নিৰ্মাণ সমিতি নতুনকৈ গঠন নকৰা পৰ্যন্ত পুৰণি নিৰ্মাণ সমিতি দুখনকে সদায়হতে কাম কৰি যাবলৈ অনুৰোধ জনোৱা হওক।

২৫। সদৌ অসম গণ-সংগ্ৰাম পৰিষদত অসম সাহিত্য সভাৰ প্ৰতিনিধিত্ব সম্পৰ্কে আৰু অসম সাহিত্য সভাৰ কৰ্ম-পৰিষদ অৰাজনৈতিক সংস্থাৰ প্ৰতিনিধিকোলৈ নকৈ গঠন কৰা সম্পৰ্কে শ্ৰীনগেন শইকীয়াৰ চিঠি প্ৰধান সম্পাদকে উত্থাপন কৰে। প্ৰধান সম্পাদকে লগতে জনায় যে গণ-সংগ্ৰাম পৰিষদৰ অংশীদাৰ গোট হিচাপে অসম সাহিত্য সভাই পৰিষদৰ সিদ্ধান্ত সমূহৰ কথা জানিব লাগে যদিও অদ্য পৰিমিত তেনে কোনো যোগাযোগ গণসংগ্ৰাম পৰিষদৰ পক্ষৰ পৰা পোৱা নাই। গতিকে ইয়াৰ ফলত সভাৰ বাবে কেতিয়াবা অসুবিধা-জনক পৰিস্থিতিৰো উদ্ভৱ হব পাৰে।

শ্ৰীযতীন গোস্বামীয়ে জনায় যে গণ-সংগ্ৰাম পৰিষদত অন্যান্য অৰাজনৈতিক সংস্থাৰ প্ৰতিনিধি লৈ নকৈ পৰিষদ গঠন কৰাৰ প্ৰস্তাৱ আছে। সমিতিয়ে নকৈ পৰিষদ গঠন নকৰি, পৰৱৰ্তী কাৰ্যনিৰ্বাহকলৈ বিষয়টো স্থগিত ৰাখে আৰু বৰ্তমানৰ প্ৰতিনিধি দুজনকে সদায়হতে গণ-সংগ্ৰাম পৰিষদত প্ৰতিনিধি হিচাপে থাকিবলৈ অনুমোদন জনায়।

এই সম্পৰ্কত সমিতিয়ে এই মত প্ৰকাশ কৰে যে সদৌ অসম গণ-সংগ্ৰাম পৰিষদত সদৌ অসম ৰাজ্যিক কৰ্মচাৰী পৰিষদকে ধৰি, ৰাজ্যিক ভিত্তিত থকা বিভিন্ন সমস্তাৰা-পন্ন অৰাজনৈতিক সংস্থা আৰু অনুষ্ঠানৰ প্ৰতিনিধিক অন্তৰ্ভুক্ত কৰি বৰ্তমানৰ পৰিষদক অধিক বহল আৰু শক্তিশালী কৰি তুলিব লাগে।

২৬। অসম সাহিত্য সভাৰ কৰ্মপৰিষদে গঠন কৰি দিয়া আইন পৰামৰ্শদাতা সমিতিৰ সদস্য শ্ৰীঅৰুণ গোস্বামীয়ে দিয়া এটি টোকা পাঠ কৰা হয়। এই সম্পৰ্কত শ্ৰীগোস্বামীয়ে আগবঢ়োৱা সেৱাৰ বাবে তেখেতক ধন্যবাদ জ্ঞাপন কৰা হয়। তদুপৰি এগৰাকী সদস্য হিচাপে 'টাইমছ অব ইণ্ডিয়া' কাকতৰ সম্পাদকীয় প্ৰবন্ধত অসম সাহিত্য সভাৰ বিষয়ে কৰা বিৰূপ মন্তব্যৰ প্ৰতিবাদ জনাই দিয়া গোচৰত উক্ত কাকতে ভুল সংবাদৰ ভিত্তিত সভাৰ মৰ্যাদা ক্ষুণ্ণ কৰাৰ কথা স্বীকাৰ কৰি ক্ষমা বিচৰাৰ কথাও জনোৱা হয়। সমিতিয়ে সন্তোষ প্ৰকাশ কৰে।

২৭। প্ৰধান সম্পাদকে জনায় যে চুলীয়াজান আৰু উত্তৰ কামৰূপৰ সম্পৰ্কত সভাৰ পুঁজিৰ পৰা ৩০০'০০ (তিনি)শ টকা ব্যয় কৰা হৈছে। সমিতিয়ে অনুমোদন জনায়।

২৮। সভাপতি শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাই জনায় যে তেখেতে যোৱা বছৰটোত অসম সাহিত্য সভাৰ কামত কৰা ভ্ৰমণৰ বাবে ভ্ৰমণ খৰচ নলৈ সেইখিনি সভাৰ পুঁজিতে থকাটো বিচাৰে। এই উদাৰতাৰ বাবে সমিতিয়ে তেখেতক ধন্যবাদ জ্ঞাপন কৰে।

২৯। প্ৰধান সম্পাদকে গোলাঘাট অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ পৰা পোৱা আংশিক আয়-ব্যয়ৰ পৰীক্ষিত হিচাপ উত্থাপন কৰে। সমিতি অৱগত হয় আৰু যি সামান্য অংশ বাকী আছে, সেই অংশও সামৰি হিচাপ সম্পূৰ্ণ কৰিবৰ বাবে অভ্যৰ্থনা সমিতিক জনাবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।



৩০। সদস্য শ্ৰীনিৰিকান্ত ৰায়ে ধুবুৰীত অসম সাহিত্য সভাৰ এটি আঞ্চলিক কাৰ্যালয় প্ৰতিষ্ঠাৰ বাবে সভাই পূৰ্বতে গ্ৰহণ কৰা সিদ্ধান্ত কাৰ্যকৰী কৰিব লাগে বুলি জনায়। সমিতিয়ে পৰিবৰ্তিত পটভূমিত জিলা পৰিষদ সমূহ গঠন হোৱাৰ প্ৰতি লক্ষ্য ৰাখি, ধুবুৰীত জিলা পৰিষদৰ কাৰ্যালয় স্থাপিত হলেই আঞ্চলিক কাৰ্যালয়ৰ অভাব দূৰ হব বুলি অনুভৱ কৰে।

৩১। সমিতিয়ে তলত নাম দিয়া শাখা সভা সমূহক আৰু স্বীকৃত সভাৰ অন্তৰ্ভুক্ত হবলৈ বিচৰা অনুষ্ঠান সমূহক স্বীকৃতি দিয়ে—

(ক) শাখা সভা সমূহ :—

১। যোগীজান সাহিত্য সভা—নগাঁও
২। মনহা আঞ্চলিক সাহিত্য সভা—নগাঁও
৩। বজাবাৰী সাহিত্য সভা—দৰং
৪। সৰিয়হজান সাহিত্য সভা—কাৰ্বি আংলং
৫। পূব হোলোঙাপাৰ সাহিত্য সভা—কাকজান, যোৰহাট
৬। ৰ'দালি সাহিত্য সভা—চোলাধৰা, যোৰহাট
৭। সেউজী কানন সাহিত্য সভা—বৰহোলা, যোৰহাট
৮। চাঁহচৰা সাহিত্য সভা—কুঁজিবালি, শিৱসাগৰ
৯। ধিতাই পুখুৰী সাহিত্য সভা—শিৱসাগৰ
১০। অৰুণোদয় গ্ৰাম্য সাহিত্য কলাকৃষ্টি বিকাশ অনুষ্ঠান—নাহৰকটীয়া
১১। বজালনী সাহিত্য সভা—ডিব্ৰুগড়
১২। বুকং সাহিত্য সভা—বুকং বাগিচা, নাহৰকটীয়া
১৩। কলাখোৱা আঞ্চলিক সাহিত্য সভা—বৰবৰুৱা, ডিব্ৰুগড়
১৪। লুইত পৰীয়া সাহিত্য সভা—কুৰুৱা, দৰং
১৫। সদৌ ডুবিয়া শাখা সাহিত্য সভা—ডুবিয়া, দৰং
১৬। চিচি বৰগাওঁ সাহিত্য সভা—চিচি বৰগাওঁ, ধেমাজি, লক্ষীমপুৰ
১৭। মৰিচল সাহিত্য সভা—মৰিচল, উত্তৰ লক্ষীমপুৰ
১৮। হালাকুৰা সাহিত্য সভা—গোৱালপাৰা
১৯। কাছাৰ সঞ্জীৱনী সাহিত্য সভা—হাইলাকান্দি
২০। বামুণাবাৰী সাহিত্য সভা—ডিব্ৰুগড়
২১। সত্ৰশাল সাহিত্য সভা—কামৰূপ জিলা
২২। শুকান পুখুৰী সাহিত্য সভা—শিৱসাগৰ
২৩। সুৰভি সাহিত্য সভা—বৰ পাঠৰী, নগাঁও
২৪। নেলী আঞ্চলিক সাহিত্য সভা—নগাঁও
২৫। তেলাহী আঞ্চলিক সাহিত্য সভা—নগাঁও
২৬। ডিঙ্গু ৰামপুৰ আঞ্চলিক সাহিত্য সভা—উত্তৰ লক্ষীমপুৰ
২৭। পানাপাৰা আঞ্চলিক সাহিত্য সভা—গুৱাহাটী
২৮। বৰগুৰাৰ আঞ্চলিক সাহিত্য সভা—কামৰূপ জিলা
২৯। ছমৰীয়া সত্ৰ ৰামসৰস্বতী সাহিত্য সভা—কামৰূপ জিলা
৩০। অসম যুৱক সমাজ—গুৱাহাটী
৩১। জ্ঞানদায়িনী সাহিত্য সভা—দৰং জিলা
৩২। ৰাৰকাপুৰ সাহিত্য সভা—হাইলাকান্দি
৩৩। চামগুৰি সাহিত্য সভা — নগাঁও
৩৪। বাগ্ৰাবাৰী সাহিত্য সভা — কামৰূপ
৩৫। লাহিং সাহিত্য সভা — যোৰহাট
৩৬। বকুল সাহিত্য সভা — ডিব্ৰুগড়
৩৭। মানকটা মৌজা সাহিত্য সভা — ডিব্ৰুগড়
৩৮। জ্যোতি সাহিত্য সভা — কাৰ্বি আংলং
৩৯। জ্যোতি অংকুৰ সাহিত্য সভা — ভবানীপাৰা, কামৰূপ
৪০। ভাস্কৰ সাহিত্য সমাজ — গুৱাহাটী
৪১। নগাজাংকা সাহিত্য সভা — যোৰহাট
৪২। টিপনা শাখা সাহিত্য সভা — ডিব্ৰুগড়

(খ) স্বীকৃত সভা সমূহ :—

১। ৰোকনী নৱজ্যোতি সংঘ — লেচেৰী বাৰী, নগাওঁ
২। অসম নাট্য সম্মিলন—বিহপুৰীয়া, শাখা বিহপুৰীয়া, লক্ষীমপুৰ।
৩। বিহপুৰীয়া ক্লাব—বিহপুৰীয়া, লক্ষীমপুৰ ।

সমিতিয়ে তলত নাম দিয়া আজীৱন সভ্য সকলক স্বীকৃতি দিয়ে :—

১। শ্ৰীনলিনীকান্ত ভূঞা — চাবিং
২। " ভুবনচন্দ্ৰ বৰদলৈ — চিচি বৰগাওঁ
৩। " ৰুগাধৰ ভূঞা — চিচি বৰগাওঁ
৪। " গণেশচন্দ্ৰ গগৈ—ৰবাগড়, শিৱসাগৰ
৫। " চন্দ্ৰকুমাৰ দাস — ডিফু
৬। " হেৰম্বনাথ শইকীয়া—ডিফু
৭। " কালিচৰণ বৰ্মণ — "
৮। " গোপীনাথ ঠাকুৰীয়া— "
৯। " ৰমেশচন্দ্ৰ শৰ্মা— "
১০। " নাৰায়ণচন্দ্ৰ শৰ্মা— "
১১। " দেৱেন গগৈ— "
১২। " সূৰ্য্যকুমাৰ ফুকন—সাপেখাতী, শিৱসাগৰ
১৩। " লীলাধৰ বৰা,—যোৰহাট
১৪। " কৃষ্ণ সন্দিকৈ—জাঁজী
১৫। " বিষ্ণুৰাম তাঁতি—সোণাৰী
১৬। " সত্য তাঁতি—সাপেখাতী
১৭। " ৰমানন্দ বৰুৱা—জাঁজী
১৮। " বিমল বৰবৰা—নগাওঁ
১৯। " ঠাণুৰাম বৰা—নগাওঁ
২০। " বলিনাৰায়ণ বৰুৱা—যোৰহাট
২১। " হেমপ্ৰভা গোস্বামী—চুঙী, যোৰহাট
২২। " উপেন্দ্ৰনাথ চেতিয়া—হাঁহচৰা
২৩। " গুৰুপ্ৰসাদ বৰঠাকুৰ—হাঁহচৰা
২৪। শ্ৰীপ্ৰাণেশচন্দ্ৰ ৰায়—তিতাবৰ
২৫। " সুকোমল বৰা—ধেমাজি
২৬। " দুৰ্যোধন শইকীয়া—শিৱসাগৰ
২৭। " ৰামেশ্বৰ আগৰৱালা—ধেমাজি
২৮। " ৰাজেন্দ্ৰ আগৰৱালা—ধেমাজি
২৯। " মহেশ্বৰ পাছনি—ধেমাজি
৩০। " মানিকচন্দ্ৰ সেনাপতি—শিৱসাগৰ
৩১। " ঘন বৰা—শিৱসাগৰ
৩২। " ৰত্নেশ্বৰ ডেকা—শিৱসাগৰ
৩৩। " ৰাজীৱ গগৈ—ধেমাজি
৩৪। " নগেন গোঁহাই—ধেমাজি
৩৫। " শ্যামসুন্দৰ পাড়োদিয়া—ধেমাজি
৩৬। " চন্দ্ৰ চুতীয়া—ধেমাজি
৩৭। " গুণ ভড়ালী—ধেমাজি
৩৮। " জ্যোতি বৰকাকতি—গুৱাহাটী
৩৯। " ৰঞ্জনকুমাৰ ৰায়—শিলচৰ
৪০। " শোভনচন্দ্ৰ গোস্বামী—দক্ষিণ কলাবাৰী
৪১। " শিৱ শৰ্মা—নাৰায়ণপুৰ, উত্তৰ লক্ষীমপুৰ
৪২। " প্ৰবোধচন্দ্ৰ শৰ্মা—কাহিলীপাৰা, গুৱাহাটী
৪৩। " অতুল গগৈ—নামৰূপ
৪৪। " দুলালচন্দ্ৰ বৰুৱা—নামৰূপ
৪৫। " প্ৰভাতচন্দ্ৰ দত্ত—নামৰূপ
৪৬। " নিকুঞ্জবিহাৰী দাস—ৰামদিয়া, কামৰূপ
৪৭। " খগেন্দ্ৰ দাস—কামৰূপ
৪৮। " মনিৰাম বৰা—লক্ষীমপুৰ
৪৯। " অক্ষয়কুমাৰ মিশ্ৰ—বৰপেটা
৫০। " সতীশচন্দ্ৰ দাস—বৰপেটা
৫১। " গোলাপচন্দ্ৰ হাজৰিকা—উত্তৰ লক্ষীমপুৰ
৫২। " ভুবনচন্দ্ৰ লহকৰ—গুৱাহাটী
৫৩। " অজিতকুমাৰ শৰ্মা—গুৱাহাটী
৫৪। " মনোৰঞ্জন দাস—যোৰহাট
৫৫। " কল্যাণ ভাগৱতী—চতিয়া
৫৬। " নীৰেন্দ্ৰনাথ ভূঞা—চামতা





৫৭। শ্ৰীলোকনাথ কেজৰীৱাল—ডিব্ৰুগড়
৫৮। " হেম বৰা—গোলাঘাট
৫৯। " অজিতকুমাৰ গোস্বামী—কাছাৰ
৬০। " সুৰেন্দ্ৰনাথ বৰঠাকুৰ—যোৰহাট
৬১। " হিজমক্ষীৰ গোপাল সিংহ—নগাওঁ
৬২। " শশীধৰ উপাধ্যায়—নগাওঁ
৬৩। " ভৱানীশংকৰ শৰ্মা—নগাওঁ
৬৪। " নন্দকিশোৰ শৰ্মা—নগাওঁ
৬৫। " নৃপেন্দ্ৰনাথ ডিহিদাৰ—গৌৰীপুৰ
৬৬। শ্ৰীমতী কল্পনা দাস—উত্তৰ লক্ষীমপুৰ
৬৭। " মিনা শৰ্মা—উত্তৰ লক্ষীমপুৰ
৬৮। " সুপ্ৰভা মেধি—উত্তৰ লক্ষীমপুৰ
৬৯। শ্ৰী ...ন্দ্ৰনাথ শৰ্মা—উত্তৰ লক্ষীমপুৰ
৭০। " ...ৰীশচন্দ্ৰ দত্ত—গোলাঘাট
৭১। " তৰুলতা দাস—বৰপেটা
৭২। " সহদেৱ ডেকা—চেঙা
৭৩। " গোবৰ্দ্ধন দাস—ভৱানীপুৰ
৭৪। " হৰিনাথ শৰ্মাদলৈ—বৰপেটা
৭৫। " শুভচন্দ্ৰ বৰুৱা—গুৱাহাটী
৭৬। " সূত্ৰধৰ গগৈ—ডিব্ৰুগড়
৭৭। " সুজিত বৰুৱা—ডিব্ৰুগড়
৭৮। " সত্যনাৰায়ণ চৌবে—কাৰ্বি আংলং
৭৯। " গৌৰীশংকৰ শূৰ—বোকাজান
৮০। " অৱদেশ কুমাৰ মফচনা—গোলাঘাট
৮১। " শৰৎচন্দ্ৰ বৰঠাকুৰ—গোলাঘাট
৮২। " মহাবীৰপ্ৰসাদ পুৰুহিত—গোলাঘাট
৮৩। " ৰতনলাল জোশী—গোলাঘাট
৮৪। " মহেন থাউওে—গোলাঘাট
৮৫। " শ্ৰীদাম গুৱালা—গোলাঘাট
৮৬। " ফনীধৰ চাংমাই—বৰবৰুৱা
৮৭। " নিত্যানন্দ গগৈ—শিৱসাগৰ
৮৮। " মুনীন্দ্ৰনাথ ভট্টাচাৰ্য্য—ডিব্ৰুগড়
৮৯। " সুধীৰৰঞ্জন ভট্টাচাৰ্য্য—ডিব্ৰুগড়

৩২। প্ৰধান সম্পাদকে জনায় যে নৱগঠিত ধনশিৰী-পৰীয়া শাখা সভা সম্পৰ্কে গোলাঘাট শাখাৰ পৰা অভিযোগ পোৱা হৈছে। সমিতিয়ে ধনশিৰীপৰীয়া শাখা সভাৰ স্বীকৃতি দান স্থগিত ৰাখে আৰু এই সম্পৰ্কে অনুসন্ধান কৰি এটি প্ৰতিবেদন দাখিল কৰিবলৈ শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য্যক দায়িত্ব দিয়ে।

৩৩। চলিত বছৰত জমা হোৱা আজীৱন সভ্যৰ পুঁজিৰ টকা পূৰ্বৰ দৰেই 'ষ্টেট বেংক অব ইণ্ডিয়া' যোৰহাট শাখাত দীৰ্ঘম্যাদী স্থায়ীজমা আঁচনিত জমা দিবৰ বাবে প্ৰধান সম্পাদকক ভাৰ দিয়া হওক। উল্লেখ থাকে যে আজীৱন সভ্যৰ উক্ত পুঁজি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ দ্বাৰা পৰিচালিত হব।

৩৪। যোৱা ৮।২।৭৯ তাৰিখৰ কাৰ্য-নিৰ্বাহক সমিতিৰ ২০ নং সিদ্ধান্ত অনুসৰি ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণৰ কাম আৰম্ভ নোহোৱা পৰ্যন্ত ৩১।৩।৭৯ তাৰিখৰ পৰা সাময়িক ভাৱে অব্যাহতি দিয়া মহৰী আৰু অংশকালীন হিচাপৰক্ষকক সম্প্ৰতি কাম আৰম্ভ হোৱাত পুনৰ ২৬।২।৮০ তাৰিখৰ পৰা নিয়োগ কৰা হওক।

৩৫। যোৱা ২৪।৩।৭৯ তাৰিখে ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণ সমিতি নতুনকৈ গঠন কৰা হয়। এই মৰ্মে সিদ্ধান্ত গ্ৰহণ কৰা হয় যে — ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণ সমিতিৰ নামত অসম 'কো-অপাৰেটিভ এপেক্স বেংক'ত থকা হিচাপ সমিতিৰ সভাপতি শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী আৰু সম্পাদক শ্ৰীঅমল ৰাজখোৱাৰ দ্বাৰা পৰিচালিত হ'ব।

৩৬। ভাষাজ্ঞান পৰীক্ষা আৰু অধিবেশনৰ অতিৰিক্ত কামৰ বাবদ শ্ৰীহেম বৰা আৰু শ্ৰীদুলাল হাজৰিকাক সাময়িক ভাৱে দৈনিক পাৰিতোষিক ৮·০০ ( আঠ ) টকা

হিচাপে কামৰ প্ৰয়োজন অনুসৰি নিযুক্তি দিয়া হয়।

৩৭। আজীৱন সভ্যৰ অক্ষয় পুঁজিৰ ডাকঘৰত জমা ৰখা জাতীয় সঞ্চয় পত্ৰৰ নং — (১) ১৮২৩৭৩—৫,০০০·০০ (২) ০৭৬৪২২—১,০০০·০০ (৩) ০৭৬৪২৩—১,০০০·০০ (৪) ৮৬৩৫৪০—১০০·০০ (৫) ৮৬৩৫৪১—১০০·০০— মুঠ ৭,২০০·০০ সাত হাজাৰ দুশ টকা)।

(ক) যোৰহাট থাই ডাকঘৰত জাতীয় সঞ্চয় আঁচনিত জমা ৰখা ওপৰত উল্লেখ কৰা ক্ৰমাংক অনুসৰি আজীৱন সভ্য পুঁজিৰ সাত হাজাৰ দুশ টকাৰ ম্যাদ ইতিমধ্যে উকলি গৈছে। পূৰ্বৰ দৰেই উক্ত পুঁজি টকা ডাকঘৰৰ পৰা সুদেমূলে উঠাই আনিবৰ বাবে প্ৰধান সম্পাদকক দায়িত্ব দিয়া হওক।

(খ) উক্ত আজীৱন সভ্যৰ মূল টকা পুনৰ 'ষ্টেট বেংক অৱ ইণ্ডিয়া'ৰ যোৰহাট শাখাত দীৰ্ঘম্যাদী স্থায়ী জমা আঁচনিত জমা ৰাখিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়া হওক। উল্লেখ থাকে যে — আজীৱন সভ্যৰ পুঁজিৰ টকা অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকদ্বাৰা পৰিচালিত হয়।

৩৮। চলিত ১৯৭৯-৮০ চনৰ সভাৰ বিত্তীয় বছৰৰ হিচাপ পৰীক্ষাৰ বাবে অসম সাহিত্য সভাৰ হিচাপ-পৰীক্ষক শ্ৰীজ্ঞানেন্দ্ৰনাথ শইকীয়াক জনাবৰ বাবে প্ৰধান সম্পাদকক ভাৰ দিয়া হওক।

৩৯। প্ৰধান সম্পাদকে জনায় যে অধিবেশনত হব পৰা ক্ষুদ্ৰ মুদ্ৰণ, পৰিবহন, পুথিচ'ৰাৰ আয়োজন, কাৰ্যালয় অস্থায়ীভাৱে স্থানান্তিকৰণ ইত্যাদি যাৱতীয় ব্যৱস্থা বাবত অনুমোদন জনাব লাগে। সমিতিয়ে অনুমোদন জনায়।

৪০। প্ৰধান সম্পাদকে জনায় যে অতিৰিক্ত শ্ৰমৰ বাবে সভাৰ কৰ্মচাৰী সকলক একোটিকৈ উপৰঞ্চি পাৰিতোষিক দিয়া হওক। সমিতিয়ে তলত দিয়াৰ দৰে পাৰিতোষিক মঞ্জুৰ কৰে।

| | |
|---|---|
| শ্ৰীনন্দ বৰদলৈ— | ২৫০·০০ টকা |
| শ্ৰীহেম শইকীয়া— | ২০০·০০ ,, |
| শ্ৰীচেমিৰুদ্দিন আহমেদ—১৫০·০০ | ,, |
| শ্ৰীঅনন্ত তালুকদাৰ— | ১৫০·০০ ,, |
| শ্ৰীমাখন গগৈ— | ১৫০·০০ ,, |
| শ্ৰীপ্ৰমোদ হাজৰিকা— | ১০০·০০ ,, |
| শ্ৰীকৃষ্ণ প্ৰসাদ বৰুৱা— | ২০০·০০ ,, |
| শ্ৰীনৰেন হাতৈ— | ৭৫·০০ ,, |
| শ্ৰীৰাজেন বৰা— | ৭৫·০০ ,, |
| শ্ৰীঅমূল্য হাতৈ— | ৭৫·০০ ,, |

৪১। প্ৰধান সম্পাদকে জনায় যে সভাৰ প্ৰকাশন সম্পাদনাত তলত দিয়াৰ দৰে ব্যয় হৈছে। উক্ত ধন মঞ্জুৰ কৰিব লাগে। সমিতিয়ে মঞ্জুৰ কৰে।

১। শ্ৰীঅতুলচন্দ্ৰ বৰুৱা—'ৰঘুনাথ চৌধাৰী গ্ৰন্থাৱলী' —৩০০·০০ টকা

২। ঐ — 'মোৰ জীৱন যাত্ৰাৰ কথা'—১০০·০০ টকা

৩। শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা— 'নীলমণি ফুকন প্ৰতিভা'—২০০·০০ টকা

৪। শ্ৰীৰামচৰণ ঠাকুৰীয়া— 'গিৰিধৰ শৰ্মা স্মৃতি গ্ৰন্থ' — ২০০·০০ ,,

৫। শ্ৰীপ্ৰকাশ গোস্বামী—পাঠ-চয়ন — ১০০·০০ "

৬। কাৰ্যালয়—'ৰাম চৰিত মানস' — ৩৫০·০০ "

৭। শ্ৰীৰজনীকান্ত দেৱ শৰ্মা — 'ৰামচৰিত মানস' — ৩০০·০০ "

৮। শ্ৰীৰজনীকান্ত দেৱ শৰ্মা, শ্ৰীযোগেশ দাস, শ্ৰীঅতুলচন্দ্ৰ বৰুৱা } গাইপতি ৫০·০০ টকাকৈ —১৫০·০০

সমিতিয়ে অনুমোদন জনায়।



৪২। সভাপতি শ্ৰীঅতুলচন্দ্ৰ বৰুৱাই বছৰটোৰ কাম-কাজত সদস্য সকলে সহায়-সহযোগিতা আগ বঢ়োৱাৰ বাবে শলাগ জ্ঞাপন কৰে।

প্ৰধান সম্পাদকে সভাপতি প্ৰমুখ্যে সকলো সদস্য-লৈকে শলাগ জনায়; লগতে বহা অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ শলাগ লয়। শ্ৰীনগেন শইকীয়াই ১৯৭৯—৮০ চনৰ কাৰ্যনিৰ্বাহক সমিতিয়ে সফলতাৰে সভাৰ কাম-কাজ পৰিচালনা কৰাৰ বাবে শলাগ জ্ঞাপন কৰে।

সভাপতিয়ে সভাৰ সামৰণি ঘোষণা কৰে।

স্বাঃ শ্ৰীঅতুলচন্দ্ৰ বৰুৱা
সভাপতি,
অসম সাহিত্য সভা
২১।৩।৮০

স্বাঃ শ্ৰীলীলা গগৈ
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা
২১।৩।৮০

—

## প্ৰধান সম্পাদকৰ বাৰ্ষিকীয় প্ৰতিবেদন ঃ ১৯৭৯-৮০

**প্ৰস্তাৱনা :**

এই বছৰটোৰ ভিতৰত আমি অসমীয়া ভাষা-সাহিত্যলৈ আন্তৰিকতাৰে বৰঙণি দিয়া ভালে কেইগৰাকী ব্যক্তিক হেৰুৱাৰ উপৰিও পুলিচৰ অত্যাচাৰ আৰু দুৰ্বৃত্তৰ হাতত শ্বহীদ হোৱা বহু কেইজন ডেকাক হেৰুৱাবলগীয়া হওঁ। তেওঁবিলাকৰ পৱিত্ৰ স্মৃতিত সদৌ প্ৰতিনিধিবৰ্গৰ হৈ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। সেইসকলৰ ভিতৰত প্ৰাক্তন সভাপতি উপেন্দ্ৰচন্দ্ৰ লেখাৰু, অভ্যৰ্থনা সমিতিৰ সভাপতি চন্দ্ৰকান্ত বৰকাকতী, যুৱকী অধিবেশনৰ সভাপতি পদ্মেশ্বৰ গগৈ, সংস্কৃতি শাখাৰ সভাপতি কদ্ৰ বৰুৱা, সুসাহিত্যিক তাৰিণীকান্ত ভট্টাচাৰ্য, ঔপন্যাসিক দণ্ডীধৰ কাটোৱালী, পুণ্ডৰীকাক্ষ ভৰালী, কবি ভৱপ্ৰসাদ ৰাজখোৱা, প্ৰাক্তন উপাচাৰ্য ড° হিতেন্দ্ৰ কুমাৰ বৰুৱা, নৃত্য-বিশাৰদ দয়ালচন্দ্ৰ সূত্ৰধাৰ আদি প্ৰতিভাশালী ব্যক্তিও আছে।

১৯৭৯-৮০ চনটো অসম সাহিত্য সভাৰ বুৰঞ্জীতেই এটি ঘটনাপূৰ্ণ স্মৰণীয় বছৰ। নবেম্বৰ মাহৰ প্ৰথম সপ্তাহৰপৰা সমগ্ৰ ৰাজ্যতে অসমৰ বাহিৰ বিদেশী বহিষ্কাৰৰ দাবীত আন্দোলনমুখী হৈ উঠাত সাহিত্য সভাও এই আন্দোলনৰ লগত সংশ্লিষ্ট হৈ পৰে। ইয়াৰ পৰিণতি স্বৰূপে সভাৰ সকলো শক্তি আন্দোলনমুখী হৈ পৰিলেও বছৰৰ আদিতে গ্ৰহণ কৰা আঁচনি অনুসৰি সভাৰ নিয়মীয়া কামবিলাকো চলি থাকে। ত্ৰুটি বিচ্যুতিৰ দোষ মূৰ পাতি লৈ বছৰটোৰ ভিতৰত অগ্ৰগতি লাভ কৰা কামৰ চমু খতিয়ান এটি মাননীয় প্ৰতিনিধিবৰ্গৰ বিবেচনাৰ্থে আৰু অনুমোদনৰ অৰ্থে উত্থাপন কৰিলোঁ।

**প্ৰস্তাৱ :**

যোৱা ৪৬ তম অধিবেশনত গ্ৰহণ কৰা প্ৰস্তাৱৰ ভিতৰত অসম আৰু দাতিকাষৰীয়া ৰাজ্যসমূহৰ সীমা ঐতিহাসিক তথ্য আৰু পৰম্পৰাৰ ভেটিত নিৰ্ধাৰণ কৰি শান্তি-সম্প্ৰীতি অটুট ৰাখিবলৈ আহ্বান জনোৱা; ৰাজ্যিক ভাষা আইনখন বাস্তৱ দৃষ্টি ভঙ্গীৰে কাৰ্যকৰী কৰাবলৈ চৰকাৰক অনুৰোধ জনোৱা আৰু কেন্দ্ৰীয় চৰকাৰৰ সৰ্বভাৰতীয় ভাষা সন্মিলনৰ পৰামৰ্শাৱলী কাৰ্যকৰী কৰা, ৰেলওৱে বিদ্যালয়সমূহত অসমীয়া মাধ্যম প্ৰয়োগ কৰা, আৰু থাইকৈ বিদেশী নাগৰিকক বহিষ্কাৰ কৰা আৰু ভাৰতৰ অন্যান্য অঞ্চলৰ পৰা আহি অসমত স্থায়ীভাৱে বসবাস কৰা বাহিৰৰ ভাষা-সংস্কৃতিৰ ক্ষেত্ৰত মূল সুঁতিৰ লগত মিলি যাবলৈ আহ্বান জনোৱা— এই কেইটাই আছিল মূল প্ৰস্তাৱ। সংশ্লিষ্ট কৰ্তৃপক্ষলৈ উক্ত প্ৰস্তাৱ সমূহ প্ৰেৰণ কৰি যোগাযোগ কৰা হৈছিল।

**কৰ্ম পৰিষদ :**

১০।১০।৭৯ তাৰিখৰ কাৰ্যনিৰ্বাহক সমিতিৰ সিদ্ধান্ত-ক্ৰমে বিদেশী বহিষ্কৰণ আন্দোলন পৰিচালনা কৰিবলৈ

১১ জন সদস্যৰে কৰ্মপৰিষদ গঠন কৰি দিয়ে। কৰ্ম পৰিষদে শ্ৰীনগেন শইকীয়া, শ্ৰীযতীন গোস্বামী আৰু শ্ৰীপ্ৰফুল্ল ভট্টাচাৰ্যক গণ-সংগ্ৰাম পৰিষদলৈ প্ৰতিনিধি পঠায়। নৱেম্বৰ মাহৰ প্ৰথম সপ্তাহৰপৰা কোবাল গতিৰে আৰম্ভ হোৱা আন্দোলনত সাহিত্য সভায়ো যোগ দিয়ে। অসম সাহিত্য সভাৰ প্ৰতিনিধি শ্ৰীযতীন গোস্বামী গণ সংগ্ৰাম পৰিষদৰ আহ্বায়ক নিযুক্ত হয়। তেতিয়াৰ পৰাই সাহিত্য সভা গণসংগ্ৰাম পৰিষদৰ এক অংশীদাৰ গোট হিচাপে কাম কৰি জাতীয় জীৱনলৈ বৰঙণি দি আহিছে।

## ৰাজ্যিক ভাষা :

চৰকাৰী কাৰ্যালয় সমূহত অসমীয়া ভাষা ৰাজ্যিক ভাষা হিচাপে ব্যৱহাৰ কৰিবলৈ অসম সাহিত্য সভাই দাবী জনাই অহাৰ প্ৰত্যক্ষ ফলস্বৰূপে চৰকাৰে অনা-অসমীয়া ভাষী বিষয়া আৰু কৰ্মচাৰীসকলক প্ৰশিক্ষণ দিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে আৰু অসম সাহিত্য সভাক প্ৰশিক্ষণৰ দায়িত্ব লবলৈ অনুৰোধ জনায়। সাহিত্য সভাই চৰকাৰৰ ওচৰত এখন আঁচনি দাখিল কৰে আৰু চৰকাৰে তাত অনুমোদন জনায়। ইয়াৰ ফলস্বৰূপে এতিয়ালৈকে গুৱাহাটী আৰু দিছপুৰত দুটা কেন্দ্ৰৰপৰা ২১০ জন লোকে তিনিটা পৰ্যায়ত প্ৰশিক্ষণ লৈ ওলাই গৈছে। চতুৰ্থ পৰ্যায়ত প্ৰশিক্ষণ এতিয়াও চলি আছে। ইয়াৰ বাবে চৰকাৰে মাহে ৩৯৫০. টকাকৈ অনুদান মঞ্জুৰ কৰিছে। ৰাজ্যিক ভাষা প্ৰয়োগ সঞ্চালকালয় গঠন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি জনা গৈছে।

## শিশু সাহিত্য কৰ্মশালা :

১৯৭৯ চনটো আন্তৰ্জাতিক শিশুবৰ্ষ হিচাপে পালন কৰা হয়। ইয়াৰ লগতে সঙ্গতি ৰাখি এইবছৰ শিশু সাহিত্য ৰচনাৰ বিভিন্ন দিশ সম্পৰ্কে প্ৰশিক্ষণ দিবলৈ ২২ জন প্ৰতিষ্ঠিত লেখক বা ন-লেখকক বিজ্ঞাপন যোগে বাছি উলিওৱা হয় আৰু জুলাই মাহৰ ১৯,২০, ২১,২২ এই চাৰি দিন ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ সঞ্চালকীয় দায়িত্বত প্ৰশিক্ষাৰ্থীসকলক শিশুৰ উপযোগী বিষয়-বস্তু, ভাষা-প্ৰয়োগ, উপস্থাপন-ৰীতি আৰু ৰচনা কৌশল সম্পৰ্কে প্ৰশিক্ষণ দিয়া হয়। প্ৰশিক্ষাৰ্থীসকলে একুৰি দুখন শিশু উপযোগী পুথিৰ ওপৰতো সমীক্ষা চলায়। এই কৰ্মশালা যথাৰ্থতে ফলপ্ৰসূ হৈছিল। অভ্যৰ্থনাৰ সমুদায় ব্যয় বহন কৰি উক্ত আঁচনি সফল কৰি তুলিবলৈ সুবিধা দিয়াৰ বাবে ডিগবৈ সাহিত্য সেৱা সমিতি স্বাভাৱিকতে শলাগৰ পাত্ৰ। এই প্ৰশিক্ষণ সমাপ্তিৰ অন্তত প্ৰতিজন লেখকক একোখনকৈ পুথি ৰচনা কৰিবলৈ দায়িত্ব দিয়া হয়। লেখকসকলে ইতিমধ্যে পাণ্ডুলিপি দাখিল কৰিছে আৰু পাণ্ডুলিপিসমূহ পৰীক্ষাৰ বাবে পৰীক্ষকক দিয়া হৈছে। এই পুথিসমূহ উপযুক্ত বিবেচিত হলে প্ৰকাশ কৰিবলৈ অসম চৰকাৰৰ ওচৰত এলাখ আঠহেজাৰ টকাৰ আঁচনি দাখিল কৰা হয় আৰু সেইসময়ৰ শিক্ষামন্ত্ৰীয়ে এই আঁচনিত অনুমোদন জনায়।

## প্ৰকাশন :

প্ৰকাশন আঁচনিৰ অন্তৰ্গত ভালেকেইখন ডাঙৰ আকাৰৰ পুথি প্ৰকাশৰ পৰিকল্পনা কৰা হৈছিল। কিন্তু পুঁজিৰ অভাৱত সেই আঁচনি সম্পূৰ্ণকৈ কাৰ্যকৰী কৰিব পৰা নহ'ল যদিও এইবছৰটোৰ ভিতৰত অতুলচন্দ্ৰ বৰুৱা সম্পাদিত 'ৰঘুনাথ চৌধাৰী গ্ৰন্থাৱলী', ড° হেমন্ত কুমাৰ শৰ্মা সম্পাদিত 'নলিনী বালা দেৱী,' যজ্ঞেশ্বৰ শৰ্মাৰ 'এৰিষ্টটলৰ কাব্য-জিজ্ঞাসা', অতুলচন্দ্ৰ বৰুৱা সম্পাদিত 'ধনাই বৰা', ড° চন্দ্ৰ কটকীৰ ৰচিত 'আধুনিক অসমীয়া কবিতা', ভাষাজ্ঞান পৰীক্ষা পাঠ্যপুথি 'পাঠচয়ন', শ্ৰীমতী নৰমালতী চক্ৰৱৰ্তীৰ ৰচিত 'নগালেণ্ড' ইতিমধ্যে ছপা হৈ ওলাইছে। কেন্দ্ৰীয় অৰ্থ-



সাহায্যৰ ভিত্তিত প্ৰকাশ হব লগা 'ৰামচৰিত মানস' আৰু 'নীলমণি ফুকন স্মৃতিগ্ৰন্থ', ৰামচৰণ ঠাকুৰীয়া সম্পাদিত 'গিৰিধৰ শৰ্মা' আৰু 'গুৱালকুচি' অধিবেশনৰ, বাৰ্ষিকী' বৰ্তমান ছপাশালত আছে। অসমৰ জনজাতি, বিংশ শতাব্দীৰ অসমীয়া সাহিত্য, অৰুণৰ কবিতা আৰু নীলমণি ফুকন ৰচনাৱলীৰ সম্পাদনাৰ কাম আশানুৰূপ ভাৱে আগবাঢ়িছে। ৰাজ্যিক ভাষা প্ৰশিক্ষণৰ প্ৰসঙ্গ পুথি হিচাপে শ্ৰীযতীন গোস্বামীৰ 'কাৰ্য্যালয় হাতপুথি' বছৰৰ আৰম্ভনিতে ছপা হৈ ওলাল। ১৯৭৯-৮০ চনৰ বছৰটোৰ বাবে ৰাজ্যিক চৰকাৰে ৫০,০০০ টকা পৰিকল্পনা আঁচনিৰ অন্তৰ্গত মঞ্জুৰ কৰিছে বুলি ইতিমধ্যে জানিব পৰা গৈছে।

## শতবাৰ্ষিকী :

এইবছৰৰ বিহগী কবি ৰঘুনাথ চৌধাৰীৰ জন্ম শতবাৰ্ষিকী কেন্দ্ৰীয় ভাৱে গুৱাহাটীত ২০ জানুৱাৰী তাৰিখে অনুষ্ঠিত হয়। চৌধাৰীৰ শতবাৰ্ষিকীৰ লগত সঙ্গতি ৰাখি কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় সাহায্যৰ ভিত্তিত এখনি সৰ্বভাৰতীয় কবি সন্মিলন আৰু আলোচনা চক্ৰ পাতিবলৈ থিৰ কৰা হৈছিল। কেন্দ্ৰীয় অনুদান ৭,৫০০.০০ টকা যথাসময়ত আহি নোপোৱাত আৰু সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত উক্ত সন্মিলন স্থগিত ৰখা হ'ল। ইতিমধ্যে কেন্দ্ৰীয় অনুদান ৭,৫০০.০০ টকা পোৱা হৈছে। গুৱাহাটীৰ উপৰিও অসমৰ বিভিন্ন ঠাইত ৰাজহুৱা সভা, স্মৃতি তৰ্পণ বক্তৃতা, ৰচনা প্ৰতিযোগিতা আদিৰে জন্ম শতবাৰ্ষিকী পালন কৰে। এই উপলক্ষে 'ৰঘুনাথ চৌধাৰীৰ ৰচনাৱলী' প্ৰকাশ কৰাৰ উপৰিও শতবাৰ্ষিকী সমিতিয়ে এখনি স্মৃতি গ্ৰন্থও প্ৰকাশ কৰিছে। তেজপুৰ সাহিত্য সভায়ো এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰে। অহা বছৰত পালন কৰিবলগীয়া জন্ম-শতবাৰ্ষিকীৰ ভিতৰত নীলমণি ফুকন জন্ম-শতবাৰ্ষিকী আৰু জ্ঞানদাভিৰাম বৰুৱা জন্ম শতবাৰ্ষিকী উদ্‌যাপনৰ অৰ্থে যোৰহাট আৰু ডিব্ৰুগড়ত ইতিমধ্যে উদ্‌যাপন সমিতি গঠিত হৈছে আৰু কামত আগবাঢ়িছে।

## সাহিত্য সভা সপ্তাহ :

যোৱা বছৰৰ দৰে এই বছৰো ১৭ জানুৱাৰীৰ পৰা ২৪ জানুৱাৰীলৈ সাহিত্য সভা সপ্তাহ পালন কৰা হয়। অসমৰ সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এই সপ্তাহ জাক-জমকীয়াকৈ পালন কৰা নহ'ল কিন্তু কুপনৰ যোগেদি ধন সংগ্ৰহ, সভা-সমিতি, শিল্পী সম্বৰ্দ্ধনা, ৰঘুনাথ চৌধাৰী জন্ম শতবাৰ্ষিকী পালন আৰু 'সম্প্ৰীতি দিৱস' আদিৰে এই সপ্তাহৰ কাৰ্য্যসূচী সমাধা কৰা হয়।

## শাখা সভা আৰু আজীৱন সভ্য :

সভাৰ পক্ষৰ পৰা কৰা সাংগঠনিক প্ৰচেষ্টা আৰু দেশৰ সাম্প্ৰতিক সমস্যাৰ পটভূমিত স্বতঃস্ফূৰ্ত ভাৱে কেতবোৰ শাখা সভা গঢ় লৈ উঠিছে। তদুপৰি আজীৱন সভ্যও ভৰ্ত্তি কৰা হৈছে। ইটো সঁচা কথা যে পুৰণা অনেক শাখাক যত্ন কৰিও সক্ৰিয় কৰিব পৰা নহ'ল। এই বছৰ নতুনকৈ গঠিত হোৱা শাখাসভা ৪২ খন আৰু আজীৱন সভ্য ১২৮ জন। মুঠ শাখা ৬২২, মুঠ আজীৱন সভ্য ১১৫৮ জন। বহা অধিবেশনৰ প্ৰতিনিধি সংখ্যা প্ৰায় ১০০০ দৰ্শক প্ৰতিনিধি ২০০।

## লেখক শিবিৰ :

সপ্তম লেখক শিবিৰ ডিফুত বিশেষ কৃতকাৰ্যতাৰে সৈতে অনুষ্ঠিত হয়। এই শিবিৰৰ সঞ্চালক আছিল অধ্যাপক ৰজনীকান্ত দেৱশৰ্মা আৰু আলোচনাৰ বিষয় আছিল 'অসমৰ জনজাতি আৰু অসমীয়া সংস্কৃতি'।

ভাৰা'ত সাহিত্য, জাতি-গঠন আৰু সংস্কৃতি— এই চাৰিটা ভাগত বিষয়টো ভাগ কৰি আলোচনা কৰা হয় আৰু বিপুল সংখ্যক শ্ৰোতাৰ উপস্থিতিত এই বিষয়ে আলোচনা কৰা হয়। অভ্যৰ্থনাৰ সমুদায় ব্যয় বহন কৰি এই শিবিৰ সফল কৰি তোলাৰ বাবে ডিফু সাহিত্য সভাক শলাগ জনোৱা হয়। এই শিবিৰত যোগ দিয়া বিশিষ্ট লেখকসকল হ'ল :—

১। ড' বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য
২। শ্ৰীযুত নগেন শইকীয়া
৩। শ্ৰীযুত বিশ্বেশ্বৰ হাজৰিকা
৪। ড' সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী
৫। শ্ৰীযুত বলাইৰাম সেনাপতি
৬। শ্ৰীযুত নগেন্দ্ৰনাথ বৰুৱা
৭। শ্ৰীযুত ৰাখেন ৰাভা
৮। শ্ৰীযুত ইন্দ্ৰেশ্বৰ পেগু
৯। শ্ৰীযুত চামচিং হানচে
১০। শ্ৰীযুত যতীন মিপুণ
১১। শ্ৰীযুত ৰংবং টেৰাং
১২। শ্ৰীযুত সতীশ চৌধুৰী
১৩। শ্ৰীযুত নগেন ৰায়

সভাপতি শ্ৰীযুত অতুলচন্দ্ৰ বৰুৱা, নব নিৰ্বাচিত সভাপতি শ্ৰীযুত যতীন্দ্ৰনাথ গোস্বামী, শ্ৰীযুত হৰি প্ৰসাদ ৰায়, শ্ৰীযুত যজ্ঞোৰাম পাংগ, এম, ইজিমুদ্দিন খেৰান, শ্ৰীযুত টিকাৰাম উপাধ্যায়, ড' মোহিনীকুমাৰ শইকীয়া, শ্ৰীযুত ভৃগুমণি কাগয়ু, শ্ৰীযুত খেটবাম তাক্‌তা, শ্ৰীযুত কৰ্মসিং দলে, শ্ৰীযুত বিদ্যাসিং ইংলেং, শ্ৰীবাপা বেনাজী, শ্ৰীকেশৱ শৰ্মা ইত্যাদিয়েও অংশ গ্ৰহণ কৰে।

## শিশুজ্ঞান কোষ :

১৯৭৯ চনৰ আগভাগতে কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা মন্ত্ৰালয়লৈ এখন শিশুজ্ঞান কোষ ৰচনাৰ অৰ্থে দুইলাখ পঞ্চাছ হেজাৰৰ এখন আঁচনি দাখিল কৰা হয়। উক্ত আঁচনিত ৰাজ্যিক চৰকাৰে অনুমোদন জনায়। উক্ত আঁচনিৰ শতকৰা ৫০ ভাগ ধন ৰাজ্য চৰকাৰৰ বাকী ৫০ ভাগ কেন্দ্ৰ চৰকাৰৰ অনুদানৰ দ্বাৰা পূৰণ কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে এই আঁচনি অনুমোদন জনাই ইতিমধ্যে ৩৮,০০০'০০ টকা দিছে। অধ্যাপক সৰকাৰ বৰুৱাক মুখ্য সম্পাদক হিচাপে নিযুক্তি দিয়া হৈছে আৰু বিষয় বিশেষজ্ঞ আৰু অন্যান্য বিভাগীয় সম্পাদক সকলেও ইতিমধ্যে কামত হাত দিছে। এই সদুৰ আৰু প্ৰয়োজনীয় আমটো যথা সময়ত সম্পূৰ্ণ কৰিবলৈ বুলি আশা কৰা হৈছে। অধ্যাপক বৰুৱাই আঁচনি আদি সম্পূৰ্ণ কৰি ইতিমধ্যে কামত আগ বাঢ়িছে।

## লক্ষ্মীৰাম বৰুৱা সদন :

যোৱা বছৰ শিৱসাগৰৰ চাহপেটিৰক শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা আৰু তেওঁৰ ভাতৃ শ্ৰীশৰৎৰাম বৰুৱাই তেওঁ বিলাকৰ পিতৃ সঙ্গীতাচাৰ্য্য লক্ষ্মীৰাম বৰুৱাৰ স্মৃতিত এটি তিনি মহলীয়া সদন নিৰ্মাণ কৰিবলৈ একলাখ টকাৰ এটি দান আগবঢ়ায়। উক্ত দানধনেৰে এই বছৰ নৱেম্বৰৰ ২১ তাৰিখে লক্ষ্মীৰাম বৰুৱা ভৱনৰ আধাৰ-শিলা স্থাপন কৰা হয় আৰু ইতিমধ্যে ঘৰৰ প্ৰথম মহলাৰ কাম প্ৰায় আধাআধি হৈ উঠিছে। এই সংক্ৰান্তত চৰকাৰৰ পৰাও ৫০,০০০'০০ পঞ্চাছ হেজাৰ টকাৰ অনুদান পোৱাৰ আশা আছে। নিৰ্মীয়মাণ কাম হলে এই দ্বিতীয় বৰ্ষৰ ভিতৰতে ভৱনৰ মহলাটি সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰিব পাৰি। বৰুৱা ভাতৃদ্বয়ে জামি আৰৰিক শৰ্মা জনাই উক্ত সদনটি সম্পূৰ্ণ কৰিবৰ বাবে অতিৰিক্ত দান পাইলেও আশা কৰিছো। তিনি হাজাৰ ভৱনটিৰ পুৰণ মহলাৰ বাবে দুই লাখ দহ হেজাৰ টকা ধাৰ্য্য কৰা হৈছে।



## ৰাধাকান্ত সন্দিকৈ ভৱন :

ৰাধাকান্ত সন্দিকৈ ভৱনৰ বাবে প্ৰায় একলাখ টকাৰ শিল, বালি আৰু ইটা কিনা হৈছিল যদিও ১৯৭৮ চনৰ ভিতৰত আঁচনিখনত থকা কেতবোৰ অসুবিধাৰ বাবে কাম আৰম্ভ কৰিব পৰা নহ'ল। অসম চৰকাৰৰ গৃহকাৰ্যানী বিভাগে ৱৰ্কডিপজিট স্কীমত কাম কৰি দিবলৈ সম্মতি দিছিল যদিও সময়মতে আৰম্ভ নোহোৱাত নতুনকৈ প্লেইং ডিজাইন কৰাই তিনিমহলীয়া ঘৰটোৰ প্ৰথম মহলাৰ নিৰ্মাণৰ ঠিকা ইতিমধ্যে দিয়া হৈছে আৰু কামত সন্তোষজনক ভাৱে আগবাঢ়িছে। অৱশ্যে পুঁজিৰ ক্ষেত্ৰত চৰকাৰী অনুদানৰ উপৰিও ৰাইজৰ দান-বৰঙণিৰ একান্ত প্ৰয়োজন। প্ৰথম মহলাৰ ৮০০০ বৰ্গ ফুট হলটোৰ বাবে বৰ্তমান ৫,১৭,০০০'০০ টকা ধাৰ্য কৰি কামত আগবঢ়া হৈছে।

## দান-অনুদান :

এই বছৰ ৰাজ্যিক চৰকাৰৰ বাৰ্ষিক অনুদান ৩৫,০০০'০০ হেজাৰ টকাৰ উপৰিও পৰিকল্পনা বাজেটৰ পৰা পুথি প্ৰকাশ, গৃহ নিৰ্মাণ, সাংস্কৃতিক সমন্বয়, শতবাৰ্ষিকী পালন, লেখক শিবিৰ আদিৰ শিতানত ১,৫০,০০০'০০ হেজাৰ টকা অনুদান মঞ্জুৰ হোৱা কথা জনা গৈছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা শিশুজ্ঞান-কোষ আৰু সৰ্বভাৰতীয় আলোচনা চক্ৰ আৰু 'ৰামচৰিত মানস' প্ৰকাশৰ শিতানত যথাক্ৰমে ৬৫,০০০'০০ হেজাৰ টকা, ৭,৫০০'০০, টকা আৰু ৮,০০০'০০ টকাৰ অনুদান লাভ কৰা হৈছে। ইয়াৰ উপৰিও ডিব্ৰুগড়ৰ শ্ৰীমতী দীপালী বৰুৱাৰ পৰা ড. মহানন্দ বৰুৱা আৰু ৺ শচীপ্ৰভা বৰুৱাৰ স্মৃতিত এটি ন্যাস গঠন কৰিবলৈ ৫,০০০'০০ টকাৰ এটি পুঁজিৰ দান লাভ কৰা হয়। ইয়াৰ উপৰিও অন্য এটি ৫,০০০'০০ টকীয়া দান পোৱাৰ আশা কৰা হৈছে।

## ভাষাজ্ঞান পৰীক্ষা :

অসমত চলি থকা আন্দোলনৰ বাবে এইবছৰৰ ভাষাজ্ঞান, পৰীক্ষা পাতিব পৰা হোৱা নাই।

## সাহায্য দান :

ভৱানীপুৰত পুলিচৰ হাতত মৃত্যু হোৱা খৰ্গেশ্বৰ তালুকদাৰৰ পৰিয়াল আৰু ছুলীয়াজানত পুলিচৰ গুলীচালনাত নিহত হোৱা সকলৰ পৰিয়াললৈ অসম সাহিত্য সভাৰ পুঁজিৰ পৰা মুঠ ৩০০'০০ টকাৰ অনুদান আগবঢ়োৱা হয়। ভুমডুমা আৰু দুলীয়াজান আৰু কামৰূপৰ নিৰ্যাতিত অঞ্চলত বিভিন্ন সময়ত সাহিত্য সভাৰ বিষয়ববীয়া আৰু সদস্যসকলে ভ্ৰমণ কৰে।

## জিলা পৰিষদ :

অসম সাহিত্য সভাৰ নিয়মাৱলীৰ অন্তৰ্গত কৰি জিলাভিত্তিত অসম সাহিত্য সভাক সংগঠিত কৰিবলৈ জিলা পৰিষদ গঠন স্বীকাৰ কৰি লোৱা হয় আৰু সেই উদ্দেশ্যে ইতিমধ্যে গঠিত হোৱা জিলা পৰিষদ সমূহৰ সম্পাদক আৰু সভাপতিসকলক একত্ৰিত কৰি মুকলি ভাৱে আলোচনা কৰিবলৈ জুলাই মাহৰ ১১ তাৰিখে এখন সন্মিলন আহ্বান কৰা হয়। ডিব্ৰুগড়, শিৱসাগৰ, নগাওঁ, কামৰূপ আৰু মঙ্গলদৈত ইতিমধ্যে জিলা পৰিষদ গঠিত হৈছে। বাকী কেইখন জিলাত কাৰ্যকৰী ভাৱে জিলা পৰিষদ এতিয়াও গঠন কৰিব পৰা হোৱা নাই। শাখাসভাবিলাকৰ সক্ৰিয় সহযোগ নহলে জিলা পৰিষদসমূহ গঠন আৰু সক্ৰিয় কৰিব নোৱাৰি। ইতিমধ্যে নিয়মাৱলী অনুসৰি গোৱালপাৰা, শিৱসাগৰ, ডিব্ৰুগড় এই তিনিখন জিলা পৰিষদে সভাৰ নিয়মীয়া অন্তৰ্ভুক্তি বিচাৰিছে। জিলা পৰিষদসমূহে সভা-সমিতি, আলোচনা চক্ৰ, লেখক-শিবিৰ, বাৰ্ষিক অধিৱেশন আদিৰে কামত আগবাঢ়ি গৈছে। বৰঙণি দি নিয়মীয়া অন্তৰ্ভুক্তি

লাভ কৰা নাই যদিও কামৰূপ, মঙ্গলদৈ, নগাওঁ, দৰং, শিলচৰ, হাইলাকান্দি, উত্তৰ লক্ষীমপুৰত জিলা পৰিষদ গঠিত হৈছে। বাকী আংলং জিলাতো অচিৰেই গঠিত হ'ব বুলি আশা কৰিব পাৰি।

## অসম সাহিত্য সভা পত্ৰিকা :

এইবছৰ অসম সাহিত্য সভা পত্ৰিকাখনেই নিয়মীয়াকৈ চাৰিটা সংখ্যা উলিওৱা হয়। পত্ৰিকা সম্পাদকে যথাসম্ভৱ মানদণ্ড ৰক্ষা কৰিবৰ বাবে যত্ন কৰিছে। কিন্তু পত্ৰিকাৰ গ্ৰাহকৰ সংখ্যা বিশেষ বৃদ্ধি পাইছে বুলি কব নোৱাৰি।

## আখৰ জোঁটনি :

১৯৭৮ চনত পাঠশালাত অনুষ্ঠিত লেখক শিবিৰৰ পৰামৰ্শাৱলী যুক্ত কৰিবলৈ গঠিত হোৱা উপসমিতিয়ে আখৰ জোঁটনিৰ সমস্যাসমূহ ফঁহিয়াই লেখক শিবিৰৰ অনুমোদনৰ ভিত্তিত পুস্তিকা আকাৰে ছপা কৰি উলিয়ায় আৰু অসমৰ লেখক, শিক্ষক, বুদ্ধিজীৱী, বাতৰিকাকতৰ সম্পাদক, বিশ্ববিদ্যালয়ৰ সংশ্লিষ্ট ব্যক্তি আদিলৈ অভিমত বিচাৰি পঠিয়ায়। এইবছৰৰ উক্ত পৰামৰ্শসমূহৰ ভিত্তিত চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব পৰা নহলেও অদূৰ ভৱিষ্যতে আখৰ জোঁটনিৰ আউল লগা সমস্যাৰ এটি যুক্তিপূৰ্ণ সমাধান উদ্ভাৱন কৰিব পৰা যাব বুলি আশা কৰা হৈছে।

## কি কৰিব লাগে :

এইবছৰৰ আৰম্ভণিতে কাৰ্যভাৰ গ্ৰহণ কৰিয়েই অসম সাহিত্য সভাক সক্ৰিয় আৰু সৃষ্টিশীল কৰি তুলিবলৈ কি কৰিব লাগে তাৰ পৰামৰ্শ বিচাৰি এটি বিজ্ঞাপন প্ৰচাৰ কৰা হয় আৰু অসমৰ বিভিন্ন অঞ্চলৰ পৰা আৰু অসম সাহিত্য সভাৰ সদস্য আৰু অনাসদস্যৰ পৰাও কেতবোৰ পৰামৰ্শ আমালৈ আহে। এই পৰামৰ্শাৱলী ভুকিয়াই উপসমিতিয়ে এটি প্ৰতিবেদন দাখিল কৰে। পৰামৰ্শাৱলীৰ কেতবোৰ নিয়মাৱলীৰ সংশ্লিষ্ট। গতিকে সেইবোৰ নিয়মাৱলী সংশোধনৰ সময়ত বিচাৰ কৰা হ'ব আৰু নিয়মাৱলী সংশোধনী প্ৰস্তাৱৰ অন্তৰ্গত কৰা হৈছে। বাকী থকা পৰামৰ্শাৱলীৰ কেতবোৰ হ্ৰস্বম্যাদী আৰু কেতবোৰ দীৰ্ঘম্যাদী বিধৰ। এই পৰামৰ্শাৱলী থাওকতে সকলো কাৰ্যকৰী কৰিব পৰা বিধৰ নহয়। যাইকৈ বিত্তীয় সীমাবদ্ধতাৰ বাবে। ভৱিষ্যতে কাৰ্যনিৰ্বাহকে ক্ৰমান্বয়ে এইবিলাক কাৰ্যকৰী কৰিবলৈ ব্যৱস্থা লব বুলি আশা কৰিলোঁ।

## বঁটা ইত্যাদি :

অসম সাহিত্য সভাৰ পূৰ্বৰ ন্যাসসমূহৰ উপৰিও এইবছৰ নতুনকৈ আন্তঃৰাষ্ট্ৰীয় শিশুবৰ্ষ উপলক্ষে এখনি শিশু উপযোগী উপন্যাসৰ প্ৰতিযোগিতা পতা হয়। কিন্তু উপযুক্ত মানদণ্ডৰ পাণ্ডুলিপি নোপোৱাত প্ৰতিযোগিতা সম্ভৱ নহ'ল।

দ্বিতীয়তে যোৱা বছৰৰপৰা নতুনকৈ অনুষ্ঠিত 'ন-প্ৰতিভাৰ সন্ধান' শিতানত 'আধুনিক অসমীয়া সাহিত্যত মাৰ্ক্সীয় দৰ্শন' বিষয়ৰ মৌলিক ৰচনা আহ্বান কৰা হৈছিল। তাতো মাত্ৰ দুখন ৰচনা পোৱাত আৰু বিচাৰকে মানদণ্ড যথোপযুক্ত বুলি বিবেচনা নকৰাত পুৰস্কাৰ দিব পৰা নগ'ল। বাকী তলত দিয়া পুৰস্কাৰ কেইটা ঘোষণা কৰা হৈছে।

১। মোহনচন্দ্ৰ সোঁৱৰণী বঁটা—শ্ৰীনগেন শইকীয়া —'চিন্তা আৰু চৰ্চা'

২। ডিগবৈ সেৱা সমিতি বঁটা—শ্ৰীবসন্ত শইকীয়া— 'মানুহ'

৩। ন-প্ৰতিভাৰ সন্ধানত গিৰিধৰ শৰ্মা বঁটা—



শ্ৰীভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য—'বাহাকান'।

৪। হৰিহৰ চৌধুৰী বঁটা—কলেন টাইট— 'মিচিং জাতি'

৫। বনমালী শইকীয়া বঁটা—শ্ৰীমতী ভাৰতী গুৱালা—'কৰম পৰৱ'

৬। শৰৎ চন্দ্ৰ গোস্বামী বঁটা—শ্ৰীমতী পাৰমিতা ভাৱাল—'অসমৰ বিহু উৎসৱ'

৭। হৰিপ্ৰসাদ নেওগ বঁটা—লয়াৰ্ছ বুক ষ্টল— 'ৰজনীকান্ত বৰদলৈৰ গদ্য সম্ভাৰ'

৮। গোপালচন্দ্ৰ বৰুৱা বঁটা—শ্ৰীডিম্বেশ্বৰ চলিহা— 'প্ৰাণীজগতৰ বিস্ময়'

কৃতী প্ৰতিযোগীসকললৈ আন্তৰিক অভিনন্দন জনাইছোঁ।

## অসমত বিদেশী নাগৰিকৰ সমস্যা :

অসমত বিদেশী নাগৰিকৰ সমস্যা সম্পৰ্কে অসম সাহিত্য সভা ইতিমধ্যেই সজাগ হৈ উঠিছিল। ১৯৭৮ চনৰ জুলাই মাহত বহা কাৰ্যনিৰ্বাহকত স্পষ্ট ভাষাৰে বিদেশী নাগৰিকৰ বহিষ্কাৰৰ দাবী জনাই প্ৰস্তাৱ গ্ৰহণ কৰে আৰু তেতিয়াৰেপৰা প্ৰতি প্ৰসঙ্গতে উক্ত দাবী দোহাৰি অহা হৈছে। সেই সময়ৰ মুখ্যমন্ত্ৰীক এই বিষয়ে ব্যক্তিগতভাৱে লগ ধৰি প্ৰস্তাৱ আদি দিয়া হয়। কিন্তু ইতিমধ্যে ৰাজনৈতিক অস্থিৰতাই দেখা দিয়াত তেওঁৰ লগত বিতং ভাৱে আলোচনা কৰা নহ'ল। ইতিমধ্যে আমি ৩০ অক্টোবৰ তাৰিখটো প্ৰতিবাদ দিৱস হিচাপে পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰোঁ আৰু শাখাসভাসমূহে এই দিৱস সভা-সমিতি পাতি প্ৰস্তাৱ গ্ৰহণ কৰি কৃতকাৰ্যতাৰে পালন কৰে। ইতিমধ্যে সদৌ অসম ভিত্তিত অসমৰ পৰা বিদেশী নাগৰিকৰ বহিষ্কাৰৰ দাবীত আন্দোলন চলাবলৈ সদৌ অসম গণ-সংগ্ৰাম পৰিষদ গঢ় লৈ উঠে আৰু অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহকে গঠন কৰি দিয়া কৰ্মপৰিষদে অহিংস, অসাম্প্ৰদায়িক অ-ৰাজনৈতিক, গণতান্ত্ৰিক আন্দোলনত যোগ দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰি গণ-সংগ্ৰাম পৰিষদত যোগ দিয়ে। আৰু তেতিয়াৰ পৰা সাহিত্য সভাই গণসংগ্ৰাম পৰিষদৰ আহ্বান ক্ৰমে আন্দোলনত ভাগ লৈ আহিছে। সাহিত্য সভাৰ পক্ষৰ পৰা এই আন্দোলনৰ সংক্ৰান্তত ২ নৱেম্বৰ, ১৭ নৱেম্বৰ আৰু ২২ নৱেম্বৰত একোটাকৈ প্ৰতিনিধি দলে মুখ্যমন্ত্ৰীক লগ ধৰি অসম সাহিত্য সভাৰ দাবীৰ কথা স্পষ্ট ভাষাত দাঙি ধৰে। ইয়াৰ উপৰিও নৱেম্বৰৰ ৫ তাৰিখে এটি ৪ জনীয়া প্ৰতিনিধি দলে ভাৰতৰ ৰাষ্ট্ৰপতিক লগ ধৰি অসমৰ সমস্যা আৰু সমাধানৰ উপায় সম্পৰ্কে বিবৃৰি এখনি স্মাৰকপত্ৰ দাখিল কৰে। ইয়াৰ আগতে ১ নৱেম্বৰৰ দিনা সেইসময়ৰ ভাৰতৰ উপ-প্ৰধানমন্ত্ৰী বাই-বি চৱনক লগ ধৰি এখনি স্মাৰকপত্ৰ দিয়া হয়। পুনৰ ভাৰতৰ গৃহ মন্ত্ৰী জ্ঞানী জাইল সিংহক এটি প্ৰতিনিধি দলে লগ ধৰি অসমৰ সমস্যাৰ সকলো দিশ সামৰি ২৩ ফেব্ৰুৱাৰীত এখনি স্মাৰকপত্ৰ দাখিল কৰে। এই প্ৰসঙ্গতে উল্লেখ কৰিব পাৰি যে ভাৰতৰ ৰাষ্ট্ৰপতিক লগ কৰাৰ পিছত নতুন দিল্লীৰ বিখ্যাত সংবাদ পত্ৰ আৰু প্ৰতিষ্ঠানসমূহৰ সাংবাদিক সকলক নিমন্ত্ৰণ জনাই এখনি প্ৰেছমেল পতা হয়; আৰু অসমৰ সমস্যাৰ প্ৰকৃত স্বৰূপ সম্পৰ্কে তেওঁবিলাকক পতিয়ন নিয়াবলৈ যত্ন কৰা হয়।

## আইন সংক্ৰান্ত :

বিদেশী নাগৰিকৰ নাম অন্তৰ্ভুক্ত হোৱা ভোটাৰ তালিকাৰে নিৰ্বাচন পাতিবলৈ লোৱাত সভাই তাৰ প্ৰতিবাদ জনায় আৰু ভাৰতীয় সংবিধানৰ ভিত্তিত এনে অ-সাংবিধানিক সিদ্ধান্তৰ বিৰুদ্ধে গোচৰ তৰিবলৈ এখনি আইন উপদেষ্টা উপসমিতি গঠন কৰি দিয়া হয়; আৰু প্ৰধান সম্পাদকৰ পক্ষৰপৰা আইন সংক্ৰান্ত দিশটো চাবলৈ শ্ৰীঅৰুণ গোস্বামীক ভাৰ দিয়া হয়। শ্ৰীগোস্বামীয়ে ইতিমধ্যে গোচৰ সংক্ৰান্তত আন্তৰ্জাতিক খ্যাতিসম্পন্ন

আইনজ্ঞ শ্ৰীননী পালিতালাৰ লগত যোগাযোগ কৰাৰ উপৰিও গুৱাহাটীৰ ভালেকেইজন খ্যাতনামা আইনজ্ঞৰ লগত আলোচনা কৰে। গোচৰৰ তাৰিখৰ বাবে প্ৰয়োজনীয় নথি-পত্ৰৰ যোগাৰ হলে এতিয়াও গোচৰ তৰিব পৰাকৈ ইতিমধ্যে কাৰ্যনিৰ্বাহক সমিতিয়ে অনুমোদন আগ বঢ়াই থৈছে।

**প্ৰচাৰ :**

অসমত বিদেশী নাগৰিকৰ সমস্যাৰ বিষয়টো অসমৰ বাহিৰত প্ৰচাৰ কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাটো একান্ত প্ৰয়োজন হৈ উঠা দেখি কৰ্মপৰিষদে গুৱাহাটীৰ কেইবাজনো বিশিষ্ট লোকক লৈ এটি প্ৰচাৰ গোট স্থাপন কৰে। এই গোটে ভাৰতৰ বিভিন্ন ঠাইৰ কাকতলৈ চিঠি-পত্ৰ আৰু প্ৰবন্ধ আদি লিখোৱাৰ উপৰিও 'Eclipse in the East' নামৰ এখনি ইংৰাজী পুস্তিকা প্ৰকাশ কৰি বহুল ভাবে প্ৰচাৰ কৰাৰ দিহা কৰে।

**বিশ্ববিদ্যালয় অনুদান আয়োগৰ স্বীকৃতি :**

বিশ্ববিদ্যালয় অনুদান আয়োগে অসম সাহিত্য সভাক গৱেষণা-প্ৰতিষ্ঠান হিচাপে ঘোষণা কৰিবলৈ দিহা কৰাৰ কথা ইতিমধ্যে ঘোষণা কৰা হৈছিল যদিও এই বছৰত বিশেষ অগ্ৰগতি লাভ কৰা নাই।

যোৰহাট অধিবেশনত মাননীয় প্ৰতিনিধিসকলে অনেক আশাৰে আমাৰ কান্ধত প্ৰধান সম্পাদকৰ দায়িত্ব ভাৰ অৰ্পণ কৰিছিল যদিও আমাৰ আশানুৰূপকৈ কাম কৰিব নোৱাৰিলোঁ। এই বছৰটোৰ সকলো ত্ৰুটি-বিচ্যুতি প্ৰধান সম্পাদক হিচাপে মূৰ পাতি লৈ সদৌ প্ৰতিনিধিবৰ্গৰ ওচৰত কৰিব নোৱাৰাখিনিৰ বাবে ক্ষমা ভিক্ষা কৰিছোঁ। আমাক এই বছৰটোৰ ভিতৰত অসম সাহিত্য সভাৰ ন-পুৰণি কেইবাজনো বিষয়ববীয়াই দেহে-কেহে সহায় কৰিছে। তেখেতসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। সেইসকলৰ ভিতৰত শ্ৰীনগেন শইকীয়া, শ্ৰীঅমল বাজখোৱা, ড° নিশিপদ চৌধুৰী, শ্ৰীপ্ৰফুল্ল ভট্টাচাৰ্য প্ৰধান। ইয়াৰ উপৰিও বিভিন্ন সময়ত সভাপতি শ্ৰীঅতুলচন্দ্ৰ বৰুৱা, নবনিৰ্বাচিত সভাপতি শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, প্ৰাক্তন সভাপতি ড° সত্যেন্দ্ৰ নাথ শৰ্মা, উপ-সভাপতি শ্ৰীৰজনীকান্ত দেৱশৰ্মা, শ্ৰীধনীন্দ্ৰ চন্দ্ৰ বৰুৱা আৰু কাৰ্যনিৰ্বাহক সদস্যসকলৰ পৰা পোৱা সহায়-সহযোগিতাৰ বাবে তেখেতসকলৰ ওচৰতো আমি ঋণী।

স্বাঃ—শ্ৰীঅতুলচন্দ্ৰ বৰুৱা
২০।৩।৮০
সভাপতি
অসম সাহিত্য সভা

স্বাঃ—শ্ৰীলীলা গগৈ
২০।৩।৮০
প্ৰধান সম্পাদক
অসম সাহিত্য সভা

বিষয়-বাচনি সভাত গৃহীত হ'ল
স্বাঃ—শ্ৰীঅতুলচন্দ্ৰ বৰুৱা
২১।৩।৮০

গৃহীত—
স্বাঃ—শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী
২২।৩।৮০
সভাপতি

— —

## অসম সাহিত্য সভা

## সপ্তচত্বাৰিংশ সন্মিলন ঃ বিষয়-বাচনী সভা

## ৰহা (নগাওঁ) ২১-২৩ মাৰ্চ, ১৯৮০

১। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীলীলা গগৈয়ে সপ্তচত্বাৰিংশ সন্মিলনৰ বিষয়-বাচনী সভা পৰিচালনা কৰিবৰ কাৰণে অসম সাহিত্য সভাৰ নিয়মাৱলী অনুসৰি বিদায়ী সভাপতি শ্ৰীঅতুলচন্দ্ৰ বৰুৱাক অনুৰোধ জনায়।

২। সভাপতিয়ে আসন গ্ৰহণ কৰি প্ৰতিনিধিসকলক স্বাগত-সম্ভাষণ জ্ঞাপন কৰে আৰু তলৰ শোক প্ৰস্তাৱটি দাঙি ধৰে। সমবেত সকলে এক মিনিট থিয় হৈ মৌনতা অৱলম্বন কৰে।

**শোক প্ৰস্তাৱ :**

অসম সাহিত্য সভাৰ ৰহাত বহা সপ্তচত্বাৰিংশ সন্মিলনে তলত দিয়া ব্যক্তিসকলৰ পৰলোকত গভীৰ শোক প্ৰকাশ কৰে। সভাই স্বৰ্গগত ব্যক্তিসকলৰ অমৰ আত্মাৰ চিৰ শান্তি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায় আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

সংগীতজ্ঞ—ডা° ভূৰ্গানাথ ফুকন, কবি সাহিত্যিক—ভৱপ্ৰসাদ ৰাজখোৱা, শিক্ষাবিদ— বসন্তচন্দ্ৰ বৰুৱা, সমাজসেৱী— ডা° বত্ৰিশ গগৈ, শিক্ষাব্ৰতী— তাৰানাথ গগৈ, ইগলাহ শাখা সাহিত্য সভাৰ সভাপতি আৰু ভাষা-জ্ঞান পৰীক্ষা কেন্দ্ৰৰ অধীক্ষক সাহিত্যপ্ৰেমী আব্দুল হামিদ খান, সাহিত্য সভাৰ সপ্তত্ৰিংশ বছৰৰ ডিং অধিবেশনৰ সভাপতি, শংকৰী কলাকৃষ্টিৰ সাহিত্যৰ গৱেষক বিশিষ্ট শিক্ষাবিদ সুসাহিত্যিক উপেন লেখাৰু, চন্দ্ৰকান্ত বৰকাকতি, চিত্ৰ শিল্পী সুৰেন্দ্ৰনাথ বৰদলৈ, প্ৰখ্যাত হিন্দী সাহিত্যিক ড° হজাৰী প্ৰসাদ দ্বিবেদী, বৰপেটাৰ ওজা পাল হৰনাথ, জন-শিল্পী বিক্ৰম সিং ইংলেন, অসমৰ প্ৰাক্তন উপমন্ত্ৰী জনজাতি নেতা জয় ভদ্ৰ হাগজেৰ, চলচ্চিত্ৰ প্ৰযোজক দ্বিজেন্দ্ৰ নাৰায়ণ দেৱ, শিৱসাগৰৰ বিশিষ্ট নাগৰিক মনোৰঞ্জন বৰুৱা, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি জ্ঞাননাথ বৰাদেৱৰ পত্নী ভুৰ্গেশ্বৰী বৰা, অভিনেতা সাহিত্যিক কৰুণা গোস্বামী, গুৱাহাটীৰ নাগৰিক গোবিন্দৰাম কলিতা, বিনোদলাল বৰুৱা, গুৱাহাটীৰ বীৰেন ভড়ালী, শিল্পী পুৰীৰমন্ত্ৰ বুজৰবৰুৱা, সঙ্গীতজ্ঞ পণ্ডিত ড° ভি ৰাঘৱন, সভাৰ আজীৱন সদস্য যোৰহাটৰ বিশিষ্ট শিক্ষাবিদ গোলাপচন্দ্ৰ শাস্ত্ৰী, ভাৰতৰ স্বাধীনতাৰ মুক্তি যুদ্ধাৰু, ভাৰতীয় জনজীৱনৰ শ্ৰদ্ধাৰ পাত্ৰ, পৃথিবীৰ অন্যতম সমাজবাদী নেতা লোক-নায়ক জয়প্ৰকাশ নাৰায়ণ, ১৯৩৯ চনৰ নগাওঁত বহা অসম সাহিত্য সভাৰ বুৰঞ্জী শাখাৰ সভাপতি, আজীৱন শিক্ষাব্ৰতী বুৰঞ্জীবিদ ডক্টৰ পদ্মেশ্বৰ গগৈ, গুৱাহাটীৰ বিশিষ্ট নাগৰিক কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ সাহিত্যিক ভাৱিণীকান্ত

ভট্টাচাৰ্য, অসম সাহিত্য সভাৰ আজীৱন সভ্য যোৰহাট জগন্নাথ বৰুৱা কলেজৰ অধ্যক্ষ কৃষ্ণ কাকতি, অসম সাহিত্য সভাৰ আজীৱন সভ্য, অসমৰ প্ৰাক্তন মন্ত্ৰী ছত্ৰগোপাল কৰ্মকাৰ, নলবাৰীৰ বিশিষ্ট সমাজসেৱী শিক্ষাসেৱী মোহনচন্দ্ৰ দাস, বিশিষ্ট সংস্কৃত পণ্ডিত ভবেন্দ্ৰনাথ ভট্টাচাৰ্য, গুৱাহাটীৰ সংস্কৃতিপ্ৰেমী সমালোচক কৃষ্ণচন্দ্ৰ বৰা, যোৰহাট সাহিত্য সভাৰ সদস্যা শিক্ষয়িত্ৰী লক্ষ্মী তাঁতি, পৰ্বত আৰোহনকাৰী ৰোহিনী কুমাৰ ভূঞা, চন্দ্ৰকান্ত পঞ্চানন, সৰ্বনাৰায়ণ চৌধুৰী, হৰি ঠাকুৰ, প্ৰখ্যাত সাহিত্যিক অসম সাহিত্য সভাৰ তিতাবৰ অধিবেশনত সম্বৰ্দ্ধিত ব্যক্তি সাহিত্যিক পেন্সনাৰ সমাজকৰ্মী দণ্ডীধৰ কাটোৱালী, ডিব্ৰুগড়ৰ সমাজসেৱিকা স্বপ্ৰভা দত্ত, যোগেন বৰদলৈ, ডিব্ৰুগড়ৰ বয়োবৃদ্ধ নাগৰিক অগ্ৰণী নেতা ছানছিং টেৰন চাবাই, গোৱালপাৰাৰ বিশিষ্ট নাগৰিক উপেন্দ্ৰ পাটগিৰি, নগাওঁ হাটবৰৰ নাগৰিক প্ৰিয়নাথ শৰ্মা কটকী, প্ৰাগজ্যোতিষপুৰ কলেজৰ অধ্যাপক সাহিত্যিক পুণ্ডৰীকাক্ষ ভড়ালী, তেজপুৰৰ কৃতী শিক্ষক বেণুধৰ শইকীয়া, নাজিৰাৰ শিক্ষাবিদ যজ্ঞেশ্বৰ বৰুৱা, অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিৰ প্ৰাক্তন সদস্য ডিব্ৰুগড়ৰ বিনন্দ বৰুৱা, অসম সাহিত্য সভাৰ আজীৱন সভ্য, প্ৰাক্তন কাৰ্য-নিৰ্বাহক সদস্য কাছাৰৰ ৰায়মণি ৰাজবংশী, আজীৱন সভ্য প্ৰিয়নাথ দৰৰধৰা বৰুৱা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° হিতেন্দ্ৰকুমাৰ বৰুৱা, গোলাঘাটৰ সাহিত্যিক যদুনাথ শইকীয়া, কটন কলেজৰ প্ৰাক্তন উপাধ্যক্ষ কমলা বৰুৱা, শিল্পী ৰুদ্ৰ বৰুৱা, কবি দুলাল দেৱপূজাৰী, কমলা প্ৰসাদ আগৰৱালা, কথা শিল্পী সুবোধ ঘোষ, ডিব্ৰুগড়ৰ সমাজকৰ্মী প্ৰফুল্ল দাস, আব্দুল বাৰিক, যোৰহাটৰ নাগৰিক কনক দত্ত শইকীয়া, তিলকা শইকীয়া, গোৱালপাৰাৰ সমাজকৰ্মী দেবেন দাস, দেৱদাসী নৃত্যৰ ওজা শিল্পী বস্তু তালুকদাৰ, বৰপেটাৰ বিশিষ্ট নাগৰিক হৰি দাস, ধুবুৰীৰ বিশিষ্ট নাগৰিক সুনীল চন্দ্ৰ দাস, মুক্তি যোদ্ধা ছবিলাল উপাধ্যায়, গহনচন্দ্ৰ গোস্বামী, দীননাথ শৰ্মা, অমূল্য বৰুৱা, মেঘ ভক্ত, প্ৰিয়নাথ হাজৰিকা, নাৰায়ণ চন্দ্ৰ কাকতি, খগেন্দ্ৰচন্দ্ৰ দাস, অমূল্য চৰণ বৰুৱা, হৰিচৰণ দত্ত।

৩। অভ্যৰ্থনা সমিতিৰ পক্ষৰ পৰা এটি সমবেত গীতেৰে প্ৰতিনিধিসকলক আদৰণি জনোৱাৰ পিচত অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীদুলাল চন্দ্ৰ বৰুৱাই আদৰণি ভাষণ দিয়ে।

৪। প্ৰধান সম্পাদকে উপস্থিত থকা সভাৰ প্ৰাক্তন সভাপতি প্ৰমুখ্যে বিশিষ্ট লোকসকলৰ পৰিচয় দান কৰে।

৫। প্ৰধান সম্পাদকে বিষয়-বাছনী সভাৰ আৰু সপ্তচত্বাৰিংশ সন্মিলনৰ কাৰ্য্যসূচী উত্থাপন কৰে। সভাই গ্ৰহণ কৰে।

৬। প্ৰধান সম্পাদকে বাৰ্ষিক প্ৰতিবেদন উত্থাপন কৰে। প্ৰতিবেদনত ১৯৭৯-৮০ বছৰটোৰ কামকাজৰ খতিয়ান আৰু ১৯৭৮-৭৯ বিত্তীয় বছৰৰ আয়-ব্যয়ৰ পৰীক্ষিত হিচাপ দাঙি ধৰে। প্ৰতিবেদনৰ প্ৰত্যেকটো বিষয়ৰ ওপৰত হোৱা আলোচনাৰ অন্তত সভাই প্ৰতিবেদন গ্ৰহণ কৰে।

(ক) অসমৰ সাম্প্ৰতিক আন্দোলনত সাহিত্য সভাৰ ভূমিকা সম্পৰ্কত উঠা প্ৰশ্নৰ উত্তৰত সদৌ অসম গণ-সংগ্ৰাম পৰিষদত সভাক প্ৰতিনিধিত্ব কৰা শ্ৰীযতীন গোস্বামী আৰু শ্ৰীনগেন শইকীয়াই সভাৰ ভূমিকাৰ কথা ব্যাখ্যা কৰে।

(খ) এখন অসমীয়া সাপ্তাহিক কাকতত নাম নিদিয়াকৈ সভাৰ কোনো এজন প্ৰাক্তন সভাপতিয়ে বৰ্তমান আন্দোলন সম্পৰ্কে লিখা ৰচনা সম্পৰ্কে আলোচনা হয়। সভাই স্পষ্ট মত প্ৰকাশ কৰে যে যিহেতু সভাৰ কাৰ্য-নিৰ্বাহক কৰি থকা সভাপতি আৰু প্ৰধান সম্পাদকৰ



বাহিৰে আন কোনেও সভাৰ হৈ নিয়মাৱলী অনুসৰি বিবৃতি দিব নোৱাৰে সেইকে সংশ্লিষ্ট কাগজখনত লেখা কোনো প্ৰাক্তন সভাপতিৰ মত সভাৰ মত হ'ব নোৱাৰে। উক্ত ৰচনাই সভাৰ ভাবমূৰ্ত্তি ম্লান কৰিছে-নেকি এই সম্পৰ্কে বিচাৰ কৰিবলৈ আৰু যদি কৰিছে সেই বিষয়ে ব্যৱস্থা লবলৈ কোনো আইনজ্ঞৰ সহায় লোৱা উচিত বুলি সভাই মত প্ৰকাশ কৰে।

৭। প্ৰধান সম্পাদকে জনায় যে নিয়মাৱলী অনুসৰি নিয়মাৱলী সংশোধনী প্ৰস্তাৱ ৩১।৭।৭৯ তাৰিখৰ আগতে পঠিয়াবলৈ অনুৰোধ জনাই দিয়া বিজ্ঞপ্তিৰ সঁহাৰি জনাই শাখা সভা আৰু সদস্য সকলে পঠোৱা সংশোধনী প্ৰস্তাৱ যথা সময়ত শাখা সভা সমূহলৈ মতামতৰ বাবে প্ৰেৰণ কৰা হৈছিল। এনেভাৱে পোৱা মতসমূহ জুকিয়াই উত্থাপন কৰিবৰ বাবে কাৰ্য-নিৰ্বাহক সমিতিয়ে শ্ৰীনগেন শইকীয়া, শ্ৰীযতীন গোস্বামী, শ্ৰীপদুম ভট্টাচাৰ্য আৰু ড° পৰীক্ষিত হাজৰিকাক ভাৰ দিছিল।

৮। সভাপতিয়ে শ্ৰীনগেন শইকীয়াক নিয়মাৱলী সংশোধনী প্ৰস্তাৱসমূহ উত্থাপন কৰিবলৈ অনুৰোধ জনায়। শ্ৰীশইকীয়াই সংশোধনীসমূহ উত্থাপন কৰে।

৯। বিষয় বাছনি সভাই তলত দিয়া সংশোধনীসমূহ গ্ৰহণ কৰে।

(১) ছেদ : ৭ম ॥ আঞ্চলিক সন্মিলন ॥ আঞ্চলিক সন্মিলনৰ সলনি 'জিলা সাহিত্য পৰিষদ' হ'ব লাগে। ইয়াৰ পিচত য'তেই আঞ্চলিক সন্মিলন লিখা আছে, সেই সকলো ঠাইতেই জিলা পৰিষদ হ'ব।

(২) উপবিধি (ক) শাখা সভা সংযোজিত হ'ব। শাখাৰ কাৰ্যকৰী কমিটিৰ ক্ষেত্ৰতো নিয়মাৱলীৰ ৫ম ছেদৰ ২৯ অনুচ্ছেদ প্ৰযোজ্য হ'ব। শাখা সভাৰ বাবে মূল সভাৰ এই নিয়মাৱলীয়েই আহি হ'ব।

(৩) ছেদ : ১২ ॥ বিষয়বাছনী সকল ॥ জুলাই মাহৰ ২১ জুলাইৰ ঠাইত ৩১ জুলাই হ'ব।

১০। (ক) প্ৰধান সম্পাদকে জনায় যে — কাৰ্য নিৰ্বাহক সমিতিয়ে গঠন কৰি দিয়া বিত্তীয় উপবিধি প্ৰণয়ন সমিতিয়ে এখনি বিস্তৃত উপবিধি প্ৰস্তুত কৰি দিছিল। কিন্তু শাখা সমূহলৈ পঠিওৱাৰ সময় উকলি যোৱাত বিষয়বাছনি সভাৰ মতামতৰ বাবে ৰখা হৈছে। সভাই পৰৱৰ্তী কাৰ্য নিৰ্বাহকক বিষয়টো উত্থাপন কৰিবলৈ আৰু অহা বছৰত নিয়মসন্মতভাৱে শাখাৰ মতামত গ্ৰহণ কৰিবলৈ ব্যৱস্থা লবৰ বাবে পৰামৰ্শ দিয়ে।

(খ) প্ৰধান সম্পাদকে শিশুজ্ঞান কোষ প্ৰণয়ন আৰু উপদেষ্টা সমিতিৰ নাম ঘোষণা কৰে। সভাই জ্ঞান-কোষৰ এই সমিতি গঠনৰ কাম শেষ নোহোৱালৈকে ৰখাত সম্মতি জ্ঞাপন কৰে।

১১। প্ৰধান সম্পাদকে জনায় যে — বিভিন্ন শাখা-সভা সমূহৰ পৰা পোৱা সাধাৰণ প্ৰস্তাৱসমূহ জুকিয়াই উত্থাপন কৰিবলৈ পূৰ্বৰ সমিতিখনকে দায়িত্ব দিয়া হৈছে। সভাপতিয়ে শ্ৰীনগেন শইকীয়াক প্ৰস্তাৱসমূহ উত্থাপন কৰিবৰ বাবে অনুৰোধ জনায়।

১২। শ্ৰীনগেন শইকীয়াই প্ৰস্তাৱসমূহ উত্থাপন কৰে। বিষয় বাছনি সভাই বিশেষ আলোচনাৰ পিচত তলত দিয়া প্ৰস্তাৱ কেইটা সপ্তচত্বাৰিংশ সন্মিলনৰ মুকলি সভাত উত্থাপন কৰিবৰ বাবে গ্ৰহণ কৰে।

প্ৰথম প্ৰস্তাৱ :

অসম সাহিত্য সভাৰ সপ্তচত্বাৰিংশ সন্মিলনে অসমৰ ভাষা-সংস্কৃতি আৰু অৰ্থ নৈতিক জীৱন বিপন্ন কৰি তোলা বিদেশী অনুপ্ৰবেশকাৰীৰ জ্বলন্ত সমস্যাৰ পটভূমিত অসমৰ ভোটাৰ তালিকাৰ পৰা বিদেশী নাগৰিকৰ নাম বাতিল কৰি, বিদেশী নাগৰিকক তত্তালিকে চিনাক্তকৰণ কৰি বহিষ্কাৰ কৰিবলৈ সদৌ অসম ছাত্ৰসন্থা, সদৌ

অসম গণ-সংগ্ৰাম পৰিষদৰ নেতৃত্বত অসমৰ সকলো স্তৰৰ জনসাধাৰণে দৃঢ়ভাৱে দাবী জনাই কৰি অহা ন্যায়সংগত, শান্তিপূৰ্ণ, অহিংস, অসাম্প্ৰদায়িক আৰু গণতান্ত্ৰিক আন্দোলনৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাই অসম সাহিত্য সভাৰ সপ্তচত্বাৰিংশ সন্মিলনে পুনৰ দাবী কৰে যে — অসমত সোমাই থকা বিদেশী নাগৰিকৰ চিনাক্তকৰণ আৰু বহিষ্কৰণৰ ক্ষেত্ৰত ১৯৫১ চনটোকে অনুসন্ধানৰ সীমাৰেখা ধৰি তত্কালিকে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু এই ব্যৱস্থা সম্পূৰ্ণৰূপে কাৰ্যকৰী নকৰালৈকে অসমৰ যি কোনো নিৰ্বাচন আৰু আগন্তুক লোক পিন্নল বন্ধ কৰিব লাগে।

সভাই তীব্ৰভাৱে ক্ষোভ প্ৰকাশ কৰে, কিয়নো এই সমস্যা সমাধানৰ বাবে ৰাজনৈতিক দলসমূহ আৰু চৰকাৰ নিজে আগবাঢ়ি আহিব লাগিছিল, তাৰ পৰিবৰ্তে, উক্ত সমস্যা সমাধানৰ অৰ্থে অসমৰ ছাত্ৰসকলে নিজৰ শিক্ষা-জীৱনৰ ক্ষতিসাধন কৰিব লগা হৈছে আৰু কেইবাগৰাকীও যুৱ-ছাত্ৰই প্ৰাণ বিসৰ্জন দিয়াৰ উপৰিও অকথনীয় নিৰ্যাতন ভুগিবলগীয়া হোৱাৰ লগতে পুলিচ মিলিটেৰিৰ অত্যাচাৰৰ বলি হৈছে আৰু কাৰাবৰণ কৰিছে। তদুপৰি অসমৰ সকলো স্তৰৰ জনসাধাৰণে অশেষ ত্যাগ স্বীকাৰ কৰিছে আৰু কষ্ট ভুগিছে। সভাই এতিয়াও আশা পোষণ কৰে যে সাংবিধানিক ৰক্ষা কবচ বিচাৰি কৰা শান্তিপূৰ্ণ, গণতান্ত্ৰিক আন্দোলনক ভাৰতীয় গণতন্ত্ৰৰ ৰক্ষাকাৰী কেন্দ্ৰীয় চৰকাৰে শক্তি প্ৰয়োগ আৰু দমন নীতিৰে মষিমূৰ কৰাৰ মনোভাব প্ৰদৰ্শন কৰি অৱহেলিত অসমৰ জনসাধাৰণক বিক্ষুব্ধ আৰু প্ৰৰোচিত কৰি তুলিবলৈ আৰু দাবীৰ ন্যায্যতাৰ ভিত্তিত অসমৰ সমস্যা সমাধানৰ পথ মুকলি ৰাখি দেশৰ প্ৰতি স্পৰ্শকাতৰ আৰু ৰাজনৈতিক দৃষ্টিকোণ আৰু ৰাষ্ট্ৰীয় সম্পদৰ পক্ষৰ পৰা তাত্পৰ্যপূৰ্ণ ভাৱে গুৰুত্বপূৰ্ণ এই অঞ্চলটিৰ জনসাধাৰণৰ ভাষিক, সাংস্কৃতিক, অৰ্থনৈতিক অধিকাৰৰ ৰক্ষণাবেক্ষণ দিবলৈ দাবী জনায়।

সভাই আশ্চৰ্য প্ৰকাশ কৰে যে যিবিলাক ৰাজনৈতিক দলে দলীয় স্বাৰ্থক অগ্ৰাধিকাৰ দি ৰাজ্যখনৰ জাতীয় স্বাৰ্থ বিপন্ন হবলৈ দি আহিছে, সেই ৰাজনৈতিক দলৰ মতামতৰ ওপৰত অনাৱশ্যক গুৰুত্ব আৰোপ কৰি সমূহ জনসাধাৰণৰ ন্যায়সঙ্গত মতামতক অধিক গুৰুত্ব নিদিবলৈ চেষ্টা কৰা হৈছে, যিটো উচিত হোৱা নাই বুলি সভাই মত প্ৰকাশ কৰে।

## দ্বিতীয় প্ৰস্তাৱ :

অসম সাহিত্য সভাই উদ্বেগেৰে লক্ষ্য কৰিছে যে অসমৰ জনসাধাৰণৰ ন্যায্য দাবীক পথভ্ৰষ্ট কৰিবলৈ অসমৰ বাহিৰে-ভিতৰে দৃশ্য-অদৃশ্য ন্যস্তস্বাৰ্থই অবিৰাম অপচেষ্টা কৰি আছে অথচ তেনে শক্তিবোৰৰ বিৰুদ্ধে চৰকাৰে কোনো প্ৰকাৰৰ ব্যৱস্থা গ্ৰহণ নকৰি, বাতৰি কাকতত প্ৰকাশ পোৱা মতে ভাৰতৰ গৃহমন্ত্ৰীয়ে অসমৰ গণ-আন্দোলনৰ মাজত বিচ্ছিন্নতাকামী মনোভাব আৰু বিদেশী শক্তিৰ প্ৰভাৱ পৰা বুলি সংসদত মন্তব্য প্ৰকাশ কৰিছে। অসম সাহিত্য সভাৰ সপ্তচত্বাৰিংশ সন্মিলনে গৃহমন্ত্ৰীৰ এনে অবাঞ্ছনীয় মন্তব্যত আশ্চৰ্য প্ৰকাশ কৰে। অসম সাহিত্য সভাই অসমৰ জনসাধাৰণৰ ন্যায্য, সাংবিধানিক অধিকাৰৰ কথা সোঁৱৰাই দি দৃঢ়ভাৱে দাবী কৰে যে চৰকাৰে যদি অসমত কাম কৰি থকা অশুভ শক্তিৰ অৱস্থিতিৰ সন্ধান পাইছে তেনেহলে তাক স্পষ্টকৈ প্ৰকাশ কৰি তেনে শক্তিবোৰৰ পৰিচয় পোনপটীয়াকৈ দাঙি ধৰিব লাগে আৰু ৰাষ্ট্ৰীয় স্বাৰ্থৰ পৰিপন্থী এনে শক্তিবোৰৰ বিৰুদ্ধে যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

## তৃতীয় প্ৰস্তাৱ :

অসম সাহিত্য সভাৰ সপ্তচত্বাৰিংশ সন্মিলনে সমগ্ৰ ভাৰতবৰ্ষৰ জনসাধাৰণক অসমীয়াৰ প্ৰকৃত সমস্যা উপলব্ধি কৰিবলৈ আহ্বান জনায় কয় যে—যি সমস্যা



ৰাষ্ট্ৰীয়সমস্যা স্বৰূপে গ্ৰহণ কৰি সাংবিধানিক সমাধানৰ অৰ্থে সমগ্ৰ ভাৰতবৰ্ষৰ জনসাধাৰণে দাবী কৰিব লাগিছিল, সেই দাবীত অসমৰ জনসাধাৰণে অকলশৰীয়াকৈ আন্দোলন কৰিব লগীয়া হৈছে। সভাই আশা প্ৰকাশ কৰে, পশ্চিমবঙ্গৰ কাকত আৰু ৰাজনৈতিক নেতাসকলে অসমৰ আন্দোলন সম্পৰ্কে প্ৰচাৰ কৰা বিকৃত বিৱৰণৰ প্ৰকৃত স্বৰূপ জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে ভাৰতবৰ্ষৰ জনসাধাৰণে বুজি পাব আৰু অসমৰ জনসাধাৰণৰ দাবীক সমগ্ৰ ভাৰতবাসীৰ দাবীত পৰিণত কৰিবলৈ আগবাঢ়ি আহিব।

## চতুৰ্থ প্ৰস্তাৱ :

অসম সাহিত্য সভাৰ সপ্তচত্বাৰিংশ সন্মিলনে অসমৰ বিভিন্ন থলুৱা জনগোষ্ঠী, চাহবাগিচা আৰু বিভিন্ন ধৰ্মৰ জনসাধাৰণক যি কোনো প্ৰকাৰৰ বিচ্ছেদকামী শক্তিৰ প্ৰতি সতৰ্ক হৈ থাকিবলৈ আৰু ঐক্যবদ্ধভাৱে অসমৰ সাংস্কৃতিক আৰু অৰ্থনৈতিক বিকাশৰ অৰ্থে কাম কৰিবলৈ আহ্বান জনায়। এই সম্পৰ্কত অসম সাহিত্য সভাই কোনো প্ৰকাৰৰ সাম্প্ৰদায়িক সংকীৰ্ণতাক কেতিয়াও প্ৰশ্ৰয় দিয়া নাই, নিদিয়ে।

## পঞ্চম প্ৰস্তাৱ :

অসম সাহিত্য সভাৰ সপ্তচত্বাৰিংশ সন্মিলনে প্ৰস্তাৱ কৰে যে অসম সাহিত্য সভাই ১৯৭৩ চনতে গ্ৰহণ কৰা অসমৰ থলুৱা ভাষা-সংস্কৃতিৰ উদ্ধাৰ আৰু উন্নয়নৰ প্ৰাথমিক আঁচনি কাৰ্যকৰী কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হওক। লগতে সভাই অসমৰ থলুৱা জনগোষ্ঠীৰ ভাষা-সাহিত্যৰ অনুষ্ঠান সমূহৰ লগত আন্তৰিক সম্পৰ্ক গঢ়ি তুলিবৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈও সিদ্ধান্ত গ্ৰহণ কৰে।

## ষষ্ঠ প্ৰস্তাৱ :

অসম সাহিত্য সভাৰ সপ্তচত্বাৰিংশ সন্মিলনে দাবী কৰে যে অসমৰ জনসাধাৰণৰ স্বাৰ্থৰক্ষা কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে ভাৰতৰ সংবিধানৰ ৭ম অনুসূচীৰ ৮১ অনুচ্ছেদ অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

## সপ্তম প্ৰস্তাৱ :

অসমৰ জনজীৱন, জন-সংহতি আৰু জন-সংস্কৃতিৰ গণতান্ত্ৰিক বিকাশৰ বাবে নিস্বাৰ্থ সেৱা আগবঢ়াব পৰাকৈ এদল আশাশুধীয়া, সক্ষম, আদৰ্শবাদী আৰু নৱকৰ্ম কৰ্মী স্থায়ীভাৱে নিযুক্ত কৰাৰ প্ৰয়োজন অসম সাহিত্য সভাই অনুভৱ কৰিছে। এই প্ৰয়োজন বৰ্তমান অস্তিত্ব ৰক্ষাৰ সংগ্ৰামে বঢ়িয়াকৈ তুলি ধৰিছে। এই কথা অসমৰ সকলো শ্ৰেণীৰ ৰাইজে ইতিমধ্যে উপলব্ধি কৰিছে। অবিৰামভাৱে কৰা গঠনমূলক কামৰ দ্বাৰাহে এটা সবল আধুনিক গতিশীল অসমীয়া জাতি গঠন কৰিব পৰা হ'ব। এই উদ্দেশ্য সাধনৰ বাবে ১০ লাখ টকাৰ সবল আৰ্থিক পুঁজি তুলি তাক ন্যাসলৈ ৰূপান্তৰিত কৰিবৰ বাবে সভাৰ সপ্তচত্বাৰিংশ অধিৱেশনে আজি সিদ্ধান্ত লয়।

## অষ্টম প্ৰস্তাৱ :

অসমৰ সাম্প্ৰতিক গণ-আন্দোলনৰ সম্পৰ্কত পশ্চিমবঙ্গৰ এচাম লোকে চলোৱা হিংসাত্মক কাৰ্যৰ অসম সাহিত্য সভাই তীব্ৰ নিন্দা কৰে আৰু এনে কাৰ্যৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক দাবী জনায়। সভাই অসমৰ জনসাধাৰণক এনে ঘটনাত প্ৰৰোচিত নহবলৈ সনিৰ্বন্ধ অনুৰোধ জনায়।

**নৱম প্ৰস্তাৱ :**

অসম সাহিত্য সভাই অসমত থকা অন্যান্য ভাৰতীয় আঞ্চলিক ভাষাৰ মাধ্যমৰ বিদ্যালয়সমূহত অসমীয়া মাধ্যম প্ৰবৰ্তন কৰিবলৈ সংশ্লিষ্ট ভাষা-ভাষীসকলক অনুৰোধ জনায়। সভাই অনুভৱ কৰে যে ইয়াৰ দ্বাৰা অসমৰ বিভিন্ন ভাষা-ভাষীৰ মাজত ঐক্য আৰু সংহতি দৃঢ় হৈ উঠিব। লগতে নতুনকৈ তেনে মাধ্যমৰ বিদ্যালয় গঢ়ি উঠাত উৎসাহ নিদিবলৈ চৰকাৰক দাবী জনায়।

**দশম প্ৰস্তাৱ :**

(ক) যোৱা ১৮ জানুৱাৰীৰ দিনা অসমৰ অন্যতম তৈল-নগৰী দুলীয়াজানৰ উদ্যোগিক অঞ্চলৰ প্ৰধান প্ৰবেশ-দ্বাৰৰ সন্মুখত অসমৰ সাম্প্ৰতিক গণ-আন্দোলনৰ পৰিপ্ৰেক্ষিতত সমবেত হোৱা শান্তিপূৰ্ণ গণসমাবেশৰ ওপৰত জাতীয় চৰকাৰৰ পুলিচ বাহিনীয়ে বৰ্বৰোচিত ভাৱে গুলিচালনা কৰি ইংৰাজ চৰকাৰৰ দিনত সংঘটিত হোৱা ঐতিহাসিক জালিয়ানাবাগৰ হত্যাকাণ্ডকো চেৰ পেলালে।

স্বাধীন ভাৰতৰ গণতান্ত্ৰিক চৰকাৰৰ নিৰ্মম দমন নীতিৰ স্বাক্ষৰ বহন কৰা অসমৰ সংগ্ৰামী ৰাইজৰ গণতান্ত্ৰিক আন্দোলনৰ যুগমীয়া স্মৃতি বিজৰিত উল্লেখিত ঠাইত স্থায়ী স্মৃতি ৰক্ষাৰ অৰ্থে আশুব্যৱস্থা গ্ৰহণ কৰিবলৈ অসম সাহিত্য সভাৰ বহা অধিবেশনে সংশ্লিষ্ট মহলৰ ওচৰত অনুৰোধ জনায়। এই প্ৰবেশদ্বাৰৰ সংৰক্ষণ কৰাৰ ক্ষেত্ৰত আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ অইল ইণ্ডিয়া লিমিটেডৰ কৰ্তৃপক্ষ আৰু উল্লিখিত ঘটনা সংক্ৰান্তত নিহত আৰু আহত লোকসকলক ভৰণ-পোষণ দিয়াৰ ব্যৱস্থা কৰিবলৈ আজিৰ অধিৱেশনে ৰাজ্য চৰকাৰৰ ওচৰত দাবী জনায়।

(খ) অসমৰ দুলীয়াজানৰ হত্যাকাণ্ডৰ লগত জৰিত চৰকাৰৰ বিষয়া সকল আৰু উক্তৰ কামৰূপৰ নিৰীহ জনসাধাৰণৰ ওপৰত নিলৰ্জ্জ আৰু বৰ্বৰ অত্যাচাৰৰ লগত জৰিত সামৰিক বাহিনী তথা অন্যান্য সংশ্লিষ্ট বিষয়া সকলৰ কাৰ্যৰ এটা উচ্চস্তৰৰ তদন্ত কৰি দোষী বিষয়া-সকলক যথোচিত শাস্তি বিহিবলৈ অসম সাহিত্য সভাই দাবী জনায়।

১৩। প্ৰধান সম্পাদকে জনায় যে অসম সাহিত্য সভাৰ অষ্টচত্বাৰিংশ সন্মিলন ১২ খন শাখা সভাই নিজৰ অঞ্চলৈ নিমন্ত্ৰণ কৰিছে। শাখা সভা সমূহ হ'ল :— বিহপুৰীয়া, তিনিচুকীয়া, ডুমডুমা, নাহৰকটীয়া, ডিব্ৰুগড়, মৰিগাওঁ, লক্ষীমপুৰ, পাঠশালা, কোকৰাঝাৰ, কাছাৰৰ হৈ নাহৰকটীয়া।

অষ্টচত্বাৰিংশ সন্মিলনৰ স্থান নিৰ্ণয় কৰিবলৈ তলত নাম দিয়া লোকসকলেৰে এখন সমিতি গঠন কৰি দিয়া হয় — শ্ৰীৰজনীকান্ত দেৱশৰ্মা, শ্ৰীনৰেণ শৰ্মা আৰু শ্ৰীঅৰুণ গোস্বামী।

উক্ত সমিতিয়ে দিয়া প্ৰতিবেদনৰ ভিত্তিত তিনিচুকীয়া সাহিত্য সভাৰ নিমন্ত্ৰণগ্ৰহণ কৰা হয়।

১৪। সভাপতিয়ে কাৰ্য-নিৰ্বাহক সমিতিৰ হৈ পদত্যাগ কৰে। সভাই নতুন কাৰ্য-নিৰ্বাহক সমিতি গঠন নোহোৱা পৰ্যন্ত কাৰ্যভাৰ চলাই যাবলৈ দায়িত্ব দিয়া।

১৫। সভাপতিয়ে ১৯৮০—৮১ চনৰ বাবে নিয়মাৱলী অনুসৰি সভাৰ কাৰ্য-নিৰ্বাহক সমিতি গঠন কৰিবৰ কাৰণে সদস্য সকলক আহ্বান জনায়। কাৰ্য-নিৰ্বাহক সমিতি গঠনৰ নিৰ্বাচন পৰিচালনা কৰিবৰ বাবে শ্ৰীঅতুলানন্দ গোস্বামীক সভাই নিৰ্বাচনী বিষয়া মনোনীত কৰে।

১৬। তলত নাম দিয়া সকল বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা বুলি নিৰ্বাচনী বিষয়াই ঘোষণা কৰে :—

১) শ্ৰীপ্ৰকাশ গোস্বামী—সহকাৰী সম্পাদক, যোৰহাট।



২) শ্ৰীমহেশচন্দ্ৰ ভট্টাচাৰ্য— ভাষাজ্ঞান পৰীক্ষা সংসদৰ সচিব, যোৰহাট।

১৭। তলত দিয়াৰ দৰে নাম প্ৰস্তাৱিত হয় :—

১। উপসভাপতি : শ্ৰীধৰ্মকান্ত গোহাঁই, শ্ৰীলীলা গগৈ, শ্ৰীহৰেশ্বৰ গোস্বামী

২। প্ৰধান সম্পাদক : শ্ৰীধৰ্মেশ্বৰ কটকী, শ্ৰীযতীন গোস্বামী, শ্ৰীনগেন শইকীয়া

৩। সহকাৰী সম্পাদক (যোৰহাট) : শ্ৰীপ্ৰকাশ গোস্বামী

৪। সহকাৰী সম্পাদক (গুৱাহাটী) : শ্ৰীসতীশচন্দ্ৰ চৌধুৰী, শ্ৰীৰমেশ কলিতা, শ্ৰীভাৰতচন্দ্ৰ গোস্বামী

৫। পত্ৰিকা সম্পাদক : শ্ৰীকনকচন্দ্ৰ শৰ্মা, শ্ৰীকিৰণচন্দ্ৰ শৰ্মা, ড° পৰীক্ষিত হাজৰিকা, শ্ৰীপ্ৰফুল্লপ্ৰাণ মহন্ত, শ্ৰীলোকনাথ ভড়ালী, শ্ৰীহেৰম্ব বৰদলৈ।

৬। ভাষাজ্ঞান পৰীক্ষা সংসদৰ সচিব : শ্ৰীমহেশচন্দ্ৰ ভট্টাচাৰ্য

৭। কোষাধ্যক্ষ : শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য (ডিব্ৰুগড়), শ্ৰীদুৰ্গেশ্বৰ শৰ্মা (গুৱাহাটী)

৮। সদস্য : (কামৰূপ জিলা) অনিল কুমাৰ, কনকচন্দ্ৰ ডেকা, এম, ইলিয়ুদ্দিন দেৱান, কুমাৰ কিশোৰ, খগেন ৰায়ন, দ্বিজেন্দ্ৰনাৰায়ণ গোস্বামী, নগেন ৰায়, নিৰোদ বৰা, পৰমানন্দ গোস্বামী, পদ্মনীল শৰ্মা, পীয়াৰ আলি, প্ৰভাত চন্দ্ৰ শৰ্মা, প্ৰেমমতী দাস, বীৰেন্দ্ৰ কুমাৰ পাটোৱাৰী, ভুৱন মোহন মহন্ত, শ্ৰীমান চক্ৰৱৰ্তী, সতীশ চন্দ্ৰ দাস, সৰ্বেশ্বৰ তালুকদাৰ, সুশীল কুৰ্মী।

(কাছাৰ জিলা)—নবীন শৰ্মা (গড়েৰবন্দ)

(কাৰ্বি আংলং)—জৰ্নেল ৰংহাং, অমৃত নাৰায়ণ পাটগিৰী, উমেশচন্দ্ৰ ভাগৱতী।

(গোৱালপাৰা জিলা)—চিত্তৰঞ্জন চৌধুৰী, দিবিকান্ত ৰায়, বসন্ত কুমাৰ শৰ্মা, ভৱানী প্ৰসাদ অধিকাৰী, সখিয়া ৰায়।

(ডিব্ৰুগড় জিলা) — খগেন্দ্ৰনাথ চেতিয়া ফুকন, ডিম্ব ৰাজকোঁৱৰ, থানেশ্বৰ বৰা, ধীৰেন শৰ্মা, ফটিক বৰুৱা, ভদ্ৰকৃষ্ণ গোস্বামী, ৰঞ্জিতকুমাৰ তাঁতি, ৰাম গোস্বামী, হিতেন শৰ্মা।

(দৰং জিলা)—ইন্দ্ৰকান্ত বৰা, ইন্দ্ৰপ্ৰসাদ শইকীয়া, খৰ্গেশ্বৰ বৰা, গজেন্দ্ৰনাথ চহৰীয়া, ললিতচন্দ্ৰ বৰুৱা।

(নগাওঁ জিলা) — গণেশ ৰাজখোৱা, গৌৰীকান্ত কাকতি, বুদ্ধীন্দ্ৰ কুমাৰ বৰুৱা, মুস্তাফা খহীদুল ইচলাম।

(লক্ষীমপুৰ জিলা — চন্দ্ৰকান্ত শৰ্মা, হীৰেন পাঠক, সুপ্ৰভা মেধি।

(মিজোৰাং)— প্ৰবীন দাস

(শিৱসাগৰ জিলা) — আনন্দ শৰ্মা, খগেন্দ্ৰনাথ ফুকন, বিনোদ ফুকন, লীলাকান্ত মহন্ত, শৰৎচন্দ্ৰ দত্ত।

১৮। নিৰ্বাচনী বিষয়াই আৱশ্যকীয় নিৰ্বাচনী পত্ৰ, (বেলট পেপাৰ) আদি প্ৰস্তুত কৰি শ্ৰীকুতুবুদ্দিন আহমেদ, শ্ৰীদিলীপ ফুকন, শ্ৰীমহেশচন্দ্ৰ ভট্টাচাৰ্য, শ্ৰীবসন্ত গোস্বামী আৰু শ্ৰীভৱ গোস্বামীৰ সহযোগত নিৰ্বাচনৰ কাম সম্পন্ন কৰে।

১৯। নিৰ্বাচনী বিষয়াই নিৰ্বাচনৰ ফলাফল তলত দিয়াৰ দৰে ২৩।৩।৮০ তাৰিখে ঘোষণা কৰে—

১। উপসভাপতি—শ্ৰীলীলা গগৈ, ২। প্ৰধান সম্পাদক—শ্ৰীনগেন শইকীয়া, ৩। কোষাধ্যক্ষ — শ্ৰীপ্ৰফুল্ল ভট্টাচাৰ্য, ৪। সহকাৰী সম্পাদক (যোৰহাট)—শ্ৰীপ্ৰকাশ গোস্বামী, (বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত) ৫। সহকাৰী সম্পাদক (গুৱাহাটী)—শ্ৰীসতীশচন্দ্ৰ চৌধুৰী, ৬ পত্ৰিকা সম্পাদক— ড° পৰীক্ষিত হাজৰিকা, ৭। ভাষাজ্ঞান পৰীক্ষা সংসদৰ সচিব — শ্ৰীমহেশ চন্দ্ৰ ভট্টাচাৰ্য (বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত)।

৮-১৬ লৈ সদস্য : শ্ৰীনবীন শৰ্মা, শ্ৰীজৰ্নেল ৰংহাং, শ্ৰীকুমাৰ কিশোৰ, শ্ৰীপ্ৰবীন দাস, শ্ৰীমতী সুপ্ৰভা মেধি, শ্ৰীগজেন্দ্ৰনাথ চহৰীয়া, শ্ৰীগৌৰীকান্ত কাকতি, শ্ৰীবুদ্ধীন্দ্ৰ কুমাৰ বৰুৱা, শ্ৰীভদ্ৰকৃষ্ণ গোস্বামী।

(১৭—২১ লৈ নতুন কাৰ্য-নিৰ্বাহক সমিতিয়ে মনোনীত কৰি লয়)।

২০। সভাপতিয়ে ১৯৮০-৮১ চনৰ কাৰ্য-নিৰ্বাহক সমিতিৰ সদস্যসকলক আৰু সভাৰ সপ্তচত্বাৰিংশ সন্মিলনৰ প্ৰতিনিধিসকলক ধন্যবাদ জ্ঞাপন কৰে।

২১। প্ৰধান সম্পাদকে সভাপতি প্ৰমুখ্যে কাৰ্য-নিৰ্বাহকৰ সদস্যসকল, সপ্তচত্বাৰিংশ সন্মিলনৰ প্ৰতিনিধি সকল আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি প্ৰমুখ্যে সকলোকে অসম সাহিত্য সভাৰ হৈ ধন্যবাদ জ্ঞাপন কৰে।

প্ৰতিনিধিসকলৰ পক্ষৰ পৰা শ্ৰীহেৰম্ব বৰদলৈয়ে সভাপতি প্ৰমুখ্যে কাৰ্য-নিৰ্বাহক সমিতিৰ সদস্যসকলক যোৱা বছৰটো কামকাজ পৰিচালনা কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

২২। সভাপতিয়ে সপ্তচত্বাৰিংশ সন্মিলনৰ বিষয়-বাছনি সভাৰ সামৰণি ঘোষণা কৰে।

স্বাঃ—শ্ৰীলীলা গগৈ
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

স্বাঃ—শ্ৰীঅতুলচন্দ্ৰ বৰুৱা
সভাপতি,
অসম সাহিত্য সভা

২৩।৩।৮০, ৰহা ( নগাঁও )

---

অসম সাহিত্য সভা
কাৰ্যনিৰ্বাহক সমিতিৰ প্ৰথম বৈঠক
ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়
২৪।৩।৮০

উপস্থিত সদস্যসকল : শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীঅতুল চন্দ্ৰ বৰুৱা, শ্ৰীৰজনীকান্ত দেৱ শৰ্মা, শ্ৰীনগেন শইকীয়া, শ্ৰীলীলা গগৈ, শ্ৰীকুমাৰ কিশোৰ, শ্ৰীনাৰায়ণ শৰ্মা, শ্ৰীসতীশচন্দ্ৰ চৌধুৰী, শ্ৰীজৰ্মেল ৰংহাং, শ্ৰীনগেন ৰায়, শ্ৰীনিৰিকান্ত ৰায়, শ্ৰীভৃগুৰাম দাস, শ্ৰীচিত্তৰঞ্জন চৌধুৰী, এম, ইলিয়ুদ্দিন দেৱান, শ্ৰীগৌৰীকান্ত কাকতি, শ্ৰীমতী সুপ্ৰভা মেধি, ড° নিশিপদ চৌধুৰী, ড° পৰীক্ষিত হাজৰিকা, শ্ৰীসুৰীন্দ্ৰ কুমাৰ বৰুৱা, শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য, শ্ৰীনবীন শৰ্মা, শ্ৰীঅমল ৰাজখোৱা, শ্ৰীপ্ৰকাশ গোস্বামী, শ্ৰীপ্ৰবীন দাস।

১। বিদায়ী প্ৰধান সম্পাদক শ্ৰীলীলা গগৈয়ে জনায় যে অসম সাহিত্য সভাৰ নিয়মাৱলী অনুসৰি এই বৈঠক আহ্বান কৰা হৈছে।

বিদায়ী প্ৰধান সম্পাদক শ্ৰীগগৈয়ে নৱ-নিৰ্বাচিত সভাপতি শ্ৰীযতীন্দ্ৰনাথ গোস্বামীক সমিতিৰ বৈঠক পৰিচালনা কৰিবলৈ আহ্বান জনায়।

২। সভাপতি শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে সভাপতিৰ আসন গ্ৰহণ কৰি সকলো সদস্যলৈকে সম্ভাষণ জ্ঞাপন কৰে আৰু বছৰটোৰ কামকাজত সৰ্বতোপ্ৰকাৰে সহায় আৰু সহযোগ কামনা কৰে।

৩। বিদায়ী প্ৰধান সম্পাদক শ্ৰীলীলা গগৈয়ে বিদায়ী সভাপতি, নৱ-নিৰ্বাচিত প্ৰধান সম্পাদক প্ৰমুখ্যে নতুনকৈ উপস্থিত সদস্য সকলৰ পৰিচয় কৰাই দিয়ে।

৪। প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়াই বিদায়ী সভাপতি আৰু প্ৰধান সম্পাদক প্ৰমুখ্যে সদস্যসকলক কৃতজ্ঞতা জনাই সকলো সদস্যৰে সহযোগিতা বাঞ্ছা কৰে আৰু নৱনিৰ্বাচিত সদস্যসকলক ওলগ জ্ঞাপন কৰি পৰামৰ্শ আগবঢ়ায় যে—

(১) এই বৈঠকে সভাৰ নিয়মাৱলী অনুসৰি চাৰিজন সদস্যক মনোনীত কৰি লব লাগে আৰু মনোনীত কৰোঁতে অসমৰ বিভিন্ন অঞ্চল আৰু জনগোষ্ঠীৰ প্ৰতিনিধিত্বৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। এই সম্পৰ্কত প্ৰধান সম্পাদকে পৰামৰ্শ দিয়ে যে — শ্ৰীসুশীল কুৰ্মী, শ্ৰীঅম্বিকাচৰণ চৌধুৰী... শ্ৰীঅম্বিকাচৰণ চৰকাৰ, এম, ইলিয়ুদ্দিন দেৱান আৰু শ্ৰীৰাম গোস্বামী ( গুৱাহাটী ) ৰ নাম বিবেচনা কৰিব পাৰি।

(২) তদুপৰি, প্ৰয়োজন অনুসৰি বিভিন্ন স্থানৰ কেইগৰাকীমান ব্যক্তি বিশেষভাৱে নিমন্ত্ৰণ কৰাৰ বাবে সমিতিয়ে অনুমতি দিব লাগে।

(৩) ১।৪।৮০ৰ পৰা সভাৰ সাধাৰণ পুঁজি পৰিচালনাৰ বাবে প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়া আৰু কোষাধ্যক্ষ শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্যক আৰু সভাৰ অন্যান্য পুঁজি পৰিচালনাৰ বাবে প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়াক দায়িত্ব দিব লাগে।

(৪) গুৱাহাটী কাৰ্যালয়ৰ সহকাৰী সম্পাদক স্বৰূপে নিযুক্ত শ্ৰীসতীশ চৌধুৰী গুৱাহাটীৰ পৰা দূৰত থকাৰ সময়ত হ'ব পৰা অসুবিধা সম্পৰ্কে কি কৰিব পাৰি আলোচনা কৰি চাব লাগে।

(৫) ভাষা-শিক্ষা শ্ৰেণী, প্ৰচাৰ গোট, আইন উপদেষ্টা গোট, লক্ষ্মীৰাম বৰুৱা সদন নিৰ্মাণ সমিতি আৰু ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণ সমিতিক নতুন উপসমিতি গঠন নকৰা পৰ্যন্ত কাৰ্য নিৰ্বাহ কৰি যাবলৈ অনুমোদন জনাব লাগে।

৫। বিদায়ী সভাপতি শ্ৰীঅতুলচন্দ্ৰ বৰুৱা, কাৰ্য-নিৰ্বাহক সদস্য শ্ৰীকুমাৰ কিশোৰ, শ্ৰীবুদ্ধীশ্বকুমাৰ বৰুৱা, শ্ৰীসতীশচন্দ্ৰ চৌধুৰী, শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য, বিদায়ী প্ৰধান সম্পাদক শ্ৰীনীল। গৰ্গৈয়ে পৰামৰ্শ আগবঢ়ায়।

৬। সমিতিয়ে সৰ্বসন্মতিক্ৰমে তলত দিয়া প্ৰস্তাৱ কেইটি গ্ৰহণ কৰে :—

(ক) অসম সাহিত্য সভাৰ ১৯৮০-৮১ বছৰৰ বাবে গঠিত কাৰ্য-নিৰ্বাহক সমিতিয়ে অসম সাহিত্য সভাৰ সপ্তচত্বাৰিংশ সন্মিলনৰ অভ্যৰ্থনা সমিতিক, এই সন্মিলন সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে লোৱা প্ৰয়োজনীয় ব্যৱস্থাৰ বাবে আন্তৰিক শলাগ জ্ঞাপন কৰে।

(খ) অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে প্ৰস্তাৱ কৰে যে অসম সাহিত্য সভাৰ যোৰহাটৰ আৰু গুৱাহাটীৰ অসম কো-অপাৰেটিভ এপেক্স বেংকত থকা হিচাপ নং –৭১৬৫, ১২৬৬ আৰু ৯৩৮৪ত থকা সভাৰ সাধাৰণ পুঁজিসমূহ ১৯৮০ চনৰ ১ এপ্ৰিলৰ পৰা অসম সাহিত্য সভাৰ নৱ-নিৰ্বাচিত প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়া আৰু কোষাধ্যক্ষ শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্যৰ যুটীয়া স্বাক্ষৰত পৰিচালিত হ'ব।

(গ) অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ আজিৰ বৈঠকে সিদ্ধান্ত কৰে যে—অসম সাহিত্য সভাৰ নামত (ক) বিভিন্ন বেংক (খ) ডাকঘৰত জমা থকা সকলো স্থায়ী আৰু অস্থায়ী পুঁজিৰ পৰিচালনা ১৯৮০ চনৰ ১ এপ্ৰিলৰ পৰা নৱ-নিৰ্বাচিত প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়াৰ দ্বাৰা পৰিচালিত হ'ব।

(ঘ) অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিৰ আজি ২৪।৩।৮০ তাৰিখৰ বৈঠকে সিদ্ধান্ত কৰে যে—অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে (১) তলত নাম দিয়া ব্যক্তিসকলক মনোনীত কৰা হওক :

শ্ৰীৰাম গোস্বামী (গুৱাহাটী), শ্ৰীঅম্বিকাচৰণ সৰকাৰ, শ্ৰীসুশীল কুমী, এম, ইলিমুদ্দিন দেৱান,
(২) শ্ৰীযুত ইন্দ্ৰেশ্বৰ পেগু, ধুবুৰীৰ নিৰিকান্ত ৰায় আৰু অভ্যৰ্থনা সমিতিৰ সাধাৰণ সম্পাদকক বিশেষভাৱে নিমন্ত্ৰণ কৰা হওক।

(ঙ) অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিয়ে সিদ্ধান্ত কৰে যে গুৱাহাটী আৰু দিচপুৰত চলাই থকা ভাষা-শিক্ষা শ্ৰেণীৰ কাম নতুন উপসমিতি গঠন নকৰালৈকে পুৰণি সমিতিক চলাই যাবলৈ আৰু নৱ-নিৰ্বাচিত সহকাৰী সম্পাদকে দায়িত্ব নোলোৱালৈকে ড° নিশিপদ চৌধুৰীক সেই সমিতিৰ আহ্বায়কৰ দায়িত্ব পালন কৰি যাবলৈ অনুৰোধ কৰা হওক।

(চ) অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিয়ে সিদ্ধান্ত কৰে যে— সভাৰ যোৱা বছৰৰ কাৰ্য-নিৰ্বাহক সমিতিয়ে গুৱাহাটীত গঠন কৰা প্ৰচাৰ গোট, আইন উপদেষ্টা গোট আৰু লক্ষ্মীৰাম বৰুৱা সদন নিৰ্মাণ সমিতি আৰু যোৰহাটৰ ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণ সমিতিক নতুন উপ-সমিতি গঠন নকৰালৈকে দায়িত্ব পালন কৰি যাবলৈ অনুৰোধ কৰা হওক।

৭) সভাপতিয়ে সকলো সদস্যকে সভাৰ কাম-কাজত পূৰ্ণ সহায়-সহযোগ কৰিবলৈ আহ্বান জনায়।

৮) নৱ-নিৰ্বাচিত প্ৰধান সম্পাদকে অভ্যৰ্থনা সমিতিক বহা অধিবেশন সফল ভাৱে সম্পন্ন কৰিব পৰাকৈ সমস্ত-পৰ সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে ধন্যবাদ জনায়।



৯) অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীদুলাল চন্দ্ৰ বৰুৱা আৰু কাৰ্যকৰী সভাপতি শ্ৰীধৰ্ম সিংহ ডেকাই প্ৰতি ধন্যবাদ জ্ঞাপন কৰে আৰু অভ্যৰ্থনাত থাকি যাব পৰা সকলো ক্ৰুটি-বিচ্যুতি মৰিষণ কৰিবলৈ গোহাৰি জনায়।

১০) সভাপতিয়ে কাৰ্য-নিৰ্বাহক সমিতিৰ বৈঠকৰ সামৰণি ঘোষণা কৰে।

স্বাঃ শ্ৰীনগেন শইকীয়া
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা।

স্বাঃ শ্ৰীযতীন্দ্ৰনাথ গোস্বামী
সভাপতি
২৪।৩।৮০

—

## সাম্প্ৰতিক গণ-আন্দোলনৰ ঘটনা-পঞ্জী

অসম তথা ভাৰতবৰ্ষৰ পৰা অবৈধভাৱে প্ৰৱেশ কৰি থিতাপি লোৱা বিদেশী নাগৰিকক বহিষ্কাৰ কৰা সন্দৰ্ভত অসমবাসীয়ে বহু বছৰ আগৰ পৰাই মাত মাতি আহিছে। ১৯৭৩ চনৰ ৯ অক্টোবৰত তেতিয়াৰ 'সদৌ অসম ছাত্ৰ সন্থা'ৰ সভাপতি শ্ৰীপুলকেশ বৰুৱা আৰু সাধাৰণ সম্পাদক শ্ৰীপ্ৰসন্ন নাৰায়ণ চৌধুৰীয়ে ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীক গুৱাহাটীৰ চাৰ্কিট হাউছত লগ ধৰি অন্যান্য দাবীৰ লগতে বিদেশী নাগৰিকৰ সমস্যাটোকো দাঙি ধৰিছিল। ১৯৭৪ চনতো সদৌ অসম ছাত্ৰ সন্থাই মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহৰ হাতত এই সমস্যা উল্লেখ কৰি স্মাৰক-পত্ৰ দিছিল। কিন্তু তাৰ একো ফল নধৰিলে। ১৯৭৮ চনত মঙ্গলদৈ লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে খচৰা ভোটাৰ তালিকা প্ৰস্তুত কৰোঁতে বহু হাজাৰ বিদেশী লোকৰ ভিতৰত ৪৫,০০০ হাজাৰ বিদেশীক চিনাক্ত কৰি উলিওৱা হয় যদিও ৰাজনৈতিক চক্ৰান্তত সিবিলাকক দৰাচলতে বহিষ্কাৰ কৰা নহ'ল। গতিকে অসমৰ বাইজে আন্দোলনৰ পথ লব লগা হ'ল। আচলতে সদৌ অসম ছাত্ৰ সন্থাইহে সাম্প্ৰতিক অসমৰ গণ-আন্দোলনৰ দুৱাৰ মুকলি কৰে। এই সংক্ৰান্তৰ ঘটনাৱলী তলত দাঙি ধৰা হ'ল।

**১৯৭৮ চন :**

আগষ্ট ৮ — প্ৰত্যেক জিলাৰ মুখ্য প্ৰশাসনীয় কাৰ্যালয় সমূহত পিকেটিং কৰা হয়।

আগষ্ট ১২, ১৩, ১৪ — সত্যাগ্ৰহ।

আগষ্ট ২১ — অনশন।

চেপ্তেম্বৰ ২২ — অসম বন্ধ।

অক্টোবৰ ৮, ৯, ১০ — সত্যাগ্ৰহ।

ডিচেম্বৰ ১১ — ১৩ ঘণ্টা জোৰা অসম বন্ধ।

ডিচেম্বৰ ২১ — সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্য নিৰ্বাহকৰ আমৰণ অনশন।

ডিচেম্বৰ ২৩ — অসম চৰকাৰৰ লগত আলোচনা। অসম চৰকাৰে এই প্ৰসঙ্গত সময় বিচৰাত সদৌ অসম ছাত্ৰ সন্থাই প্ৰয়োজনীয় সময় দিয়ে কিন্তু উক্ত সময়ৰ ভিতৰত চৰকাৰৰ দ্বাৰা ফলপ্ৰসূ কাম নোহোৱাত ছাত্ৰ সন্থাই পুনৰ আন্দোলনৰ পথ লবলৈ বাধ্য হয়।

**১৯৭৯ চন :**

জুন ৮ — বিদেশী নাগৰিকৰ বহিষ্কাৰৰ দাবীত ১২ ঘণ্টা জোৰা অসম বন্ধ পালন।

জুন ১০ — ৰাজ্য জুৰি 'সংহতি দিৱস' পালন।

জুন ১৫ — বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্যমন্ত্ৰী শ্ৰীসমৰেন্দ্ৰ কুণ্ডুৰ হাতত বিদেশী-সমস্যা সমাধানৰ অৰ্থে 'অসম যুৱক সমাজ'ৰ স্মাৰক-পত্ৰ প্ৰদান।




জুন ২১ — ভোটাৰ তালিকাৰ পৰা বিদেশী নাগৰিকৰ নাম বাতিল আৰু সিবিলাকক বহিষ্কাৰ কৰাৰ দাবীত সদৌ অসম ছাত্ৰ সন্থাৰ সৰ্বজাতী দলে দিল্লীত নিৰ্বাচনী আয়ুক্তক স্মাৰক-পত্ৰ দিয়ে।

আগষ্ট ১২ — সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্য-নিৰ্বাহকে আগন্তুক স্বাধীনতা দিৱসত চৰকাৰী কাৰ্য-সূচী বৰ্জনৰ সিদ্ধান্ত লয়।

আগষ্ট ১৫ — স্বাধীনতা দিৱসৰ চৰকাৰী কাৰ্যসূচী ৰাজহুৱা ভাৱে বৰ্জন কৰা হয়।

আগষ্ট ২৫,২৬ — ডিব্ৰুগড় হনুমান বক্স সুৰেকা কানৈ মহাবিদ্যালয়ত বহা সদৌ অসম ছাত্ৰ সন্থাৰ সৌজন্যত 'সদৌ অসম গণ-সংগ্ৰাম পৰিষদ' গঠিত হয়।

চেপ্তেম্বৰ ৬,৭ — প্ৰশাসনীয় কাৰ্যালয়ৰ সন্মুখত গণ-অৱস্থান ধৰ্মঘট।

চেপ্তেম্বৰ ১০ — তাৰিখৰ পৰা গণ-সত্যাগ্ৰহ।

চেপ্তেম্বৰ ১২, ১৩, ১৪ — অত্যাৱশ্যকীয় সেৱা সমূহক বাদ দি সকলো কাৰ্যালয়ৰ সন্মুখত গণ-পিকেটিং।

চেপ্তেম্বৰ ১৫ — অনিৰ্দিষ্ট কাললৈ ৰাজ্য জুৰি গণ-সত্যাগ্ৰহ।

চেপ্তেম্বৰ ২৫ — জিলা আৰু মহকুমাৰ সদৰ কাৰ্যালয়বোৰত গণ-সমাবেশ হয়।

চেপ্তেম্বৰ ২৬ ৰ পৰা অক্টোবৰ ৯ তাৰিখলৈ গণ-স্বাক্ষৰ অভিযান, অনশন ধৰ্মঘট চলে।

অক্টোবৰ ১০ — এই তাৰিখে যোৰহাটত বহা অসম সাহিত্য সভাৰ ১৯৭৯-৮০ চনৰ কাৰ্য-নিৰ্বাহক সমিতিৰ দ্বিতীয় বৈঠকত অসমৰ সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি অসম সাহিত্য সভাৰ কৰ্ম-পৰিষদ গঠিত হয়। সভাই অসমত চলি থকা অৰাজনৈতিক, অসাম্প্ৰদায়িক, অহিংস আৰু গণতান্ত্ৰিক আন্দোলনৰ প্ৰতি পূৰ্ণ সমৰ্থন আগ বঢ়ায়।

অক্টোবৰ ২২ — সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান-ক্ৰমে দৰং কলেজত বিভিন্ন সংগঠন মিলি বিদেশী নাগৰিকক ভোটাৰ তালিকাৰ পৰা বাদ দি সিবিলাকক ভাৰতৰ পৰা বাহিৰ কৰিবলৈ আহ্বান জনায়।

অক্টোবৰ ২৮ — অসম সাহিত্য সভাৰ এটি সৰ্বজাতী দলে মুখ্যমন্ত্ৰী শ্ৰীযোগেন্দ্ৰ নাথ হাজৰিকাক লগ ধৰি অসমৰ সাম্প্ৰতিক পৰিস্থিতিৰ সন্দৰ্ভত সাহিত্য সভাৰ অভিমত দাঙি ধৰে আৰু এখন স্মাৰক-পত্ৰ দিয়ে।

অক্টোবৰ ৩০ — অসমৰ জনমতক উপেক্ষা কৰি লোকসভাৰ নিৰ্বাচন পাতিবলৈ সিদ্ধান্ত লোৱা বাবে অসম সাহিত্য সভাই প্ৰতিবাদ দিৱস পালন কৰে।

নৱেম্বৰ ১ — কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীএইচ-এম-পটেল গুৱাহাটী আৰু শিলঙলৈ উত্তৰ-পূৰ্বাঞ্চলৰ পৰিস্থিতিৰ বুজ লবলৈ আহে।

নৱেম্বৰ ৩ — নতুন ভোটাৰ তালিকা সম্পৰ্কে অভিযোগ দাখিলৰ সময়।

নৱেম্বৰ ৫ — অসম সাহিত্য সভাৰ সভাপতি শ্ৰীঅতুলচন্দ্ৰ বৰুৱাৰ নেতৃত্বত এটি সৰ্বজাতী দলে নতুন দিল্লীত ৰাষ্ট্ৰপতি শ্ৰীনীলম সঞ্জীৱ ৰেড্ডীক এখন স্মাৰক-পত্ৰ দিয়ে আৰু শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত নকৰা পৰ্যন্ত আৰু অবৈধভাৱে প্ৰৱেশ কৰা বিদেশী নাগৰিকক বহিষ্কাৰ নকৰা পৰ্যন্ত অসমত নিৰ্বাচন পাতিবলৈ লোৱা সিদ্ধান্তত হস্তক্ষেপ কৰিবলৈ অনুৰোধ কৰে।

নৱেম্বৰ ৬ — গুৱাহাটীৰ জজ খেল-পথাৰত সদৌ অসম ভিত্তিত বিৰাট গণ-সমাবেশ অনুষ্ঠিত হয়।

নৱেম্বৰ ৯ — এই তাৰিখৰ পৰা অনিৰ্দিষ্ট কাললৈ

গণ-সত্যাগ্ৰহ আৰম্ভ হয়।

নৱেম্বৰ ১২—১৭ :— এই সময় ছোৱাত ব্যাপক গণ-আন্দোলন হয়। অসমৰ পৰা বিদেশী নাগৰিক বহিস্কাৰ কৰা আন্দোলনত ৰাইজে বিপুল সঁহাৰি জনায়। দিল্লীত ১৭ নৱেম্বৰ তাৰিখে অসমীয়া ছাত্ৰ সমাজে এক সমদল উলিয়ায় আৰু মুখ্য নিৰ্বাচনী আয়ুক্ত শ্ৰীএছ-এল, শাকধেৰৰ ওচৰত স্মাৰক-পত্ৰ প্ৰদান কৰে।

নৱেম্বৰ ১৮, ১৯ — গণ-পিকেটিং।

নৱেম্বৰ ২২, ২৩, ২৪, ২৫, ২৬, ২৭, ২৮ — পুনৰ গণ-পিকেটিং চলে।

ডিচেম্বৰ ৩, ৪ — পুৱা ৬ বজাৰ পৰা পিছদিনা আবেলি ৪ বজালৈ অসম বন্ধ পালন।

ডিচেম্বৰ ৫ ৰ পৰা ৮ তাৰিখলৈ পিকেটিং চলে। নিৰ্বাচনত মনোনয়ন-পত্ৰ দাখিল কৰিব খোজা প্ৰাৰ্থীসকলক ঘেৰাও কৰা হয়।

ডিচেম্বৰ ১০ — পুৱা ৬ বজাৰ পৰা আবেলি ৫ বজালৈকে সমগ্ৰ অসমতে বন্ধ পালন কৰা হয়। পুৱা বেগম আবিদা আহমদক বৰপেটালৈ মনোনয়ন-পত্ৰ দাখিল কৰিবলৈ যাওঁতে শান্তিপূৰ্ণ ভাৱে বাধা দিয়া সন্দৰ্ভত পুলিচৰ হাতত ছাত্ৰ-নেতা খৰ্গেশ্বৰ তালুকদাৰৰ মৃত্যু হয়। শ্ৰীমতী আহমদক সহায় কৰিছিল ডি-আই-জি পিল্লে।

ডিচেম্বৰ ১১ — বেগম আবিদা আহমদৰ মনোনয়ন-পত্ৰ নাকচ হয়।

ডিচেম্বৰ ১২ — পোন প্ৰথম বাৰৰ বাবে অসমত ৰাষ্ট্ৰপতিৰ শাসন প্ৰবৰ্ত্তন কৰা হয় আৰু অসম বিধান সভা নিষ্ক্ৰিয় কৰি ৰখা হয়।

ডিচেম্বৰ ১৮ — অসমৰ জাতীয় স্বাৰ্থ ৰক্ষাৰ হকে সমগ্ৰ ৰাজ্য জুৰি 'মৃত্যু সংকল্প দিৱস' পালন কৰা হয়।

ডিচেম্বৰ ১৯, ২০ — অসহযোগ আন্দোলন।

ডিচেম্বৰ ২৭, ২৮, ২৯ — সম্পূৰ্ণ অসহযোগ আন্দোলন। ২৭ ডিচেম্বৰৰ পৰা অসমৰ তৈলক্ষেত্ৰ সমূহত অনিৰ্দিষ্ট কালৰ বাবে পিকেটিং আৰম্ভ।

১৯৮০ চন :

জানুৱাৰী ১, ২, ৩ — ৫৮ ঘণ্টা জোৰা অসম বন্ধ পালন। ৩ জানুৱাৰী তাৰিখে কিছুমান সমাজ বিৰোধী লোকৰ হাতত ছাত্ৰ-স্বেচ্ছাসেৱক দিলীপ হুজুৰীৰ প্ৰাণ নাশ।

জানুৱাৰী ৯, ১০, ১১ ১২ — উত্তৰ কামৰূপৰ কেবাখনো গাঁৱত সামৰিক বাহিনীৰ দ্বাৰা জন-সাধাৰণৰ ওপৰত নৃশংস অত্যাচাৰ, নাৰী-ধৰ্ষণ আৰু বলাৎকাৰ।

জানুৱাৰী ১৭ — সদৌ অসম ভিত্তিত 'অত্যাচাৰ বিৰোধী দিৱস' পালন কৰা হয়। বালিতাৰা, বাগানপাৰা, শান্তিপুৰ আৰু আন আন গাঁৱৰ ওপৰত পাইকাৰী জৰিমনা লগোৱা হয়।

জানুৱাৰী ১৮ — দুলীয়াজানত B. S. F. আৰু C. R. P. য়ে শান্তিপূৰ্ণ পিকেটিংকাৰীৰ ওলিয়াই কুমুদ গগৈ, অজিত নেওগ, নৃপেন হৰা আৰু নগেন ডেকাক হত্যা কৰে আৰু অসংখ্য লোকক জখম কৰে। অইল ইণ্ডিয়াৰ টেকনিকেল মেনেজাৰ ড° ৰবি মিত্ৰক দুৰ্বৃত্তই বধ কৰে।

জানুৱাৰী ২১— 'ক'লা দিৱস' পালন কৰা হয়।

জানুৱাৰী ২৫— আন্দোলনত ক্ষতিগ্ৰস্তলোক সকলৰ সাহায্যৰ উদ্দেশ্যে পতাকা দিৱস' পালন কৰা হয় আৰু ৰাইজৰ মাজত ৫০ পইচা মূল্যৰ পতাকা বিক্ৰী কৰা হয়।



জানুৱাৰী ২৬—ৰাইজে চৰকাৰী কাৰ্য-সূচী বৰ্জন কৰি ছাত্ৰ সন্থাৰ স্বকীয় কাৰ্য-সূচীৰে 'গণৰাজ্য দিৱস' পালন কৰে।

ফেব্ৰুৱাৰী ১,২—গণ-অনশন ধৰ্মঘট পালন।

ফেব্ৰুৱাৰী ৩—দুলীয়াজানত নিহত শ্বহীদসকলৰ স্মৃতিত আদ্যশ্ৰাদ্ধ পতা হয়।

ফেব্ৰুৱাৰী ১-৪ :— নতুন দিল্লীত সদৌ অসম ছাত্ৰ-সন্থাৰ নেতৃবৃন্দই প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীৰ সৈতে অসমৰ পৰা বিদেশী-বহিষ্কাৰ কৰা সম্পৰ্কে আলোচনা কৰে। ছাত্ৰ-সন্থাৰ তৰফৰ পৰা ১২৯ পৃষ্ঠা জোৰা এখন গুৰুত্বপূৰ্ণ স্মাৰক-পত্ৰ প্ৰধানমন্ত্ৰীক দিয়া হয়।

ফেব্ৰুৱাৰী ২১-২৪ :— গুৱাহাটীত গৃহমন্ত্ৰী জৈইল সিঙৰ লগত সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ আলোচনা চলে। গৃহমন্ত্ৰীয়ে ১৯৭১ চনকে বিদেশী বহিষ্কাৰৰ সময়-সীমা ধাৰ্য কৰাত আন্দোলনৰ নেতৃবৃন্দই তাক প্ৰত্যাখ্যান কৰে।

মাৰ্চ ১— অসমৰ সমস্যা সম্পৰ্কে নতুন দিল্লীত সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ নেতাসকলৰ সৈতে প্ৰধানমন্ত্ৰীৰ আলোচনা।

মাৰ্চ ৩,৪,৭—গণ-পিকেটিং

মাৰ্চ ৬— নতুন দিল্লীত প্ৰধানমন্ত্ৰীৰ সৈতে ছাত্ৰ-সন্থাৰ পুনৰ আলোচনা হয়; কিন্তু আলোচনাত ছাত্ৰ সন্থাই দাবী কৰা মতে ১৯৫১ চন আৰু কেন্দ্ৰীয় চৰকাৰে আগ-বঢ়োৱা মতে ১৯৭১ চন লৈ মতভেদ ঘটে।

মাৰ্চ ১০— গণ-সংগ্ৰাম পৰিষদ আৰু ছাত্ৰসন্থাই যুটীয়াভাৱে নতুন দিল্লীত গৃহমন্ত্ৰীৰ সৈতে আলোচনা কৰে; আলোচনা বিফল হয়।

মাৰ্চ ২৫,২৬,২৭,২৮—ডিব্ৰুগড় বিশ্ববিদ্যালয়ত উত্তৰ-পূৰ্বাঞ্চল ছাত্ৰসন্থাৰ প্ৰথম বাৰ্ষিক অধিবেশন অনুষ্ঠিত হয়। ২৬ মাৰ্চত পুৱা ৬ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ 'অসম-বন্ধ' পালন কৰা হয়। ২৭ মাৰ্চত নলবাৰীত গণ-সমাবেশ। ২৮ মাৰ্চত জিলাৰ সদৰ ঠাইবোৰত শোভাযাত্ৰা আৰু ৰাজহুৱা সভা। ডিব্ৰুগড়ত কেন্দ্ৰীয়ভাৱে ছাত্ৰ-সন্থাৰ আহ্বানত গণ-সমাবেশ।

এপ্ৰিল ৩—আজিৰ পৰা ১০ এপ্ৰিললৈ সমগ্ৰ অসমতে লাখ লাখ জনতাই গণ-সত্যাগ্ৰহ পালন কৰে। ৫ এপ্ৰিলত ৰাজ্যপালে উত্তৰ কাছাৰ জিলাক বাদ দি সমগ্ৰ অসমক অশান্ত অঞ্চল বুলি ঘোষণা কৰে। ৬ এপ্ৰিল তাৰিখে ৰাষ্ট্ৰপতিয়ে 'অত্যাৱশ্যকীয় সেৱা ৰক্ষা ( অসম ) অধ্যাদেশ' আৰু 'অসম ভূমি হস্তান্তৰ ( ৰেগুলেচন ) অধ্যাদেশ ১৯৮০'ত চহী কৰে। ৭ এপ্ৰিল তাৰিখে ইঞ্জিনিয়াৰ শ্ৰীইন্দ্ৰজিৎ বৰুৱাই অসমক অশান্ত অঞ্চল হিচাপে ঘোষণা কৰাৰ বৈধতা সম্পৰ্কে উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰাত ন্যায়াধীশ শ্ৰীবানোৱাৰীলাল হানছাৰিয়াই 'অসম অশান্ত অঞ্চল ( ১৯৫৫ )' আৰু 'সৈন্যবাহিনীৰ বিশেষ ক্ষমতা আইন ( ১৯৫৮ )' শীৰ্ষক অধিসূচনা জাৰিৰ প্ৰক্ৰিয়া সাময়িকভাৱে স্থগিত ৰাখে।

এপ্ৰিল ১২— প্ৰধানমন্ত্ৰীৰ একদিনীয়া অসম ভ্ৰমণ। ছাত্ৰসন্থা আৰু গণ-সংগ্ৰাম পৰিষদৰ সৈতে প্ৰধানমন্ত্ৰীৰ বিফল আলোচনা।

এপ্ৰিল ১৯—নিবাৰক নিৰোধ আইন বলবৎ কৰা হয়। ৰাতিপুৱা ৫ বজাত গুৱাহাটীত

বলবৎ কৰা সান্ধ্য-আইন লাখ লাখ জনতাই অমান্য কৰে; চৰকাৰে ইয়াক উঠাই লয়। আন্দোলনৰ ভালে কেইজন নেতা আৰু নাৰেঙ্গীত পিকেটিং কৰা বহুতো লোকক গ্ৰেপ্তাৰ কৰে। পুলিচে লাঠি চলায়।

এপ্ৰিল ২০—নাৰেঙ্গী তৈলক্ষেত্ৰৰ বিষয়া আৰু কৰ্মীৰ অসহযোগ। নাৰেঙ্গী তৈলক্ষেত্ৰত সান্ধ্য আইন ঘোষণা। চান্দমাৰীত অৱস্থান ধৰ্মঘট। ডুমুৰীয়াজানত ৪৮ ঘণ্টাৰ বাবে বন্ধ পালন কৰা হয়।

এপ্ৰিল ২১— চান্দমাৰী চাৰিআলিত পুলিচৰ লাঠি চালনা আৰু কন্দুৱা গেছ প্ৰয়োগত ১৫০ জনৰো অধিক সত্যাগ্ৰহী গুৰুতৰভাৱে আহত হয়।

এপ্ৰিল ২২,২৬— চৰকাৰী আৰু অৰ্দ্ধ-চৰকাৰী কাৰ্যালয় সমূহৰ আগত পিকেটিং।

এপ্ৰিল ২৮ — 'ৰণধ্বনি'ৰ চাকৰিয়ালসকলৰ অসহযোগ।

এপ্ৰিল ২৯,৩০— চাইকেলেৰে শোভাযাত্ৰা কৰি আন্দোলনৰ প্ৰচাৰ অভিযান।

মে ১,২— 'শান্তি-সম্প্ৰীতি দিৱস' পালন। সাৰ্বধৰ্ম প্ৰাৰ্থনা সভা পতা হয়। হাতত 'সংকল্প-শিখা' লৈ শদিয়াৰ পৰা ধুবুৰীলৈকে সহযোগী দৌৰ।

মে ৫— ক'লা বেজ পৰিধান আৰু স্বেচ্ছাৰে কাৰাবৰণ। কামপুৰত পুলিচৰ গুলি চালনা।

মে ৯— আন্দোলনৰ প্ৰকৃত উদ্দেশ্য প্ৰচাৰৰ বাবে ভাৰতৰ বিভিন্ন ঠাইলৈ প্ৰতিনিধি পঠোৱাৰ সিদ্ধান্ত। কাৰবি আংলঙত ১২ ঘণ্টা জোৰা বন্ধ পালন।



মে ১০— আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত স্বেচ্ছাসেৱক বাহিনী গঠনৰ সিদ্ধান্ত।

মে ১৩— চৰকাৰৰ দমন-নীতিৰ বিৰুদ্ধে 'প্ৰতিবাদ দিৱস' পালন। আকাশবাণীৰ এক পক্ষীয় অনুষ্ঠান শুনিবলৈ ৰাইজলৈ আহ্বান।

মে ১৪— কৰ্মচাৰী নিৰ্যাতন বিৰোধী দিৱস পালন।

মে ১৫— মুক্তিযুদ্ধাক সকলৰ তাম্ৰপত্ৰ প্ৰত্যাৰ্পণ। আন্দোলনৰ নেতৃবৃন্দই কেন্দ্ৰীয় চৰকাৰক বিদেশী চিনাক্তকৰণৰ এটি সিদ্ধান্ত জনাবলৈ দিয়া চৰম-পত্ৰৰ ম্যাদৰ শেষ দিন।

মে ১৬— সন্মিয়া জোৰ-বস্তি লৈ শোভাযাত্ৰা।

মে ১৯,২০—বন-বিভাগীয় বিষয়া, উপপতি সমাহৰ্ত্তা, উত্তৰ-পূৰ্ব ৰেলৱেৰ জেনেৰেল মেনেজাৰ আৰু সমেগুল আভিযান্ত্ৰিক বিষয়াৰ কাৰ্যালয় ঘেৰাও কাৰ্যসূচী সফলভাৱে সমাপ্ত হয়।

মে ২৪-২৯—অসহযোগ কাৰ্য-সূচী। আকাশবাণীৰ দিনে-ৰাতি পিকেটিং। ২৬ মে তাৰিখে নৱকান্ত সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থাৰ আহ্বানত আন্দোলন-বিৰোধী দিৱস পালন কৰোঁতে অসমৰ নানা ঠাইত সংখ্যালঘুৰ উচৰনিত অশান্তি সৃষ্টি হয়, পুলিচে গুলি চলাব লগীয়া হয়। ২৬-২৯ মেৰ ভিতৰত অগ্নি সংযোগ, জখম, ভীতি-প্ৰদৰ্শন আদি ঘটি ৫০ জনৰো অধিক লোক নিহত হয়। কেইবা ঠাইতো সান্ধ্য আইন বলবৎ কৰা হয়।

মে ৩০—জুন ৫—সমন্বয় সপ্তাহ পালনৰ সিদ্ধান্ত।

( সংগ্ৰাহক—শ্ৰীধৃগেন্দ্ৰনাথ চেতিয়াৰ )

# অসম সাহিত্য সভাৰ প্ৰকাশন

( বৰ্তমান মজুত থকা পুথি )

| | |
|---|---|
| ১। আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী | ৫০.০০ |
| ২। চন্দ্ৰধৰ বৰুৱা গ্ৰন্থাৱলী | ৪০.০০ |
| ৩। দুৰ্গেশ্বৰ শৰ্মা ৰচনাৱলী | ২৫.০০ |
| ৪। কালিৰাম মেধি ৰচনাৱলী | ২৫.০০ |
| ৫। ভাষণাৱলী (৪ৰ্থ খণ্ড) | ২০.০০ |
| ৬। ষ্টাডিজ ইন দি বৈষ্ণৱ লিটাৰেচাৰ এণ্ড কালচাৰ অৱ আচাম | ২০.০০ |
| ৭। অসম সাহিত্য সভাৰ ৰূপৰেখা | ১৬.০০ |
| ৮। মুকলদৈ মঙলদৈ | ১৫.০০ |
| ৯। গোৱালপৰীয়া লোকগীত | ২৫.০০ |
| ১০। কামৰূপী লোকগীত | ২৫.০০ |
| ১১। প্ৰবন্ধ সংকলন | ১৫.০০ |
| ১২। নলিনীবালা দেৱী | ১৫.০০ |
| ১৩। কালিৰাম মেধি স্মৃতিমাল্য | ১২.০০ |
| ১৪। আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ | ১২.০০ |
| ১৫। অসমীয়া লোকগীতি সংগ্ৰহ | ১২.০০ |
| ১৬। আনন্দৰাম ঢেকিয়াল ফুকন প্ৰি অৱ আচাম এণ্ড আচামীজ | ১২.০০ |
| ১৭। নাগালেণ্ড | ১০.০০ |
| ১৮। অসমীয়া গল্পগুচ্ছ | ১০.০০ |
| ১৯। বেজবৰুৱাৰ প্ৰবন্ধ-বাছনি | ১০.০০ |
| ২০। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা | ১০.০০ |
| ২১। চিনু লখিমী | ১০.০০ |
| ২২। লংকাকাণ্ড ৰামায়ণ | ১০.০০ |
| ২৩। ডেভেলপমেণ্ট অৱ স্ক্ৰিপ্ট ইন এনচিয়েণ্ট কামৰূপ | ১০.০০ |
| ২৪। বেজবৰুৱাৰ দিনলেখা ( ২য় খণ্ড ) | ১০.০০ |
| ২৫। তৰুণৰাম ফুকন স্মৃতিমাল্য | ১০.০০ |
| ২৬। হেম বৰুৱা | ১০.০০ |
| ২৭। চেক্সপীয়েৰ | ১০.০০ |
| ২৮। ৰাভা জনজাতি | ৭.০০ |
| ২৯। অসমীয়া প্ৰাচীন লিপি | ৭.০০ |
| ৩০। ৰাধাকান্ত সন্দিকৈ ভাণ্ডৰীয়া | ৭.০০ |
| ৩১। এ্যাৰিষ্টটলৰ কাব্যজিজ্ঞাসা | ৬.০০ |
| ৩২। বেজবৰুৱাৰ চিত্ৰলেখা | ৬.০০ |
| ৩৩। টলষ্টয় | ৬.০০ |
| ৩৪। ভিতাৰৰ সৌৰৱণ | ৬.০০ |
| ৩৫। পৰমাচাৰ্য পণ্ডিত হেম চন্দ্ৰ গোস্বামী | ৬.০০ |
| ৩৬। হিতেশ্বৰ বৰবৰুৱাৰ স্মৃতিমাল্য | ৬.০০ |
| ৩৭। অসম সাহিত্য সভাৰ সুৱৰণী | ৬.০০ |
| ৩৮। অসম সাহিত্য সভাৰ ইতিবৃত্ত | ৬.০০ |
| ৩৯। সাহিত্যৰথী চন্দ্ৰধৰ বৰুৱা | ৫.৫০ |
| ৪০। জগন্নাথ বৰুৱা | ৫.০০ |
| ৪১। তিৱা সম্প্ৰদায় | ৫.০০ |
| ৪২। এনেলচ অৱ আচাম সাহিত্য সভা | ৫.০০ |
| ৪৩। স্নেহৰ অৰুণাচল | ৫.০০ |
| ৪৪। শতাব্দীৰ অৰ্ঘ্য | ৫.০০ |
| ৪৫। চিকিৎসা বিজ্ঞানৰ ইতিহাস | ৫.০০ |
| ৪৬। চেম্বুৰেল জনচনৰ জীৱনী | ৫.০০ |
| ৪৭। চুটি গল্প | ৫.০০ |
| ৪৮। গাৰো সংস্কৃতিৰ ৰূপৰেখা | ৫.০০ |
| ৪৯। অধ্যয়ন চক্ৰ | ৫.০০ |
| ৫০। সোণোৱালৰ সাধু | ৫.০০ |
| ৫১। দেউৰী চুতীয়া | ৪.০০ |
| ৫২। কাৰ্বি জনগোষ্ঠী | ৪.০০ |
| ৫৩। ভাৰতৰ স্বাধীনতা আন্দোলনৰ ৰূপৰেখা | ৪.০০ |
| ৫৪। ডিমাছা | ৪.০০ |
| ৫৫। আউটলুক অন নেফা | ৪.০০ |
| ৫৬। অসম সাহিত্য সভা বাৰ্ষিকী, বজিয়া | ৪.০০ |
| ৫৭। চুক্তি আৰু চুক্তিবাদ | ৪.০০ |
| ৫৮। ধ্বনি আৰু ৰসতত্ত্ব | ৪.০০ |
| ৫৯। ৰাভা সাধু | ৪.০০ |
| ৬০। শিশুধৰ্মীয় সাধু | ৪.০০ |
| ৬১। বড়ো সাধু | ৪.০০ |

| | | | | | |
|---|---|---|---|---|---|
| ৬২। | অসম সাহিত্য সভা পত্ৰিকা প্ৰবন্ধপঞ্জী | ৪·০০ | ৯১। | কাৰ্যালয়ৰ হাত-পুথি | ৩·০০ |
| ৬৩। | ৰাতৰিৰ বিভূতি | ৪·০০ | ৯২। | নৱমী | ২·৫০ |
| ৬৪। | অসমৰ বনৌষধি | ৪·০০ | ৯৩। | চাহ বগুৱাৰ মাজত প্ৰচলিত সাধু | ২·০০ |
| ৬৫। | নিবেদন | ৪·০০ | ৯৪। | নৃতত্ত্বৰ চমু আভাস | ২·৫০ |
| ৬৬। | প্ৰাথমিক অসমীয়া সাহিত্য চয়ন | ৪·০০ | ৯৫। | মিচিং সাধু | ২·৫০ |
| ৬৭। | অসমীয়া সংগীতৰ ঐতিহ্য | ৩·৫০ | ৯৬। | শাখাসভাৰ পৰিচয় | ২·৫০ |
| ৬৮। | ৰাসায়নিক আৱিষ্কাৰ আৰু আমি | ৩·৫০ | ৯৭। | সাগৰৰ কথা | ২·৫০ |
| ৬৯। | অসমৰ খনিজ সম্পদ | ৩·৫০ | ৯৮। | বৌদ্ধ জাতকৰ সাধু | ২·০০ |
| ৭০। | মহাপণ্ডিত ৰাহুল সাংকৃত্যায়ন | ৩·৫০ | ৯৯। | আপ্ কি অসমীয়া | ২·০০ |
| ৭১। | বহিম ৰূপবানৰ সাধু | ৩·৫০ | ১০০। | আণ্টামগাৰী অসমীয়াকো স্কিয়ানি | ২·০০ |
| ৭২। | জীৱনী | ৩·০০ | ১০১। | অসমীয়া লা বড়ো হানে অসমীয়া | ২·০০ |
| ৭৩। | ৰিলিজিয়ন অৱ লভ এণ্ড ডিভ'চন | ৩·০০ | ১০২। | শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা | ২·০০ |
| ৭৪। | মুদ্ৰাৰাক্ষস | ৩·০০ | ১০৩। | নীলাচল পাঠ | ২·০০ |
| ৭৫। | কৰ্পূৰমঞ্জৰী | ৩·০০ | ১০৪। | কৰমপূজা আৰু ঝুমুৰ গীত | ২·০০ |
| ৭৬। | অসম সাহিত্য সভা বাৰ্ষিকী : বৰপেটা | ৩·০০ | ১০৫। | সভাপতিৰ অভিভাষণ : ড° নেওগ | ২·০০ |
| ৭৭। | ,, ,, ,, ,, : ধিং | ৩·০০ | ১০৬। | ম'পিন উছৱ | ২·০০ |
| ৭৮। | ,, ,, ,, ,, : মাকুম | ৩·০০ | ১০৭। | অসম সাহিত্য সভাৰ প্ৰকাশনৰ বৰ্ণনামূলক তালিকা | ১·৫০ |
| ৭৯। | ,, ,, ,, ,, : তেজপুৰ | ৩·০০ | | | |
| ৮০। | লিপি সমস্যা | ৩·০০ | ১০৮। | অসম সাহিত্য সভা পৰিচিতি | ১·৫০ |
| ৮১। | টাই ভাষা | ৩·০০ | ১০৯। | চন্দ্ৰধৰ বৰুৱা মানুহজন | ০·৫০ |
| ৮২। | প্লেটো | ৩·০০ | ১১০। | লক্ষ্মীনাথ বেজবৰুৱা | ০·৫০ |
| ৮৩। | বগুৱাৰ সাংস্কৃতিক জীৱনত এভুমুকি | ৩·০০ | ১১১। | বেজবৰুৱাৰ বাণী | ০·৫০ |
| ৮৪। | তৰুণৰাম ফুকন | ৩·০০ | ১১২। | ৰঘুনাথ চৌধাৰী ৰচনাৱলী | ৩০·০০ |
| ৮৫। | চাহৰ কথা | ৩·০০ | ১১৩। | মৌ মহাভাৰত | ১০·০০ |
| ৮৬। | কাৰবি সাধু | ৩·০০ | ১১৪। | শ্ৰীহস্ত মুক্তাৱলী | ২৫·০০ |
| ৮৭। | কামেং সীমান্তৰ সাধু | ৩·০০ | ১১৫। | মোৰ জীৱন যাত্ৰাৰ কথা | ৩·০০ |
| ৮৮। | দেউৰী সাধু | ৩·০০ | ১১৬। | আছাম এণ্ড দি আছামীজ মাইণ্ড | ১০·০০ |
| ৮৯। | অভিলেখ | ৩·০০ | ১১৭। | বাগ্মীবৰ নীলমণি ফুকন | ১০·০০ |
| ৯০। | কিম্বদন্তীৰ সাধু | ৩·০০ | | | |

## প্ৰাপ্তি স্থান ঃ

(ক) কেন্দ্ৰীয় কাৰ্যালয় :
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট—৭৮৫০০১, ফোন ৩৭৬

(খ) গুৱাহাটী কাৰ্যালয় :
ভগৱতী প্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী—৭৮১০০১, ফোন—২৪৭৭৬